প্ৰবন্ধ বৰ্ণালী

গিৰি[illegible]ৰ্মা স্মাৰক বক্তৃতামাল[illegible]ৰ্বাচিত প্ৰবন্ধ সংকলন

(তৃতীয় [illegible]

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়
গুৱাহাটী-৭৮১০১৬

প্ৰবন্ধ বৰ্ণালী

গিৰিধৰ শৰ্মা স্মাৰক বক্তৃতামালাৰ নিৰ্বাচিত প্ৰবন্ধ সংকলন
(তৃতীয় খণ্ড)

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়
গুৱাহাটী-৭৮১০১৬

'**PRABONDHA BARNALI- III**', a collection of selected lectures in Assamese and English delivered by some eminent litterateurs on the occasion of the Giridhar Sarma Memorial Lecture, Published by Dr. Arcchana Puzari, convener, Arya Vidyapeeth college Publication cell Arya Vidyapeeth College Guwahati-781016

প্ৰকাশক

আৰ্য্য বিদ্যাপীঠ কলেজ প্ৰকাশন কোষ, গুৱাহাটী - ৭৮১০১৬

প্ৰথম প্ৰকাশ

মাৰ্চ, ২০১৫

মূল্য ঃ ৮০ টকা

মুদ্ৰণ

পেচিফিক্ লেজাৰ প্ৰিণ্টচ্, গণেশগুৰি, গুৱাহাটী-৭৮১০০৬

জন্ম ঃ ৩০ জুলাই, ১৯১২ চন
মৃত্যু ঃ ১০ মে', ১৯৭৮ চন

উপদেষ্টা

ড° শৈবাল সেনগুপ্ত

সম্পাদনা সমিতি

ড° অর্চনা পূজাৰী, আহ্বায়ক

ড° মনোজ কুমাৰ মহন্ত, সদস্য

ড° মৌচুমী দত্ত পাঠক, সদস্য

অধ্যাপিকা চম্পা পাটগিৰী, সদস্য

অধ্যাপিকা অনুপমা দেৱী, সদস্য

ড° পংকজজ্যোতি গগৈ, সদস্য

আমাৰ কথা

আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয় বুলিলে এগৰাকী বহুমুখী ব্যক্তিত্ব সম্পন্ন ব্যক্তিৰ নাম মনলৈ আহে। তেখেত হ'ল প্ৰয়াত গিৰিধৰ শৰ্মা। এইজন মহান ব্যক্তিৰ অহোপুৰুষাৰ্থ চেষ্টা, ত্যাগ আৰু লগতে এই অঞ্চলৰ কিছুমান দূৰদৰ্শী ব্যক্তিৰ দান-বৰঙণিৰ সহায়ত ১৯৫৮ চনৰ ২৯ জুলাই তাৰিখে এটা শুভ মুহূৰ্তত আৰ্য্য বিদ্যাপীঠ শিক্ষানুষ্ঠানৰ জন্ম হৈছিল। বৰ্তমান সময়ৰ অসমৰ এখন আগশাৰীৰ এই ঐতিহ্যমণ্ডিত কলেজখনৰ প্ৰতিষ্ঠাতা অধ্যক্ষ প্ৰয়াত গিৰিধৰ শৰ্মা দেবৰ পুণ্য স্মৃতিত ১৯৭৮ চনৰ পৰাই আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ শিক্ষক গোটে প্ৰতিবছৰে এখনি স্মাৰক বক্তৃতামালাৰ আয়োজন কৰি আহিছে। এই বাৰ্ষিক বক্তৃতা অনুষ্ঠানত 'গিৰিধৰ শৰ্মা স্মাৰক বক্তৃতা' হিচাপে আয়োজন কৰা হয়। 'গিৰিধৰ শৰ্মা স্মাৰক বক্তৃতা' অনুষ্ঠানলৈ এতিয়ালৈকে অসমৰ সাহিত্য, সংস্কৃতি, বিজ্ঞান আদি দিশত বৰঙণি আগবঢ়োৱা বহুকেইজন বিশিষ্ট ব্যক্তি আমাৰ আমন্ত্ৰণক্ৰমে আহি তেখেতসকলৰ মূল্যবান বক্তৃতা আগবঢ়াইছে।

'গিৰিধৰ শৰ্মা স্মাৰক বক্তৃতা' মালাৰ পৰা নিৰ্ধাৰিত প্ৰবন্ধ হিচাবে এতিয়ালৈ দুটা খণ্ড প্ৰবন্ধ বৰ্ণালী নামেৰে আৰ্যবিদ্যাপীঠ মহাবিদ্যালয় শিক্ষক গোটে ছপা কৰি উলিয়াইছে। এইবাৰৰ প্ৰবন্ধ বৰ্ণালীৰ তৃতীয় খণ্ডটি ছপা কৰাৰ বাবে আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰকাশন কোষক দায়িত্ব অৰ্পণ কৰা হৈছে।

আমাৰ এই প্ৰচেষ্টাত আৰ্য্যবিদ্যাপীঠ কলেজৰ অধ্যক্ষ মহোদয়ে সহায় আগবঢ়াই আহিছে। তেখেতক এই সুযোগতে আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয় শিক্ষক গোটৰ তৰফৰ পৰা অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। ভৱিষ্যতেও যাতে আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয় শিক্ষক গোটৰ এই প্ৰচেষ্টা অটুট থাকে তাৰেই কামনা কৰিছো।

অনাগত দিনত আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰতিস্থাপক অধ্যক্ষ প্ৰয়াত গিৰিধৰ শৰ্মা দেৱৰ এটা পূৰ্ণ ব্ৰঞ্জৰ মূৰ্তি কলেজ চৌহদত প্ৰতিষ্ঠিত হ'লে আমি সুখী হ'ম।

ভৱিষ্যতৰ দিন বিলাকত আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয় শিক্ষক গোটে এই প্ৰচেষ্টা অটুট ৰাখিব বুলি আশা ৰাখিছো। শেষত প্ৰবন্ধ বৰ্ণালীক পাঠক সমাজে আদৰি ল'লে সুখী হ'ম।

ড° ফণী দত্ত
সভাপতি
আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় শিক্ষক গোট
১৫, ডিচেম্বৰ, ২০১৪ চন

পূৰ্বাভাষ

আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ, প্ৰয়াত গিৰিধৰ শৰ্মাদেৱৰ সোঁৱৰণত ১৯৭৮ চনৰ পৰা প্ৰতিবছৰে একোটা বক্তৃতা অনুষ্ঠান অনুষ্ঠিত কৰি অহা হৈছে। অসমৰ জ্ঞানী-গুণী, গৱেষক পণ্ডিতে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ শিক্ষক গোটৰ আমন্ত্ৰণক্ৰমে এই বক্তৃতানুষ্ঠানটিত অংশ গ্ৰহণ কৰি, তেখেতসকলৰ সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰি আমাক বিশেষভাৱে উপকৃত কৰি আহিছে। কিন্তু এনেধৰণৰ বৌদ্ধিক চিন্তা প্ৰসূত বক্তৃতাসমূহ মহাবিদ্যালয়ৰ চাৰিবেৰতে আবদ্ধ নাৰাখি পঢ়ুৱৈ সমাজলৈ আগবঢ়াই দিবৰ বাবে পৰৱৰ্তী সময়ত গ্ৰন্থাকাৰে প্ৰস্তুত কৰি অহা হৈছে। ইতিমধ্যে এই লানি গ্ৰন্থৰ দুটা খণ্ড, 'প্ৰবন্ধ বৰ্ণালী'- প্ৰথম খণ্ড আৰু 'প্ৰবন্ধ বৰ্ণালী'- দ্বিতীয় খণ্ড নামেৰে সংকলিত কৰা হৈছে। এইবাৰ 'প্ৰবন্ধ বৰ্ণালী' তৃতীয় খণ্ডত চাৰিটা প্ৰবন্ধ সন্নিবিষ্ট কৰি পঢ়ুৱৈ সমাজলৈ আগবঢ়াই দিয়া হ'ল।

এইবাৰৰ প্ৰবন্ধ বৰ্ণালীৰ আটাইকেইটা প্ৰবন্ধ বিবিধ বিষয়ব। তাৰে এটা ইংৰাজী ভাষাত ৰচিত আৰু বাকী তিনিটা প্ৰবন্ধ অসমীয়া ভাষাত ৰচিত। প্ৰথম প্ৰবন্ধৰ বিষয় হ'ল— 'বৈজ্ঞানিক মানসিকতা ঃ কি, কিয় আৰু কেনেকৈ ?' এই প্ৰবন্ধটিত বিজ্ঞানী ড° দীনেশ চন্দ্ৰ গোস্বামীদেৱে বৈজ্ঞানিক মানসিকতা কি আৰু এনে মানসিকতাৰ প্ৰয়োজন কিয় আৰু এনে মানসিকতা কেনেকৈ আয়ত্ত কৰিব পাৰি এই বিষয়ে বিশদভাৱে আলোচনা আগবঢ়াইছে দ্বিতীয় বক্তৃতাটিত ড° দেৱব্ৰত শৰ্মাই 'অসমীয়া অভিধানৰ ইতিহাস' সম্পৰ্কে আলোচনা দাঙি ধৰে। তেখেতৰ আলোচনাৰ মাজেৰে এইটো নিশ্চিত হয় যে অসমীয়া অভিধানৰ ইতিহাস হেমকোষৰ অথবা মাইলচ্ ব্ৰনচনৰ খনতে সীমাবদ্ধ নহয়; ই অন্ততঃ ২১৭ বছৰ পুৰণি। তৃতীয় প্ৰবন্ধটি ড° উদয়ন মিশ্ৰই আগবঢ়াইছে তেখেতৰ বিষয় আছিল Assam and the legacy of partition : Caught in the time warp : অৱশ্যে পৰৱৰ্তী সময়ত এইগৰাকী শিক্ষাবিদে তেখেতৰ বক্তৃতাৰ বিষয়বস্তু একে ৰাখি প্ৰবন্ধৰ ৰূপত প্ৰকাশৰ বাবে দিওঁতে নতুন নামকৰণ কৰিলে— Assam and the partition : The politics of Geography চতুৰ্থ প্ৰবন্ধটি হ'ল 'কোলাহলৰ পৰা সুৰ সমলয়লৈ ঃ

এক নতুন কলাৰ সন্ধানত' বক্তা আছিল, গদ্য লেখক ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীদেৱ। নতুন এক দৃষ্টিভংগীৰে দেৱচৌধুৰীয়ে সময়ৰ ক্ষয়ংকৰী পৰিবৰ্তনৰ কিছু কাৰক বিচাৰি পাইছে আৰু সেই ক্ষয়ংকৰী সংঘাত, কোলাহলক এক সৃষ্টিধৰ্মী সুৰ-সমলয়লৈ পৰিবৰ্তন কৰিব পৰাৰ কথা চিন্তা কৰি বক্তব্য আগবঢ়াইছে।

প্ৰবন্ধ সংকলনখনত বিচিত্ৰ বিষয়ে ঠাই পোৱাৰ বাবে এই সংকলনখনৰ নাম 'প্ৰবন্ধ বৰ্ণালী' ৰখা হৈছিল। সেয়ে বিচিত্ৰ চিন্তা, বিচিত্ৰ বিষয়ৰ দিশলৈ লক্ষ্য ৰাখি পৰৱৰ্তী সময়তো সংকলিত গ্ৰন্থখনৰ নামৰ সালসলনি নকৰি, দ্বিতীয় আৰু তৃতীয় খণ্ড ৰূপত প্ৰকাশ কৰা হ'ল।

মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° শৈবাল সেনগুপ্তই তেখেতৰ কাৰ্য্যালয়ত 'প্ৰকাশন কোষ' এটি গঠন কৰি দি গ্ৰন্থাদি প্ৰকাশৰ বাবে বাটটি মুকলি কৰি দিলে। শিক্ষক গোটৰ অনুমতি সাপেক্ষে প্ৰবন্ধ বৰ্ণালীৰ তৃতীয় খণ্ড, প্ৰকাশন কোষৰ তৰফৰ পৰা তেখেতৰ উৎসাহ-উদ্দীপনাৰ বাবেই উলিয়াবলৈ সক্ষম হ'লো। এই সুযোগতে অধ্যক্ষ মহোদয়লৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

পুথিখনে পঢ়ুৱৈৰ সমাদৰ লাভ কৰিব বুলি আশাৰে —

প্ৰকাশন কোষৰ হৈ
অৰ্চনা পূজাৰী
সংকলন সম্পাদিকা, প্ৰবন্ধ বৰ্ণালী

গিৰিধৰ শৰ্মাৰ চমু জীৱনী

১৯১২ চনৰ ৩০ জুলাইত নলবাৰীৰ ওচৰৰ ককয়া গাঁৱত গিৰিধৰ শৰ্মাৰ জন্ম হয়। তেখেতৰ পিতৃৰ নাম আছিল ৰাধানাথ শৰ্মা আৰু মাতৃৰ নাম আছিল দশমপ্ৰিয়া দেৱী। ১৯২০ চনত পিতৃৰ অকাল বিয়োগ হোৱাত বহু কষ্টেৰে নিজকে প্ৰতিষ্ঠা কৰিবলৈ জীৱন সংগ্ৰামত নামিব লগা হয়।

১৯২০ চনত ককয়া নিম্ন প্ৰাথমিক বিদ্যালয়ত স্কুলীয়া শিক্ষা আৰম্ভ কৰি ১৯৩৩ চনত সুখ্যাতিৰে তিনিটা বিষয়ত সন্মানসহ চামতা হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। অৰ্থনৈতিক সংকটৰ বাবে বিভিন্ন ঘাত-প্ৰতিঘাটৰ সন্মুখীন হোৱা শৰ্মা ডাঙৰীয়াই কলেজৰ শিক্ষা গ্ৰহণ কৰিব নোৱাৰি কোমল বয়সতে চাকৰি জীৱনৰ পাতনি মেলে। ১৯৩৩ চনত গন্ধীয়া প্ৰাইমেৰী স্কুলত শিক্ষকতাৰে কৰ্মজীৱনৰ আৰম্ভণি কৰি ১৯৩৯ চনৰ পৰা ১৯৪৯ চনলৈ চৰকাৰী হাইস্কুলৰ শিক্ষকৰূপে নলবাৰী, কহিমা, ধুবুৰী, উত্তৰ লক্ষীমপুৰ আৰু গুৱাহাটীত কাম কৰে। ইয়াৰ মাজতে প্ৰাইভেটকৈ আই এ, বি এ আৰু অসমীয়া বিষয়ত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি এম এ পৰীক্ষাত উত্তীৰ্ণ হয়।

১৯৫০ চনত তেওঁ সন্দিকৈ ছোৱালী কলেজত কিছুদিন অধ্যাপনা কৰি তাৰ পিছতে কটন কলেজলৈ আহে আৰু ১৯৫০ চনৰ পৰা ১৯৬২ চনলৈ কটন কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক হিচাপে সেৱা আগবঢ়ায়।

আজীৱন শিক্ষাব্ৰতী গিৰিধৰ শৰ্মাৰ সপোন আছিল সেইসময়ত অতিকৈ পিছপৰা অঞ্চল ৰিহাবাৰীত প্ৰাথমিক পৰ্যায়ৰ পৰা মহাবিদ্যালয় স্তৰলৈ শিক্ষানুষ্ঠান গঢ়ি তোলাৰ। সেয়েহে তেখেতৰ চেষ্টাত আৰ্য্য পাঠশালা, বাণীকান্ত ছোৱালী হাইস্কুল, আৰ্য্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক আৰু বহুমূখী বিদ্যালয়, আৰু আৰ্য্য বিদ্যাপীঠ কলেজ গঢ়ি উঠিছিল। এক ব্যতিক্ৰমী চিন্তা ধাৰাৰে ১৯৫৮ চনৰ ১৯ জুলাই তাৰিখে চেৰাপভাটি অঞ্চলত

তেখেতে জন্ম দিছিল এক আদৰ্শ শিক্ষানুষ্ঠান “আৰ্য্য বিদ্যাপীঠ”। জন্ম লগ্নৰে পৰাই প্ৰথম সম্পাদক হিচাপে দায়িত্ব লৈ সুখ্যাতিৰে কাৰ্য্যনিৰ্বাহ কৰা এইগৰাকী ব্যক্তি সেয়েহে পৰিচিত হৈ পৰিছিল “আৰ্য্যপিতা' হিচাপে। উপযুক্ত নেতৃত্ব দিব নোৱাৰিলে তেওঁৰ সপোন বাস্তৱত ৰূপায়িত নহয় বুলিয়ে ১৯৬২ চনত কটন কলেজৰ চাকৰি ইস্তাফা দি তেখেতে “আৰ্য্যবিদ্যাপীঠ”ৰ অধ্যক্ষ পদ গ্ৰহণ কৰে। তেখেতৰ অক্লান্ত পৰিশ্ৰম, সাংগঠনিক দক্ষতা আৰু গতিশীল নেতৃত্বৰ ফলতেই অতি কম সময়ৰ ভিতৰতে “আৰ্য্যবিদ্যাপীঠ কলেজ” অসমৰ এখন প্ৰথম শ্ৰেণীৰ কলেজ হিচাপে প্ৰতিস্থিত হ'ল।

“আৰ্য্যবিদ্যাপীঠৰ বাহিৰেও অসমৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত তেখেত ঘনিষ্ঠভাৱে জড়িত আছিল। ১৯৭১ চনত তেখেত 'সদৌ অসম লাইব্ৰেৰী সংঘ'ৰ সম্পাদক, ১৯৭২-৭৩ চনত 'কামৰূপ সাহিত্য পৰিষদ'ৰ সভাপতি, ১৯৭২ চনৰ 'মাধ্যম আন্দোলনৰ সক্ৰিয় কৰ্মী, ১৯৭৩-৭৪ চনত অসম সাহিত্য সভাৰ সভাপতি, ১৯৭৩-৭৮ চনত কোঁচবিহাৰত থকা বৈকুণ্ঠপুৰ সত্ৰ নিৰ্মাণৰ সদস্য, ১৯৭৫-৭৮ চনত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ প্ৰান্তীয় সংঘ চালক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

ইয়াৰ বাহিৰেও তেখেতে অতি ঘনিষ্ঠভাৱে জড়িত অনুষ্ঠানসমূহ হ'ল— ৰিহাবাৰী উন্নয়ন সমিতি, বিহাবাৰী নামঘৰ, ৰিহাবাৰী এম ই স্কুল, ককয়া হাইস্কুল (সভাপতি), বাণীকান্ত বিটি কলেজ (সদস্য) গুৱাহাটী বিশ্ববিদ্যালয় (Academic Council) আৰু (Executive Counicl ৰ সদস্য), অসম মাধ্যমিক শিক্ষা পৰিষদ (সদস্য) অসম কলেজ শিক্ষক সন্থা, অসম কলেজ অধ্যক্ষ সন্মিলন (প্ৰতিষ্ঠাতা সম্পাদক) আৰু হৰিদেৱ সংঘ (সভাপতি)।

ভাষা-সংস্কৃতিৰ একান্ত সেৱক গিৰিধৰ শৰ্মাদেৱে কেইবাখনো গ্ৰন্থ লিখিছিল আৰু তেখেতৰ যত্নতেই কেইবাখনো গ্ৰন্থ সম্পাদিত হৈছিল। তেখেতৰ স্বৰচিত গ্ৰন্থবোৰ হ'ল— Sanskrit Grammer Composition and Translation (1947), প্ৰৱেশিকা ৰচনা শিক্ষা, আধুনিক অসমীয়া ভাষাৰ ব্যাকৰণ (1953) অসমীয়া অভিধান (1952), সংস্কৃত ব্যাকৰণ চন্দ্ৰিকা (1968) শুৱলা পাঠ ১ম ভাগ, ২য় ভাগ, ৩য় ভায় আৰু প্ৰবন্ধ-বিচিত্ৰা, তেখেতৰ অনুবাদ গ্ৰন্থ দেৱী চৌধুৰাণী আৰু গল্প গুচ্ছ। সম্পাদিত গ্ৰন্থ চুটি গল্প সংকলন। ইয়াৰ উপৰিও তেখেতৰ প্ৰচেষ্টাত প্ৰায় ১২ খন কিতাপ প্ৰকাশ হৈছে।

আজীৱন শিক্ষাব্ৰতী, ভীমকৰ্মা, আৰ্য্যপিতা গিৰিধৰ শৰ্মাৰ ১৯৭৮ চনৰ ১০ মে তাৰিখে মৃত্যু হয়। তেখেতৰ মৃত্যুত অসমে হেৰুৱালে এগৰাকী সু-সাহিত্যিক, জনতো, সুপণ্ডিত আৰু শিক্ষাজগতৰ এগৰাকী একনিষ্ঠ পূজাৰী আৰু আৰ্য্যবিদ্যাপীঠে হেৰুৱালে এগৰাকী পিতৃস্বৰূপ অভিভাৱক। সোণালী জয়ন্তীৰ এই পবিত্ৰ মুহূৰ্তত প্ৰয়াত গিৰিধৰ শৰ্মাৰ পবিত্ৰ স্মৃতিত সমূহ আৰ্য্যবিদ্যাপীঠ পৰিয়ালৰ লগতে আমিও জনালো একাঁজলি শ্ৰদ্ধাঞ্জলি।

গিৰিধৰ শৰ্মা স্মাৰক বক্তৃতানুষ্ঠানৰ এতিয়ালৈ অনুষ্ঠিত বক্তৃতাসমূহ

১। ড° মহেশ্বৰ নেওগ	ঃ	অসমৰ বৈষ্ণৱ যুগৰ নৱ জাগৰণৰ অন্তৰালত থকা সৃষ্টিশীল শক্তিসমূহ (১৯৭৮ চন)
২। শ্ৰীযুত নলিনীধৰ ভট্টাচাৰ্য	ঃ	বেজবৰুৱা আৰু আধুনিকতাৰ ধাৰণা (১৯৮৮ চন)
৩। সত্যপ্ৰসাদ বৰুৱা	ঃ	অসমীয়া নাটকত দেশপ্ৰেম (১৯৮৮ চন)
৪। মেদিনী চৌধুৰী	ঃ	We and our history (১৯৮৯ চন)
৫। ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য	ঃ	অসমত ভাষা বৈজ্ঞানিক চৰ্চা (১৯৯১ চন)
৬। ড° কমলেন্দু দেব ক্ৰোড়ী	ঃ	The Evolution of Cosmology (১৯৯৪ চন)
৭। ড° বীৰেন্দ্ৰ নাথ দত্ত	ঃ	পৰম্পৰা আৰু আধুনিকতা ঃ দ্বন্দ্বৰ আৰু সম্ভাৱনা (১৯৯৫ চন)
৮। ড° বিশ্বনাৰায়ণ শাস্ত্ৰী	ঃ	কালিকাপুৰাণ প্ৰাগজ্যোতিষৰ কামৰূপ প্ৰসংগ আৰু সমকালীন সংস্কৃতিৰ আভাষ (১৯৯৬ চন)
৯। শ্ৰীযুত নীলমণি ফুকন	ঃ	শিল্পকলাৰ উপলব্ধি আৰু আনন্দ (১৯৯৭ চন)
১০। ড° শ্যামাপ্ৰসাদ শৰ্মা	ঃ	আধুনিক অসমীয়া নাটকৰ ধাৰা-প্ৰধাৰা ঃ দুটি শেহতীয়া উদ্ভাৱনৰ বিশেষ উল্লিখনসহ (২০০২ চন)
১১। ড° শৈলেন ভৰালী	ঃ	জ্যোতিপ্ৰসাদৰ সৌন্দৰ্য সাধনা আৰু তেওঁৰ শিল্পকৰ্ম (২৯৯২ চন)
১২। ড° শিব নাথ বৰ্মন	ঃ	Shakles on Science (২০০৬ চন)
১৩। শ্ৰীযুত অতুলানন্দ গোস্বামী	ঃ	ভাৰতৰ প্ৰাচীন সাহিত্যত অসম সন্ধান (২০০৮ চন)

১৪। ড° লক্ষ্মীনন্দন বৰা : জলবায়ুৰ পৰিৱৰ্তন আৰু জীৱজগতৰ ভৱিষ্যৎ (২০০৯ চন)

১৫। ড° দীনেশ চন্দ্ৰ গোস্বামী : বৈজ্ঞানিক মানসিকতা ঃ কি, কিয় আৰু কেনেকৈ? (২০১০ চন)

১৬। ড° দেৱব্ৰত শৰ্মা : অসমীয়া অভিধানৰ ইতিহাস (২০১১ চন)

১৭। ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী : কোলাহলৰ পৰা সুৰ-সমলয়লৈ ঃ এক নতুন কলাৰ সন্ধানত। (২০১৪ চন)

সূচীপত্ৰ

- Assam and the partition :
  The Politics of Geography
  - Udayon Misra ১৪-৩১

- অসমীয়া অভিধানৰ ইতিহাস
  - ড° দেৱব্ৰত শৰ্মা ৩২-৮৪

- বৈজ্ঞানিক মানসিকতা ঃ কি, কিয় আৰু কেনেকৈ
  - ড° দীনেশ চন্দ্ৰ গোস্বামী ৮৫-১১৯

- কোলাহলৰ পৰা সুৰ-সমলয়লৈ ঃ এক নতুন কলাৰ সন্ধানত
  - ফনীন্দ্ৰ কুমাৰ দেব চৌধুৰী ১২০-১৫১

Giridhar Sarma Memorial Lecture

ASSAM AND THE PARTITION : THE POLITICS OF GEOGRAPHY

Udayon Misra

At the outset I would like to express my thanks to the teachers' unit of the Arya Vidyapeeth College for having asked me to deliver a memorial lecture instituted in the name of a person who was deeply committed to the cause of education in this state and who, through his untiring efforts, succeeded in building up a leading educational institution of the region. Giridhar Sarma realized that education could be a major factor in bringing about change in a society still wedded to obscurantist beliefs and feudal concepts. He knew that to spread rational thinking and the scientific temper among the young generation, the spread of quality education was a must. He stood out from amongst the rest because he succeeded in putting his ideas into practice and went a long way in achieving his goal. This he did fighting against so many odds. Today our society is passing through a rather difficult phase and despite all the advances in modern science and communication, rational thinking is yet to reach large segments of our people who are still steeped in superstition. This is true even amongst a sizable section of our educated. The best tribute that we could pay to the memory of educationists like Giridhar Sarma is to continue our struggle against all forms of superstitions and preju-

dices and try to strengthen the rational base of our society and encourage our youth to develop questioning minds . For this one would have to examine the entire question of tradition and modernity which would also involve a rational understanding of our past. This, in turn, would need a balanced understanding of our history, both of the distant past and of recent times. Quite often our understanding of history is mired by collective passions and matters of race, religion and ethnicity tend to colour our vision. We can perhaps check this tendency by making a relatively objective appraisal of past events so that our understanding of the present is made more complete.

Its exactly with this in mind that I propose to speak on a historical event which has had wide ramifications on our region and the fall-out of which still continues. I am referring to the Partition of the country which suddenly turned Assam into a landlocked region. It is said that geography often determines the politics of a region. Nothing perhaps better illustrates this than in the case of Assam where its economy, politics, society and overall mindset have all been determined in some way or other by the Partition which almost overnight cut off its communication links with the rest of the Indian mainland and turned it into part of a region which now had 95 % of its borders with foreign countries. That the Partition had a long-term effect on the economy and politics of this region is evident from the fact that we are still struggling to resolve some of the issues that surfaced during the pre and post-partition period and sixty five years after independence, the shadow of the partition is still with us precisely because it turned Assam into a part of the periphery and borderland of India.[1] That is exactly why to arrive at a balanced understanding of many of our present socio-economic and political problems, it is necessary for us to understand the partition and its politics of geography.

The Partition in Assam, which led to the separation of the populous district of Sylhet through a controversial Referendum, has naturally not elicited the kind of attention it has in the case of Bengal and the Punjab. Though it was a human tragedy of massive proportions leading to the uprooting of thousands upon thousands of people from their homes, yet the scale of the violence in both Bengal and Punjab tended to overshadow what happened to Sylhet. To Assam , in immediate terms, the Partition was chiefly a refugee problem which threw up issues like availability of land for re-settlement, demographic change , questions of language and identity and the like. Moreover, Assamese middle class opinion had largely favoured the separation of Sylhet because this was seen as a major step towards the realization of the goal of a homogenous Assamese homeland. In its election manifesto of 1946, the Assam Pradesh Congress Committee specifically stated that the people should vote Congress if they wanted to ensure an Assamese homeland.[2] But little did the Assamese middle class leadership of the Congress realize that the long-term effects of the partition would make the realization of such a goal practically impossible. For, the Partition not only turned Assam into a landlocked region but the politics that took shape out of this geographical change in the years immediately following Partition and which was centred around issues of migration, land, identity and language was to have long-term consequences — consequences with which the region is still grappling. Therefore, in order to understand the socio-economic and political trends in Assam and the northeastern region during the post-independence period, one would necessarily have to take into account the long term effects of the Partition. For, the issues that were thrown up during the immediate pre and post-Partition days continue to dominate the political and economic scene of the region even today. We shall try to flag some of these issues in the course of this presentation.

The immediate pre-Partition years were dominated by acrimonious debate throughout Assam over the question of immigration of Muslim peasants from neighbouring East Bengal and the attendant pressure on cultivable land. While the Muslim League and its followers insisted that the Line System should be abandoned and grazing and forest reserves be opened up to immigrant peasants, ethnic organizations resolutely opposed such moves and demanded that measures be initiated to preserve the tribal belts and blocks .Questions of identity of the ethno-nationalist groups and the importance of the link between cultural life-styles and land assumed plenty of significance. A look into the Assam Assembly proceedings of the nineteen forties gives one a comprehensive idea of the nature of the debate centred on land and identity. While Congress members insisted that immigration of Muslim peasants was part of greater design to change the demographic balance in the former's favour, members of the Muslim League continued with their demand for the abolition of the Line System so that more and more areas of the Brahmaputra Valley could be opened up for cultivation. In this they were supported by the all-Iridia leadership of the League which was working hard to prove that Assam was not in reality a Hindu-majority province , particularly if one were to take into account the state's hill and plains tribes and the tea garden workers into account. It is significant that while the problem of immigration was seen primarily through the socioeconomic focus till the nineteen forties, suddenly assumed strong political overtones following the Lahore Resolution (1940) of the Muslim League which called for a separate homeland for the country's Muslim population in no uncertain terms. Once this idea was seriously floated, the immigration issue was swiftly politicized as a co-ordinated move on the part of the Muslim League and its supporters to somehow make Assam a part of the proposed Muslim homeland.

This apprehension of being made part of a Muslim majority Pakistan started gradually gripping the minds of the leaders of the different ethnic organizations who started demanding independent status in any arrangement that might follow the British withdrawal from India.[3] Undeterred by such demands, the Saadulla ministry in Assam adopted the controversial Land Settlement Act of 1941, exactly a year after the adoption of the Lahore Resolution of the League. Though the scheme was kept in abeyance when the Bardoloi ministry came into power, yet in 1943 Saadulla revived the land settlement and immigration policy. Interestingly, the Bengal Legislative Council carried a motion in July, 1943 calling upon the Government of India to take immediate steps to remove existing restrictions on the land-hungry immigrant cultivators from Bengal.[4] Buoyed by such support, the Saadulla Ministry adopted a new resolution on land settlement under the "Grow More Food" slogan which virtually paved the way for the de-reservation of the professional grazing reserves and the distribution of wastelands' among the immigrants. That Syed Mohammad Saadulla , in line with the All-India Muslim League's designs, was embarking on a well thought out plan to increase the Muslim population in Assam becomes evident in his letters to Liaquat Ali Khan and Mohammad Ali Jinnah. Saadulla boasted in a letter to Liaquat Ali Khan, right hand man of Mohammad Ali Jinnah, that because of the Land Settlement policy " in the four lower districts of the Assam Valley, these Bengali immigrant Muslims have quadrupled the Muslim population"[5] But when Muslim League leaders like Maulana Bhasani continued to mount pressure on Saadulla to completely do away with the Line System and allow unrestricted occupation of land by the immigrants, even Saadulla realized the threat posed by this to the indigenous population and at one point he compared the situation in Assam with that of Palestine. He stated at an

immigrant peasant rally in April 1944 that the greed of the headmen of immigrant villages was at the root of the problem and he drew a parallel with unrestricted Jewish migration to the Arab homeland. He pleaded for the protection of Assam's tribals in the plains from the onslaught of the immigrants and said that even Assamese Muslims were being driven out of their lands by new immigrants from East Bengal.[6] But by the mid-nineteen forties large tracts of tribal land had already been alienated and in the lower Assam districts and grazing reserves and " wastelands " progressively occupied by immigrant peasants. This process had started much earlier but as the demand for separate Muslim homeland started acquiring momentum, it was being increasingly seen as part of a greater conspiracy to bring the region into a possible Pakistan.

All this was reflected in the proceedings of the Assam Legislative Assembly in the nineteen forties. One may refer to the ALA debates of the 1946 March session where immigration was directly linked by several leading Congress members with the Muslim League's wider political strategy. In this session of the Assam Legislative Assembly , Beli Ram Das directly accused the Muslim League of vile attempts to turn Assam into a Muslim-majority province and declared that "Jinnah's demand for the inclusion of Assam in the Eastern Zone of his proposed Pakistan has been to a great extent responsible for the complication of the land problem in Assam, even though the problem is purely an economic one". He was speaking in support of Bishnuram Medhi's contention that "since after the Muslim League put the claim to include Assam in Pakistan Zone, a large number of immigrants practically began to invade Assam as if under a plan although there was no sufficient arable land even to provide the landless indigenous Hindus, Muslims, tribals and others who had no economic holdings." Medhi argued that "the sudden influx of

immigrants (specially during the war) imported by the Dewanias in various places, failing to get Waste Land began to encroach on the village grazing reserves and professional grazing reserves in direct violation of the law leading to serious clashes. These lands have been reserved of definite purpose and settlement is forbidden to all persons—immigrants and non-immigrants."[7] The Muslim League members strongly refuted this argument by emphasising that it was within the rights of the Muslim immigrants to settle in Assam which was just another part of the same country. The counter-argument that was built up by Muslim League leaders like Maulana Abdul Rouf and Mayeen-uddin-Chaudhury was that the Assamese peasant was indolent by nature and that no Line System could ever protect him. [8] This debate would take on a completely new dimension once the Partition took place because the immigrant peasant from East Bengal would turn into a foreign national once the passport-visa system was introduced. While Partition put an end to the fear of Assam and the northeastern region being included in Pakistan, it now raised the fear of illegal infiltration from newly created East Pakistan —a subject which would be at the core of the Assam Movement (1979-85). It is significant that in the years just after Partition, the Government of Assam's attempts to convince the Centre about the dangers posed by such infiltration did not receive the necessary administrative response and added to the growing hiatus between New Delhi and Assam. Thus, Partition gave an entirely new dimension to the issue of immigration — an issue which continues to occupy central space in the political discourse of the region and something which seems to defy any logical solution.

Another major fall-out of the Partition was the acrimony between the Centre and the state of Assam centred around the refugee issue. When the Government of Assam led by Gopinath Bardoloi,

after initially accepting some three lakhs of Bengali Hindu refugees from East Pakistan, expressed its reservations about accepting more, the Centre started browbeating the Assam Congress leadership. The spat between Nehru and Bardoloi on the refugee issue is rather well known and I do not wish to go into it in detail.[9] But it is significant that the entire issue revealed the Centre's authoritarian approach towards the federating states of the Indian Union at a time when the question of the character of the Indian federation was still being debated.[10] That Nehru could threaten Bardoloi with cutting off financial assistance if the latter's government did not fall in line with the Centre's wishes gives an early inkling of the trend that Centre-State relations would take in the years to follow. The exchange between Nehru and Bardoloi widened the divide between Delhi and Assam and added to the atmosphere of distrust and suspicion. It seems Nehru never forgave Bardoloi and the Assam Congress leadership for its role in scuttling the Cabinet Mission Proposals.[11] The refugee issue seemed to be a direct fall-out of the Partition and brought relatfons between Assam and the Centre to a new low.

Yet another fall-out of the refugee issue was the polarization along linguistic communal lines of the Assamese and Bengali communities. A section of the Assamese middle class tried to revive the earlier history of Bengali resistance to the struggle to restore the rightful place of the Assamese language while their Bengali counterparts tried to prove that Assamese-language speakers were not in a majority and could not claim a dominant role. This debate took on serious proportions in the immediate post-Partition years which also saw the demand for a separate Purbachal being raised.[12] Partly as a reaction to this, demands were raised in several districts of the Brahmaputra valley that Bengali socio-cultural institutions be wound up and comparisons were made between the Bengali Hindu and the

Bengali Muslim, with the latter earning appreciation for their acceptance of Assamese as their mother-tongue. Finally, the debate over the status of the Assamese language would reach tragic proportions in 1960 when communal riots broke and Bengali Hindu settlements were targeted in several lower Assam districts in the wake of the language agitation. Thus it was once again the Partition which, in many senses, triggered the language controversy in post-independence Assam by unsettling lakhs of Bengali Hindus and forcing them to migrate to Assam, thereby affecting the already fragile demographic balance of the province and raising apprehensions, real or imagined, in the Assamese mind about their future identity. It is indeed significant that the debate centred around Assamese identity still continues more that sixty-five years after partition and the search for a viable definition of who is an Assamese still continues amid much confusion.

We have already referred to the growth of autonomist/ separatist tendencies in the wake of the demand for a separate Muslim homeland in the form of Pakistan. These tendencies got a fillip during the Cabinet Mission proposals but the strong stand put up by the then Congress leadership acted as a deterrent to the centrifugal forces. Moreover, the distrust of the central Congress leadership that was spawned during the struggle against the grouping Scheme of the Cabinet Mission Proposals was to find expression in the nineteen sixties and seventies in different populist outbursts. Finally, by the late seventies the anger and frustration that was building up amongst the youth took to militant channels and the idea of achieving a Swadhin Asom through armed struggle took shape. One of the major planks of this struggle was built on the idea that Assam was never really a part of India and that its culture and civilization was closer to the South Asian nations rather than to the Indian main-

land.[13] In a bid to prove that Assam did not have civilisational links with the rest of India, even history was attempted to be re-written to suit the separatist agenda. Thus, the seeds of distrust and betrayal which were spawned during the pre-Partition politics sprouted and grew in the course of time into a sort of a thesis which tried to reject Assam's India connection and saw the Indian presence as a colonial one.[14] The geographical isolation of Assam and the northeastern region led to the growth of an isolationist mindset which did not take too long to develop into a separatist one, given'the economic downslide that followed the Partition. Therefore, in order to understand the growth of militant separatist politics in Assam from the late nineteen seventies onwards,[15] it would be imperative to understand the effect that Partition, and the issues it threw up, had on the overall socio-political scene of Assam.

Finally, I would like to refer to the security syndrome that has marked the Centre's approach to Assam and the northeastern region ever since Partition. Once this region became a borderland or periphery of India, the Centre's approach began to be deeply coloured by considerations of security. Not to speak of autonomist movements and popular agitations, even matters relating to the development of the economic and industrial infrastructure of the region came to be dominated by security considerations. One of the earliest manifestations of such an approach was evident when the Centre refused to set up a refinery in Assam because the Defence Ministry did not approve of it for security reasons.[16]This approach continues till the present day and was recently best illustrated when an Assamese school student sought clarification from Government of India about reference to security considerations in a lesson on Assam's tourism potential. Though the NCERT has been asked by the Ministry of Tourism, GOI, to drop the "careless sentence" in a Class X

textbook which stated that tourism has not been encouraged in the Northeast because of "strategic reasons", the entire matters runs much deeper. This apparently careless sentence did not come from nowhere. It was part of a wider perception about the northeastern region which has been nourished by New Delhi ever since the Partition.[17] It is clear that a borderland or periphery needs special laws and dispensations which are otherwise not applicable to the rest of the country! But there was a time when Assam was not just a part of a borderland region or a periphery. Here I would like to draw a relevent quote from B.J.Verghese who says "...100-150 years ago, the Brahmaputra Valley was the vanguard of Indian development... But the physical and psychological severity of the blow was not fully appreciated elsewhere in the country and the disruption in communications and markets was not repaired soon enough nor infrastructure developed to match the new needs. Isolated and traumatized, the northeast (Assam) turned inward. A succession of insurgencies and movements to seek separation or autonomy, assert identity or exclude foreigners and outsiders aggravated the hiatus, with the rest of the country coming to think of the region with disinterest as a far away place, perpetually disturbed".[18]

Now, how do we overcome this politics of geography? There has been much talk for several years now about opening up the northeastern region as part of the Look East Policy. But why hasn't the Look East Policy brought any dividends to Assam and the other northeastern states? How can one really talk of opening up without developing the infrastructure of the region? Surely, the northeastern region wouldn't wish to be just a corridor for goods manufactured in other parts of the country How can one talk of connectivity with South East Asia and China without developing the connectivity within the states of the North-East? It needs to be remembered that trade

and commerce are between people and when we talk of people we also need to discuss the politics that is involved, of perceptions and mindsets which might facilitate or restrict economic co-operation. It wouldn't do if the blame is just attempted to be shifted to New Delhi. While it is true that prejudices have long coloured the Centre's approach to this region, yet it is also a fact that for several decades the people of this region have been subjected to exclusivist politics of the worst kind. It just wouldn't do to try to push under the carpet the violence that has marked different forms of identity politics in the northeastern region. Perhaps we have reached that juncture in history when identity issues cannot be solved just by creating more and more political spaces in the form of ethnic homelands. The very heterogeneity of the northeastern region poses a challenge to this. Ethnic nationalism, whatever its historical roots, derives its strength from exclusivist politics, and community passions quite often tend to drown the individual voice. Social analysts might rightly argue that such exclusivist politics, often attended by violence, has its historical as well as economic and political roots which have been nourished by a highly unequal political system. But it is equally true that in today's increasingly globalised world there is the need to move away from the narrow groove of fragmentary politics into a more inclusive social space. Only then shall the northeastern region, and particularly Assam, be able to shed the burden of history that the Partition has bequeathed it. (5051 words)*****

(Footnotes)

1 This geographical re-positioning would have long term effects on the regions' relationship with the rest of the country .Mainland India's perceptions would also be coloured by the borderland concept.

2 The Assam Pradesh Congress Committee's election appeal of

1945 called for the " province of Assam(to) be organized on the basis of the Assamese language and Assamese culture" . It also stated that the inclusion of "Bengali-speaking Sylhet and Cachar (plains portion) and the immigration of lakhs of Bengali settlers on wastelands has been threatening to destroy the uniqueness of Assam". (Amalendu Guha, Planter Raj to Swaraj .Freedom Struggle and Electoral Politics in Assam, 1826-1947, New Delhi, 1997, p.302)

3 The fear of being included in Pakistan led to the demand for a fully autonomous or even independent Assam being made by organisations like the Ahom Association, the Khasi-Jaintia Political Association, the All Assam Plains Tribal League, the United Mizo Freedom Party etc.

While the Ahom Association demanded that the independent status of the Ahoms be ensured in case the country were to be divided into India and Pakistan, the All Assam Plains Tribal League, a conglomerate of several plains tribal organizations of Assam, demanded that "Assam proper and its hills should be constituted into a sovereign state. Assam and its hills should not be made part or province of nay federation— Hindustan or Pakistan—without the consent of its people".

3 The Kachari Sanmelan also expressed similar views. In a meeting held in September 1944, the All Assam Ahom Association declared: "In view of the peculiar position of Assam, both geographically and otherwise, and the great preponderance of the Mongolian races with their distinctive languages, cultures and religions in the population of the province, Assam without Sylhet has a legitimate claim for free and independent existence in the event of India being divided territorially into Pakistan and Hindustan zones".[3]

4 The swift politicization of the immigration issue which followed the Lahore Resolution is discussed by Amalendu Guha in the following manner: “The Bengal Legislative Council carried a motion on 16 July, 1943 calling upon the Government of India to take immediate steps to remove existing restrictions imposed by the Assam Government on the land-hungry, immigrant cultivators from Bengal. Exactly a year after its formation, the fourth Saadulla Ministry, therefore, adopted a new resolution on land settlement under the slogan, “Grow more Food”. What it really meant, according to the Viceroy, was “grow more Moslems”.[4] The salient features of this resolution of August 24,1943, dealt with the de-reservation of professional grazing reserves and the distribution of wastelands among the immigrants. Amalendu Guha, Planter Raj to Swaraj, : New Delhi, p.281-282.

5 Refer Sanjoy Hazarika in Writing on the Wall; Reflections on the North-East, New Delhi, 2008, p.30

6 Guha, Amalendu, Planter Raj to Swaraj, pp 282-283. Interestingly, Medhi in his speech commended Saadulla for having realized the harm that total opening up of the reserves would do to the indigenous people and he said “ The entire people of the Assam valley were startled by such de-reservation and settlement of land to immigrants to the exclusion of the indigenous people. Sir Mohammad Saadulla[6] fully realized the injustice done to the people of the soil and convened a conference of all parties which came to an agreement with the Honourable Gopi Nath Bardoloi and Srijut Rohini Kumar Chaudhuri. In pursuance of that agreement, it was decided by the last Government that that recent encroachers should be forthwith evicted from all professional grazing reserves and a resolution dated 13 July, 1945 to that effect was published in the gazette. Unfortunately

on some plea or other during the last election campaign, the resolution was not given effect to till the care-taker Ministry resigned."

7 Assam Legislative Assembly Proceedings, March 1946, pp 23-24. • Interestingly, Medhi in his speech commended Saadulla for having realized the harm that total opening up of the reserves would do to the indigenous people and he said "The entire people of the Assam valley were startled by such de-reservation and settlement of land to immigrants to the exclusion of the indigenous people. Sir Mohammad Saadulla[7] fully realized the injustice done to the people of the soil and convened a conference of all parties which came to an agreement with the Honourable Gopi Nath Bardoloi and Srijut Rohini Kumar Chaudhuri. In pursuance of that agreement, it was decided by the last Government that that recent encroachers should be forthwith evicted from all professional grazing reserves and a resolution dated 13 July, 1945 to that effect was published in the gazette. Unfortunately on some plea or other during the last election campaign, the resolution was not given effect to till the care-taker Ministry resigned."

8 ALA Proceedings, March 1946.

9 Refer Nirode Barooah, Gopinath Bardoloi Indian Constitution and Centre-State Relations, Guwahati, pp.31-33

10 The issue of the rights of the constituent states of the Indian Union formed a major chunk of the Constituent Assembly debates during which the members from Assam had put up a tough fight for the political and economic rights of the states.

11 The Grouping of Assam with Muslim-majority Bengal, aggravated ethnic fears and the Assam Congress under Gopinath Bardoloi led a concerted struggle to stay out of the Cabinet

Mission Plan. In this it was supported by hill leaders like J.M.M. Nichols-Roy among others. Ultimately, it was Gandhi's support to the Assam Congress' stand that tilted the scales in their favour. But the entire issue generated a lot of bitterness amongst the Assamese people over the role of leaders like Nehru and Azad and several ethnic organisations demanded independence for the region rather than go to Pakistan. Discussing this, Amalendu Guha writes: "The immigrant question quickly matured into a political crisis, in the last pre-independence decade. During the controversy over "grouping"under the Cabinet Mission Plan, a demand for the self-determination of Assam was brought into the limelight to forestall its threatened inclusion in East Pakistan"

12 The Purbachal demand, which was raised by asection of Bengali intellectuals, was for a separate Purbachala Pradesh to be carved out of the Assam and made up of Cachar, the Lushai Hills, the states of Tripura and Manipur, the Lushai, Naga and Khasi and Garo Hills and Goalpara. A resolution was prepared to be moved at the Jaipur session of the Indian National Congress which would have demanded the creation of Purbachala Pradesh so as to check the chauvinism of the Asamiya people. The demand, which was backed up by a well-prepared map of the proposed Purbachal, said that the new province would consist of an area of 43,037 square miles and a population of 38,61.222 . But what is most striking in the proposed plan is the latent anti-Assamese feeling that marks the entire document Not only is the Assamese language dismissed as an inferior dialect of the Bengali, but the Bengalees are referred to as intelligent and hard-working against the indolent and ignorant Assamese.

[13] It may be recalled that in the nineteen thirties, similar views had been propounded by writers like Jnananath Bora

[14] This formed the crux of the ULFA's ideology.

[15] One of the earliest anti-India outbursts took place in January, 1968 in Guwahati when the Lachit Sena attacked chiefly Marwari business establishments in Guwahati. Though the Lachit Sena was a short-lived phenomenon, yet it was the symptom of a much deeper sense of alienation amongst Assamese youth at that time and gave an indication of the growing anti-Indian sentiment among the people of the region.

[16] Refer letter from Nehru to Assam Governor Fazl Ali citing security reasons for not being able to approve the setting up of a refinery in Assam despite strong public agitation for the same. Bishnuram MedhiPapers, NMML, New Delhi.

[17] One may refer in this connection to the recent open admittance by the Union Home Minister that changes in the Armed Forces(Special Powers) Act cannot be brought even if the GOI wishes, becaue the army top brass is opposed to any such move.

[18] B.G Verghese, India's Northeast Resurgent, New Delhi, 1996, p.336-337.

ABOUT THE AUTHOR

UDAYON MISRA (Born 1945) is Professor of English at Dibrugarh University. He had his school and college education at St. Edmund's, Shillong and did his post-graduate from Guwahati University. His doctoral work is on Anglo-Indian Fiction and has been published as the Rah in Fiction : A study of Ninteenth Century British Attitudes towards India (1987). He has written extensively on socio-political issues releted to the northern region and his publications include North-East India : Quest for Identify (1988) and Bation-Building and Development in North East India (ed), (1991)

গিৰিধৰ শৰ্মা স্মাৰক বক্তৃতা

অসমীয়া অভিধানৰ ইতিহাস

ড° দেৱব্ৰত শৰ্মা

অসমীয়া অভিধান বুলি ক'লেই আমাৰ বহুতৰে প্ৰথমেই মনলৈ আহে হেমকোষখনৰ কথা। সেইফালৰ পৰা চাবলৈ গ'লে অসমীয়া অভিধানৰ ইতিহাস ১৯০০ চনত হেমকোষৰ প্ৰথম প্ৰকাশৰ পৰা এতিয়ালৈকে ১১২ বছৰহে হ'ব লাগে। অথবা ১৮৬৭ চনত প্ৰকাশিত মাইলচ ব্ৰনচনৰখনৰ কথা ধৰিলেও এই ইতিহাস মাত্ৰ ১৪৫ বছৰ পুৰণিহে হয়।

কিন্তু আমি এই বক্তৃতাত দেখুৱাবলৈ চেষ্টা কৰিম যে অসমীয়া অভিধানৰ ইতিহাস ইমান চমু নহয়। হেমকোষ অসমীয়া ভাষাৰ প্ৰথম অভিধান নহয়, হেমচন্দ্ৰ বৰুৱাও অসমীয়া ভাষাৰ প্ৰথম আভিধানিক নহয়। হেমকোষ অসমীয়া ভাষাৰ সপ্তমখন অভিধান আৰু হেমচন্দ্ৰ বৰুৱা অসমীয়া ভাষাৰ অষ্টমখন আভিধানিকহে। কেৱল সিমানেই নহয়, অসমীয়া অভিধানৰ ইতিহাস অন্ততঃ ২১৭ বছৰ পুৰণি।

আমাৰ এই বক্তৃতাত সেই ২১৭ বছৰৰ ইতিহাসক দুটা পৰ্বত ভাগ কৰিব বিচাৰিছোঁ। তাৰে প্ৰথম পৰ্বটো হ'ল ১৭৯৫ চনৰ বৰ অম্ৰ-লতি অম্ৰৰ পৰা ১৯০০ চনৰ হেমকোষলৈকে। যিহেতু এইছোৱা সময়ত কেবাখনো অজ্ঞাত তথা স্বল্পজ্ঞাত অভিধান আছে, আমি আজিৰ আলোচনাত তাতেই আলোকপাত কৰিম। ১৯০১-২০০১ সময়ছোৱাৰ অভিধানসমূহৰ কথাবোৰ যিহেতু সতেজ হৈ আছে আৰু সেইবোৰ হাতে ঢুকি পোৱাতে আছে, এতেকে আমি সেইবোৰৰ এখন প্ৰাথমিক তালিকা দাখিল কৰিয়েই আজিলৈ নিবৃত্ত হ'ম। আশা কৰিম যে ভৱিষ্যতে আমি সেই দ্বিতীয় পৰ্বৰ সম্পৰ্কতো এক পূৰ্ণাংগ আলোচনা কৰিব পাৰিম।

প্ৰকৃতাৰ্থত প্ৰথম (তাই) অসমীয়া অভিধানখন যুগুতোৱা হৈছিল ওঠৰ শতিকাৰ শেষৰ দশকতে, ১৭৯৫ চনতে।

বৰ অম্ৰ আৰু লতি অম্ৰ নামেৰে পিচত মুদ্ৰিত ৰূপত প্ৰকাশ পোৱা দুখন তাই-অসমীয়া অভিধানৰ প্ৰথমখনৰ কথাকে প্ৰথমে কৈ লওঁ। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে তেখেতৰ 'Descriptive Catalogue of Assamese Manuscripts (published by University of Calcutta on behalf of the Government of Assam, 1930) গ্ৰন্থৰ একেবাৰে আৰম্ভণিতে, অজামিল উপাখ্যানৰ পিচতে, তৃতীয় পৃষ্ঠাতে বৰ অম্ৰৰ বিষয়ে লিখা কথাখিনি ইয়াত তুলি দিলোঁ ঃ

Name- Amar

Subject - A dictionary of Ahom language

Author - not known

Date - Uncertain

Description : The *puthi* is written in Ahom characters and it consists of 40 leaves of Sanchi bark measuring 17 x $4^{1}/_{2}$ inches. A folio of sanchi bark measuring sides. Originally the puthi appears to have consisted of 43 foilios but three of them are now lost. The puthi appears to be old and the copy has been correctly made.

The opening lines-

Kacham ba Kaurik, ka cham ba jabar, etc. The closing lines.

Cham ba hajur huambha Khahuak, etc.

Contents : The mamuscrips contains Ahom words with their Assamese equivalents.

Owner : Babu kailash Chandra Sen of Cooch Behar has kindly presented this puthi to me.

place of deposit- The Library of Kamrupa Anusandhan Samiti

Remarks : Vide the remarks on Deo buranji described in No. 39. Par I'

এইবাৰ একেখন গ্ৰন্থৰ ৩৯নং সূত্ৰলৈ গৈ তাত আমি এইখিনি উল্লেখ পালোঁ ঃ

'Remarks- This *puthi* (Deo Buranji 1) is in Ahom characters. Rai Sahib Golap Chandra Barua, The Assistant Inspector of schools and the Ahom Scholar, has kindly supplied the information contained in this purbi and the Amar described in No.2 part 1. According to him both these puthis were complied in the 26th year of the ahom Tao Singa' (p- 47)

যদিও হেমচন্দ্ৰ গোস্বামীয়ে অমৰ অৰ্থাৎ বৰ অত্ৰ পুথিখনৰ প্ৰণেতা অজ্ঞাত বুলি লিখিছে তথাপি প্ৰকৃততে প্ৰণেতাজন অজ্ঞাত নাছিল। ১৯৬৪ চনত প্ৰথমবাৰৰ বাবে ছপা আকাৰত প্ৰকাশ পোৱা এই পুথিখনৰ (লতি অত্ৰবে সৈতে একেলগে Ahom Lesicons নামেৰে) প্ৰথম সংস্কৰণৰ আগকথাতে বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ তেতিয়াৰ মুৰব্বী দ° পি চি চৌধুৰীয়ে স্পষ্টকৈ লিখিছে ঃ

'The manuscript styled Bara Kaka Hmung puthi was acquired by the late Hemchandra Goswami from Babu Kailash Chandra Sen of cooch Behar as early as 1912 on his visit to the state, and subsequently if was handed over to this Department... The manuscript is written in Tai Ahom character, consisting of 40 leaves of Sanchi bark (Aquilara agallocha), measuring 42x10 cm, with eight or nine lines to a page. The manuscript was compiled in AD 1795, that is just on the last year of the reign of Gaurinath Singha. The noted author of manscript is one Tengai Pandit of the Mahun family, an Ahom priestly clan, details about the autor is lacking.'

দ° চৌধুৰীয়ে টেঙাই মহন পণ্ডিতৰ বিষয়ে একো নাজানিলেও বা নজনালেও এইজন মহান আভিধানিকৰ বিষয়ে কোনেও একো নজনাকৈ নাছিল। পূৰ্বাঞ্চল তাই সাহিত্য সভা (বান্ অক্ পাপলিক ম্যং তাই)ৰ একালৰ সভাপতি, টিংখাং মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, শৈক্ষিক জাগৰণ অভিযানৰ অগ্ৰদূত জীৱেশ্বৰ মহন ডাঙৰীয়াই আমাক এই বিষয়ে বহু কথাই জনালে। তেখেতৰ কথাখিনি তেখেতৰ ভাষাতে হুবহু তলত তুলি

দিছোঁ)

ৰৰকাকত হু-মুং পুথিৰ ৰচয়িতা ডামচাও টেঙাই মহন পণ্ডিত

'স্বৰ্গদেউ গৌৰীনাথ সিংহৰ (১৭৮০-১৭৯৫) ৰাজত্ব কালত ১৭৮৭ চনত তৃতীয় মোৱামৰীয়া বিদ্ৰোহ হয়। এই বিদ্ৰোহ দমন কৰিবৰ বাবে স্বৰ্গদেৱে ইষ্ট ইণ্ডিয়া কোম্পানীৰ ওচৰত সহায় বিচৰাত কোম্পানিয়ে কেপ্তেইন ৱেলচৰ নেতৃত্বত এদল ইংৰাজ ফৌজ পঠিয়াই এই বিদ্ৰোহ দমন কৰে। এই সূত্ৰে ইংৰাজ অসমত বেপাৰ কৰিবলৈ স্বৰ্গদেউৰ লগত এখন চুক্তি কৰি অসমত বেহা-বেপাৰ কৰিবলৈ লয়। এইদৰে এবাৰ লোনৰ বেপাৰ কৰিবলৈ দিখৌৰেদি জাহাজেৰে উজাই আহোঁতে সোঁতত উটি যোৱা এবাকচ তাই ভাষাৰ সাঁচিপতীয়া পুথি পাই ইংলেণ্ডলৈ লৈ যায়। অনুসন্ধিৎসু ইংৰাজসকলে এই পুথিসমূহত কি আছে তাক জানিবৰ বাবে অসমৰ পৰা এজন তাই ভাষাৰ পণ্ডিত বিচাৰি পঠায়। মহামতি ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে আগৰ ৰাজপণ্ডিত (দিহিঙীয়া মহন) পৰিয়ালৰ টেঙাই মহনকে ইংলেণ্ডলৈ পঠিওৱাৰ ব্যৱস্থা কৰে। সেই অনুসাৰে এইজনা টেঙাই পণ্ডিতে ইংলেণ্ডলৈ গৈ ছয় বছৰ কাল তাতে থাকিসেই পুথিবোৰ পঢ়ি পঠোদ্ধাৰ কৰে আৰু ইংৰাজসকলকো তাই ভাষা শিকায়। ইংলেণ্ডত থকা কালত পণ্ডিতগৰাকীয়ে ইংৰাজী ভাষাটোও ভালকৈ আয়ত্ত কৰি তাৰে ভালেকেইখন পুথি ইংৰাজীলৈ অনুবাদো কৰিছিল বুলি জনা যায়।...'

... সাঁচিপাতৰ এই পুথিখনৰ আকাৰে দীঘে ৪২ চেঃ মিঃ আৰু পথালিয়ে ১০ চেঃ মিঃ জোখৰ। পুথিখনত মুঠ ৪০ টা পাত থকাৰ কথা বিমলা বৰুৱা আৰু নন্দনাথ দেওধাই ফুকনে সম্পাদনা কৰি গ্ৰন্থখনৰ পাতনিত উল্লেখ কৰিছে। বকতা পাৰিজাত গাঁৱৰ তাই পণ্ডিত মানচাও জোনাৰাম চাংকুন ফুকনৰ ঘৰত থকা এই পুথিখনৰ আন এটা প্ৰতিলিপি আমি অষ্ট্ৰেলিয়াৰ গৱেষক দ° ষ্টিফেন মোৰেৰ পৰা পাইছোঁ। এইটো প্ৰতিলিপিত বাকলি পাত দুটা বাদ দি মুঠে ৬২ খিলা সাঁচিপাত পোৱা গৈছে। পুথিখনৰ আকৃতিও প্ৰায় একেই আৰু প্ৰতিটো পিঠিত ৬-৯ শাৰীকৈ লিখা আছে। পুথিখন প্ৰতিলিপি এই অঞ্চলৰ কেইবাঘৰতো সংৰক্ষিত হৈ থকাৰ কথা জানিব পাৰিছোঁ।

বিশিষ্ট শিক্ষাবিদ জীৱেশ্বৰ মহনৰ তথ্যখিনি আন কেইবাটাও উৎসৰ দ্বাৰাও সমৰ্থিত। উদাহৰণস্বৰূপে 'স্বৰ্গীয় দুমুনাৰ পবিত্ৰ স্মৃতি'ত প্ৰকাশিত স্মৃতিগ্ৰন্থ জাছিংফাত (অতুল মহন আৰু নগেন মহন সম্পাদিত, ১১ ফেব্ৰুৱাৰি ১৯৯৮) তোষেশ্বৰ মহনে

টেঙাই পণ্ডিতে লিখা পুথিসমূহৰ এই তালিকা দাঙি ধৰিছে ঃ দাইফাই, লানমাই, ফাতনং, তাপতাং, বাঘদাম, লনমতি, লোৰি, থাবি, চোড়া, জুদাই, জুমখাম, খেনলুং, ফেলোং, বানচাং, কানীবানচাং, কাঠি বনাচাং আনাংফুৰা, পিনাংফুৰা, জীনাং ফুৰা, হুনখাফুৰা, মালিখাফুৰা, ভয়লুংফুৰা, ওৱাকফাফুৰা, নেবিমানফুৰা (বুদ্ধজাতক), মংগলচোৱা, থামকৰাপুথি, কুকুৰা লিন্‌কাই চোৱা পুথি বজ্ৰনমোৱা পুথি, বজ্ৰতোলা পুথি, খেন কুকুৰা কটা পুথি, মেঘ নমোৱা পুথি, মেঘতোলা পুথি, দাইনিং খেদা, বৰ দাইনি-সৰু দাইনিং পুথি, আয়ুস তোলা পুথি, বৰফাই, সৰুফাই, মাজুফাই পুথি, বডনামচাং মংগল পুথি আদি।

তোমেশ্বৰ মহন ডাঙৰীয়াই উক্ত স্মৃতিগ্ৰন্থত আৰু লিখিছে ঃ

'ইয়াৰ উপৰি ৪২ ইঞ্চি দীঘল আৰু ৮ ইঞ্চি বহলৰ এখন তাই অভিধান। চাৰে ১২ (বাৰ) কেজি ওজনৰ এখন ৰাজ বুৰঞ্জী আৰু চাৰে ৭ (সাত) কেজি ওজনৰ এখন ফৈদফলা বুৰঞ্জী (পুৰুষানামা) উল্লেখযোগ্য। আশ্চৰ্যৰ কথা যে তেত্ৰিছ হাত দীঘলৰ এখন মুগা কাপোৰত এখনি তাই মন্ত্ৰ পুথিও তেখেতে লিখি গৈছিল।'

অৰ্ধ শতাধিক পুথিৰে তাই তথা অসমীয়া ভাষা সাহিত্যলৈ বিপুল অৱদান আগবঢ়াই যোৱা এইজন প্ৰাতঃস্মৰণীয় আদি অসমীয়া আভিধানিকৰ বিষয়ে বকতা পাৰিজাতৰ তাই শিক্ষক চাও ৰেৱকান্ত ফুকনে মেদিনী মাধৱ মহন সম্পাদিত খাম ছেঙ আলোচনীৰ ২২ বছৰ প্ৰথম সংখ্যা (২০০৮)ত এনেদৰে লিখিছে ঃ

'টেঙাই মহনৰ জন্ম হৈছিল ১৭১৫ খৃষ্টাব্দত আহোমৰ পুৰোহিত ফৈদৰ মহন বংশত। এই অখ্যাত মানুহজনৰ বিষয়ে আমি একবিংশ শতিকাত ভৰি দি য়া অসমীয়া মানুহখিনিয়ে একো নাজানো।... মন কৰিবলগীয়া কথা হ'ল, যিটো অসমীয়া ভাষাত নালাগে ভাৰতৰ আন ভাষাসমূহতো ব্যাকৰণ, অভিধান প্ৰণয়নৰ দৰে দুৰূহ কাম কৰাটো চিন্তাৰ বাহিৰ আছিল, তেনে এটা সময়ত লুপ্ত হ'বলৈ ধৰা এটা ভাষাৰ অভিধান প্ৰণয়নৰ দৰে কষ্টসাধ্য কাম সমাধা কৰাটো অসম্ভৱ নহ'লেও সঁচায়ে অতিশয় বিস্ময়কৰ, শলাগিবলগীয়া কথা আছিল।'

এতিয়া আমি চাওঁহক, তিনিজন বিশিষ্ট তাই আহোম ব্যক্তিৰ তথ্যৰ ঐতিহাসিক ভিত্তি আছেনে নাই। উদাহৰণস্বৰূপে লোণৰ ব্যৱসায় কৰিবলৈ অহা বৃতিচ ব্যৱসায়ীয়ে দিখৌ নৈত উটি যোৱা পুথিৰ পেৰা পোৱাৰ প্ৰসংগ। ১৭৯৩ খৃঃত স্বৰ্গদেউ গৌৰীনাথ

সিংহ আৰু কেপ্তেইন ৱেলচৰ মাজত যি বাণিজ্য চুক্তি হৈছিল তাৰ প্ৰথম দফাতে লোন আমদানিৰ বিষয়ে এনেকৈ লিখা হৈছিল ঃ '১. বংগদেশৰ লোনৰ প্ৰকৃত দামৰ ওপৰত শতকৰা ১০ ভাগ হাৰে শুল্ক ধাৰ্য কৰা হ'ব আৰু প্ৰকৃত দাম (সেৰত ৮৪ তোলা ওজনৰ) ১০০ মোনত ৪০০ টকা বুলি খাটাংকৈ ধৰা হ'ব। 'অৰ্থাৎ বংগৰ পৰা অসমলৈ আমদানি কৰা আটাইতকৈ লাভজনক বস্তুবোৰৰ তালিকাৰ শীৰ্ষতে আছিল লোন বা নিমখ। টেঙাই পণ্ডিতৰ সময়ছোৱাত লুইতেদি সঁচাকৈ বৃতিচৰ সংযোগকাৰী হিচাপে পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ কথা কোৱা হয় আৰু সঁচাকৈয়ে বুঢ়াগোহাঞিৰ লগত কেপ্টেইন ৱেলচ আদি বৃতিচ বিষয়াৰ অত্যন্ত ঘনিষ্ঠ সম্পৰ্ক আছিল। সেয়েহে টেঙাই মহন পণ্ডিতৰ ইংলেণ্ড গমন অস্বাভৱিক বা অসম্ভৱ নহয়। জীৱেশ্বৰ মহন ডাঙৰীয়াই আমাক জনোৱা মতে টেঙাই মহন পণ্ডিতৰ পাৰিবাৰিক সূত্ৰ, পণ্ডিত বিশ্ব ফুকন, তাই সাহিত্য সভাৰ প্ৰধান সম্পাদক অতুল (মহন) ফুকন আদিৰ দ্বাৰাও এই তথ্য সমৰ্থিত। তথাপি আমি এই বিষয়ে আৰু বিতং তথ্য সংগ্ৰহলৈ বাট চাইছোঁ।

সি যি কি নহওক, টেঙাই পণ্ডিতৰ ইংলেন্দ গমনৰ বিষয়টো একাষৰীয়াকৈ থ'লেও তেওঁৰ দ্বাৰা প্ৰণীত বৰ কাকত হুমুং পুথি বা বৰ অম্ৰ আৰু ৰমাকান্ত বৰুৱাৰ লতি অম্ৰ নামৰ ওঠৰ শতিকাৰে তাই-অসমীয়া অভিধান-শব্দকোষকেইখন স্ব-গুণে মহিমামণ্ডিত।

Ahom Lexicons নামেৰে ১৯৬৪ চনত ছপা আকাৰে প্ৰথমবাৰ প্ৰকাশ পোৱা গ্ৰন্থখনৰ ১৯৯১ চনৰ সংস্কৰণৰ (বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী) ২০৫ পৃষ্ঠাৰ ভিতৰত ১৫৯ পৃষ্ঠা জুৰি আছে বৰ অম্ৰই। পুথিখন আহোম বৰ্ণমালা অনুসৰি বৰ্ণানুক্ৰমিক। প্ৰতি পৃষ্ঠাত ১৭টাকৈ ইয়াত প্ৰায় ২৫০০ শব্দ আছে। মূল তাই শব্দবিলাকৰ অৰ্থ টেঙাই পণ্ডিতে অসমীয়া ভাষাত কিন্তু তাই লিপিত লিখিছিল। কিন্তু ১৯৬৪ চনত নন্দনাথ দেওধাই ফুকন আৰু বিমলা বৰুৱাৰ সম্পাদনাত প্ৰথমবাৰ প্ৰকাশ হোৱা সময়ত দেখা গ'ল অৰ্থ একে ৰাখিলেও অৰ্থসমূহ তাই লিপিৰ পৰিবৰ্তে অসমীয়া লিপিত দিয়া হৈছে আৰু লগতে ইংৰাজী অৰ্থও দিয়া হৈছে।

বৰ অম্ৰত প্ৰতিটো তাই শব্দৰ পিচত 'চমুৱা' বুলি দি তাৰ পিছত অসমীয়া অৰ্থটো তাই আখৰত দিয়া হৈছিল। প্ৰতিটো অসমীয়া অৰ্থসূচক শব্দৰ পিছত 'ক', নহয় 'ৰ' লগোৱা দেখা গৈছিল। বিশ্লেষণ কৰিলত দেখা গ'ল 'ক' লগোৱা শব্দবোৰ

বিশেষ্য আৰু 'ৰ' লগোৱা শব্দবোৰ ক্ৰিয়া। উদাহৰণস্বৰূপে 'কা চম্‌বা কাউৰীক'। এই কথাখিনিৰ ব্যাখ্যা এনে হ'ব ঃ 'তাই ভাষাত 'কা' শব্দৰ অৰ্থ হৈছে কাউৰী', আৰু ই এটা বিশেষ্য (চাম্‌বা- মানে) সেইদৰে 'বানখাও চাম্‌বা ধান চোৱাৰ' কথাৰ ব্যাখ্যা হ'ব 'বানখাও মানে ধান চোৱা' আৰু ই এটা ক্ৰিয়া।

যি কি নহওক বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে সম্পাদনা কৰি উলিয়াবৰ সময়ত উক্ত 'চাম্‌বা' বাদ দিয়াৰ উপৰি অসমীয়া শব্দৰ পাছত থকা বিশেষ্য-ক্ৰিয়াসূচক 'ক'বা 'ৰ'ও বাদ দিয়া হয়। তদুপৰি সম্পাদনাৰ সময়ত মূল বৰ অম্ৰ লতি অম্ৰত নথকা বহু শব্দও ইয়াত ভৰোৱা হয়। কিন্তু কোনবোৰ আভিধানিক দুজনৰ শব্দ আৰু কোনবোৰ পৰৱৰ্তী সংযোজন বুজাৰ কোনো উপায় ছপা ৰূপটোত নাথাকিল। তদুপৰি কেতবোৰ তাই শব্দৰ অসমীয়া অৰ্থৰ পৰা সন্দেহ হয় যে সেইবিলাক আভিধানিক দুজনৰ আছিল নে নিতান্তই অৰ্বাচীন সংযোজন। উদাহৰণ স্বৰূপে 'বাও-চান্ শব্দটোৰ অসমীয়া অৰ্থ দিয়া হৈছে 'বাৰান্দা' আৰু ইংৰাজী অৰ্থ দিয়া হৈছে 'A veranda of house' দেখদেখকৈয়ে এয়া পৰৱৰ্তী ইংৰাজী সংযোজন।

বৰ অম্ৰ আৰু লতি অম্ৰ দুয়োখনতে তাই ভাষাৰ শব্দৰ অৰ্থ অসমীয়া ভাষাত, কিন্তু তাই লিপিত দিয়া হৈছিল কিয়? স্পষ্টতঃ এনে পাঠকৰ সুবিধাৰ কাৰণে যি তাই ভাষা জানে, তাই লিপি জানে, অসমীয়া ভাষা বুজি পায়; কিন্তু অসমীয়া লিপি নেজানে। কোৱা বাহুল্য যে আহোম শাসনকালৰ আৰম্ভণিৰ পৰা শেষলৈকে অসমীয়া ভাষাৰ সমান্তৰালভাৱে তাই ভাষাও চলি আছিল। তাই ভাষাত অজস্ৰ বুৰঞ্জী আৰু অন্যান্য পুথি আছে যিবোৰ অসমীয়ালৈ আজিও অনুবাদ হোৱা নাই।। বৰ অম্ৰ-লতি অম্ৰৰ সহায় লৈ সেই অনুবাদৰ কথাও ভবাৰ থল আছে।

তাই-অসমীয়া পাৰিস্পৰিক জ্ঞান বিনিময়ৰ উপৰি অভিধানখনে অসমীয়া জাতীয় অভিধানকো সমৃদ্ধ কৰিবলৈ ধৰিছে। কাৰণ বৰ অম্ৰ-লতি অম্ৰত তাই ভাষাৰ শব্দবোৰৰ অৰ্থ ভাঙিবলৈ যাওঁতে ওঠৰ শতিকাৰ শেষভাগৰ এনে কেতবোৰ অসমীয়া শব্দ ব্যৱহাৰ কৰা হৈছে যিবোৰ বৰ্তমানে বিলুপ্ত বা প্ৰায় অপ্ৰচলিত হৈ পৰিছে। মূলতঃ আহোম সম্প্ৰদায়ৰ গাঁৱলীয়া অসমীয়াসকলৰ মাজত প্ৰচলিত তেনেবোৰ নিভাঁজ অসমীয়া শব্দৰ ভু হয়তো শিৱসাগৰ নগৰত বহি থকা খৃষ্টিয়ান মিচনেৰি মাইলচ ব্ৰনচন আৰু ব্ৰাহ্মণ সন্তান হেমচন্দ্ৰ বৰুৱায়ো পোৱা নাছিল। তেনে সম্ভাব্য শব্দ বিজাই

চাবলৈ সময় নাপালেও আমি এখন প্ৰাথমিক তালিকা ইয়াত তুলি ধৰিব খোজোঁ, যেনে ঃ

আপায়েক, খনুলুং, খুনলাই, জাৰ্চিংফা, লেংদন, দৰমূল, উখুমা, হিয়াচৰি, দেওতৰা, মাকতা আঠা, ডাকুৰ, কপালী, তাহোন, টাৰু, কাপ ঢেকীয়া, নেক্কেৰা গাহৰি, বৰটিপা, কেৰকেচা দিয়া, গুইমেলা খেল, আঁকুহী, ফান্দনি, মুঞ্চৰাগ (ম'ৰা), আহঙীয়া (বেছি মৰমৰ), জেঠী মোৰ (জহনি), ঘুমুৰা (কাপোৰেৰে গা ঢকা) আগভলা, কুৰ্মুৰা, আহোম ভিৰে বহা, চেৰা দিয়া ভাত, ডাৰফাঁক ইত্যাদি ইত্যাদি।

এনেধৰণৰ কেইবাশ শব্দ পৰীক্ষা কৰি চাই ইতিপূৰ্বে কোনো অসমীয়া অভিধানত নথকা শব্দবোৰ ইতিমধ্যে অসমীয়া জাতীয় অভিধানত অন্তৰ্ভুক্ত কৰা হৈছে। এইখিনিতে কৈ থোৱা ভাল যে বৰ অগ্ৰত বৰ্ণানুক্ৰমিকভাৱে শব্দবোৰ সজোৱাৰ বিপৰীতে লতি অগ্ৰত তাই শব্দবোৰ সজোৱা হৈছে বিষয় অনুক্ৰমে। তাতোকৈ মজাৰ কথা এইখন অভিধানত শব্দবোৰ আছে অসমীয়াত, (অৱশ্যে তাই লিপিত), সিবিলাকৰ তাই অৰ্থ ভঙা হৈছে। দেখদেখকৈয়ে এয়া এক দ্বিভাষিক পৰিস্থিতিৰ চাহিদা। তাকে কৰিবলৈ যাওঁতে মানুহৰ দেহ সম্পৰ্কীয় শব্দ, ঘৰ সজা সম্পৰ্কীয় শব্দ, মাছৰ নাম, শাকৰ নাম, কচুৰ নাম, বনৰ নাম, ফুলৰ নাম, আহোম-শক আদি অন্তৰ্ভুক্ত কৰা হৈছে।

লতি অগ্ৰৰ পৰা জাতীয় অভিধানলৈ আহিব লগা সম্ভাৱনাপূৰ্ণ শব্দৰ তালিকা এখন ইয়াত দাঙি ধৰা হ'ল। দেহৰ অংগ ঃ টিকুৰ, ঘাঁড়চেলেকা, চকুৰ কটি, নাকৰ মেচা, টুঁটলি, জলখাপৰি, থপলপ ইত্যাদি। ঘৰ সজা সম্পৰ্কীয় শব্দ-ঠাকুৰা, মতা কামী, চান্দনি কামী, জেলিপ বন্ধা, ভুটকুৰী, কোবাইতৰা ইত্যাদি, মাছৰ নাম -বৰগলা, চিকাববালি ইত্যাদি, শাকৰ নাম-দল এগেৰুৰা, পানীকলা, চুৰাই, লৰ বৰুৰা, ৰহা ফুটৰা, জয়তা টেঙা, লহকৰীমৰা ইত্যাদি।

মুঠৰ ওপৰত এই প্ৰতিটো শব্দই অসমীয়া ভাষা, জাতি, তাৰ বৰ্ণাঢ্য লোক-সংস্কৃতি, হেজাৰ বছৰীয়া লোক অভিজ্ঞানৰ একো একোটি আপুৰুগীয়া মণি-মুকুতা। এই প্ৰতিটো শব্দই নিশ্চিতভাৱে জাতীয় অভিধানৰ অপৰিহাৰ্য উপাদান, অসমীয়া জাতিৰ সমূহীয়া সম্পত্তি।

আনন্দৰ কথা যে ইতিমধ্যে প্ৰাক্তন অধ্যক্ষ জীৱেশ্বৰ মহন, প্ৰাক্তন অধ্যাপক বিনন্দ মহন ভাতৃদ্বয়ৰ প্ৰচেষ্টাত বৰ অগ্ৰ-লতি অগ্ৰ ২০১০ চনৰ পহিলা জানুৱাৰিৰ

দিনা অসমৰ আধুনিকতম অসমীয়া অভিধানখন প্ৰকাশ পোৱাৰ দিনাই একেখন মঞ্চৰ পৰাই উন্মোচিত হয়।

আৰু সেয়ে ওঠৰ শতিকাৰ আৰম্ভনিৰ ফালে জন্মগ্ৰহণ কৰি সেই শতিকাৰে শেষৰ ফালে এহাতে প্ৰথম (তাই) অসমীয়া অভিধান সংকলন আৰু আনহাতে অৰ্ধ-শতাধিক তাই (অসমীয়া) গ্ৰন্থ ৰচনা কৰা মহান অসমীয়া আভিধানিকজনক আমি আজি সশ্ৰদ্ধে সুঁৱৰিছোঁ। এইজন টেহাই মহন পণ্ডিতৰ ছবছৰীয়া ইংলেন্দ যাত্ৰাৰ অধিক তথ্য-প্ৰমাণো এহাতে তেখেতক বিলাতগামী প্ৰথম অসমীয়াৰ বুলি প্ৰতিষ্ঠা কৰিব আৰু আনহাতে ওঠৰ শতিকাতেই প্ৰাচ্য পাশ্চাত্য দুই গোলাৰ্ধৰ বিচিত্ৰ অভিজ্ঞতাসম্পন্ন তথা ইংৰাজী-তাই-অসমীয়া জনা সেই সময়ৰ একমাত্ৰ অসমীয়া হিচাপেও হয়তো তুলি ধৰিব।

সি যি কি নহওক, ১৭১৫ চনত জন্মৰ প্ৰায় তিনি শতিকা পিচতো অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসৰ অতিশয় প্ৰাসংগিক অথচ অৱহেলিত, স্বীকৃতি বঞ্চিত এইজন মহান অসমীয়া আভিধানিক-সাহিত্যিকক সদৌ অসমীয়া জাতিয়ে অন্ততঃ ২০১০-২০১৫ চনৰ সময়ছোৱাত, অৰ্থাৎ তেখেতৰ অভিধানৰ প্ৰথম পূৰ্ণ প্ৰকাশৰ পৰা তেখেতৰ জন্মৰ ত্ৰি-শতবৰ্ষৰ সময়ছোৱাত যথাযোগ্যভাৱে সুঁৱৰি, এয়ে আমাৰ আশা আৰু সেয়ে হ'লে এই হেজাৰ বছৰীয়া মহান জাতিটোৰ অভিধান চৰ্চাতো আমেৰিকান মিচনেৰি, অসমীয়া বৰ্ণ হিন্দুৰ উপৰি তাই-আহোমকে ধৰি বিভিন্ন জনগোষ্ঠীৰ অৱদান স্বীকৃত হ'ব; ৰমক-জমককৈ ফুলি উঠিব জাতিৰ বাগিচাত বৰ্ণাঢ্য শতপুষ্প।

ৰুচিনাথ কামৰূপী নে ৰুচিনাথ বুঢ়াগোহাঞি?

প্ৰান্তিক আলোচনীৰ ১-১৫ আগষ্ট, ২০০৮ সংখ্যাত এই লেখকৰ এটি লেখা প্ৰকাশ পাইছিল। তাৰ শিৰোনাম আছিল ঃ 'প্ৰণয়নৰ দুশ বছৰ পাছত, প্ৰথম প্ৰকাশৰ প্ৰাক মুহূৰ্তত 'ৰুচিনাথ কামৰূপী (?)ৰ ১৮১০ চনৰ শব্দকোষ'খন। শব্দকোষখনৰ সংকলনৰ প্ৰসংগলৈ যোৱাৰ আগতে আমি শব্দকোষৰ বিষয়েই কেইআষাৰমান কথা কৈ ল'বলৈ বিচাৰিছোঁ। যোৱা প্ৰায় দুশ বছৰ জুৰি লুকাই থকা অথবা লুকুৱাই ৰখা এই ঐতিহাসিক শব্দকোষখন উদ্ধাৰৰ প্ৰচেষ্টাত আমি ব্ৰতী হৈ আছিলো যোৱা প্ৰায় এক দশক। সেই বিষয়ে প্ৰান্তিকৰ উক্ত সংখ্যাত আমি সবিশেষ লিখিছোঁ বাবে ইয়াত দোহাৰিব নোখোজোঁ।

প্ৰায় দুশ পৃষ্ঠাৰ উক্ত পাণ্ডুলিপিটোত প্ৰত্যেক পৃষ্ঠাৰ আকাৰ দীঘলে ১০ ইঞ্চি আৰু পথালিয়ে ৭ ইঞ্চি। ইয়াৰ শব্দকোষ অংশটো ২০০ পৃষ্ঠাৰ আৰু ব্যাকৰণ সংক্ৰান্তীয় টোকা আছে ৬ পৃষ্ঠা জুৰি। শব্দকোষখনৰ প্ৰথম ৭৯ পৃষ্ঠাত সংস্কৃত শব্দ আৰু তাৰ আসামী (উজনি অসমীয়া) আৰু কামৰূপী (নামনি অসমীয়া) উপভাষাত অৰ্থ দিয়া হৈছে। কিন্তু ৭৯ পৃষ্ঠাৰ পিছত সংস্কৃত শব্দ আৰু আসামী অৰ্থাৎ উজনিৰ উপভাষাৰ শব্দহে আছে। সেয়েহে দ° মফিদুল ইছলাম বৰাৰ লগতে সুৰ মিলাই আমিও ক'ব খোজোঁ যে বেটুপাতত বৃতিচ চাহাবজনে লিখি যোৱাৰ দৰে ই Vocabularies of the Ashami and Kamarupa Languages নহৈ এখন সংস্কৃত অসমীয়া অভিধান বা শব্দকোষহে।

শব্দকোষখন যুগুতাওঁতে সংকলকজনৰ কমেও এবছৰমান লাগিছিল বুলি অনুমান কৰিব পাৰি। কাৰণ প্ৰথম পৃষ্ঠাৰ পৰা আঠ পৃষ্ঠামানলৈকে মাজে মাজে (পথালিকৈ) একোডাল আঁচ টানি কাষত ১, ২, ৩ কৈ লিখি যোৱা হৈছিল, যিটো এটা এটা দিনৰ লেখ যেন লাগে। শব্দকোষখনৰ প্ৰথম পৃষ্ঠাৰ আৰম্ভনিতে (আৰু কিছু পৃষ্ঠাৰ মূৰে মূৰে) 'শ্ৰীশ্ৰীদুৰ্গা জয়তি' বুলি লিখি লোৱা হৈছে। পাণ্ডুলিপিটোৰ প্ৰথম পৃষ্ঠাৰ প্ৰথম শব্দটোৱেই হ'ল ঈশ্বৰহ্, তাৰ পৰা ক্ৰমে ঈশ্বৰতা, স্ৰষ্টা, বিশ্বম্ভৰ, সৰ্বশক্তিমান, নিত্যতা, গণ, জীৱন, প্ৰেতঃ, ভাগ্যম্ আদি ধৰ্মীয় বা আধ্যাত্মিক, দাৰ্শনিক শব্দ ইয়াৰ আৰম্ভণিতে পোৱা যায়।

শব্দকোষখনত ইয়াৰ পিছত আকাশ, গ্ৰহ, তৰা, উল্কা, বাৰ আদি জ্যোতিৰ্বিজ্ঞানৰ লগত সম্পৰ্কিত শব্দ পোৱা যায়। তদুপৰি জ্যোতিষৰ লগত জড়িত বিভিন্ন ৰাশিবোৰ, পূব-পশ্চিম আদি দিশবোৰ, গ্ৰীষ্ম, বৰ্ষা, শিশিৰ, ভূকম্প আদি প্ৰাকৃতিক পৰিঘটনাবোৰ, পুৰুষ নাৰীৰ জীৱনৰ ভিন ভিন পৰ্যায়, পাৰিবাৰিক সম্বন্ধ, শৰীৰৰ অংগ-প্ৰত্যংগ; শয়ন, জাগৰণ আদি শৰীৰৰ অৱস্থা, ইন্দ্ৰিয় অনুভূতিসমূহ, ৰোগসমূহ, চিকিৎসা পদ্ধতি, খাদ্য, পথ্য ইত্যাদি জীৱ-জন্তু, চৰাই-চিৰিকটি, মাছ-কাছ, পোক-পৰুৱা, ধাতু-মুক্তা, কাপোৰ-কানি আনকি সূতা-বেজীলৈকে সামৰা হৈছে।

১৮-১৯ শতিকাৰ ২,৫০০ অসমীয়া শব্দ

এই শব্দকোষখনত ১৮ শতিকাৰ শেহভাগ তথা ১৯ শতিকাৰ আগভাগৰ অসমৰ ২,৫০০ অসমীয়া শব্দ পোৱা যায়। ইয়াৰে বহুসংখ্যক ইতিমধ্যে আমাৰ দৰে সংকলিত অসমীয়া জাতীয় অভিধানত অন্তৰ্ভুক্ত কৰা হৈছে। তেনে শব্দসমূহৰ কেতবোৰ

উদাহৰণ তলত দাঙি ধৰা হ'ল। সংস্কৃত 'সৰ্বশক্তিমান' শব্দৰ আসামী (অৰ্থাৎ উজনি অসমীয়া) প্ৰতিশব্দ সংকলকে দিছে 'এটাই সমৰ্থ', কামৰূপী অৰ্থাৎ নামনি অসমীয়া প্ৰতিশব্দ দিছে 'হকলসমৰ্থ', বিষুব মানে চ'তৰ বিহু, ৰামধেনুৰ ঠাইত ধৰ্মনিৰপেক্ষ 'কাড়ধেনু' শব্দৰ ব্যৱহাৰ, গ্ৰীষ্মকালিৰ ঠাইত 'ধামকালি', 'চোৰবালুকা'ৰ প্ৰতিশব্দ 'দকাদমকা', বুদ্ধদৰ প্ৰতিশব্দ 'পানিফুট', বালকৰ ঠাইত 'ঘামকালি', 'চোৰবালুকা'ৰ প্ৰতিশব্দ 'দকাদমকা', বুদ্বুদৰ প্ৰতিশব্দ 'পানিফুট', বালকৰ ঠাইত 'গভুৰা', পিতৃব্য পুত্ৰহৰ প্ৰতিশব্দ 'দদাইপো' পুৰ্বপুৰুষৰ অসমীয়া 'আথাওপিথাও'"পোষ্যপুত্ৰকৰণং' বোলোঁতে 'তোলনিআপোকৰা', প্লীহাৰ অসমীয়া 'জ্বৰখাপৰি', জোনাকী পৰুৱা বুজাবলৈ 'জুই আঙনি' আদি বৰ্তমানে অচল বা বিৰল অসমীয়া শব্দ পোৱা যায়।

বৰ্ণাঢ্য অভিজ্ঞতাৰে সমৃদ্ধ সংকলকজন

শব্দকোষখনৰ সংকলকজন নিজে অতি অভিজাত শ্ৰেণীৰ মানুহ অথবা তেনে শ্ৰেণীৰ সৈতে ঘনিষ্ঠ সম্বন্ধ থকা ব্যক্তি। কাৰণ তেওঁ (মিচৰৰ পৰা অহা?) মিচিৰি, আৰবৰ পৰা অহা খেজুৰ আৰু আমেৰিকাৰ পৰা অহা আনাবসৰ কথাও জানে। বোধহয় তেওঁ সেইবোৰ খায়ো পাইছে। কিন্তু ১৮১০ চনত বৃতিচ অসমলৈ অহাৰো ১৬ বছৰ আগতেই এইবোৰ বস্তুৰ কথা যিজনে, তেওঁৰ নিশ্চয়কৈ অসমৰ বাহিৰৰ লগত, বিশেষকৈ তেতিয়াৰ কলকাতাৰ লগত সম্পৰ্ক থাকিব লাগিব। শব্দকোষখনত নাও আৰু নাওঘাট, যুদ্ধ, যুদ্ধাস্ত্ৰ, মানসিক বিষয়, বন্ধুত্ব, অপৰাধ, শাস্তি, ৰাজশাসন, কৰ-কাটল, ধৰ্ম দৰ্শন, সময়, গীত-বাদ্য, খেলা-ধূলা, শিক্ষা-দীক্ষা, গ্ৰন্থ ৰচনা, শাস্ত্ৰ জ্ঞান, ব্যাকৰণ, জ্যামিতি, জ্যোতিষ, সংখ্যা আদি বিচিত্ৰ বিষয় সামৰি লোৱা হৈছে। এইবিলাকে সংকলৰ জ্ঞানৰ পৰিধি, অভিজ্ঞতাৰ বৈচিত্ৰ্য আৰু শ্ৰেণীগত আভিজাত্যবো ইংগিত বহন কৰে।

কিন্তু ৰুচিনাথ কামৰূপী কোন?

পাণ্ডুলিপিখনৰ ক'তো সংকলক বা লেখকৰ নাম বা চহী পাবলৈ নাই। মাত্ৰ দুশ পৃষ্ঠাৰ শেষৰ শাৰীত উল্লেখ আছে ঃ 'সমাপ্তোঅয়ং গ্ৰন্থহ কামৰূপী ভাষেয়মিতি'। ইয়াৰ পৰাই হয়তো সংগ্ৰহকজনে সংকলকজনৰ উপাধি 'কামৰূপী' বুলি ধাৰণা কৰিছিল আৰু সেই মৰ্মেই বেটুপাতত এনেকৈ লিখি ৰাখিছিল ঃ Vocabulary of Ashami and Kamarupa Languages from Ruchinath Kamarupi...

কিন্তু আমি বহু চেষ্টা কৰিও কামৰূপী উপাধিৰ কোনো ব্যক্তি বা পৰিয়ালৰ বিষয়ে জানিব পৰা নাই। ইতিমধ্যে ভাষাচাৰ্য দ° গোলাক চন্দ্ৰ গোস্বামীৰ পৰা আমি অভিধানখনৰ পাণ্ডুলিপি গ্ৰহণ কৰোঁতে উপস্থিত থকা সাদিনৰ সাংবাদিক দিগন্ত শৰ্মাই যোৱা ২৭ জুন, ২০০৮ তাৰিখৰ সাদিনত ৰুচিনাথ 'কামৰূপী'ৰ বিষয়ে কোনো ব্যক্তিয়ে জানিলে জনাবলৈ আহ্বান জনাইছিল। আনহাতে ১ আগষ্ট, ২০০৮ তাৰিখৰ প্ৰান্তিকত আমাৰ পূৰ্বে উল্লেখিত যি লেখা প্ৰকাশ পাইছিল তাতো আমি ৰুচিনাথ 'কামৰূপী'ৰ বিষয়ে ৰাজহুৱাভাৱে তথ্য আহ্বান কৰিছিলো। কিন্তু যোৱা চাৰে তিনিমাহত অসমৰ কোনো ব্যক্তিয়ে ৰুচিনাথ কামৰূপীৰ বিষয়ে জনা বুলি দাবী নকৰিলে। সেয়েহে আমাৰ মনত এই ধাৰণা দৃঢ় হ'বলৈ ধৰিলে যে সংকলক/লেখকজনে কামৰূপৰ মানুহ বাবে তেওঁৰ কথা কামৰূপী বুলি উল্লেখ কৰিব পাৰে অথবা শব্দকোষখনৰ ২০০ পৃষ্ঠাত কামৰূপী ভাবাত ই লিখিত বুলি উল্লেখ থকা বাবে মানুহজনৰ নাম ৰুচিনাথ বুলি উল্লেখ কৰিব পাৰে... এই ধাৰণাত আমি উপনীত হ'লোঁ।

ৰুচিনাথ 'কামৰূপী' ঃ উজনিৰ নে নামনিৰ?

শব্দকোষৰ গভীৰলৈ সোমোৱাৰ লগে লগে আমাৰ ধাৰণা হ'ল যে সংকলকজনে 'কামৰূপী' আৰু 'আসামী' শব্দ দুটা কেতিয়াবা কেতিয়াবা একে অৰ্থতে সালসলনিকৈ ব্যৱহাৰ কৰিছে। এইখিনিতে মন কৰিবলগীয়া কেতবোৰ তথ্য হ'ল এই যে (১) সংকলকে ৪৯ পৃষ্ঠাৰ পিছত সংস্কৃত শব্দৰ 'কামৰূপী' প্ৰতিশব্দ দিয়া বাদ দিলে। পৰৱৰ্তী ১২১ পৃষ্ঠাত তেখেতে কেৱল উজনি (অসমীয়া) প্ৰতিশব্দহে দি থাকিল।

(২) ২০০ পৃষ্ঠাৰ পিছত বাংলা ভাষাৰ নিয়মৰ বিপৰীতে তেখেতে কামৰূপী ভাষাৰ নিয়মৰ যি উদাহৰণ দিছে, সেয়া উজনিৰ ভাষাৰহে উদাহৰণ। যেনে বংলা শব্দ ভগিনীবা, কামৰূপী ঃ ভনিহঁতে, বাংলা ঘরগুলা, কামৰূপী ঘৰবিলাক, বাংলা পুত্রেরা, কামৰূপী পোবিলাক, বাংলা কন্যারা, কামৰূপী চোআলিবিলাক/হেঁত।

(৩) তলৰ শব্দবিলাকত সংস্কৃত শব্দৰ সলনি তেখেতে 'আসামী'ৰ (উজনি অসমীয়া) সমান্তৰালভাৱে কামৰূপী শিতান যিবোৰ শব্দ দিছে, সেইবোৰ যে প্ৰকৃততে কামৰূপী শব্দ নহয়, উজনি অসমৰ শব্দহে সেই সম্পৰ্কে বহুকেইজন বিদগ্ধ লোকৰ লগত কথা পাতি আমি নিশ্চিত হৈছোঁ। যেনে—

সংস্কৃত	আসামী	কামৰূপী
সৰ্বশক্তিমান	এটাই সমৰ্থ	সকল সমৰ্থ
বিবুবহ	চতৰ বিহু	চতৰ বিহু
পুত্ৰ	পোহ	পোহ
পিতামহহ্	ককা	ককা
পিতামহী	বুড়িআই	বুড়িআই
পিতৃব্যহ	দদাই	দদাই
পিতৃব্যপুত্ৰঃ	দদাইপো	দদাই আপা

(৪) কিন্তু আন কেইটামান সংস্কৃত শব্দৰ কামৰূপী আৰু উজনিৰ প্ৰতিশব্দ দিব লওঁতে সংকলকজনৰ জন্মস্থান আৰু জনগোষ্ঠীগত পৰিচয় বহু পৰিমাণে ফুটি উঠিছে বুলি ধাৰণা কৰোঁ। যেনে —

'পূৰ্বপুৰুষ' এই সংস্কৃত শব্দৰ 'আসামী' অৰ্থ দিয়া হৈছে 'আথাওপিথাও' যিটো এটা বিশুদ্ধ তাই আহোম শব্দ। আনকি উক্ত শব্দৰ কামৰূপী প্ৰতিশব্দ দিবলৈ গৈয়ো প্ৰথমতে কলমেৰে 'আথাও' বুলি লিখি তাৰ পিছত কাটি 'পূৰ্বপুৰুষ' কৰা হৈছে। ইয়াৰ পৰা সংকলকজনৰ অৱস্থাৰ আৰু তেওঁৰ জনগোষ্ঠীৰ এটা মনস্তাত্বিক ধাৰণা কৰিব পাৰি। 'পূৰ্বপুৰুষ' এই সংস্কৃত শব্দটোৰ অসমীয়া অনুবাদ কোনো অনা আহোম আথাওপিথাও বুলি নকৰিলেহেঁতেন। অথচ এইজন আভিধানিকৰ মনত 'আথাওপিথাও' শব্দটো ইমান গভীৰলৈকে শিপাই আছিল যে কামৰূপী প্ৰতিশব্দ লিখিবলৈ গৈয়ো 'আথাও... ' বুলি লিখিয়েই পেলাইছিল। হঠাৎ হয়তো হুঁচ আহিল— এয়া মই কি লিখিছোঁ বুলি। তেতিয়া পুনৰ কামৰূপীৰ বিপৰীতে 'আথাও...' কাতি 'পূৰ্বপুৰুষ' কৰিলে। এনেদৰে 'পিতৃব্য পুত্ৰহ' শব্দৰ আসামী 'দদাইপো' আৰু কামৰূপীত ভুলকৈ 'দদাইআপা' শব্দৰ প্ৰয়োগ, পেহীৰ পো, মাহীৰ পো আদি শব্দক কামৰূপী বুলি ব্যৱহাৰ কৰা, 'আসামী' শব্দবোৰক হুবহু কামৰূপী বুলি চলাই দিয়া আদিয়ে সংকলকজন প্ৰকৃততে উজনি অসমৰ মানুহ আৰু তেওঁ এজন আহোম হ'ব পাৰে বুলি ধাৰণা জন্মায়।

ৰুচিনাথ 'কামৰূপী'ক বিচাৰি নোপোৱাত এই লেখকৰ পিতৃ কথাশিল্পী তথা অসমীয়া জাতীয় অভিধানৰ অন্যতম সম্পাদনা উপদেষ্টা প্ৰয়াত ডিম্বেশ্বৰ দয়াল শৰ্মাই

আমাক কয় যে আহোম যুগত ৰুচিনাথ কন্দলি নামৰ এজন লেখক- কবি আছিল। সেইজনেই এইজন হ'ব পাৰে নেকি, ঘাটি চোৱা প্ৰয়োজন। সেই মৰ্মে আমি ৰুচিনাথ কন্দলি সম্পৰ্কে তথ্য বিচাৰোঁ। আমি পোৱা তথ্য অনুসৰি ৰুচিনাথ কন্দলিয়ে তেওঁৰ দ্বাৰা বিৰচিত মাৰ্কণ্ডেয় চণ্ডীপদত আত্ম পৰিচয় দিওঁতে কৈছে— লোহিতৰ উত্তৰ কুলত মৃগাংক ৰজাৰ প্ৰিয় স্থান নাৰায়ণীপুৰৰ কাশ্যপ গোত্ৰৰ ৰত্ন কন্দলিৰ বংশৰ ৰমাপতি বিপ্ৰ ৰজা কটকী তামোলবাৰীত বসতি কৰিছিল, তেওঁৰ পুত্ৰ ৰঘুপতি, ৰঘুপতিৰ পুত্ৰ বলোৰাম, বলোৰামৰ তনয় ৰামৰ পুত্ৰ কৃষ্ণ আচাৰ্যক ৰুদ্ৰ সিংহ ৰজাই ৰংপুৰ নগৰ পাতি ব্ৰাহ্মণসকলক থাপনা কৰোঁতে সেই ঠাইত স্থাপন কৰিছিল। কৃষ্ণাচাৰ্যৰ পত্নী ৰুক্মিণীৰ গৰ্ভত আমাৰ কবিৰ জন্ম হয়। পুথিখনৰ এঠাইত তেওঁ আগতে কল্কি পুৰাণৰ পদ কৰাৰ কথা উল্লেখ কৰিছে, আৰু বৰ্তমানখনি একাহি বা একাশী শকত ৰচনা কৰা বুলি কোৱা হৈছে, অৰ্থাৎ ইয়াৰ ৰচনাৰ কাল ১৬৮১ শক ১৭৫৯ চন। তেতিয়া আহোম সিংহাসনত ৰাজেশ্বৰ সিংহ।

এই বিষয়ে দ° সূৰ্যকুমাৰ ভূঞাৰ লিখিত স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ গ্ৰন্থতো ভালেখিনি উল্লেখ পোৱা যায়। দ° ভূঞাই লিখিছে ঃ 'ৰুদ্ৰসিংহ স্বৰ্গদেৱে ব্ৰাহ্মণ পণ্ডিতসকলক উৎসাহ দিয়াৰ কথা ৰুচিনাথ দ্বিজ ৰুচিত মাৰ্কণ্ডেয় চণ্ডী পুথিৰ পৰা ভালকৈ জানিব পাৰি। চণ্ডী পুথিখনি ৰুচিনাথে 'একাহি শক'ত অৰ্থাৎ ৰাজেশ্বৰ সিংহৰ দিনত ১৬৮১ শকত (১৭৫৯ চন) ৰচনা কৰিছিল।' ৰুদ্ৰসিংহ স্বৰ্গদেৱে ৰংপুৰত ৰুচিনাত পিতৃ কৃষ্ণচাৰ্যক প্ৰতিষ্ঠা কৰাৰ কথা আৰু মাৰ্কেণ্ডেয় চণ্ডীৰ আগতে ৰুচিনাথে কল্কী পুৰাণৰ পদ ৰচাৰ কথাও উক্ত গ্ৰন্থত উল্লেখ পোৱা যায়।

অৰ্থাৎ এইজন ৰুচিনাত কন্দলি ৰুদ্ৰসিংহ-ৰাজেশ্বৰ সিংহৰ দিনৰ মানুহ। ৰুদ্ৰসিংহৰ ৰাজত্বকাল (১৭৫১-৬৯খৃষ্টাব্দ)। ১৭৫৯ খৃষ্টাব্দত দ্বিতীয়খন গ্ৰন্থৰ ৰচনা কৰা ৰুচিনাথ কন্দলিৰ আগৰখন গ্ৰন্থ তাৰো আগতে অৰ্থাৎ ৰুদ্ৰ সিংহৰ ৰাজত্বৰ শেষৰফাল বা ৰাজেশ্বৰ সিংহৰ ৰাজত্বৰ প্ৰথমৰ ফালে হ'ব লাগিব। প্ৰথম গ্ৰন্থখন ৰচনাৰ সময়ত তেওঁৰ বয়স ৩০ বছৰ বুলি ধৰিলেও ১৭৫৯ খৃষ্টাব্দত তেওঁৰ বয়স ৩৫ বুলি ধৰিলেও ১৮১০ খৃষ্টাব্দত তেওঁৰ বয়স প্ৰায় ৮৬ হয়গৈ। ৮০-৯০ বছৰ বয়সত অত্যাধুনিক ধ্যান-ধাৰণা সম্বলিত এখন শব্দকোষ সংকলনৰ সম্ভাৱনা কম যেন ধাৰণা হয়। তাতে শব্দকোষখনত আহোমীয়া শব্দৰ উপস্থিতি, সংকলকজনৰ উজনিৰ পৰা নামনিলৈ

গতিশীলতা, আনকি কলকাতাৰ লগত সংযোগ, বৃতিচ চাহাবৰ লগত (সংগ্ৰাহকজনৰ কথা কৈছোঁ, তেওঁৰ বিষয়ে অলপতে আলোচনা কৰিম) যোগাযোগে ৰুচিনাথ কন্দলিয়ে শব্দকোষখন যুগুতোৱাৰ সম্ভাৱনা কমাই আনিছে। তথাপি এদিন বিশিষ্ট কবি লেখকৰ পৰিয়ালবৰ্গ বা তেখেতৰ সম্পৰ্কে তথ্যবিজ্ঞ মহলে যদি তথ্যসহকাৰে সেই সম্ভাৱনা দাঙি ধৰে, আমি মুকলি মনেৰে তাক গ্ৰহণ কৰিবলৈ সাজু আছোঁ।

আন এজন ৰুচিনাথ ঃ মহামন্ত্ৰী, বুঢ়াগোহাঞিঃ

অসমৰ সমসাময়িক ইতিহাসত আৰু এজন মাত্ৰ উল্লেখযোগ্য ৰুচিনাথক আমি বিচাৰি পাইছোঁ। তেওঁ হ'ল মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ পুত্ৰ, পিচলৈ নিজেও বুঢ়াগোহাঞি হোৱা ৰুচিনাথ। মন কৰিবলগীয়া যে ৰুচিনাথ কন্দলিৰ দৰেই ৰুচিনাথ বুঢ়াগোহাঞিৰ পৰিয়ালো দুৰ্গাভক্ত আছিল। পৰিয়ালটোত আজি পৰ্যন্ত দুৰ্গা পূজাৰ এই ঐতিহ্য বাহাল আছে। সেয়েহে ৰুচিনাথৰ শব্দকোষৰ প্ৰথম পৃষ্ঠাৰ ওপৰতে আৰু কিছু পৃষ্ঠাৰ অন্তৰে অন্তৰে ওপৰত লিখি লোৱা 'শ্ৰীশ্ৰী দুৰ্গাজয়তি' কথাষাৰ আমি ব্যাখ্যা কৰিব পাৰোঁ।

আনহাতে আগতে কৈ অহা পূৰ্বপুৰুষ শব্দৰ বিপৰীতে 'আথাওপিথাও'ৰ ব্যৱহাৰ আমি ব্যাখ্যা কৰিব পাৰোঁ শব্দকোষখনৰ প্ৰণেতা ৰুচিনাথ বুঢ়াগোহাঞি হ'লে। উল্লেখযোগ্য যে এই পৰিয়ালৰ সন্তান, যোৰহাটৰ বাল্যভৱনৰ শিক্ষক, আমাৰ বাল্যবন্ধু শ্ৰীপ্ৰবীণ বুঢ়াগোহাঞিয়ে আমাৰ এক প্ৰশ্নৰ উত্তৰত জনায় যে সেই পৰিয়ালত পূৰ্বপুৰুষ বুজাবলৈ এতিয়াও 'আথাওপিথাও' শব্দ ব্যৱহাৰ হয়।

শব্দকোষখনৰ প্ৰণেতাজন বোধহয় দবা খেলৰ লগত অভ্যস্ত আছিল। সেয়েহে ইয়াৰ ১১২-১১৩ পৃষ্ঠাৰ দবা খেলৰ বিষয়ে যথেষ্ট শব্দ পোৱা যায়। মন কৰিবলগীয়া যে বুঢ়াগোহাঞি পৰিয়ালত সেই সৌ-সিদিনালৈকে এখন হাতী দাঁতৰ দবা ঢাল-গুটিসহ আছিল, যিখন আজি কিছু বছৰৰ আগতেহে যোৰহাটৰ এটা অনুষ্ঠানক দান কৰা হয়।

এতিয়া আহোঁ কলকাতাৰ লগত সংযোগৰ প্ৰশ্নলৈ আৰু বৃতিচ চাহাব-সংগ্ৰাহকজনৰ লগত যোগাযোগৰ প্ৰসংগলৈ। ১৮ শতিকাৰ শেষৰ পৰা ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ সময়লৈ ক্ৰমে মোৱামৰীয়া গণবিদ্ৰোহ আৰু তিনিলানি মানৰ আক্ৰমণত বিধ্বস্ত অসমত শৃংখলা প্ৰতিষ্ঠা কৰিবৰ বাবে মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ দ্বাৰা

একাধিক সংজাতী দল কলকাতাৰ বৃতিচ ৰাজধানীলৈ প্ৰেৰণ কৰা হৈছিল। তাত বুঢ়াগোহাঞিপৰীয়া চন্দ্ৰ গোহাঞি ওৰফে কাপ্তান গোহাঁই এনে এজন ব্যক্তি আছিল। তেখেতৰ উপৰি ৰুচিনাথ বুঢ়াগোহাঞিৰ ভাতৃ কলকাতালৈ যোৱাৰ উল্লেখ আছে। সেয়েহে আমি আগতে উল্লেখ কৰা শব্দকোষ-সংকলকজনৰ কলকাতা সংযোগ ৰুচিনাথ বুঢ়াগোহাঞিৰ ক্ষেত্ৰত অসম্ভৱ নহয়।

তথাপি প্ৰশ্ন উঠে শব্দকোষখন সংগ্ৰহ কৰি বৃতিচ লাইব্ৰেৰীত প্ৰদান কৰা দাঃ ফ্ৰান্সিচ বুকানন হেমিল্‌তনৰ লগত ৰুচিনাথৰ জানো কোনো যোগাযোগ হৈছিল? সেই যোগাযোগৰ কোনো প্ৰত্যক্ষ প্ৰমাণ নাপালেও ভালেখিনি পৰোক্ষ প্ৰমাণ আমি ইতিমধ্যে সংগ্ৰহ কৰিছোঁ। তাৰ আগতে আমি কৈ ল'ব লাগিব বৃতিচ সংগ্ৰাহক দাস্তৰ ফ্ৰান্সিচ বুকানন হেমিল্টনৰ বিষয়ে। উল্লেখযোগ্য আমি Internet অৰ পৰা সংগ্ৰহ কৰা তথ্যত তেওঁৰ বিষয়ে বহুবোৰ সম্বলেই পোৱা গৈছে। কিন্তু স্থানাভাব আৰু সময়াভাবত আমি সেইকিনি ইয়াত উল্লেখ কৰিব নোৱাৰিলোঁ।

An Account of Assam -অৰ লেখকজন

Department of Historical and Antiquarian Studies, Assam-১৯৪০ চনত প্ৰথম প্ৰকাশ কৰা An account of Assamঅৰ লেখক আছিল এইজন দাঃ ফ্ৰান্সিচ বুকানন হেমিল্টনেই । মন কৰিবলগীয়া যে এই কিতাপখন প্ৰথম যুগুতোৱা হৈছিল ১৮০৭-১৮১৪ চনৰ সময়ছোৱাত। আৰু ঠিক এইখিনি সময়তেই আমাৰ ৰুচিনাথেও তেওঁৰ শব্দকোষখন প্ৰস্তুত কৰিছিল। ১৮০৭-১৮০৯ চনত দাস্তৰ হেমিল্টনৰ সদৰ দপ্তৰ গোৱালপাৰা আৰু ৰংপুৰত আছিল বুলি উল্লেখ আছে। সেই পাতনিৰ প্ৰথম বাক্যকেইটা হ'ল—

'The following account was collected during the years 1808 and 1809, partly from several natives of Bengal, who, on different occasions has visited Assam, and partly from natives of that country, who were fugitives in Bengal. Some of the former had resided long in Assam, and had there connexions, whose, office gave them an opportunity of being well informed. Among the latter were persons inferior to none in the kingdom in rank and education.'

এই অনুচ্ছেদৰ শেষৰ শব্দকেইটা 'persons inferior to none in the kingdom in rank and education' আমাৰ প্ৰকল্পিত ৰুচিনাত বুঢ়াগোহাঞিক্তো সামৰি ল'ব নোৱাৰে জানো, কথাযাৰ বিবেচ্য। দ° সুৰ্যকুমাৰ ভূঞাই ইয়াতে উল্লেখ কৰিছে যে বৃতিচ লাইব্ৰেৰীত তেখেতে পোৱা বুকানন— হেমিল্টন পেপাৰ্চৰ ভিতৰত আছিল 'Vocabularies of the Ashami and Kamarupa Languages from Ruchinanth Kumarupi 1810' বুলি লিখি যোৱা এটা পাণ্ডুলিপি।

বুকানন-ব্ৰজনাথ-ৰুচিনাথ ত্ৰিভূজ সম্পৰ্ক

আগতে কোৱাৰ দৰে দাঃ ফ্ৰান্সিচ বুকানন হেমিল্টনৰ লগত আমাৰ প্ৰকল্পিত শব্দকোষ প্ৰণেতা ৰুচিনাথ বুঢ়াগোহাঞিৰ কোনো প্ৰত্যক্ষ সম্পৰ্কৰ প্ৰমাণ এতিয়ালৈকে নাপালেও ডাক্তৰজনৰ লগত অসমৰ আন এজন ৰজাঘৰীয়া যুৱক ব্ৰজনাথ সিংহৰ প্ৰত্যক্ষ সম্পৰ্কৰ বহু প্ৰমাণেই পোৱা যায়। এইজন ব্ৰজনাথ সিংহৰ কথা ডাক্তৰ বুকানন-হেমিল্টনে এনেকৈ উল্লেখ কৰিছে ঃ

(ৰাজেশ্বৰ সিংহৰ বংশধৰসকলৰ ভিতৰত তৃতীয় পুতেক ৰত্নেশ্বৰ তিপাম ৰজাৰ পুতেক বিজয় বৰমুৰা আৰু তেওঁৰ পুতেক ব্ৰজনাথ চাবিং ৰজাৰ বিষয়ে ক'বলৈ গৈঃ)

'The eldest now alive is Brajanath, who in 1809 was at calcutta, soliciting assistance to place him on the throne. He has three sons'.

অসমৰ মানচিত্ৰ এখন দাঃ বুকাননক ব্ৰজনাথেই সংগ্ৰহ কৰি দিয়াৰ কথা দাক্তৰে এনেকৈ উল্লেখ কৰিছে ঃ

'The map by the native of Nogang is very imperfect and I have much to regret, that I have lost one on a larger scale, and entering into more detail, with which I was favored by Raja Brajanath of the royal family.'

এতিয়া আহোঁ ব্ৰজনাথ-ৰুচিনাথ সম্পৰ্কৰ কথালৈ। দুয়ো পৰিয়ালৰ মাজত পূৰ্বৰ সংঘাত আছিল যদিও ৰুচিনাথ বুঢ়াগোহাঞিয়ে চন্দ্ৰকান্ত সিংহৰ ঠাইত ব্ৰজনাথ গোহাঞিক্তো ৰজা পাতিবলৈ বিচাৰিছিল; সেই সম্পৰ্কে দ° সূৰ্য্যকুমাৰ ভূঞাই এনেকৈ লিখিছে ঃ

'After his flight from Jorhat Ruchinath had proceeded to Gauhati where he remained a considerable force (Ruchinath's border Jagannath Dhekial Phukan), at the instance of Ruchinath, proceeded to Rungpure to invite Prince Purandar, then ten years old, to return to Assam and take upon himself the government of the country. He was the living at Silmari with his father Brajanath Konwar, both receiving pensions of the British Govt. Brajanath and Ruchinath then marched towards Jorhat their force consisting of four companies was commanded by Jaganath Dhekial Phukan.'

ইয়াৰ পৰা দেখা যায় (১) ব্ৰজনাথৰ লগত ৰুচিনাথৰ অত্যন্ত সু-সম্পৰ্ক আছিল বাবে তেওঁক ৰজা পাতিবলৈ মাতি আনিছিলগৈ (অংগক্ষত থকা বাবে ব্ৰজনাথ ৰজা হ'ব নোৱৰাত তেওঁৰে পুত্ৰ পুৰন্দৰক ৰজা পতা হয়) (২) ১৮১০ বা তাৰ আগতে ৰুচিনাথ কলকাতালৈ যোৱাৰ প্ৰমাণ বা কলকাতাৰ লগত সম্পৰ্ক প্ৰত্যক্ষ প্ৰমাণ আমি এতিয়ালৈকে নাপালেও তলৰ বাক্যটোত তেওঁৰ কলকাতা সংযোগ স্পষ্ট।

'On December 27, 1819 Ruchinath Buragohain, who had Gone to Calcutta with 500 attendant, submitted two Petitions to the Governor General.' সেয়েহে ৰুচিনাথ বুঢ়াগোহাঞিৰ কলকাতালৈ যোৱা কলকাতাৰ অভিজ্ঞতাৰে পুষ্ট হোৱা ব্ৰজনাথ সিংহৰ জৰিয়তে দা° ফ্ৰান্সিচ বুকানন-হেমিল্‌তনৰ জৰিয়তে বৃতিচ লাইব্ৰেৰি গৈ পোৱাগৈ আৰু তাত দুশ বছৰ জুৰি সেইখন লুকাই থকাৰ মাজৰ সম্পৰ্ক এতিয়া নিশ্চয় পৰিষ্কাৰ হৈ পৰিছে।

সেয়েহে অসম সাহিত্য সভাৰ আঠজন সভাপতি, এজন প্ৰধান সম্পাদক আৰু সভাৰ লগত জড়িত দুজন বিশিষ্ট লোকে ১৯৩২ চনৰ পৰা সুদীৰ্ঘ ৭৬ বছৰকালসকলো জানিও আনকি শব্দকোষখন নিজৰ হাতত পৰাৰ পিছতো তাক গাপ দি লুকাই ৰাখিবলৈ বিচৰাটোত আমি এক সংকীৰ্ণ ৰাজনীতি সোমাই আছে বুলি সন্দেহ কৰিবলৈ বাধ্য হৈছোঁ। যি কি নহওক, ২০১০ চনৰ পহিলা জানুৱাৰিত যেতিয়া ৰুচিনাথৰ অভিধানখনৰ ২,৫০০ শব্দৰো নিৰ্যাস শুহি ২,০০,০০০ শব্দবিশিষ্ট অসমীয়া জাতীয় অভিধানখন প্ৰকাশ পাব, ঠিক সেইদিনাই ওঠৰ শতিকাৰ শেষ ভাগৰ

এজন অসমীয়াই ঊনৈচ শতিকাৰ আগভাগত যুগুতোৱা অভিধানখনে সমগ্ৰ কুৰি শতিকা অৱদমিত হৈ থাকি একৈচ শতিকাত দুশ বছৰ সম্পূৰ্ণ কৰিলে। হয়তো কোনো সদাশয় ব্যক্তিৰ সৌজন্যত সি ইতিমধ্যে প্ৰকাশৰ মুখ দেখিব। আহক, জাতীয় জীৱনৰ সেই মাহেন্দ্ৰ ক্ষণলৈ অপেক্ষা কৰোঁ।

জাদুৰাম ডেকা বৰুৱাৰ বাংলা-অসমীয়া অভিধান আৰু সংকৰি-জাদুৰামি বানান প্ৰসংগ

এতিয়া যাওঁ চতুৰ্থখন অসমীয়া অভিধান তথা চতুৰ্থজন অভিধানিকৰ প্ৰসংগলৈ। কিছুদিন আগতে মাত্ৰ অসমীয়া জাতীয় অভিধানৰ অন্যতম উপদেষ্টা দ° দিলীপ কুমাৰ দত্তই আমালৈ পঠাই দিছিল সেই বিখ্যাত 'মাইলচ্ ব্ৰনচন পেপাৰ্চ'ৰ অংশ আন এখন বিৰল শব্দকোষ। 'Spelling Book and Vocabulary in English, Assamese (Sic), Singpho and Naga' by M. Bronson, Missionary of the American Baptist Board of Foreign Missions, Jaipur, Printed at the American Baptist Mission Press, 1839' নামৰ এইখন ৬৪পিঠীয়া শব্দকোষতো ভালেখিনি মূল্যৱান অসমীয়া শব্দ আছে যাৰ মাজৰ পৰা এইখিনি ইতিমধ্যে অসমীয়া জাতীয় অভিধানৰ বাবে বাছি উলিওৱা হৈছে।

কিন্তু ব্ৰনচন চাহাবৰ খুদিয়া শব্দকোষখন নহয় (সেই বিষয়ে আমি আন কেতিয়াবা বিতংকৈ লিখিম)। বৰং সেই একেই বছৰতে (১৮৩৯) যুগুত হৈ ওলোৱা আন এখন অসমীয়া অভিধানৰ পাণ্ডুলিপিৰ বিষয়েহে আমি আজি আলোচনা কৰিম। অৱশ্যে সেই আলোচনা আৰম্ভ কৰাৰ আগতেই আমি তাৰ বিষয়ে আজিলৈকে প্ৰচলিত কেইটামান ভুল ধাৰণা স্পষ্ট কৰি লোৱা উচিত হ'ব।

অসমীয়া, অসমীয়া -বাংলা, অসমীয়া ইংৰাজী নহয়

প্ৰান্তিক আলোচনীৰ ১৬-৬-২০০৮ সংখ্যাত ধূৰ্জতি বৰুৱাই জাদুৰাম ডেকা বৰুৱা প্ৰণীত উক্ত অভিধানখনক এবাৰ অসমীয়া ভাষাৰ প্ৰথম অভিধান আৰু আন এবাৰ অসমীয়া বাংলা অভিধান আখ্যা দিছে। আলোচনীখনৰ একেটা সংখ্যাতে সুমন দত্ত আৰু শংকৰ দত্তই এশ বছৰৰ অসমীয়া গদ্য সাহিত্যত অভিধানখনক 'অসমীয়া-ইংৰাজী' অভিধান আখ্যা দিয়াৰ ভুলটো আঙুলিয়াই দিছে।

কিন্তু এই সংক্ৰান্তৰ ভুলটো বেছ পুৰণি। 'বাংলাৰ কবলৰ পৰা অসমীয়াক

বচোবাব'ৰ পুৰণি জাতীয়তাবাদী তত্ত্বৰ দ্বাৰা প্ৰভাৱিত হৈ বেণুধৰ শৰ্মাৰ দৰে ইতিহাস চৰ্চাকাৰীয়েও যে গুৰুতৰ তথ্যগত প্ৰমাদ ঘটাইছিল, তাৰ প্ৰমাণ তেখেতৰ তলৰ উধৃতিটোতেই বাৰুকৈ পোৱা যাব ঃ

'অভিধান লেখাৰ নিয়ম পালন কৰি, আখৰ যোঁটনিৰ এটা ৰেহা লগাই (সৰ্ববাদী সন্মতভাৱে নহ'লে প্ৰকৃত অসমীয়া ভাষাৰ পোন প্ৰথম অভিধান লেখিছিল স্বৰ্গীয় যাদুৰাম ডেকা বৰুৱাই। অভিধানখন লেখা হৈছিল সেই সময়ত, যি সময়ত আমাৰ চিৰস্ত বঙালী আমোলাবেই ভৰি আছিল আৰু যি সময়ত 'আচাম দেশত অচমীয়া ভাষা নচলাৰ কাৰণ চহা চহকিৰ মহাপ্ৰমাদ। বংগালী পুথি এখনৰ ভাৱ জানিবলৈ ইচ্ছা হ'লৈ আধা খৰচিয়াকৈ বংগালী ভাষা জনা পণ্ডিত মহাশয়সকলে অনুগ্ৰহ কৰি জি বুজায়, সেয়াই। গোচৰ হাৰি লাগিলেও উকিল মোচায়সকলে, আমোলা মোচাইসকলে, নুগ্ৰহ কৰি জি দিহা বুধি দিএ তাকেই সাৰোগত কৰি মানি চকু মুদি পেট পেলাই পৰি থকি হৰ্স বা বিসাদ একবিধ ওপৰৰ পৰা পৰিলে যেন বুজি স্বিকাৰ কৰি থাকিবলৈ বাধ্য হৈছিল।' (বলোৰাম ফুকনৰ হৰ্ষ-বিসাদ বিষয়ক ৰচনা।) (সেই সময়ত) অসমীয়া ভাষা যে বঙলা নহয়, অসমীয়া যে একেবাৰেই সুকীয়া, এই কথাটো অবুজন ইংৰাজী কৰ্তৃপক্ষক বুজাবলৈকে ডেকাবৰুৱাই অসমীয়া বঙলা অভিধানখন লেখিছিল। বৰ পৰিতাপৰ কথা যে সেই অভিধানখন কাৰোবাৰ হাতত লুপ্ত পালে। পালে যদিও তাৰ মূল জঁকা এটা ডক্টৰ নাথান ব্ৰাউনে আমালৈ দি থৈ গ'ল, যাৰ বলত ডেকাবৰুৱাক 'আমাৰ কোন কিআছিল' তাৰ বুৰঞ্জীত সুমাই থৈ আমি গৌৰৱ কৰিব পৰা হৈছোঁহক।' (বেণুধৰ শৰ্মা ঃ অভিধান লেখোঁতা 'জাদুৰাম ডেকাবৰুৱা' অৰ্ঘ্যাৱলী, দ্বিতীয় সংস্কৰণ, ১৯৬৭ গুৱাহাটী)।

কিন্তু অসম সাহিত্য সভাৰো অন্যতম সভাপতি বেণুধৰ শৰ্মাই যদি তেখেতে নিজেই উক্ত প্ৰবন্ধতে উদ্ধৃতি কৰা দ° নাথান ব্ৰাউনৰ কথাষাৰ খুঁতিয়াই পঢ়ি চালেহেঁতেন তেনেহ'লে 'বাংলাৰ বিৰুদ্ধে অসমীয়া তত্ত্বৰে ওপৰৰ কথাষাৰ নক'লেহেঁতেন। ব্ৰাউনৰ উদ্ধৃতিটোতনো কি আছে সেই কথা কোৱাৰ আগতে এইটো কৈ লোৱা ভাল যে কালৰ সোঁতত কেৱল যে জাদুৰাম ডেকা বৰুৱাৰ অভিধানখনেই হেৰাই গ'ল তেনে নহয়, উক্ত অভিধানখনৰ ভিত্তিত জাদুৰাম ডেকা বৰুৱাৰ অভিধানখনেই হেৰাই গ'ল তেনে নহয়, উক্ত অভিধানখনৰ ভিত্তিত দ° ব্ৰাউনে যুগুতোৱা জঁকাটোৰো নাম নিচান

এজন অসমীয়াই ঊনৈচ শতিকাৰ আগভাগত যুগুতোৱা অভিধানখনে সমগ্ৰ কুৰি শতিকা অৱদমিত হৈ থাকি একৈচ শতিকাত দুশ বছৰ সম্পূৰ্ণ কৰিলে। হয়তো কোনো সদাশয় ব্যক্তিৰ সৌজন্যত সি ইতিমধ্যে প্ৰকাশৰ মুখ দেখিব। আহক, জাতীয় জীৱনৰ সেই মাহেন্দ্ৰ ক্ষণলৈ অপেক্ষা কৰোঁ।

জাদুৰাম ডেকা বৰুৱাৰ বাংলা-অসমীয়া অভিধান আৰু সংকৰি-জাদুৰামি বানান প্ৰসংগ

এতিয়া যাওঁ চতুৰ্থখন অসমীয়া অভিধান তথা চতুৰ্থজন অভিধানিকৰ প্ৰসংগলৈ। কিছুদিন আগতে মাত্ৰ অসমীয়া জাতীয় অভিধানৰ অন্যতম উপদেষ্টা দ° দিলীপ কুমাৰ দত্তই আমালৈ পঠাই দিছিল সেই বিখ্যাত 'মাইলচ্ ব্ৰনচন পেপাৰ্চ'ৰ অংশ আন এখন বিৰল শব্দকোষ। 'Spelling Book and Vocabulary in English, Assamese (Sic), Singpho and Naga' by M. Bronson, Missionary of the American Baptist Board of Foreign Missions, Jaipur, Printed at the American Baptist Mission Press, 1839' নামৰ এইখন ৬৪পিঠীয়া শব্দকোষতো ভালেখিনি মূল্যবান অসমীয়া শব্দ আছে যাৰ মাজৰ পৰা এইখিনি ইতিমধ্যে অসমীয়া জাতীয় অভিধানৰ বাবে বাছি উলিওৱা হৈছে।

কিন্তু ব্ৰনচন চাহাবৰ খুদিয়া শব্দকোষখন নহয় (সেই বিষয়ে আমি আন কেতিয়াবা বিতংকৈ লিখিম)। বৰং সেই একেই বছৰতে (১৮৩৯) যুগুত হৈ ওলোৱা আন এখন অসমীয়া অভিধানৰ পাণ্ডুলিপিৰ বিষয়েহে আমি আজি আলোচনা কৰিম। অৱশ্যে সেই আলোচনা আৰম্ভ কৰাৰ আগতেই আমি তাৰ বিষয়ে আজিলৈকে প্ৰচলিত কেইটামান ভুল ধাৰণা স্পষ্ট কৰি লোৱা উচিত হ'ব।

অসমীয়া, অসমীয়া -বাংলা, অসমীয়া ইংৰাজী নহয়

প্ৰান্তিক আলোচনীৰ ১৬-৬-২০০৮ সংখ্যাত ধূৰ্জতি বৰুৱাই জাদুৰাম ডেকা বৰুৱা প্ৰণীত উক্ত অভিধানখনক এবাৰ অসমীয়া ভাষাৰ প্ৰথম অভিধান আৰু আন এবাৰ অসমীয়া বাংলা অভিধান আখ্যা দিছে। আলোচনীখনৰ একেটা সংখ্যাতে সুমন দত্ত আৰু শংকৰ দত্তই এশ বছৰৰ অসমীয়া গদ্য সাহিত্যত অভিধানখনক 'অসমীয়া-ইংৰাজী' অভিধান আখ্যা দিয়াৰ ভুলটো আঙুলিয়াই দিছে।

কিন্তু এই সংক্ৰান্তৰ ভুলটো বেছ পুৰণি। 'বাংলাৰ কবলৰ পৰা অসমীয়াক

বচোবাৰ'ৰ পুৰণি জাতীয়তাবাদী তত্ত্বৰ দ্বাৰা প্ৰভাৱিত হৈ বেণুধৰ শৰ্মাৰ দৰে ইতিহাস চৰ্চাকাৰীয়েও যে গুৰুতৰ তথ্যগত প্ৰমাদ ঘটাইছিল, তাৰ প্ৰমাণ তেখেতৰ তলৰ উধৃতিটোতেই বাৰুকৈ পোৱা যাব ঃ

'অভিধান লেখাৰ নিয়ম পালন কৰি, আখৰ যোঁটনিৰ এটা ৰেহা লগাই (সৰ্ববাদী সন্মতভাৱে নহ'লে প্ৰকৃত অসমীয়া ভাষাৰ পোন প্ৰথম অভিধান লেখিছিল স্বৰ্গীয় যাদুৰাম ডেকা বৰুৱাই। অভিধানখন লেখা হৈছিল সেই সময়ত, যি সময়ত আমাৰ চিৰন্ত বঙালী আমোলাৰেই ভৰি আছিল আৰু যি সময়ত 'আচাম দেশত অচমীয়া ভাষা নচলাৰ কাৰণ চহা চহকিৰ মহাপ্ৰমাদ। বংগালী পুথি এখনৰ ভাৱ জানিবলৈ ইচ্ছা হ'লে আধা খৰচিয়াকৈ বংগালী ভাষা জনা পণ্ডিত মহাশয়সকলে অনুগ্ৰহ কৰি জি বুজায়, সেয়াই। গোচৰ হাবি লাগিলেও উকিল মোচায়সকলে, আমোলা মোচাইসকলে, নুগ্ৰহ কৰি জি দিহা বুধি দিএ তাকেই সাৰোগত কৰি মানি চকু মুদি পেট পেলাই পৰি থকি হৰ্স বা বিসাদ একবিধ ওপৰৰ পৰা পৰিলে যেন বুজি স্বিকাৰ কৰি থাকিবলৈ বাধ্য হৈছিল।' (বলোৰাম ফুকনৰ হৰ্ষ-বিসাদ বিষয়ক ৰচনা।) (সেই সময়ত) অসমীয়া ভাষা যে বঙলা নহয়, অসমীয়া যে একেবাৰেই সুকীয়া, এই কথাটো অবুজন ইংৰাজী কৰ্তৃপক্ষক বুজাবলৈকে ডেকাবৰুৱাই অসমীয়া বঙলা অভিধানখন লেখিছিল। বৰ পৰিতাপৰ কথা যে সেই অভিধানখন কাৰোবাৰ হাতত লুপ্ত পালে। পালে যদিও তাৰ মূল জঁকা এটা ডক্টৰ নাথান ব্ৰাউনে আমালৈ দি থৈ গ'ল, যাৰ বলত ডেকাবৰুৱাক 'আমাৰ কোন কিআছিল' তাৰ বুৰঞ্জীত সুমাই থৈ আমি গৌৰৱ কৰিব পৰা হৈছোঁহক।' (বেণুধৰ শৰ্মা ঃ অভিধান লেখোঁতা 'জাদুৰাম ডেকাবৰুৱা' অৰ্ঘ্যাৱলী, দ্বিতীয় সংস্কৰণ, ১৯৬৭ গুৱাহাটী)।

কিন্তু অসম সাহিত্য সভাৰো অন্যতম সভাপতি বেণুধৰ শৰ্মাই যদি তেখেতে নিজেই উক্ত প্ৰবন্ধতে উদ্ধৃতি কৰা দ° নাথান ব্ৰাউনৰ কথাষাৰ খুঁতিয়াই পঢ়ি চালেহেঁতেন তেনেহ'লে 'বাংলাৰ বিৰুদ্ধে অসমীয়া তত্ত্বৰে ওপৰৰ কথাষাৰ নক'লেহেঁতেন। ব্ৰাউনৰ উদ্ধৃতিটোতনো কি আছে সেই কথা কোৱাৰ আগতে এইটো কৈ লোৱা ভাল যে কালৰ সোঁতত কেৱল যে জাদুৰাম ডেকা বৰুৱাৰ অভিধানখনেই হেৰাই গ'ল তেনে নহয়, উক্ত অভিধানখনৰ ভিত্তিত জাদুৰাম ডেকা বৰুৱাৰ অভিধানখনেই হেৰাই গ'ল তেনে নহয়, উক্ত অভিধানখনৰ ভিত্তিত দ° ব্ৰাউনে যুগুতোৱা জঁকাটোৰো নাম নিচান

নাইকিয়া হ'ল। সেয়েহে জাদুৰাম ডেকা বৰুৱাৰখন অসমীয়া, নে অসমীয়া বাংলা, নে বাংলা-অসমীয়া নে অসমীয়া-ইংৰাজী অভিধান আছিল, সিয়ো ধুঁৱলী-কুঁৱলী হৈ ৰ'ল।

ৰেভাৰেন্দ ব্ৰাউনৰ ব্যাকৰণ দুষ্প্ৰাপ্য প্ৰথম সংস্কৰণটো

জাদুৰাম ডেকা বৰুৱা আৰু তেখেতৰ অভিধানখনৰ বিষয়ে প্ৰত্যক্ষ অভিজ্ঞতাৰে কৰা মন্তব্য তথা টোকা আমি প্ৰথম পঢ়িবলৈ পাওঁ যোৱা বছৰ মাত্ৰ। সেই বিষয়ে আমি Brief Vocabulary in English and Assamese with Rudimentary Exercises (ইংৰাজি আৰু অচমিয়া বাক্যৱলি) by H.B.L. Cutter (1861) revised by S. Ward (1964) গ্ৰন্থৰ আগকথাত এনেকৈ উল্লেখ কৰিছিলো ঃ

'জাতীয় অভিধানৰ কামত ইন্তাৰনেত ঘাটিবলৈ গৈয়েই অভিধানৰ কাৰ্যালয়ত ইন্তাৰনেত সংযোগ প্ৰতিষ্ঠা হোৱাৰ প্ৰায় লগে লগেই যোৱা ৪, ৫ জুন ২০০৮ তাৰিখে উদ্ধাৰ কৰিলোঁ অসমীয়া ভাষাৰ ইতিহাসৰ বাবে দুই আপুৰুগীয়া দলিল, ১৮৪৮ চনত প্ৰকাশিত ৰেভাৰেন্দ নাথান ব্ৰাউনৰ Grammatical Notices of the Assamese Language নামৰ গ্ৰন্থৰ দুষ্প্ৰাপ্য প্ৰথম সংস্কৰণ। (এই গ্ৰন্থৰ তৃতীয় সংস্কৰণ ৰেভাৰেন্দ পিত হ'লেন্দ মূৰৰ দ্বাৰা সম্পাদিত হৈছিল। ব্ৰাউনৰ মূল বক্তব্যৰ প্ৰভূত পৰিবৰ্তন ঘটোৱা ১৮৯৩ চনৰ এই তৃতীয় সংস্কৰণকে দ° নগেন শইকীয়াই পুনৰ সম্পাদনা কৰি উলিয়ায় ১৯৮২ চনত) (উক্ত গ্ৰন্থ, অসম জাতীয় প্ৰকাশ, যোৰহাট, ২০০৮)

ব্ৰাউনৰ ব্যাকৰণৰ ব্যাপক বিকৃতি ঃ

অসমীয়া জাতীয় অভিধান প্ৰকল্প (অসম জাতীয় প্ৰকাশ) আৰু অসম জাতীয় শিক্ষা সমন্বয় পৰিষদৰ কেন্দ্ৰীয় কাৰ্যালয় (আখৰৰ ঘৰ, আখৰা ঘৰ)ত উক্ত গ্ৰন্থৰ আৱিষ্কাৰে ৰীতিমত চাঞ্চল্যৰ সৃষ্টি কৰিছিল। সেয়েহে আমি যেতিয়া দ° ব্ৰাউন, মূৰ চাহাব আৰু দ° শইকীয়াৰ সংস্কৰণকিটা ৰিজাই চাবলৈ ক'লোঁ, সোৎসাহে আগবাঢ়ি আহিল বিষ্ণুৰাত শৰ্মা আৰু কবিতা শৰ্মা। প্ৰায় এমাহ জুৰি তিনিওটা সংস্কৰণ পুংখানুপুংখভাৱে পৰীক্ষা কৰি তেওঁলোকে আমাৰ হাতত তুলি দিয়াৰ পিছত আমাৰ চকু কপালত উঠিল।

প্ৰথমত ঃ দ° ব্ৰাউনৰ কিতাপখনৰ নাম যি ক্ষেত্ৰত আছিল Grammatical

notices of the Assamese (Sic) Language, পি এইচ মূৰে সংশোধন কৰিবলৈ গৈ তাৰ নামটোকে সলাই কৰিলে Grammatical Notes on the Assamese Language কেৱল ইমানেই নহয়, তেওঁ দ° ব্ৰাউনৰ সুদীৰ্ঘ ২৬ পৃষ্ঠাৰ পাতনিটো কাটি খাস্তাং কৰি মাত্ৰ ৪$^{১}/_{২}$ পৃষ্ঠাতে সামৰি থ'লে।

ব্ৰাউনৰ বৰ্ণমালাত অ, আ, ই, উ, এ, ও আৰু ঔ মাত্ৰ এই আঠটা স্বৰবৰ্ণ থকাৰ বিপৰীতে মূৰে তাত পুনৰ ঈ, ঊ, ঋ, ৠ, ঌ আৰু ৡ এই ছটা আখৰ সংযোজন কৰি জটিল কৰি তুলিছে। তেওঁ আনকি ব্ৰাউনৰ উচ্চাৰণৰ উদাহৰণবোৰো অপ্ৰয়োজনীয়ভাৱে সলাই পেলাইছে। তেওঁ প্ৰতিটো শব্দৰ ইংৰাজী অৰ্থ দিছে, যিটো ব্ৰাউনত নাই, ইয়াৰ উপৰি প্ৰতি অনুচ্ছেদত একাধিক বাক্যৰ বিলোপ সাধন, প্ৰায় প্ৰতি বাক্যৰে গাঁথনিৰ সাল-সলনিৰ জৰিয়তে যিটো বাচি থাকেগৈ সেইটো নাথানৰ ব্যাকৰণৰ আত্মা নহয়, প্ৰেতাত্মাহে। মূৰ চাহাবৰ যদি অসমীয়া ভাষাৰ ব্যাকৰণ লিখিবলৈ ইমানেই মন আছিল, তেনেহ'লে তেওঁ এখন নিজা ব্যাকৰণ নিলিখি এইদৰে দ° ব্ৰাউনৰখন বিকৃত কৰিবলৈগ'ল কিয় সি আমাৰ বাবে সদায় প্ৰশ্ন হৈয়ে ৰ'ব। দ° ব্ৰাউনৰ মূল ৭৭ পৃষ্ঠাৰ গ্ৰন্থখনত এনেকৈ সহস্ৰাধিক পৰিবৰ্তন সাধন কৰি মূৰে সেইখন আৰু ব্ৰাউনৰ ব্যাকৰণৰ কৰি নাৰাখিলে, পৰিণত কৰিলে তেওঁৰ নিজৰ মতামতৰ সৈতে ব্ৰাউনৰ বিক্ষিপ্ত মিশ্ৰণেৰে এক অদ্ভুত খিচিৰিত। সেই সহস্ৰাধিক পৰিবৰ্তনৰ সাক্ষ্য ভৱিষ্যতৰ বাবে সংৰক্ষিত ৰাখি আমি এতিয়া জাদুৰাম প্ৰসংগলৈ ঘূৰি যাওঁ।

কাৰণ আমাৰ দৃষ্টিত মূৰ চাহাবৰ আটাইতকৈ ডাঙৰ আৰু অমাৰ্জনীয় অপৰাধ হৈছে দ° ব্ৰাউনে অসমীয়া ভাষাৰ বানান পদ্ধতিৰ বিষয়ে জাদুৰাম ডেকা বৰুৱাৰ বানান তত্ত্বৰ ওপৰত নিৰ্ভৰ কৰি কোৱা কথাখিনি বৰ্বৰভাৱে কাটি পেলোৱাটো। মূৰে নিৰ্বিচাৰে জধে-মধে কেঁচী চলোৱা দ° ব্ৰাউনৰ 'Orthography' শিৰোনামৰ শিতানটোত এই কথাখিনিও আছিল ঃ

Orthography

'Although, as a sopken langauge, the Asamese (Sic) has been fixed in its present form for centuries, it appears never to have been written on any settled and uniform principles of orthog-

raphy... The work which made the nearest approach to a regular system, was a mansuscript Bengali dictionary, with Assamese definitions, prepared by Joduram Deka Borua, a learned Assamese Pundit. The orthography of this work was found to correspond much better with the actual pronunciation than any other that had been met with, the greater portion of the redundant letters were discarded; while the general form of words agreed, for the most part, with those found in the Buronjis.

The most important variations form the Sanskrit orthography sanctioned by Joduram, are the following :

1. The use of ই only, instead of the two form ই and ঈ
2. The use of a single character for উ and ঊ
3. The rejection of ঌ and ঌ Iri and Ifi . These characters, it is believed, have never been used in writing Assamese.
4. The substition of চ for ছ and, with few exceptions of জ for ঝ
5. The use of to স express the three Sanskrit letters শ, ষ and স . In a very few instances only does he use শ or ষ.
6. The use of ন for ণ, No Assamese manuscript that we have seen makes any distinction between these letters.
7. Use of খ for ক্ষ

কিতাপখনৰ পাতনিৰ পৰৱৰ্তী ১৭ পৃষ্ঠাজুৰি জাদুৰাম ডেকা বৰুৱাৰ এই বানান পদ্ধতিৰ বিশদ ব্যাখ্যা আছে যিটো মূৰ চাহাবৰ 'সংশোধিত' সংস্কৰণ বা ড° শইকীয়াৰ সম্পাদিত সংস্কৰণ ক'তো পাবলৈ নাই।

বেণুধৰ শৰ্মা অৱগত ঃ

জাদুৰাম ডেকা বৰুৱাৰ এই বৈজ্ঞানিক বানান পদ্ধতি সম্পৰ্কে বেণুধৰ শৰ্মা সম্পূৰ্ণ অৱগত আছিল। শৰ্মাৰ ভাষাত ঃ 'যাদুৰাম বৰুৱাই উচ্চাৰণ অনুসৰি কোৱা আৰু লেকা ভাষাৰ গঢ়দিব খুজিছিল। তেওঁৰ মতে সংস্কৃত সংস্কৃত, বঙলা, বঙলা অসমীয়া, অসমীয়া। অসমীয়াৰ উচ্চাৰণ, অসমীয়াৰ কথা কোৱা গঢ় বঙালীৰ লগত

সমূলি নিমিলে। এতেকে অসমীয়া উচ্চাৰণ অনুযায়ী আগৰ যোটনি হোৱা উচিত। এই বুলি তেওঁ ঃ

১। ই ঈৰ ঠাইত ই টোহে ৰাখিছিল।

২। উৰ দীৰ্ঘ উটো এৰি দিছিল।

৩। ঌ,ৠ দুটা আখৰক অভিধানত ঠাইকে দিয়া নাছিল।

৪। চ ছৰ পৰিৱৰ্তে চ, আৰু ঠাই বুজি জ ঢৰ পৰিবৰ্তে জ আখৰটো ৰাখিছিল।

৫। সংস্কৃতৰ শ, ষ আৰু স আখৰকিটাৰ ভিতৰত অকল স টোহে ৰাখিছিল। কিন্তু 'আসাম' নেলেখি 'আশাম' লেখিছিল। তালব্য শ দিয়াৰ অৰ্থ আছে।

৬। অকল দন্ত্য নটো ব্যৱহাৰ কৰিছিল।

৭। ক্ষৰ ঠাইত খ লেখিছিল। য ৰ ঠাইত জ আৰু ঋৰ ঠাইত ৰি লিখিছিল। নিজৰ নামটোত জাদুৰাম বুলি জ ব্যৱহাৰ কৰিছিল।

অসমীয়া ভাষাৰ সৰল বানান পদ্ধতিৰ প্ৰৱৰ্তক ঃ

আৰু ঠিক এই কাৰণেই জাদুৰাম ডেকা বৰুৱা সমগ্ৰ অসমীয়া জাতিৰ শ্ৰদ্ধাৰ পাত্ৰ হৈ থাকিব। প্ৰাতঃস্মৰণীয় এইজন ব্যক্তিয়ে সংস্কৃতৰ জটিল আবৰ্তৰ পৰা অসমীয়া ভাষাৰ বানানক মুক্ত কৰাৰ সপোন দেখিছিল আৰু সাহসো দেখুৱাইছিল। কিন্তু দুৰ্ভাগ্যক্ৰমে এহাতে তেখেতৰ অভিধানখন অপ্ৰকাশিতই কেৱল নহয়, নিৰুদ্দিষ্ট হৈ ৰ'ল যোৱা প্ৰায় ১৭০ বছৰ ধৰি। আনহাতে এই বানান পদ্ধতি এজন বিশিষ্ট অসমীয়া পণ্ডিতৰ দ্বাৰা প্ৰৱৰ্তিত বুলি জনাজাত হোৱাৰ আগতেই ই মিচনেৰিসকলৰ লগত জড়িত হৈ পৰিল। ফলত ই মিচনেৰি বানান পদ্ধতিৰ অভিধা পালে আৰু সেই 'অপৰাধ' আৰু 'অপবাদ'তে ইয়াক কলিতে মোহাৰি পেলোৱা হ'ল।

ব্ৰনচনৰ অভিধান আৰু অৰুনোদইৰ বানান প্ৰকৃততে জাদুৰামৰ।

বহুতে ভবাৰ দৰে আমেৰিকান বেপ্টিষ্ট মিচনেৰি চাহাবসকলে অসমত কোনো নিজা বানান পদ্ধতি প্ৰবৰ্তন কৰা নাছিল, তেওঁলোকে মাথোঁ জাদুৰাম ডেকা বৰুৱাৰ পদ্ধতিক গ্ৰহণহে কৰিছিল। ১৮৪৬-১৮৬৮ চনলৈ ওলোৱা অসমৰ সৰ্বপ্ৰথম আলোচনী অৰুণোদয়েও জাদুৰাম ডেকা বৰুৱাৰ পদ্ধতিকে অনুসৰণ কৰিছিল। এই কথা দ্ব্যৰ্থহীনভাৱে স্বীকাৰ কৰি গৈছে স্বয়ং দ° মাইল ব্ৰানচনে। তেওঁৰ ভাষাত ঃ

The system of Orthography adopted in this work, is that of

Joduram Borua, a learned Assamese Pundit, which it is believed, much better corresponds with the actual pronunciation of the people than any other met with.

(Preface : A Dictionary in Assamese and English)

২৬আখৰেৰে ১০,০০,০০০ শব্দ ২৫০ আখৰেৰে মাত্ৰ ৫০,০০০।

মাত্ৰ ২৬টা আখৰক সমল কৰি দহ লক্ষাধিক শব্দ সম্ভাৰৰ অধিকাৰী ইংৰাজী ভাষাৰ বিপৰীতে প্ৰায় পঞ্চাচটা আখৰ আৰু ডেৰশতাধিক যুক্তাক্ষৰ, অৰ্থাৎ ২০০টাতকৈ অধিক আখৰক সমল কৰি অসমীয়া হৈ ব'ল মাত্ৰ ৫০,০০০ শব্দৰ ভাষা। তথ্য-প্ৰযুক্তিৰ এই বিস্ফোৰণৰ যুগত ডেৰশৰ পৰা দুশ যুক্তাক্ষৰ আৰু পঞ্চাচটা আখৰৰ অন্তত জটিলতাৰ পৰা আমাৰ আখৰ জৌটনিক মুক্ত কৰিবলৈ আমাৰ প্ৰয়োজন এক সঁচাৰ কাঠিৰ। আমাৰ দৃষ্টিত জাদুৰাম ডেকাবৰুৱাৰ বানান-তত্ত্বই আমাক বানান-বন্দীত্বৰ পৰা মুক্তিৰ সোৱাদ দিব পাৰে।

জাদুৰামি বানানৰ উৎস 'সংকৰি' বানান ঃ

জাদুৰাম ডেকা বৰুৱা এজন শিক্ষিত, সংস্কৃতিবান ব্যক্তি আছিল। অসমীয়াৰ উপৰি বাংলা ভাষাত তেওঁৰ দখল আছিল। বৃতিচ চাহাবসকলৰ লগত সান্নিধ্যসূত্ৰে অন্ততঃ কাম চলাব পৰা ইংৰাজী যে জানিছিল তাত সন্দেহ নাই। তদুপৰি আহোম স্বৰ্গদেউসকলৰ লগত ঘনিষ্ঠ সম্বন্ধৰ পৰা তাই ভাষাবো কিঞ্চিৎ জ্ঞান তেওঁৰ থাকিলেও থাকিব পাৰে। পাৰিবাৰিক পৰম্পৰা সূত্ৰে সংস্কৃতক ভাষাৰ, তথা শাস্ত্ৰ ভাগৱতৰ এটি সম্যক ধাৰণা তেওঁৰ থকা সম্ভৱ (জাদুৰামৰ পুতেকৰ কৃষ্ণৰামৰো সংস্কৃতত ভাল ব্যুৎপত্তি আছিল।) সেয়েহে জাদুৰাম ডেকা বৰুৱাৰ অসমীয়া বানান পদ্ধতি থান-থিত লগাব পৰা যোগ্যতাকিনি আছিল।

তথাপি তেওঁ নিজৰ মগজৰ পৰা ভাবি এই সৰল বানান যুগুতোৱা নাছিল। অসমত অন্ততঃ শংকৰদেৱৰ দিনৰ পৰাই সৰল বানান পদ্ধতি প্ৰচলিত হৈ আছিল। আমি শংকৰদেৱ ৰুক্মিণী নাটৰ এফাকি পদ ইয়াত হুবহু তুলি দিছোঁ ঃ

'ইসত হসিত মুখচান্দ উজোৰ।
দসন মোতিম জচ নয়ন চকোৰ।।
মানিক মুকুট কুণ্ডল গণ্ড ডোল।

কনক পুতলি তনু নিল নিচোল।।

কৰ কংকন কেজুৰ ঝনকাৰ।

মানিক কাঞ্চি ৰচিত হেমহাৰ।

চলাইতে চৰণ মঞ্জিৰ কৰু বোল।

ৰূপে ভুৱন বোলে সঙ্কৰ বোল।।' (গুৰুত্ব আমাৰ)

এই পদ ফাকিত 'ঈষৎ' শব্দৰ বিপৰীতে 'ইসত', দৰ্শন''ৰ বিপৰীতে 'দসন', আনকি শংকৰদেৱৰ নিজৰ নাম বুজোৱা 'শঙ্কৰ' শব্দৰ ঠাইত 'সঙ্কৰ' ব্যৱহাৰ বিশেষভাৱে প্ৰণিধানযোগ্য। মন কৰিবলগীয়া যে শংকৰদেৱে নিজৰ নাম 'সংকৰ' (সঙ্কৰ), এই সৰল অসমীয়া বানানেৰেহে লিখিছিল। (তেনেহ'লে আমি শুধৰাই 'শংকৰ' কৰিবলৈ কোন?) গুৰুজনৰ নিজা নামৰ বানান শুধৰোৱাৰ কৰ্তৃত্বইবা আমি ক'ত পালোঁ?

সেই বিষয়ে ভৱিষ্যতে অধিক সাক্ষ্য-প্ৰমাণসহ আমি নিশ্চয় লিখিম। ইয়াত ইমানকে মাত্ৰ কৈ থওঁ যে জাদুৰাম ডেকা বৰুৱা এজন পাবত গজা নপতা ফুকন নাছিল। তেওঁৰ কৰল বানান পদ্ধতিৰ পৰম্পৰা 'সংকৰদেৱ'তো পোৱা যায়।

জাতীয় অভিধানত থাকিব প্ৰতিটো শব্দৰে সংকৰি-জাদুৰামি বানান ঃ

আমাৰ এই লেখাৰ উদ্দেশ্য ১৮৬৯ চনত অৰ্থাৎ আজিৰ পৰা ঠিক ১৪২ বছৰ আগতে আমাৰ মাজৰ পৰা আঁতৰি যোৱা জাদুৰাম ডেকা বৰুৱাৰ পৱিত্ৰ স্মৃতিত শ্ৰদ্ধা নিৱেদন কৰাই কেৱল নহয়। ইয়াৰ জিৰিয়তে আমি সদৌ অসমপ্ৰেমী, অসমীয়া ভাষাপ্ৰেমীকে সবিনয় এই নিৱেদন জনাব বিচাৰিছোঁ যে অসমীয়া জাতীয় অবিধানত ইতিমধ্যে সংগৃহীত ২,০০,০০০ (দুই লাখ) শব্দৰ প্ৰতিটোৰে প্ৰচলিত বানানৰ সমান্তৰালভাৱে সংকৰি-জাদুৰামি বানানো আগবঢ়োৱা হৈছে— যাতে আজি নহ'লেও এদিনাখন অসমীয়া ভাষাৰ বানান সৰলীকৰণ প্ৰক্ৰিয়া পদ্ধতিগতভাৱে আৰম্ভ হ'ব পাৰে। সেই বিকল্প বানান আমাৰ সিদ্ধান্ত নহয়; বৰং বিনম্ৰ প্ৰস্তাৱহে ।

'জাদুৰাম ডেকা বৰুৱাই আকৌ দেখা দিবহি'

জাদুৰাম ডেকা বৰুৱাৰ পৰা জেনকিন্স চাহাবৰ হাতত পৰা আৰু জেনকিন্সে শিৱসাগৰৰ মিচনেৰিসকলক দিয়া ১৮৩৯ চনৰ বাংলা-অসমীয়া অভিধানখনৰ সন্ধানৰ কাম অসমীয়া জাতীয় অভিধান প্ৰকল্পই চলাই যাব, তাৰ কিবা শুংসূত্ৰ পালে অসমবাসীক

লগে লগে অৱগত কৰা হ'ব। কাৰণ, বেণুধৰ শৰ্মাৰ ভাষাৰেই ঃ

'অসমীয়া বৰ্ণ বিন্যাসৰ সৰলীকৰণৰ কামনা আৰু জাদুৰামৰ নীতিৰ পুনৰদ্গমনৰ বাঞ্ছা যে কোনো কোনোৱে কৰে, এইটোও ঠিক। পুৰণিৰ প্ৰতি হাবিলাস থকা এগৰাকী লেখকৰ উক্তি ঃ 'Experanto, Spelling reform, cosmopolitan language' সৃষ্টিৰ দিনত কোনে ক'ব পাৰে যে অসমতো আখৰ জোঁটনিয়ে উজু, পোন, সৰল বাট নথবিব? আৰু ধৰিলেই 'জাদুৰাম বৰুআ'ই তেওঁৰ বিজয় নিচান ধৰি আগত থিয় হ'বহি।'

হয়, আমি জাদুৰাম ডেকা বৰুৱাৰ অপেক্ষাত আছোঁ।

অসমীয়া জাতীয় অভিধান নিৰ্মাণৰ প্ৰক্ৰিয়ালৈ দুগৰাকী বিস্মৃত মাৰ্কিন-মহিলাৰ অৱদান

আমাৰ হাতত পৰা ১০৪ পিঠীয়া এই বিৰল দলিলৰ নামপাতত লিখা ঃ '–Brief Vocabulary in English and Assamese with Rudimentary Exercises' ঃ ইংৰাজি আৰু অচমিয়া বাক্যৱলি, By Mrs. S. R. Ward, Sibsagar, Assam,American Baptist Mission Press, 1864.

উল্লেখযোগ্য যে এইগৰাকী চুচান আৰ ৱাৰ্দে মাইলচ ব্ৰনচন আৰু নাথান ব্ৰাউনৰ সৈতে একেলগে অসমত মাৰ্কিন বেপ্তিস্ত মিচনৰ কামকাজ কৰিছিল। শ্ৰীমতী বাৰ্দ মাইলচ ব্ৰনচনৰ সৈতে একে সময়ত 'অৰুণোদই'ৰ সম্পাদনা সমিতিৰো সদস্য আছিল। দ° হেৰম্বকান্ত বৰপূজাৰীৰ ভাষাত, 'বিপৰ্যয়ৰ মাজতো অৰুণোদই ১৮৮০ চনলৈকে চলি আছিল আৰু ইয়াৰ সম্পদনাত আছিল ব্ৰাওন, ডেনফ'ৰ্থ, হুইটিং, ব্ৰন্সন, মিছেছ বাৰ্ড, ক্লাৰ্ক আৰু গাণী। (আমেৰিকান মিছনেৰীসকল আৰু উনৈশ শতিকাৰ অসম, যোৰহাট, ১৯৮৩)

উল্লেখযোগ্য যে এগৰাকী শ্ৰীমতী ৱাৰ্দে A Glimpse of Assam (1884) নামৰ গ্ৰন্থও লিখিছিল। দ° বাণীকান্ত শৰ্মাই 'অৰুণোদই'ৰ সম্পাদনা সম্পৰ্কে শ্ৰীমতী ৱাৰ্দৰ উক্ত গ্ৰন্থৰ এটা বাক্য উদ্ধৃতি কৰিছে ঃ The useful little sheet (Orunodoi) came to an end in December 1880' ড° শৰ্মাৰ মত এই যে শ্ৰীমতী ৱাৰ্দৰ উক্তি বিশ্বাসযোগ্য। তেওঁ দেনফ'ৰ্থৰ পাছত যথাক্ৰমে এচ এম হুইতিং, উইলিয়াম ৱাৰ্দ, ক্লাৰ্ক, শ্ৰীমতী এছ আৰ ৱাৰ্দ, এ কে গাৰ্নি অৰুণোদইৰ সম্পাদক আছিল বুলি কৈছে।

এইগৰাকী মিচনেৰী মহিলাই যুগুতোৱা প্ৰায় ৪,৫০০ অসমীয়া শব্দ থকা

'বাক্যৱলি' বা শব্দকোষখন প্ৰকাশ হয় ১৮৬৪ চনত শিৱসাগৰৰ আমেৰিকান বেপ্তিস্ত মিচন প্ৰেচৰ পৰা। তাৰ ঠিক তিনি বছৰ পাছতে ১৮৬৭ চনত এই একেটা প্ৰেচৰ পৰা ৰেভাৰেন্দ মাইলচ ব্ৰনচনৰ 'অসমিয়া আৰু ইংৰাজি অভিধান (A Dictionary in Assamese and English)' প্ৰকাশ পায়। ইয়াত তেওঁ ১৪,০০০ শব্দ সংকলিত কৰে। সেই ১৪,০০০ৰ ভিতৰত এচ আৰ বাৰ্দৰ 'বাক্যৱলি'ৰ ৪৫,০০০ শব্দ নাছিলনে? সেই প্ৰশ্নৰ উত্তৰ আমি ভৱিষ্যত পৰিসংখ্যা আৰু তথ্য সহকাৰে দিম। এতিয়া এই কথা কৈ থোৱাই যথেষ্ট যে এজন আভিধানিক হিচাপে, এজন সহকাৰী হিচাপে ব্ৰনচনে শ্ৰীমতী বাৰ্দৰ শব্দকোষখন নোচোৱাৰ বা চাবলৈ নোপোৱাৰ প্ৰশ্নই নুঠে। কিন্তু আশ্চৰ্যকৰভাৱে তেওঁ নিজৰ অভিধানৰ পাতনিত উক্ত শব্দকোষৰ সম্পৰ্কে ভুলতো উল্লেখ কৰা নাই। তাৰ বিপৰীতে তেওঁ এইক্ষেত্ৰত ৰেভাৰেন্দ দ° নাথান ব্ৰাউন, ৰেভাৰেন্দ মিস্তাৰ হুইতিং আৰু আনকি অসমীয়া আভিধানিক জাদুৰাম ডেকা বৰুৱাৰ নামো সঠিকভাৱে আৰু কৃতজ্ঞচিত্তে উল্লেখ কৰিছে।

এই অনুল্লেখৰ কাৰণ বুজা টান। অৱশ্যে কোনোবাই এনেকৈ ক'ব পাৰে যে শ্ৰীমতী বাৰ্দৰ শব্দকোষখন মৌলিক নাছিল, সেইখন তেতিয়াৰ পৰা ২৩ বছৰ আগতে প্ৰকাশিত শ্ৰীমতী হেৰিয়েত বি এল কাত্তাৰৰ শব্দকোষখনৰ সম্পাদিত ৰূপহে আছিল। উল্লেখযোগ্য যে শ্ৰীমতী কাত্তাৰে ১৮৪১ চনতে প্ৰকাশ কৰি উলিয়াইছিল 'English and Assamese Vocabulary, also English and Assamese Phrases'.

এই কিতাপখনে শব্দকোষ অংশটো আগতে কোৱাৰ দৰে শ্ৰীমতী বাৰ্দে সংশোধন কৰি ছপাই উলিয়ায়। আনহাতে কিতাপখনৰ খণ্ডবাক্য অংশটো ১৮৭৭ চনতহে পুনৰ প্ৰকাশ পায়। এই অংশৰ সম্পাদনা কৰে ই দব্লিউ ক্লাৰ্কে। কিন্তু সেই কথা সঁচা হলেও ব্ৰনচন চাহাবে শ্ৰীমতী হেৰিয়েত বি এল কাত্তাৰৰ কথাও এটিবাৰলৈয়ো উল্লেখ নকৰিলে কিয়? কথাটো আমাৰ বাবে পৰম বিস্ময়ৰ কথা হৈ ৰ'ল।

আচৰিত হ'ব লগা এই কাৰণেই যে ১৮৪১ চনত শ্ৰীমতী কাত্তাৰে জয়পুৰ মিচন প্ৰেচৰ পৰা উক্ত গ্ৰন্থ প্ৰকাশ কৰা সময়তে তেওঁৰ স্বামী অলিভাৰ তি কত্তাৰ উক্ত প্ৰেচৰ মুদ্ৰক আছিল। এইগৰাকী শ্ৰীমতী কাত্তাৰেই ১৮৪৪ চনত বিভিদ বিষয় সম্বলিত আন এখন পুথিও লিকি উলিয়াইছিল য'ত ভূগোল, বিজ্ঞান আদিৰ কথাও আছিল দ° দিলীপ কুমাৰ দত্তই এই কাত্তাৰ দম্পতীৰ বিষয়ে এনেকৈ লিখিছে ঃ

'১৮৩৬ চনৰ ফেব্ৰুৱাৰি মাহত বলোৰাম গিৰফিত চাহাবৰ সৈতে শদিয়া পায়গৈ। শদিয়াত বলোৰামে দুটা চাহাবৰ পৰিয়াল লগ পায় তেওঁলোক আছিল নাথান ব্ৰাউন (বলোৰামৰ মুখত বৰাওন চাহাব) আৰু অলিভাৰ কাত্তাৰ(বলোৰামৰ মুখত কেদাৰ চাহাব) নামৰ দুজন পাদুৰী চাহাবৰ পৰিয়াল। বলোৰামে অতি সোনকালেই বুজিব পাৰিলে যে শদিয়াৰ চাহাব আৰু মেমচাহাবকেইগৰাকীয়ে অসমীয়া, খামতি আৰু চিংফৌ ভাষা শিকিবলৈহে বিচাৰিছিল আৰু তেওঁলোকে দিনে-ৰাতিয়ে বলোৰাম আৰু আন অসমীয়াৰ পৰা শিকা মাত কথা আওৰাইছিল। (ফলি লোৱা বুৰঞ্জী, গুৱাহাটী, ১৯৮৬, পৃষ্ঠা ১৫)। উল্লেখ থাকে যে শ্ৰীমতী কাত্তাৰৰ স্বামী অলিভাৰ কাত্তাৰেই আছিল অৰুণোদইৰো মুদ্ৰক। আলোচনীখনৰ প্ৰথম সংখ্যাতে লিখা আছিল ঃ 'The Orunodoi, a monthly aper devoted to Religion, Sciece and General Intelligence, is printed and published at the Sibsagar Mission Press, by O. T. Cutter, for the American Baptist Mission in Assam.'

কিন্তু এনেদনৰ অলিভাৰ কাত্তাৰৰ এনেগৰাকী বিদুষী পত্নী হেৰিয়েত বি এল কাত্তাৰৰ শব্দকোষখনৰো কোনো উল্লেখেই ব্ৰনচনে তেওঁৰ অভিধানত নকৰিলে কিয়? এই প্ৰশ্নৰ উত্তৰ বিচাৰি আমি মাত্ৰ এটাই তথ্য পাইছোঁ। সেয়া হৈছে শ্ৰীমতী কাত্তাৰৰ স্বামী অলিভাৰ কাত্তাৰক অসমৰ বেপ্টিস্ত গিৰ্জাৰ পৰা বহিষ্কাৰ কৰা হৈছিল। দ° হেৰম্বকান্ত বৰপূজাৰীৰ পূৰ্বোক্ত গ্ৰন্থৰ মতে ঃ 'ছপাশালৰ প্ৰাণস্বৰূপ অলিভাৰ কাত্তাৰক নৈতিক স্খলনৰ বাবে (on account of immorality) বৰ্খাস্ত কৰিব লগা হৈছিল।' কিন্তু স্বামীৰ যদি নৈতিক স্খলনো হয়, তাৰ বাবে স্ত্ৰী দায়ী নহয়। তৎসত্ত্বেও এইগৰাকী দুৰ্ভগীয়া অসমীয়াপ্ৰেমী আভিধানিকৰ নাম পৰৱৰ্তী অভিলেখসমূহৰ পৰা যেন মছি পেলোৱা হ'ল। শদিয়াত এখন, আৰু তাৰ আশে পাশে আৰু তিনিখন ফলি লোৱা ঘৰ অৰ্থাৎ পঢ়াশালি গঢ়ি তোলা হেৰিয়েত কাত্তাৰৰ নাম নিচান অসমীয়া অভিধানৰ বুৰঞ্জীৰ পৰা মছি পেলোৱা হ'ল, যেনেকৈ মছি পেলোৱা হ'ল শ্ৰীমতী কাত্তাৰৰ শব্দকোষখন সম্পাদনা আৰু সমৃদ্ধ কৰা আন এগৰাকী মহিলা শ্ৰীমতী চুচান আৰ ৱাৰ্দৰ নামো।

'ছপাশালৰ সৈতে অনবৰতভাৱে জড়িত কাত্তাৰে অসম মিচনৰ পৰা বহিষ্কৃত হৈ উভতি যাওঁতে ১৮৫০ খৃস্তাব্দত সমুদ্ৰ জাহাজত মৃত্যুমুখত পৰে'। তেওঁৰ লগতে

যেন সলিল সমাধি ঘটিল অসমীয়া ভাষাৰ এই দুগৰাকী একমাত্র মহিলা অভিধানিকৰো।

কি আছে কাত্তাৰ-ৱার্দৰ শব্দকোষত?

ই দব্লিউ, ক্লার্কে এই বিষয়ে এনেকৈ লিখিছে ঃ 'In 1841, while the Mission Press was at Joypur, and Mr. O.T. Cutter in charge of it, his wife,MRs. H.B.L. Cutter, prepared and printed a small English and Assamese Vocabulary, also English and Assamese Idioms. The Vocabulary nd Phrases were both in one volume, the vocabnulary in the fore part and the Phrases in the latter part of the book. In 1864 MRs. S.R. Ward revised and had printed the vocabulary part of Mrs. Cutter's book.' (Explanatory Remarks, Phrases in English and Asamese by MRs. H.B. L. Cutter, revised by E. W. Clark, Sibsagar, 1877)

শ্রীমতী কাত্তাৰ আৰু শ্রীমতী বার্দ মহীয়সী মহিলাদ্বয়ৰ মহৎ অৱদান ইতিহাসৰ দ্বাৰা অৱহেলিত হৈ ব'লেও অসমীয়া জাতীয় অভিধানৰ নির্মাণ প্রক্রিয়াত আমি তাক যথাযোগ্য স্বীকৃতি দিবলৈ ওলাইছোঁ। সেয়েহে অসমীয়া জাতীয় অভিধানৰ প্রকাশক অসম জাতীয় প্রকাশে শ্রীমতী বার্দৰ দ্বাৰা সংশোধিত 'Brief Vocabulary in English and Assamese with Rudimentary Exercises.' ইংৰাজি আৰু অচমিয়া বাক্যবলী Sibasagar, 1864 এইয়াই পুনৰ প্রকাশ কৰিছে। সর্বমুঠ ১১৬ ছপা পৃষ্ঠাৰ এই শব্দকোষত কি আছে তাৰ এটি আভাস আগতীয়াকৈ দি থওঁ।

কিতাপখনত কোনো আগকথা বা পাতনি নাই। প্রথম পৃষ্ঠাত অসমীয়া স্বৰবর্ণ আৰু দ্বিতীয় পৃষ্ঠাত অসমীয়া ব্যঞ্জনবর্ণ কেনেকৈ উচ্চাৰিত হয় ইংৰাজী শব্দৰ উচ্চাৰণৰ উদাহৰণেৰে বুজাই দিয়া হৈছে। তাৰ পাছত আহিছে অংক-ফলা, আস্ক-ফলা আৰু আন যুক্তাক্ষৰবোৰ আৰু সেইবোৰ সুচোৱা ইংৰাজী আখৰবোৰ। পাচৰ পৃষ্ঠাত ব্যঞ্জনবর্ণত স্বৰবর্ণৰ আ-কাৰ উদাহৰণ দিয়া হৈছে। বাক্যৰ শিতানত ইংৰাজ পাঠকৰ সুবিধার্থে বৰ সুন্দৰকৈ অসমীয়া আৰু ইংৰাজী বাক্যৰীতিৰ পার্থক্য ফঁহিয়াই দেখুৱা হৈছে। হেমিল্‌তনিয়ান পদ্ধতি অনুসৰি বাক্যবোৰ এনেকৈ সজোৱা হৈছে।

(১) Go tell the Soyce to saddle the pony, and bring to me

(English) (২) কোবাগৈ চহিচত জিম লগাই ঘোঁৰাত আনিবলৈ মোলৈ (শব্দ অনুক্ৰমিক অসমীয়ালৈ অনুবাদ) (৩) ঘোঁৰাত জিম লগাই মোলৈ আনিবলৈ চহিচত কোআগৈ (অসমীয়া বাক্যৰীতিৰে অনুবাদ)। বাক্যসমূহৰ এই উদাহৰণত মিচনাৰী চাহাব-মেমসকলৰ জীৱন যাত্ৰাৰ চিত্ৰও ফুটি উঠিছিল। অৱশ্যে সেয়া আন এক প্ৰসংগ।

শব্দকোষখনত ইংৰাজীৰ পৰা অসমীয়ালৈ মাহ আৰু দিনৰ নামবোৰ আৰু ইংৰাজী আখৰেৰে অসমীয়া শব্দৰ উচাচাৰণসমূহ দিয়া হৈছে। তাৰ পাচতে আছে অসমীয়া বৰ্ণবিলাকৰ উচ্চাৰণ সম্পৰ্কে ইংৰাজীতে ব্যাখ্যা। তাৰ পাছত অসমীয়া সংখ্যাবিলাক দিয়া হৈছে। আৰু ৰোমান সংখ্যাৰ XII (বাৰ) পৃষ্ঠাৰ পাছত ১০৪ পৃষ্ঠাৰ মূল শব্দকোষখন আৰম্ভ হৈছে। 'Vocabulary' শিৰোনাম আৰু Nouns উপশিৰোনামৰ তলত প্ৰতিটো শব্দৰ বিপৰীতে তিনিটাকৈ শিতান আছে ঃ English, Assamese, Romanized (pronunciation)।

দেখাদেখিকৈয়ে শব্দকোষখন ইংৰাজী জনা পাঠকৰ সহায়ৰ বাবে। কিন্তু তথাপি প্ৰতিটো ইংৰাজী শব্দৰ বিপৰীতে এক, দুই বা আনকি তিনিটাকৈ অসমীয়া প্ৰতিশব্দ দিয়াৰ ফলত আমি গ্ৰন্থখনত পৃষ্ঠাত গড়ে ৪৫টাকৈ কমেও ৪,৫০০ অসমীয়া শব্দ ইয়াত পাইছো। উনৈচ শতিকাৰ তৃতীয় চতুৰ্থ দশকত অসমীয়া ভাষাৰ শব্দসম্ভাৰ কেনে আছিল তাৰ এটি আভাস আমি ইয়াৰ পৰা সুন্দৰকৈ পাব পাৰোঁ। ১৮৪১ চত হেৰিয়েত কাত্তাৰৰ কিতাপখন প্ৰকাশ পাইছিল। অৰ্থাৎ সেইখন যুগুতোৱা হৈছিল উনৈচ শতিকাৰ ১৮৩৮-৩৯০৪০ চন মানত।)

জাদুৰামি বানান পদ্ধতিৰে গ্ৰন্থখনৰ অসমীয়া শব্দবোৰ লিখা হৈছিল। পাচলৈ মিচনেৰি বানান বা ব্ৰনচনীয়ান বানান নামেৰে প্ৰখ্যাত হোৱা, অৰুণোদই আলোচনীত ব্যৱহৃত অসমীয়া সৰল পদ্ধতি প্ৰকৃততে যে মহান অসমীয়া আভিধানিক জাদুৰাম ডেকা বৰুৱাৰ দ্বাৰাহে প্ৰবৰ্তিত, সেই কথা আমি আন সময়ত বিতংকৈ আলোচনা আৰু প্ৰমাণ কৰি দেখুৱাম।

শব্দকোষখনত Addition শব্দৰ অসমীয়া কৰা হৈছে 'তেৰেজ', তেনেকৈ Bathroom অৰ বিপৰীতে সংস্কৃত 'স্তানাগাৰ' ব্যৱহাৰ নকৰি কৰা হৈছে 'গোচলখানা'। 'Balt' অৰ অসমীয়া গোল, ধোপ। Bladderঅৰ সৰল অসমীয়া 'মৃতৰ বাহ', Blanketঅৰ 'বৰকাপৰ', Brain 'মূৰত ঘিউ' 'Cake' সোআদ পিঠা', 'Chair,

'মাচিয়া', Clerk 'লিখক, কাকতি', Clock 'ধৰম ঘৰি', Coffin 'মৰাৰ পেৰা', Diameter মানে তাত ব্যাস নহয়, 'পথালি জোখ', Dictionary হৈছে 'অমৰ', Flea 'কুকুৰ চিটিকা', Fork কাঁটা চামুচ নহয়, 'মেজৰ কাঁইট', Fountain 'ভুমুক'।

নিভাঁজ অসমীয়া শব্দৰ সন্ধানে কাত্তাৰ -ৰাৰ্দ মহিলাদ্বয়ক লৈ গৈছিল Frejle ঃ 'চন্দুৰিয়া', Gradener 'বাৰি চোৰা', Gate'পদুলি দুৱাৰ', Gimilet ঃ পাক ভোঁহৰ, Glutton ঃ খাবৈচ আদি শব্দলৈ। আজি আমাক যদি কোনোবাই Hospital শব্দৰ অসমীয়া সোধে, আমি নিশ্চিন্তে কৈ দিম, চিকিৎসালয়, স্বাস্থ্যকেন্দ্ৰ, আনকি আস্পতাল। কিন্তু কাত্তাৰ ৰাৰ্দে এই শব্দৰ অপূৰ্ব অসমীয়া অৰ্থ কৰিছিল 'বেজসাল'। সেইদৰে Hooping cough অৰ অসমীয়া প্ৰতিশব্দ এটা আমি বুকুত কুঠাৰ মাৰিলেও দিব নোৱাৰিব পাৰোঁ, কিন্তু কাত্তাৰ ৰাৰ্দে সেই প্ৰতিশব্দ দিছে 'বান্দৰী কাঁহ' বুলি Injection অৰ প্ৰতিশব্দ তাত 'ফিস্কাৰী'। কিন্তু আটাইতকৈ বেচি আমাক মুগ্ধ কৰিছে Isthmus শব্দৰ অসমীয়া প্ৰতিশব্দই। 'যি ঠেক ভূমিখণ্ডই দুই বৃহৎ ভূমিখণ্ডক সংযোজিত কৰে' তাক আমি ভূগোলৰ সংজ্ঞা সুঁৱৰি নিশ্চয় 'যোজক' বুলিম কিন্তু সাতসাগৰ তেৰ নদীৰ সিপাৰৰ পৰা অহা কাত্তাৰ-ৰাৰ্দে তাক বৰ্ণনা কৰিছে 'মাজ চিয়া মাটি' বুলি।

এনে নিভাঁজ, শুৱলা অসমীয়া ভাষাৰ আৰু বহু নজিৰ শব্দকোষখনত আছে, উদাহৰণস্বৰূপে Jacket ইয়াত 'বুকু চোলা' বা 'মিৰজাই', Kidney হৈছে 'ভিতৰগুটি' Lock হৈছে 'সঁচাৰ', Measles : নুতি আই বা 'পানীচামৰি'। (এইখিনিতে কৈ থোৱাৰ লোভ সামৰিব নোৱাৰিলোঁ যে অলপতে অসমীয়া জাতীয় অভিধানৰ বাবেই 'অসমীয়া গালিসংগ্ৰহ' এখন সংগ্ৰহ কৰিছিলো। তাত এটা গালি পাইছিলো, 'একে চৰে যদুমণি উলিয়াই দিম।' গালিটোৰ অৰ্থ বুজি পোৱা নাছিলো। ভাবিছিলো তাৰ অৰ্থ 'একেচৰে যদুমণি অৰ্থাৎ কৃষ্ণক দেখি যাবি'। কিন্তু কাত্তাৰ-ৰাৰ্দৰ শব্দকোষে ভুল ভাঙিলে। এই যদুমণি/ জদুমণি হৈছে অসমীয়া 'পিঠাখোৱা' বা ইংৰাজীৰ Mumps।

সেইদৰে এইখন শব্দকোষ প্ৰথমবাৰৰ বাবে Pencil শব্দৰ প্ৰতিশব্দ তৈয়াৰ কৰিছে 'সিংহৰ কাপ' বুলি, penknife হৈছেগৈ 'কলমতৰাচ', আৰু তাতকৈ অপূৰ্বভংগীৰে petroleum অক বৰ্ণনা কৰিছে 'সিতা তেল' বুলি, Rainbow ইয়াত ৰামধেনু নহয়, 'মেঘৰ ধেনু'। প্ৰসেনজিৎ চৌধুৰীয়ে ইয়াক হিন্দুধৰ্মৰ প্ৰভাৱৰ পৰা

শব্দবোৰক মুক্ত কৰাৰ মিচনেৰি প্ৰচেষ্টা বুলি বৰ্ণনা কৰিছে। কিন্তু আমি অচিৰেই দেখুৱাম যে অসমীয়া ভাষাত কামধেনু শব্দ ব্যৱহাৰৰ আগতেই 'মেঘৰ ধেনু' বা 'কাঁড় ধেনু' শব্দহে প্ৰচলিত আছিল।

'Spectacle'- অৰ দৰে আধুনিক শব্দৰো 'দিপচকু'ৰ দৰে সুন্দৰ প্ৰতিশব্দ থাওতে যোগান ধৰি এইখন শব্দকোষে অসমীয়া ভাষাটোক এক নতুন প্ৰাণশক্তি যোগাব পাৰিলেহেঁতেন, যদিহে অৱশ্যে প্ৰকাশৰ পাছত বা সাম্প্ৰতিক কালত ইয়াৰ বহুল প্ৰচাৰ হ'লহেঁতেন। কিন্তু কালৰ কুটিল চক্ৰান্তত সুদীৰ্ঘ ১৬৭ বছৰ এইখন তল পৰি থাকিল। ইতিহাসৰ সুদীৰ্ঘ পথ পৰিক্ৰমাৰ আন এটা আলিদোমোজাত সি আহি আমাৰ হাতত পৰিলহি। আমি প্ৰতিজ্ঞাবদ্ধ, হেজাৰ বছৰীয়া অসমীয়া ভাষাৰ প্ৰতিষ্ঠা আৰু মান্যীকৰণৰ সংগ্ৰামত যিসকলে সামান্যতমো বৰঙণি আগবঢ়াইছে, সেই সকলোৰে ঋণ সকৃতজ্ঞে স্বীকাৰ কৰি তেওঁলোকে সংগ্ৰহ আৰু সংকলন কৰা প্ৰতিটো শব্দক চকুৰ মণিৰ দৰে আথে বেথে সংৰক্ষণ কৰি অসমীয়া জাতীয় অভিধানত সসন্মানে স্থান যাঁচিবলৈ। আৰু তাকে কৰিব পাৰিলেহে অসমীয়া ভাষা মোৰ সুৱদীসুৱীয়া, জগতসভালৈ যাব উজ্জ্বল, সুজ্জল কহিনুৰ পিন্ধি হাঁহি জোতিৰূপা হ'ব।

অসমীয়া ভাষাৰ ষষ্ঠখন অভিধান, ক'বলৈ গ'লে প্ৰথম পূৰ্ণাংগ অভিধান মাইলচ ব্ৰনচনৰ অসমিয়া আৰু ইংৰাজি অভিধানৰ বিষয়ে নিজে একো নকৈ এই বিষয়ৰ সবাতোকৈ বেচি চৰ্চা কৰা ৰেভাৰেন্দ আজিজুল হক চাহাবৰ এটা লেখা আমি ইয়াত অসম্পাদিত ৰূপত তুলি ধৰিছোঁ ঃ

মাইলচ ব্ৰনচনৰ অভিধানৰ প্ৰাসংগিকতা

('অসমিয়া আৰু ইংৰাজি অভিধান'ৰ ১৪৪বছৰ)

অসমীয়া ভাষা-সাহিত্যত আমেৰিকান ব্যপ্তিষ্ট মিচনেৰীসকলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সেইসকলৰ ভিতৰত নাথান ব্ৰাউন আৰু মাইলছ ব্ৰনছনে আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি অভূতপূৰ্ব অৱদান আগবঢ়াই গৈছে। তদুপৰি ব্ৰনছনে অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা সংগ্ৰামত যুঁজি বিজয় সাব্যস্ত কৰি গৈছে। অসমীয়া ভাষাৰ প্ৰতি ব্ৰনছনৰ অনবদ্য অৱদান হৈছে ১৮৬৭ চনৰ ১২ আগষ্টত ১৪,০০০ সম্বলিত ৬০৯ পৃষ্ঠাৰ প্ৰথম অসমীয়া ভাষাৰ অভিধান অসমীয়া আৰু ইংৰাজি অভিধান। এই লেখাৰ যোগে ব্ৰনছনক সোঁৱৰণ কৰাৰ লগতে তেওঁৰ অভিধানখনৰ বিষয়েহে কিছু বহলাই

বৰ্ণাবলৈ প্ৰয়াস কৰা হৈছে।

ব্ৰনছনৰ জন্ম হৈছিল ১৮১২ খ্ৰীষ্টাব্দৰ ২০ জুলাইত আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্কৰ নববেত। তেওঁ ১৮৩৬ চনত হেমিল্টনৰ পৰা স্নাতক হয়। আমেৰিকান ব্যাপ্টিষ্ট মিছনেৰী ইউনিয়নে তেওঁক অসমৰ বাবে মিছনেৰী পদত নিযুক্তি দিয়ে। তেওঁ সপৰিবাৰে জলপথে আহি ১৮৩৭চনৰ ১৭ জুলাইত শদিয়া পায়হি। ব্ৰনছনে সুদীৰ্ঘ বিয়াল্লিছ বছৰ কষ্ট সহকাৰে অথচ কৃতকাৰ্যতাৰে অসমত সেৱা আগবঢ়াই ১৮৭৯ চনত বৃদ্ধ তথা ৰোগাক্ৰান্ত হৈ নিজ গৃহ অভিমুখে যাত্ৰা কৰোঁতে বাটত কৈছিল — 'মই নিশ্চয় ঘূৰি যাব লাগিব; মই অসমতে মৃত্যু হোৱাটো বিচাৰোঁ।' কিন্তু তেওঁৰ এই শেষ ইচ্ছা পূৰ নহ'ল। ১৮৮৩ৰ ৯ নৱেম্বৰত আমেৰিকাৰ মিচিগান ৰাজ্যৰ এটন ৰেপিডছ নামৰ ঠাইত তেওঁৰ মৃত্যু হয়। ব্ৰনছন এগৰাকী ভাষাবিদ আছিল। অতি কম সময়তে তেওঁ অসমীয়া আয়ত্ত কৰি এই ভাষাৰ পৃষ্ঠপোষক হৈ পৰিছিল। তেওঁ নিবিড়ভাৱে শিক্ষা দিয়া, অনুবাদ কৰা আৰু বিদ্যালয়ৰ বাবে পাঠ্যপুথি যুগুতোৱাত জড়িত হৈছিল। তেওঁ জয়পুৰত থাকোঁতে ১৮৩৯ চনত এ স্পেলিং বুক এণ্ড ভকেবুলেৰী ইন ইংলিছ, আছামিজ চিংফৌ এণ্ড নাগা নামে এখন পুস্তিকা প্ৰকাশ কৰে। তেখেতৰ অনূদিত কিতাপসমূহৰ ভিতৰত সুবৰ্ণৰ তুল, ধৰ্মৰ অৱতাৰ আৰু পাপ মোচনৰ শস্য উপায় উল্লেখনীয়। শিৱসাগৰত নাথান ব্ৰাউনৰ উদ্যোগত ১৮৪৬ চনৰ জানুৱাৰীৰ পৰা প্ৰকাশিত প্ৰথম অসমীয়া সংবাদ পত্ৰ অৰুণোদইৰ লগত ব্ৰনছন ওতপ্ৰোতভাৱে জড়িত আছিল। তেওঁ বহু প্ৰবন্ধপাতি এই পত্ৰৰ বাবে যুগুতাই দিয়াৰ উপৰি ব্ৰাউন ছুটীত থকা সময়ত তেওঁ এই পত্ৰৰ সম্পাদনাৰ দায়িত্বও বহন কৰিছিল।

ব্ৰনছনৰ কীৰ্তিকলাপ হৈছে ১৮৬৭ চনত শিৱসাগৰ মিছন প্ৰেছ উইলিয়াম বাৰ্ডৰ তত্ত্বাৱধানত ছপোৱা অসমিয়া আৰু ইংৰাজি অভিধান। এয়ে আছিল তেওঁৰ বাৰ বছৰ অক্লান্ত পৰিশ্ৰমৰ ফল। ইয়াৰ আভাসত বহু যুদ্ধ বিগ্ৰহ, ৰাজনৈতিক উত্থান-পতন তথা বিভিন্ন জনগোষ্ঠী অসমলৈ অনুপ্ৰৱেশ ঘটা সত্ত্বেও অসমীয়া ভাষা অলৰ হৈয়ে আহিছে। নাথান ব্ৰাউন আৰু ছামুৱেল হোৱাইটিঙে যুগুতোৱা কাৰ্যৰ পৰা তেওঁ সহায় পাইছিল বুলি তেওঁলোকৰ শলাগ লৈছে। সম্ভৱ তেওঁ ১৮৪১ চনত হেৰীয়েট কাটাৰে প্ৰণয়ন কৰা ভকেবুলেৰী এণ্ড ফ্ৰজেছ ইন ইংলিছ এণ্ড আছামিছ আৰু চুছান বাৰ্ডে ইয়াৰ শব্দকোষ অংশটি সংশোধন আৰু নতুন শব্দ সংযোজন কৰি ১৮৬৪ চনত

হেমচন্দ্ৰৰ আত্মজীৱনীত উল্লেখ— 'মই তাৰ বৰ্ণবিন্যাস সংশোধনৰ নিমিত্তে যত্ন কৰিবলৈ ধৰিলোঁ। মোৰ এই চেষ্টাত নিধি লেভি ফেয়বোৰেল নামেৰে এটা দেশী খৃষ্টিয়ানৰ পৰা বাধা পাইছিলোঁ। সি তাৰ গুৰু ব্ৰাউন চাহাবৰ বৰ্ণবিন্যাসৰ এক আঙ্গুলো লৰচৰ হোৱাক মহাপাপ যেন ভাবিছিল।' তাৰ পাছৰে পৰা ব্ৰনছনৰ অভিধানৰ বাদে মিছনেৰীসকলেও লিখনিত জাদুৰাম-ব্ৰাউনৰ পদ্ধতি পৰিহাৰ কৰে। ব্ৰাউনে দিয়া অৰুণোদইৰ বানান ১৮৬০ চনত সলনি কৰি অৰুণোদয় কৰে যদিও সম্পাদকীয় পৃষ্ঠাত ছামুৱেল হোৱাইটিঙে খেদ কৰি এই অভিমত প্ৰকাশ কৰে— 'ব্ৰাউন চাহাবে লিখাৰ দৰে অশমীয়া কথা লিখিবলৈ আৰু দেখিবলৈ বৰ সুন্দৰ আছিল।, আৰু লোকবিলাকে সেইদৰেই লিখা হ'লে বৰ ভাল হ'লহেঁতেন।

আজিকোপতি অনেক অসমীয়া ব্যাকৰণ আৰু পাছত হেমকোষত আমদানিকৃত বঙলা ভাষাৰ আৰ্হি তথা জটিল আৰু সংস্কৃতীয়া পদ্ধতিয়েই সঠিক বুলি খামোচ মাৰি ধৰি আছে। ইয়াৰ পৰিণতিত হেজাৰ বছৰীয়া ইতিহাস বিজড়িত অসমীয়া ভাষাৰ সহজ-সৰল আৰু স্বকীয় পৰম্পৰা প্ৰত্যাখ্যান কৰি অহা হৈছে আনকি ইয়াক সম্পূৰ্ণ ভুল তথা বিদেশী মিছনেৰীৰ মুখত ফুটা 'শিশুসুলভ অবিশুদ্ধ সৰলতা' বুলি কটু সমালোচনা কৰা বিয়াগোম সাহিত্যিকো অসমত দেখাৰ আছে। সেয়েহে ব্ৰনছনৰ অভিধানখন এলাগী হৈ পৰিল। অথচ কালিৰাম মেধি, বেণুধৰ শৰ্মা, শৰৎ চন্দ্ৰ গোস্বামী, হৰিনাৰায়ণ দত্তবৰুৱা, মহেশ্বৰ নেওগ আৰু গোলোকচন্দ্ৰ গোস্বামী আদি জনদিয়েক খ্যাতনামা ভাষাতাত্ত্বিক আৰু সাহিত্যিক সৰল আখৰ জোঁটনিৰ বাবে মত পোষণ কৰি আহিছে। সম্প্ৰতি দেৱব্ৰত শৰ্মাৰ সম্পাদিত অসমীয়া জাতীয় অভিধান নামৰ চাৰিটা খণ্ডৰ প্ৰকাণ্ড অভিধানখনে তেনে সৰল বানান বলিষ্ঠ প্ৰস্তাৱ আগবঢ়াইছে। এই ক্ষেত্ৰত তেওঁ অলপতে ব্ৰাউনৰ সেই দুষ্প্ৰাপ্য মূল ব্যাকৰণ কিতাপখন হুবহু ৰূপে পুনৰ প্ৰকাশ কৰাত পঢ়ুৱৈসকলে বানান সৰলীকৰণৰ বিষয়ে বুজি পোৱাত অশেষ সহায়ক হ'ব। অসমীয়া ভাষাপ্ৰেমীসকলৰ বাবে ই এক অমূল্য সম্পদ উদ্‌ঘাটিত হ'ল। ভাষা সদায় জটিলতা পৰিহাৰ কৰি সৰল আৰু পোনপটীয়া গতিত প্ৰবাহিত হয়। আমাৰ ভাষাটিকো জটিলতাৰ পৰা মুক্ত কৰিবৰ বাবে জাদুৰাম-ব্ৰাউন-ব্ৰনছনে পুনৰ ভুমুকি মাৰিছে। তেওঁলোকৰ প্ৰাসংগিতা জানো নুই কৰিব পাৰি?

(নিয়মীয়া বাৰ্তা, ১৮-৮-১১)

হেমকোষ: অবদান আৰু সমালোচনা

অসমীয়া ভাষাভাষীসকলৰ বাবে এতিয়ালৈকে আভিধানিক কর্তৃপক্ষ হিচাপে পৰিগণিত হৈ আহিছে হেমচন্দ্ৰ বৰুৱা প্ৰণীত হেমকোষ অভিধানখন। মাইলছ ব্ৰনচন চাহাবৰ ১৪,০০০ শব্দৰ অভিধানখনৰ পাচত ২২,০০০ শব্দ সংকলিত এইখনেই আছিল জাতিটোৰ বাবে জাতিটোৰে এজনে প্ৰণয়ন কৰা প্ৰায় সামগ্ৰিক অভিধান। ১৮৯৬ চনত হেমচন্দ্ৰ বৰুৱাৰ মৃত্যুৰ চাৰি বছৰ পাছত, অর্থাৎ ১৯০০ চনত প্ৰকাশিত হেমকোষৰ পাচত অসমীয়া ভাষাৰ অভিধান প্ৰকাশ নোপোৱা নহয়। কিন্তু সেইবিলাকৰ এখনেও হেমকোষক আঁতৰাই থৈ সেই ঠাই দখল কৰিব পৰা নাই।

এইখন হেমকোষত আধুনিক অসমীয়া ভাষিক জাতীয়তাবাদৰ পথিকৃৎ বুলি খ্যাত ত্ৰিমূর্তিৰ অন্যতম হেমচন্দ্ৰ বৰুৱাৰ অশেষ শ্ৰম নিহিত আছে। ব্ৰনচন চাহাব সংগৃহীত ১৪,০০০ শব্দৰ বর্ণবিন্যাস সমূলি সলনি কৰি নিজৰ ঠাঁচত সংস্কৃতিকৰণ' কৰাৰ উপৰি নতুনকৈ ৮,০০০ শব্দৰ সংগ্ৰহ আৰু এই সকলোৰে অর্থ, সংজ্ঞা আৰু ব্যাখ্যাদান এজন ব্যক্তিৰ বাবে মুঠেও সহজ কাম নাছিল। অক্লান্ত-অবিৰাম পৰিশ্ৰম আৰু ঈৰ্ষণীয় নিষ্ঠা -একাগ্ৰতাৰেহে এই মহান উদ্যম সার্থক কৰি তোলা সম্ভৱ হৈছিল। তাৰ বাবে অসমীয়া জাতিৰ প্ৰাতঃস্মৰণীয় ব্যক্তিসকলৰ তালিকাত হেমচন্দ্ৰ বৰুৱাৰ নাম নিশ্চয় নিগাজী হৈ ৰ'ল। বিগত এক শতিকাৰো অধিক কাল জুৰি হেমকোষত প্ৰধান অভিধানৰ আসনত বহুৱাই অসমীয়াই সেই ঋণ আংশিকভাৱে হ'লেও শুজিবলৈ চেষ্টা কৰিছে।

মাইলচ ব্ৰনচন, ৰুচিনাথ (বুঢ়াগোহাঞি), জাদুৰাম ডেকাবৰুৱাসকলৰ অভিধানৰ লগতে আৰু সেইকিখনতকৈও বেছিকৈ, হেমচন্দ্ৰ বৰুৱাৰ হেমকোষে ঐতিহাসিক স্বীকৃতি পাব। ভৱিষ্যতৰ বিভিন্ন প্ৰসংগত তাৰ উল্লেখ আৰু ব্যৱহাৰ চলি থাকিব। কিন্তু একৈশ শতিকাৰ আধাৰ অভিধান হিচাপে এইখন গ্ৰহণ কৰাত গুৰুতৰ সুবিধা আছে। কাৰণ এইখনৰ পাতে পাতে একৈচ শতিকাৰ অনুপযোগী শ্ৰেণী-জাতি-বর্ণ-সম্প্ৰদায়-ধৰ্ম-লিংগভিত্তিক কেতবোৰ ধাৰণা নিহিত হৈ আছে। ঊনৈচ শতিকাৰ দৃষ্টিভংগীৰে সেইবোৰৰ যুক্তি সাব্যস্ত কৰিবলৈ কোনোবাই প্ৰয়াস কৰিলেও একৈচ শতিকাত সেইবোৰ প্ৰতিক্ৰিয়াশীল, জাতীয়তা বিৰোধী ধাৰণা বুলি গণ্য হ'বলৈ বাধ্য। এই সীমাবদ্ধতা বা দুর্বলতাখিনিৰ ওপৰত আলোকপাত কৰিবলৈ যাওঁতে হেমচন্দ্ৰ বৰুৱাৰ পৰিশ্ৰমী

সাধনালব্ধ প্ৰয়াসক লঘু কৰাৰ কোনো বাসনাই কাম কৰা নাই; তাৰ পৰিৱৰ্তে এই অসম্পূৰ্ণতাসমূহে আমাক অনুপ্ৰাণিত কৰিছে এখন সম্পূৰ্ণ জাতীয় অভিধান প্ৰসংগ অৱতাৰণা কৰিবলৈহে।

হেমকোষৰ পাতে পাতে এক সামন্তীয় মূল্যবোধ তথা সামন্তীয় শ্ৰেণী দৃষ্টিভংগী প্ৰকট হৈ আছে। আমি ১৯৯২ চনৰ যি সংস্কৰণটোৰ ভিত্তি কৰি এই আলোচনা আগবঢ়াইছোঁ সেইটো অভিধানখনৰ সপ্তম সম্পাদিত সংস্কৰণ। এই সংস্কৰণলৈকে অটুট থকা যিবোৰ শব্দই তেনে মূল্যবোধ তথা শ্ৰেণীদৃষ্টিভংগীৰ পৰিচয় দিয়ে তাৰ চকুত পৰাখিনি আমি ইয়াত তুলি ধৰিছোঁ।

'অঘিণ' শব্দটোৰ অৰ্থ (পৃঃ ৮) এনেকৈ দিয়া হৈছে ঃ 'ঘিণ নকৰাকৈ; যেনে অঘিণকৈ খালে, তুচ্ছ বোধ নকৰি, যেনে বৰলোকে অঘিণকৈ সামান্য মানুহৰ লগ লয়নে?' ... দেখা যায় ইয়াত ব্যাখ্যামূলক উদাহৰণ দিবলৈ গৈ শ্ৰেণী চেতনা ফুটাই তোলা হৈছে। একেদৰে 'অভয়' শব্দৰ অৰ্থ (পৃঃ ৪১) বুজাবলৈ গৈ কোৱা হৈছে ঃ 'যেনে ঃ ডাঙৰীয়াই অমুকক অভয় দিছে।' একেদৰে ৪৩ পৃষ্ঠাত 'অভিমত'ৰ দৰে শ্ৰেণী নিৰপেক্ষ শব্দবো শ্ৰেণীভিত্তিক ব্যাখ্যা দিয়া হৈছে এনেদৰে ঃ যেনে, 'ডাঙৰীয়াৰ অভিমত নহ'লে এই কাম হ'ব নোৱাৰে।'

একেদৰে 'কাছুটি'ৰ দৰে নিৰীহ শব্দৰ ব্যাখ্যাতো শ্ৰেণী পাৰ্থক্য স্পষ্ট। ১৯৪ পৃষ্ঠাত উক্ত শব্দৰ অৰ্থ দিয়া হৈছে ঃ 'সামান্য মানুহৰ সৰু চুৰিয়া, ব্যংগাৰ্থত ডাঙৰ লোকৰ চুৰিয়াকো বুজায়, যেনে 'ডাঙৰীয়া কাছুটি এৰিলে।' ২১৪-১৫ পৃষ্ঠাত থকা কুকুৰ শব্দৰ অন্যতম ব্যাখ্যা 'অধম, নীচ মানুহ' আৰু কুকুৰ-ধুলি শব্দৰ ব্যাখ্যা 'নীচ মানুহ, অতি সামান্য মানুহ' বুলি থাকিলেও আমি অৱশ্যে সেয়া হেমচন্দ্ৰ বৰুৱাৰ শ্ৰেণী চেতনা বুলি নাভাবো, বৰং তাত সমসাময়িক সমাজৰ দৃষ্টিভংগীহে ফুটি উঠিছে। কিন্তু ২৫৭ পৃষ্ঠাত থকা আন কেইটামান শব্দৰ বিষয়ে বোধয় ক'ব পৰা নাযায়। কাৰণ সেই পৃষ্ঠাৰ 'খাটনি' শব্দৰ ব্যাখ্যা দিবলৈ গৈ কোৱা হৈছে ঃ 'উপকাৰৰ আশাৰে কৰা উপাসা; যেনে ডাঙৰীয়াই খাটনি লৈছে'। একেদৰে 'খাটনি ধৰ' শব্দৰ অৰ্থতো ডাঙৰীয়াই লক্ষিছে কেনেকৈ চাওক ঃ 'কোনো কাৰ্য কৰি দিবৰ নিমিত্তে ভাৰসা কৰ, যেনে ডাঙৰীয়াত খাটনি ধৰিছে। মন কৰিবলগীয়া যে আমি এই দুটা শব্দৰ ব্যাখ্যাৰ লগত 'খাটলা' শব্দৰ ব্যাখ্যাক একাকাৰ কৰিব খোজা নাই। তাত কোৱা হৈছে 'গোসাঁইসকল

উঠি ফুৰি চাবিচুকীয়া দোলা, 'a four cornered vehicle carried on men's shoulders used by the Gosains of Assam'। একাকাৰ কৰা নাই এই বাবেই যিহেতু এই ব্যাখ্যা বিষয়ীগত নহয়, বিষয়গতহে।

বৃত্তিৰ ক্ষেত্ৰতো কেতবোৰ বৃত্তিক যে অভিধান প্ৰণেতাজনে নীচ বুলি গণ্য কৰিছিল তাৰ উমান পোৱা যায় 'গৰুখুন্দা' শব্দৰ অৰ্থত (২৮২ পৃষ্ঠা)। ইয়াত কোৱা হৈছে, 'দমৰা গৰু বন্ধোৱা মানুহ, নীচ বৃত্তিৰ মানুহ'। আভিধানিকজনৰ প্ৰখৰ শ্ৰেণী চেতনাৰ বিস্ফোৰণ ঘটিছে 'গুৰিয়া' শব্দৰ ব্যাখ্যাতে (পৃষ্ঠা ২৯৯)। ইয়াত কোৱা হৈছে, 'নেজানি বা অকস্মাৎ ভৰি লগা, যেনে, সি ডাঙৰীয়াৰ খৰম গুৰিয়ালে।' ডাঙৰীয়াই তাক গুৰিয়ালে সেইটো হয়তো অভিধানত উঠিব লগা খবৰ নহ'লহেঁতেন, কিন্তু তাৰ ভৰি অজানিতে ডাঙৰীয়াৰ খৰমত লগা কথাটো অভিধানত উঠা খবৰ হ'ব পাৰিলে। কোনো কোনোৱে দাবী কৰাৰ দৰে অসমীয়া সমাজ সঁচাই শ্ৰেণীবিহীন আছিলনে?

'গুৱালগালি'ৰ দৰে শব্দ (পৃষ্ঠা ৩০১) যদি আমি সামাজিক দৃষ্টিভংগীৰ পৰিচায়ক বুলি এৰিও দিওঁ, তথাপি 'গেঙেৰি' (গেঙেৰি) শব্দৰ ব্যাখ্যাত উচাপ্ খাই নুঠি নোৱাৰি। ৩০৩ পৃষ্ঠাত এই শব্দৰ অৰ্থ এনেকৈ দিয়া হৈছেঃ 'কুকুৰে ভয় দেখাবৰ নিমিত্তে দাঁত উলিয়াই মৰা গোঁজৰণি, যেনে ভতুৰা কুকুৰৰ গেঙেৰিয়েই সাৰ, এতেকে ভয় দেখাবলৈ নীচ মানুহে দিয়া ডাবি; যেনে, এতিয়া হজুৰাই ও গেঙেৰি দিয়ে।'

হেমচন্দ্ৰ বৰুৱাই জনসাধাৰণৰ প্ৰতি কেনে দৃষ্টিভংগী গ্ৰহণ কৰিছিল? তাৰ চমৎকাৰ উত্তৰ আমি ৩৮৫ পৃষ্ঠাত পাওঁ? জনগণৰ প্ৰতি তীব্ৰ অৱজ্ঞাৰে 'সাধাৰণ শ্ৰেণীৰ মানুহবিলাক' শব্দৰ অৰ্থ তেওঁ দিছে 'ইতৰ লোক' বুলি। সোঁৱৰা উচিত হ'ব যে ১১৩ পৃষ্ঠাৰ 'ইতৰ' শব্দৰ ব্যাখ্যা তেনেতে ইতিমধ্যে দি আহিছে, 'সামান্য, নীহ **low, vile, mean inferior, vulgar'** বুলি। আচৰিত হ'ব লগা একো নাই যে টগৰ বগৰ'ৰ দৰে নিৰহ্-নিপানী শব্দৰ অৰ্থ ব্যাখ্যা কৰিবলৈ গৈ তেওঁ সেইসকল ইতৰ'ক ডাঙৰীয়াৰ সন্মুখত ধৃষ্টতা দেখুৱাবলৈ সকীয়াই দিছে।

'ডাঙৰীয়া'ৰ সংজ্ঞাও হেমচন্দ্ৰ বৰুৱাৰ ওচৰত স্পষ্ট। ৪৪১ পৃষ্ঠাত এই শব্দৰ অৰ্থ তেখেতে এনেকৈ দিছেঃ 'ডাঙৰ শ্ৰেষ্ঠ, বৰলোক, শ্ৰেষ্ঠ বা মান্য মানুহ, মহাশয়, **a nobleman, Sir, a grandee'** এই ডাঙৰীয়াৰ লগত 'সামান্য মানুহে' হয়ভৰ দি ফুৰিলেও ৰক্ষা নাই, তেতিয়াও তেওঁ 'ঢোলৰ লগত টেমেকা' হে হ'ব (পৃষ্ঠা ৪৫২)। এই শ্ৰেণীবিভাজনে গৈ শাক-পাত পৰ্যন্ত স্পৰ্শিছেগৈ যেতিয়া আমি 'তিতাফুল'

শব্দৰ অৰ্থ পঢ়িছোঁ। তিতাফুলৰ অৰ্থ হ'ল ঃ **'ৰঙা বাহকৰ ফুল, এবিধ ৰঙা বৰণীয়া তিতা গুণযুক্ত ফুল, সামান্য মানুহে তাৰ আঞ্জা খায়'** (পৃঃ ৪৬)

'ধৰ' ধাতুৰ পৰা ওলোৱা **'ধৰা'** শব্দটোৰ অৰ্থ আমি সকলোৱেই জানো। হেমচন্দ্ৰ বৰুৱায়ো ঠিকেই লিখিছে ঃ 'ধৰা কাৰ্যটো আনৰ দ্বাৰা কৰা।' কিন্তু তাৰ উদাহৰণ তেখেতে কি দিছে চাওক ঃ 'যেনে, লগুৱাৰ হতুৱাই জাপি ধৰাইছে' (৫২৯ পৃষ্ঠা)। লগুৱাৰ হতুৱাই জাপি ধৰাই তৃপ্তি পোৱাসকলৰ দৃষ্টিভংগীয়েই জানো ইয়াত ফুটি উঠা নাই? একেদৰে 'পাতি' শব্দটোৰ অৰ্থ আমাৰ বাবে সাধাৰণ (ordinary) যেনে ঃ পাতিহাঁহ, পাতিকাউৰী। সেই অৰ্থটোক টানি নি হেমচন্দ্ৰ বৰুৱাই তেখেতৰ শ্ৰেণী চেতনা আৰোপ কৰিছে কেনেকৈ চাওক ঃ উক্ত শব্দৰ অৰ্থ দিয়া হৈছে ঃ **'(পাতল, লঘু) সামান্য, যাই বিধৰ নোহোৱা সৰু, যেনে ডাঙৰ লোকে পাতি কথালৈ কাণ নিদিয়ে।'** (পৃষ্ঠা ৬১৪)।

এইবাৰ ৬৪৮ পৃষ্ঠাৰ 'প্ৰৱৰ্তা' শব্দলৈ আহোঁ। ইয়াৰ অৰ্থ দিবলৈ গৈ ধনীৰ গৰিমা প্ৰচাৰ কৰা হৈছে। ইয়াত উদাহৰণ দি কোৱা হৈছে, যেনে 'ধনীয়ে দুখীয়াক প্ৰৱৰ্তায়।' অথচ আটাইতকৈ সহজ উদাহৰণ এটা জানো এনে হ'ব নোৱাৰিলেহেঁতেন ঃ 'দুখীয়াই কটনা কাটি পেট প্ৰৱৰ্তায়?' একেটা জাতি বা সম্প্ৰদায়ৰ ভিতৰতো সেইদৰে বৰুৱাই শ্ৰেণী বিভাজন স্পষ্ট কৰি দেখুৱাইছে। ভদ্ৰ শ্ৰেণীৰ আহোম আৰু সামান্য শ্ৰেণীৰ আহোম তেওঁৰ দৃষ্টিত বেলেগ, তেনেকৈ বেলেগ বঙালী আৰু বঙাল-বঙালীনও। ৬৭৩ পৃষ্ঠাত তেখেতে সেয়েহে কৈছে, 'বঙাল ঃ বংগদেশৰ ইতৰ মানুহ।' বঙালী ঃ... বঙালী ভদ্ৰলোক।' (একে পৃষ্ঠাতে 'বঙহৰ দেও' শব্দ দুটা দেখুওৱা হৈছে' ওপৰৰ শ্ৰেণীৰ ভাৰ্যাই স্বামীক মতা মাত' বুলি। অৱশ্যে এই কথা অনস্বীকাৰ্য যে এই শাণিত শ্ৰেণী চেতনাৰ বেপ যে অকল 'বঙাল বঙালনী' বা 'সাধাৰণ শ্ৰেণীৰ লোকেহে সহ্য কৰিব লগা হৈছে এনে নহয়। নিচলা বামুণবো তাৰ পৰা নিস্তাৰ নাই। উদাহৰণ স্বৰূপে 'দেৱ' শব্দই 'দেৱতা, ঈশ্বৰ, স্বৰ্গলোক, মান্যৱন্ত বা ব্ৰাহ্মণ আদিক সন্মানেৰে মতা মাত, যেনে স্বৰ্গদেৱ, গোসাঁইদেৱ, বাপুদেৱ ইত্যাদি' বুজায়। (পৃষ্ঠা ৫১৬)। কিন্তু তাৰ বিপৰীত 'দেৱল' শব্দই 'দেৱলীলা ঠাকুৰ, লোকৰ নিমিত্তে মূৰ্তি পূজা কৰি জীৱিকা কৰা বামুণ'ক বুজায়। ইয়াৰ পাছতো এওঁলোকৰ শ্ৰেণী চৰিত্ৰ লৈ কাৰোবাৰ মনত সন্দেহ থাকি যাব পাৰে বুলি ভাবিয়েই বোধহয় অভিধান প্ৰণেতাজনে বন্ধনীৰ

ভিতৰত জলজল পটপটকৈ বুজাই দিছে 'এনে বামুণ নীহ' (পৃষ্ঠা ৫১৭)। 'দ্বিজবন্ধু' শব্দৰ অৰ্থ দিবলৈ গৈয়ো তেখেতে নিত্য কৰ্ম নকৰা বামুণক 'অধম বামুণ' আখ্যা দিছে (পৃষ্ঠা ৫২৫)।

শ্ৰেণীৰ পৰা জাতি বৰ্ণলৈ এই বিভাজন ৰেখা ক্ৰমশঃ সম্প্ৰসাৰিত হ'ব ধৰে। অভিধানখনৰ প্ৰথম আখৰ 'অ'ৰ অৰ্থ ব্যাখ্যাত 'অ'ই কেনেকৈ নেতিবাচক বুজায় তাৰে উদাহৰণ দিবলৈ গৈ প্ৰথম উদাহৰণটোৱেই দিছে 'অব্ৰাহ্মণ', তাৰ পাছতহে 'অকাল', 'অকামিলা' ইত্যাদি উদাহৰণ দিছে। এই যে 'ব্ৰাহ্মণ' উদাহৰণটো প্ৰথমে দিয়া হ'ল, সেয়া কিন্তু বৰ্ণানুক্ৰমিক হোৱা নাই। একেদৰে অকুলীনীয়া শব্দৰ অৰ্থ 'অজাতি', অকুলীনীয়া' বুলি কৈয়ে সন্তুষ্ট নহৈ বিষয়ীগতভাৱে যোগ দিয়া হৈছে 'যেনে, অকুলীনৰ হাতে খালে পৰাচিত লাগে। (পৃষ্ঠা ৪)। স্পষ্টতঃ ইয়াৰ জৰিয়তে জাতি-বৰ্ণীয় চেতনা গাঢ়তৰ কৰিব বিচৰা হৈছে। 'অঘিণ' শব্দতো অপ্ৰয়োজনীয়ভাৱে প্ৰশ্ন উত্থাপন কৰা হৈছে 'বৰ লোকে অঘিণকৈ সামান্য মানুহৰ লগ লয়নে? (পৃষ্ঠা ৮)। 'অজাতৰীয়া', 'অজাতি' আদি শব্দটো সেই চেতনা স্পষ্ট (পৃষ্ঠা ১১) উক্ত দ্বিতীয় শব্দৰ অৰ্থত কোৱা হৈছে 'অজাতিৰ হাতে ভাত খালে জাতি যায়', 'অজামিল' শব্দৰ অৰ্থতো ('জাতি কুলৰ বিচাৰ নকৰা মহাপাপী মানুহ') তাৰ ৰেঙণি পোৱা যায়। 'অনাৰ্যসকলক not respectable বুলি (পৃষ্ঠা ২১) আখ্যা দিয়াৰ ওপৰি অন্ত্যজ, অন্ত্যজাতি, অভকত, অভক্ত আদিৰ শব্দাৰ্থবোৰ মন কৰিবলগীয়া। এনে শব্দবোৰৰ অৰ্থৰ ফাঁকে ফাঁকে কেতিয়াবা কেতিয়াবা অপ্ৰাসংগিক আৰু অপ্ৰয়োজনীয়ভাৱে অভিধান প্ৰণেতাৰ নিজা মনোগত ধাৰণাবোৰ সুমুৱাই দিয়াৰ প্ৰৱণতাও নিচেই কম নহয়।

'অৱধ্য' শব্দটোৰ কথাই ধৰক (পৃষ্ঠা ৩৭)। ইয়াৰ অৰ্থ ব্যাখ্যা কৰিবলৈ গৈ 'গো-ব্ৰাহ্মণ অবধ্য' বুলি পাঠকক জনাই দিয়া হৈছে। এই প্ৰৱণতা চৰমলৈ উঠিছে 'অব্যৱহাৰ' শব্দৰ অৰ্থত। তাত অভিধান প্ৰণেতাজনে পাঠকক জনাই দিছে যে 'অজাতিয়ে ছোৱা ভাতৰ চৰু অব্যৱহাৰ্য' (পৃষ্ঠা ৪০)। অব্ৰাহ্মণসকল যে 'ইতৰ' সেইটো মুকলিকৈ জনাই দিয়া হৈছে। একেদৰে আহোমসকলে এতিয়া ভকতীয়া হৈও ৰক্ষা পোৱা নাই। পাঠকক সোঁৱৰাই দিয়া হৈছে — 'আহমবোৰ আগেয়ে অভকতীয়া আছিল (পৃষ্ঠা ৪১)। ৪১ পৃষ্ঠাৰ 'অভকতীয়া' আহোমৰ দৰেই 'অশৰণীয়া' কছাৰীক আমি লগ পাইছোঁ ৫৭ পৃষ্ঠাত। এই সকলোৰে মাজত আৰ্যসকল যে 'মান্যলোক, এতেকে

হিন্দুসকলৰ আদি পুৰুষ, গৰাকী ...noble.... respectable... venerable... a master (পৃষ্ঠা ১১৪) আৰু 'ইতৰ' মানে যে 'সামান্য, নীহ low, vile, mean, inferior, vulgar (পৃষ্ঠা ১১৩) আমাক বাৰে বাৰে সোঁৱৰোৱা হৈ থাকে।

এই জাতি বৰ্ণীয় চেতনাই কোনো কোনো ক্ষেত্ৰত শব্দটোৰ অৰ্থৰ লগত সম্পৰ্ক নথকা ধাৰণাও আৰোপ কৰিবলৈ হেমচন্দ্ৰ বৰুৱাক অনুপ্ৰাণিত কৰিছে। এই সংক্ৰান্তত 'উপগত' শব্দটোৰেই চাওক ঃ ইয়াৰ অৰ্থ দিয়া হৈছে, 'উপস্থিত, কোনো ঠাই পোৱা, উপনীত; তিৰোতাৰ সৈতে খোৱা-লোৱা কৰা' (পৃষ্ঠা ১৩১)। কিন্তু শব্দটোৰ প্ৰয়োগ দেখুৱাবৰ কাৰণে দিয়া বাক্যটো চাওক ঃ 'যেনে, অমুক অজাতিৰ তিৰোতাত উপগত হ'ল। 'কুলৱতী', 'কুলশীল', 'কুলীন', কেঞ্জাসকলৰ শ্ৰেষ্ঠত্ব আৰু 'পৰ্বতীয়া বা হাবিয়াল অসভ্য জাতি'ৰ কিৰাত, হজুৱা, সামান্য বনকৰা' কুলী, কেওটসকলৰ 'নীচতা' সম্পৰ্কে অজস্ৰ প্ৰসংগৰে পূৰ্ণ অভিধানখনত কেতবোৰ ক্ষেত্ৰত এই চেতনাই উদ্ভট ৰূপ লৈছে। 'কেউটীয়া' নামৰ সাপ এবিধৰ প্ৰসংগত কোৱা হৈছে, 'কৈৱৰ্ত অৰ্থাৎ ডোমে যেনেকৈ পানীত মাছ মাৰি ফুৰে, ইও সেইদৰে পানীত থাকি মাছ খাই জীয়ে, বোধহয় এই ভাৱৰ পৰা সেই নাম হৈছে' (পৃষ্ঠা ২২৮)। সেইদৰে আহোম ৰাজত্বৰ সময়ৰ কুকুৰাছোৱা নামৰ (সেই উপাধিৰ ব্যক্তি এতিয়াও আছে) বৃত্তিয়ালসকলক অভিধানখনত অতি নীচ জাতিৰ বুলি আখ্যা দিয়া হৈছে। 'কুকুৰ' আৰু 'কুকুৰধূলি' আদি গালি তেনে মানুহক প্ৰয়োগ কৰিব লাগিব তাৰো বিধান আছে ইয়াত।

হেমচন্দ্ৰ বৰুৱাৰ জাতি বৰ্ণীয় চেতনাই কোনো কোনো ক্ষেত্ৰত সমাজৰ দলিত নিপীড়িত মানুহৰ প্ৰতি ঘৃণা আৰু বিদ্বেষৰ ৰূপ লৈছে। তাৰ উৎকৎ নিদৰ্শন বোধহয় 'খতীয়া' শব্দটো । শব্দটোৰ সৰল অৰ্থ কামত খতি কৰা বা অনুপস্থিত কৰা। কিন্তু সেই অৰ্থ প্ৰদানতে ক্ষান্ত নহৈ বৰুৱাই চাহবাগিচাৰ হতভগীয়া ঝাড়খণ্ডী মজদুৰসকলৰ প্ৰতি নিজৰ বাবু-সুলভ কঠোৰতা অনাহুতভাৱে ব্যক্ত কৰিছে কেনেকৈ চাওক ঃ 'যেনে, হজুৱাই খতীয়া দিন ধন নাপায়, (মানুহতো খাটে), যেনে, খতীয়া কুলিক ধন নিদিবা।' (পৃষ্ঠা ২৪৮)। এয়া যেন কোনো চাহ-বাগিচাৰ বৰবাবুৱে মাইকী মহৰীক দিয়া পৰামৰ্শহে। বৰুৱাৰ শিৰে শিৰে প্ৰবাহিত নীলৰক্ত টগবগাই উঠিছে 'খা' শব্দৰ অৰ্থ ব্যাখ্যাত। 'খা' মানে 'খোৱা' — এনেহেন নিৰীহ শব্দৰ উদাহৰণ তেখেতে কি দিছে চাওক ঃ 'অমুকে ডুমুনীত খালে' (পৃষ্ঠা ২২৫)। কিন্তু 'খা' তকৈ 'খোৱা-লোৱা' আৰু বেছি সাংঘাতিক।

এই শব্দৰ ব্যাখ্যাত কোৱা হৈছে ঃ 'আহাৰ ব্যৱহাৰ, সংসৰ্গ, যেনে, তাৰ সৈতে কেওঁ খোৱা লোৱা নকৰে, ঘাইকৈ মতা-তিৰোতাৰ সংসৰ্গ, যেনে, হীনকুলীয়া তিৰোতাৰে খোৱা-লোৱা কৰিব নেপায়' (পৃষ্ঠা ২৭২)। প্ৰশ্ন হয়, এই উপদেশ তেওঁ কাক দিছে? উচ্চকুলীন পুৰুষসকলক নহয়নে? হেমচন্দ্ৰ বৰুৱাৰ অভিধান সেইসকলৰ বাবেইনে? তথাকথিত 'হীনকুলীয়া তিৰোতা'ই এই সংজ্ঞা হজম কৰিব পাৰিবনে?

চড়াল বা চণ্ডালক 'নীচ জাতি', 'ডোম'ক অন্ত্যজাতি, নদীয়ালক 'মাছমৰা ডোম, ৰবাহীক 'গাহৰি খোৱা জাত', ৰবীয়াক 'বাৰী বামুণীৰ জহৰা সন্তান', (পৃষ্ঠা ক্ৰমে ৩২৭-৩৪৭, ৪৪৬, ৫৪৩, ৬৮৩) আখ্যা দিয়াৰ উপৰিও মটক আৰু মৰাণসকলক অভিধানখনত 'এজাতি নিষ্ঠুৰ মানুহ' (পৃষ্ঠা ৭৮৩, ৭৯৪) বোলা হৈছে। ৮৩৭ পৃষ্ঠাত মোৱামৰা আৰু ৯১৮ পৃষ্ঠাত শূদ্ৰয়ো একে অভ্যৰ্থনাই পাইছে।

সমাজৰ এই তথাকথিত ইতৰ বা নীহ মানুহসকলক হেয় কৰাৰ উপৰিও তেওঁলোকৰ আচাৰ-অনুষ্ঠান আনকি খাদ্যাভ্যাস পৰ্যন্ত বৰুৱাৰ কোপদৃষ্টিত পৰিছে। 'তিতাকুল' তেওঁৰ দৃষ্টিত 'সামান্য মানুহে আঞ্জা খোৱা ফুল (পৃষ্ঠা ৪৬৭)। 'তিলনি' হৈ পৰিছে 'ইতৰ জাতিৰ মানুহে মৰাৰ তিনিদিনৰ দিনা মৃতকৰ উদ্দেশ্যে তিল জল আদি দিয়া কাম' (পৃষ্ঠা ৪৬৯)। ব্ৰাহ্মণসকলে পালন কৰা 'চতুৰ্থ' নামৰ সদৃশ অনুষ্ঠানটোৰ ক্ষেত্ৰত কিন্তু অভিধানখনৰ উল্লেখ সম্ভ্ৰমপূৰ্ণই (পৃষ্ঠা ৩৩৩)।

৭৫৩ পৃষ্ঠাত উপলুণ্ডাসূচকভাৱে কোৱা হৈছে, 'এতিয়া কছাৰীও ভকতীয়া হৈছে'। ৭১২ পৃষ্ঠাত বিজাত, বিজতৰীয়া, বিজতীয়া ইত্যাদি শব্দটো বিজাতীয় বিদ্বেষ আছেই। কিন্তু এই সকলো চৰমলৈ উঠিছে 'ব্যৱহাৰ্য' শব্দৰ ব্যাখ্যাত। এই শব্দৰ অৰ্থ বৰুৱাই এনেকৈ দিছে 'ব্যৱহাৰৰ যোগ্য, কামত নিয়োগৰ উপযুক্ত, খোৱা-লোৱাত সংগ পাবৰ যোগ্য' (পৃষ্ঠা ৭৪৯)। কিন্তু ইমানতো সন্তুষ্ট নহৈ তেখেতে সমূহ অভিধান অধ্যায়ীলৈ ফৰ্মান জাৰী কৰি কৈছে 'হীনকুলীয়া মানুহ ব্যৱহাৰ্য নহয়'। অভিধানত এয়া জানো মনুসংহিতাৰ অনুৰণন নহয়?

বিষয়টো গুৰুত্বপূৰ্ণ এইকাৰণেও যিহেতু হেমচন্দ্ৰ বৰুৱাই কিন্তু অভিধানখনত তেখেতৰ শ্ৰেণী তথা জাতি-বৰ্ণীয় চেতনাকে কেৱল আৰোপ কৰা নাই, তেখেতৰ ধৰ্মীয় চেতনাও ইয়াত কেতিয়াবা সূক্ষ্মভাৱে আৰু কেতিয়াবা স্থূলভাৱে বিৰিঙি উঠিছে। উদাহৰণ স্বৰূপে 'ঋণী' শব্দটোৰ ব্যাখ্যা চাওক। আপুনি মই হ'লে এই শব্দটোৰ সৰল

অৰ্থ দিম ‘ধৰুৱা’ বুলি। হেমচন্দ্ৰ বৰুৱায়ো ‘ধৰুৱা’ বুলি ঠিকেই কৈছে, কিন্তু তাৰ পাছত একে উশাহে তেখেতে ইয়াকো কৈছে, ‘পুত্ৰ জন্মা মাত্ৰেই ঋষি, দেৱতা আৰু পিতৃ এই তিনিৰ ধৰুৱা হয়। ব্ৰহ্মচাৰী হৈ বেদ পাঠৰ দ্বাৰা ঋষিৰ, যজ্ঞ কৰি দেৱতাৰ আৰু সন্তান উৎপাদনৰ দ্বাৰাই পিতৃসকলৰ ধাৰ শুজিব লাগে’ (পৃষ্ঠা ১৪৩)। প্ৰশ্ন হয় ধাৰ শুজাৰ এই দিহা এজন অসমীয়া মুছলমান, খৃষ্টান, বৌদ্ধ বা নাস্তিকৰ’ ক্ষেত্ৰত প্ৰযোজ্য হ'বনে? ১৮৩ পৃষ্ঠাত এনেদৰে শ্ৰাদ্ধ আদি বৈদিক কৰ্ম নকৰাসকলক কৰ্মচাণ্ডাল বুলি ব্যাখ্যা কৰা হৈছে। অহিন্দু আৰু নাস্তিকহে নালাগে নাম কীৰ্তনীয়াসকলৰো ৰক্ষা নাই।

হিন্দু ব্ৰাহ্মণ্যবাদী দৰ্শন প্ৰচাৰিত হৈছে ‘কৰ্মফল’ শব্দৰ ব্যাখ্যাৰ জৰিয়তে (পৃষ্ঠা ১৮৩)। তাত ‘মানুহে কৰ্মফল ভোগ কৰে’ বুলি খাটাংকৈ জনাই দিয়া হৈছে। অভিধানক পৰিণত কৰা হৈছে আধুনিক ব্ৰাহ্মণ্য শাস্ত্ৰত। ২৯২ পৃষ্ঠাত গায়ত্ৰী মন্ত্ৰৰ কথা উল্লেখ কৰাই নহয়, তাক যে শূদ্ৰই বা শূদ্ৰৰ আগত পাঠ কৰিব নাপায় তাকো ঘোষণা কৰা হৈছে ৩৩৯ পৃষ্ঠাত গোসাঁই, গুৰু বা বামুণৰ ভৰি ধোৱা পানী ‘চৰণামৃত’ আনসকলে সভক্তিৰে পান কৰিছে আৰু মূৰত লৈছে ৩৬৩ পৃষ্ঠাত চূড়াকৰণৰ দৰে ব্ৰাহ্মণ্যসংস্কাৰ কেনেকৈ পালন কৰা উচিত (মনকৰিবলগীয়া যে কেনেকৈ পালন কৰা হয়— সেয়া নহয়, কেনেকৈ কৰা উচিত, তাকহে ইয়াত নিৰ্বন্ধ দিয়া, হৈছে) কোৱা হৈছে।’ ‘ঠাকুৰালি’ শব্দই সম্ভ্ৰান্ত লোকৰ বৰলোকালি আৰু ভগৱানৰ মহিমা যে একেই তাকে কৈছে (পৃষ্ঠা ৪৩৪)। কেৱল সিমানেই নহয় ‘দুৰ্ঘোৰ’ শব্দৰ ব্যাখ্যা দিবলৈ গৈ আমাৰ দৰে পাপীবোৰক ‘দুৰ্ঘোৰ নৰকে পেলাই ভুঞ্জাইযে যাতনা’ বুলি ভয় খুওৱা হৈছে (পৃষ্ঠা ৫১০)। অন্যত্ৰ পাষণ্ড শব্দৰে অধৰ্মী, অনাচাৰীৰ লগত নাস্তিক আৰু অহিন্দু সমাৰ্থক আৰু একাকাৰ কৰি দিয়া হৈছে (পৃষ্ঠা ৬২১)। ‘ৰাতিখোৱা’ সম্প্ৰদায়ৰ ধৰ্মীয় বিশ্বাসত অখাদ্য ভোজন জড়িত আছে বুলি কোৱা হৈছে। কিন্তু বামুণ-গোসাঁইৰ বাবে যি অখাদ্য সিযে জনজাতীয় অৰ্ধজনজাতীয় আন কাৰোবাৰ বাবে প্ৰিয়তম খাদ্য হ'ব পাৰে। ব্ৰাহ্মণ্য আচাৰ-অনুষ্ঠান নমনাসকল এই অভিধানৰ দৃষ্টিত যে পাষণ্ড, অজামিল, ভ্ৰষ্টাচাৰী, নৰপিশাচ।

অভিধানখনত নাৰীৰ অৱস্থান ক'ত? বংগীয় প্ৰসাধনী নৱজাগৰণৰ সদৃশ চেতনাৰে উদ্দীপিত হৈ অসমীয়া ত্ৰিমূৰ্তিয়েও বিধৱা বিবাহৰ পোষকতা কৰাটো আনন্দৰ

কথা। কিন্তু এই মুহূৰ্তত আমাৰ বিচাৰ্য বিষয় হেমকোষ অভিধানহে। প্ৰাথমিক পৰীক্ষাত অভিধানখন নাৰীৰ প্ৰতি অৱমাননাকৰ দৃষ্টিভংগীৰ পৰা সম্পূৰ্ণ মুক্ত নহয় বুলিয়েই ক'ব পাৰি। বৰং ইয়াতো আপাত উদাৰতা চেৰাই পুৰুষ প্ৰাধান্যহে ফুটি উঠিছে যত্ৰ তত্ৰ। ইয়াত 'তিৰীমতী' মানে 'দুৰ্বল' বুদ্ধিযুক্তা, ভালকৈ বুজিব নোৱাৰা, ভয়াতুৰা (তিৰোতাত খাটে)' (পৃষ্ঠা ৪৬৯)। কিন্তু 'নৰক' শব্দৰ ব্যাখ্যাত হেমচন্দ্ৰ বৰুৱাৰ পৌৰুষ-শুচিতাই অবৈজ্ঞানিক মানসিকতাৰে মিলি কেনেকৈ তাক নাৰকীয় পৰিৱেশ সৃষ্টি কৰিছে চাওক ঃ ইয়াত কোৱা হৈছে ঃ নৰক -'পাপীৰ দণ্ডৰ ঠাই অশুচি বস্তুৰে পূৰ, এতেকে তিৰোতাৰ মাহেকীয়া স্ৰাৱ, যেনে অমূলক তাইৰ নৰকত পৰি থাকিব।' (পৃষ্ঠা ৫৪৪)। 'পোহাৰী' আৰু 'পোহাৰী চুপতি' শব্দ দুটাতো সমাজৰ দৰিদ্ৰ দলিত পৰিয়ালৰ নাৰীসকলৰ প্ৰতি কোনো সন্মান ফুটি উঠা নাই। (পৃষ্ঠা ৬৪১)।

উল্লেখযোগ্য যে হেমচন্দ্ৰ বৰুৱাৰ দৃষ্টিভংগীৰ এই সীমাবদ্ধতাৰ সম্পৰ্কে অসমৰ বিদ্বৎসমাজত ইতিমধ্যেই সমালোচনাত্মক চৰ্চা আৰম্ভ হৈছে। ড° শিৱনাথ বৰ্মন সম্পাদিত (সহযোগী প্ৰসেনজিৎ চৌধুৰী আৰু অৰুণ শৰ্মা) 'আধুনিকতাৰ অগ্ৰদূত পণ্ডিত হেমচন্দ্ৰ বৰুৱা' (গুৱাহাটী ১৯৯৬) সংকলনটিত প্ৰকাশিত 'ঔপনিৱেশিক আমোলত অসমীয়া বুদ্ধিজীৱী ঃ হেমচন্দ্ৰ বৰুৱা' শীৰ্ষক প্ৰবন্ধটিত ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামীয়ে দেখুৱাইছে যে 'ইংৰাজ শাসকৰ দৰে হেমচন্দ্ৰ বৰুৱাও ৰক্তকৌলীন্যৰ প্ৰবক্তা আছিল।' তেখেতে সাংকেতিকভাৱে হেমচন্দ্ৰৰ মানসিক বিৱৰ্তন এনেকৈ সূচিত কৰিছে ঃ 'আৰ্য (হিন্দু) ব্ৰাহ্মণ- উজনিৰ অসমীয়া।' দেৱগোস্বামীয়ে 'নাস্তিকতাৰ পৰিৱৰ্তে হেমচন্দ্ৰ বৰুৱাৰ প্ৰায়বোৰ ৰচনাতে এক অৱদমিত ভগৱৎ ভক্তিহে প্ৰত্যক্ষ কৰিছে। তেখেতে হেমকোষক প্ৰতিষ্ঠা (institutionalise) কৰিবৰ বাবে কুলীন অসমীয়া মধ্যবিত্তৰ অৱচেতন আকাংক্ষাও চিহ্নিত কৰিছে।

একেটা সংকলনতে প্ৰকাশিত 'হেমচন্দ্ৰ বৰুৱা আৰু গোষ্ঠী চেতনা' শীৰ্ষক প্ৰবন্ধ এটিত ইন্দিৰৰ দেউৰীয়ে হেমকোষ প্ৰণেতাজনৰ গোষ্ঠীগত চেতনাক তথ্য সহকাৰে সাব্যস্ত কৰিছে অসমীয়া সমাজ জীৱনৰ অন্তৰ্ভুক্ত বিভিন্ন সম্প্ৰদায়ৰ প্ৰতি হেমচন্দ্ৰ বৰুৱাই প্ৰদৰ্শন কৰা অৱজ্ঞাৰ কথা উল্লেখ কৰি 'অসমৰ দৰে বহু জনগোষ্ঠীক প্ৰদেশত এনে সীমাবদ্ধতাই এই জটিল সংবেদনশীল সামাজিক প্ৰশ্নত ভুল বুজাবুজিৰ সৃষ্টি কৰিব পাৰে' বুলি আশংকা প্ৰকাশ কৰিছিল।

আমি যেতিয়া ইতিহাসৰ চৰ্চা কৰো, তেতিয়া নিন্দাবাদ অথবা সাধুবাদ তাৰ উদ্দেশ্য নহয়, হয় যিয়েই সমালোচনামূলক বস্তুগত বিশ্লেষণ আৰু ভৱিষ্যতৰ বাবে তাৰ শিক্ষা আহৰণ। সাম্প্ৰতিক হেমকোষ চৰ্চাৰো প্ৰেৰণা সেয়ে।

দৃষ্টিভংগীৰ এই সংঘাত ব্ৰনচন — হেমচন্দ্ৰৰ দুই পথ আৰু দুই পদ্ধতিৰ মাজতো নিহিত আছিল আৰু সেই সংঘাতৰ ধাৰাবাহিকতা এক বিতৰ্কৰ ৰূপত আজিও বিৰাজমান। সাতসাগৰ তেৰনদীৰ সিপাৰৰ পৰা অহা ব্ৰনচন চাহাবে অসমীয়া আগৰে পৰা নাজানিছিল। সেয়েহে ৰাইজৰ মুখৰ মাত অৰ্থাৎ উচ্চাৰণ অনুসৰিয়েই তেখেতে বানান কৰিছিল আৰু সেই বানান অভিধানত অন্তৰ্ভুক্ত কৰিছিল। কিন্তু পৰৱৰ্তী কালত হেমচন্দ্ৰ বৰুৱাই ব্ৰনচনৰ দ্বাৰা সংগৃহীত ১৪,০০০ শব্দৰ যথাসম্ভৱ সংস্কৃতকৰণ কৰাৰ উপৰি আন ৮,০০০ শব্দ যোগ দিয়ে, যিবিলাকৰ বেছিভাগেই সংস্কৃত তৎসম আৰু তদ্ভৱ শব্দ বুলি জনা যায়। এই প্ৰক্ৰিয়াই এহাতেদি শব্দভাণ্ডাৰৰ মান্যীকৰণ (Standardisation) কৰিলে কিন্তু আনহাতে কথিত ভাষাৰ লগত লিখিত ভাষাৰ এক ব্যৱধানো সৃষ্টি কৰিলে। এই ব্যৱধানেই কালক্ৰমত অনতিক্ৰম্য ৰূপ লৈ খাটিখোৱা মানুহৰ ভাষাৰ লগত পণ্ডিতসকলৰ ভাষাৰ যদি স্থায়ী বিচ্ছেদ ঘটায়, সেয়া উদ্বেগৰ কাৰণ নহৈ নোৱাৰে। সেয়ে যদি হয়, তেতিয়া ভাষা হৈ পৰিব জনজীৱন-বিচ্ছিন্ন সাহিত্যিকৰ লীলাখেলাৰ বস্তু।

সংস্কৃতপন্থী, কেন্দ্ৰাভিমুখী অভিধান নিৰ্মাণ পদ্ধতিৰ বিপদ আৰু আছে। এই কথা সঁচা যে কোনো কোনো ক্ষেত্ৰত ৰাইজৰ মুখৰ মাত মান্যীকৰণৰ স্বাৰ্থতে সংস্কৃতকৰণ কৰা হৈছে। কিন্তু ব্যাপক, সৰ্বাত্মক আৰু যান্ত্ৰিক সংস্কৃতকৰণ কোনো কাৰণতে সমৰ্থনযোগ্য নহয়।

একেদৰে সংস্কৃতকৰণৰ নামত 'বৰাহী' জনজাতিক 'বৰাহ অৰ্থাৎ গাহৰি খোৱা, কাৰ্বি জনজাতিক ক্ৰব্য অৰ্থাৎ কেঁচা মাংস খোৱা বুলি অভিহিত কৰাৰ বৰ্ণবাদী, সংস্কৃতীয়া মানসিকতাও আমি পৰিহাৰ কৰিব লাগিব। তাৰ বিপৰীতে অসমৰ ভূমিসন্তান জনজাতীয় তথা অৰ্ধজনজাতীয় সম্প্ৰদায়সমূহৰ শ্ৰমজীৱী মানুহৰ শব্দভাণ্ডাৰ আমি সংগ্ৰহ কৰিব লাগিব সশ্ৰদ্ধে, সাগ্ৰহে, আলফুলে। ভাষিক বা উপভাষিক উগ্ৰতা আৰু সংকীৰ্ণতাৰ একনায়কত্ববাদৰ বিপৰীতে, উগ্ৰজাতীয় ফেচিবাদৰ বিপৰীতে ই হ'ব জাতিটোৰে উদাৰীকৰণ আৰু গণতান্ত্ৰিককৰণৰ এক বিশাল সমাজ-ৰাজনৈতিক প্ৰক্ৰিয়া।

কোৱা বাহুল্য যে তেনে এক উদাৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ পূৰ্বচৰ্ত হ'ব অসমীয়া

জাতিৰ অংশীদাৰ বিভিন্ন জনগোষ্ঠী সম্পৰ্কে হেমকোষে দিয়া অৱমাননাকৰ অভীধাসমূহ কঠোৰভাৱে পৰিহাৰ কৰা।

কিন্তু আজি প্ৰশ্ন হৈছে তেনে সংশোধিত, সৰ্বশুদ্ধ হেমকোষখননো যুগুতাব কোনে? পাৰিবাৰিক উত্তৰাধিকাৰী সূত্ৰে যিসকলে দায়িত্ব কান্ধ পাতি লৈছিল, তেওঁলোকে যে এই ক্ষেত্ৰত চৰম ব্যৰ্থতাৰ পৰিচয় দিছে হেমকোষক কেন্দ্ৰ কৰি শেহতীয়া বিতৰ্কত সেয়া প্ৰমাণিত হৈছে।

আনহাতে অসম সাহিত্য সভাৰ যোৱা ৯৪ বছৰীয়া ইতিহাসে প্ৰমাণ কৰিছে যে তেনে এক গুৰুভাৰ কান্ধ পাতি ল'বলৈ অসমৰ জাতীয়তাবাদী শিবিৰ অসমৰ্থ। কাৰণ হেমচন্দ্ৰ বৰুৱাৰ উত্তৰসূৰী হিচাপে হেমচন্দ্ৰ বৰুৱাৰ শ্ৰেণী চেতনা তথা জাতি বৰ্ণগত... চেতনাকো তেওঁলোকে লালন-পালন কৰি গৈছে আৰু ফলে ফুলে জাতিষ্কাৰ কৰি তুলিছে। হেমচন্দ্ৰ বৰুৱাৰ নিষ্ঠা একাগ্ৰতা আৰু অনলস-পৰিশ্ৰমৰ উত্তৰাধিকাৰী তেওঁলোক অৱশ্যে হ'ব পৰা নাই।

সেয়েহে ঐতিহাসিক দায়িত্ব স্বয়ংক্ৰিয়ভাৱে আহি পৰে সেইসকলৰ ওপৰত যিসকল প্ৰকৃতাৰ্থত শ্ৰেণী-জাতি-বৰ্ণ-ধৰ্ম -সম্প্ৰদায়গত সংকীৰ্ণতাৰ ঊৰ্দ্ধত, যিসকল বৈজ্ঞানিক, গণতান্ত্ৰিক আৰু মানবীয় চেতনাৰে উদ্দীপিত, যিসকল অধ্যয়নশীল, পৰিশ্ৰমী আৰু সমালোচনাত্মক। এই হাৰ্কিউলিয়ান কামটো সম্পন্ন কৰাটো কেৱল তথ্যৰ সমাৱেশ আৰু সংকলনৰ কাম নহয়, ই তাত্ত্বিকীকৰণ আৰু সূত্ৰায়নৰো কাম, যাৰ বাবে বৈজ্ঞানিক দৃষ্টিভংগী অপৰিহাৰ্য। সেয়েহে প্ৰকৃত গণতন্ত্ৰীসকল বাহিৰে আন কোনোবাই এই ক্ষেত্ৰত নেতৃত্ব দিব পৰাৰ সম্ভাৱনা তাকৰ। অথচ এই উদ্যোগে অসমীয়া জাতিগঠন প্ৰক্ৰিয়াৰ গণতান্ত্ৰিকীকৰণৰে অজস্ৰ নতুন সম্ভাৱনা উন্মোচিত কৰিব পাৰে। আমাৰ এই ক্ষুদ্ৰ আলোচনা সেই সম্ভাৱনাৰ কামনাৰেই উৎসৰ্গিত।

দ্বিতীয় পৰ্বলৈকে আন অভিধানবোৰৰ এক চমু তালিকা ঃ

ড° মুকুল চক্ৰৱৰ্তী ঃ লুপ্তপ্ৰায় কামৰূপী শব্দ ঃ উৎস আৰু প্ৰয়োগ, নলবাৰী, ২০০২

শৰৎ চন্দ্ৰ শৰ্মা ঃ কামৰূপী শব্দকোষ আৰু অভিধান, গুৱাহাটী, ১৯৮৯

কমলা দেৱী ঃ বজালীৰ শব্দকোষ, ধুবুৰী, ২০০৭।

ধীৰেন্দ্ৰ তালুকদাৰ ঃ বজালীৰ শব্দকোষ, পাঠশালা, ২০১০

ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা ঃ কামৰূপী নলবৰীয়া শব্দকোষ, (অপ্ৰকাশিত)

কাছেমা খাতুন ঃ গোৱালপৰীয়া শব্দকোষ, গুৱাহাটী, ১৯৯৮
অলি বৰ্মন, সুভাষ বৰ্মণ ঃ কোচ ৰাজবংশী ভাষাৰ শব্দকোষ, কোকৰাঝাৰ, ২০০১
প্ৰভাত চন্দ্ৰ শৰ্মা শাস্ত্ৰী ঃ দৰঙী শব্দকোষ, মঙলদৈ, ১৯৮৯
মুকুল কুমাৰ চহৰীয়া ঃ দৰঙী শব্দকোষ, মঙলদৈ, ২০০৫
ভবেন নাৰ্জী ঃ বৰো অসমীয়া অভিধান, গুৱাহাটী, ২০০৫
ভবেন নাৰ্জী ঃ বৰো অসমীয়া অভিধান, গুৱাহাটী, ২০০৫
দ° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য ঃ বৰো অসমীয়া অভিধান, গুৱাহাটী, ২০০৮
দ° উপেন ৰাভা হাকাচাম ঃ ৰাভামিজ ভাষা আৰু নিদৰ্শন
মাণিক টেৰণ, ৰাজেন্দ্ৰ টুমুং ঃ কাৰবি লামাৰজং, ডিফু, ২০০৭
টাবুৰাম টাইদ ঃ মিচিং শব্দকোষ, গুৱাহাটী ২০১০
ভি লেন খলাৰ ঃ তিৱা মাত ৰাভি, গুৱাহাটী ১৯৯৫
ৰাধাকান্ত দেউৰী ঃ জিমছাঁয়া, যোৰহাট, ২০০৫
দ° পুষ্প গগৈ ঃ তাই অসমীয়া ইংৰাজী অভিধান, অৰুণাচল, ২০০৭
দ° বিজু মৰাণ ঃ টাই ফাকে অসমীয়া শব্দকোষ, ডিব্ৰুগড়, ২০০৯
অসম বিজ্ঞান সমিতি ঃ বিজ্ঞান অভিধান, গুৱাহাটী, ২০১০
অসম সাহিত্য সভা ঃ চন্দ্ৰ কান্ত অভিধান, যোৰহাট, ১৯৩৩
ভ্ৰমণৰ চন্দ্ৰ শইকীয়া ঃ শব্দমালা, ১৯৬৪
পোনাৰাম মহন ফুকন ঃ তাই অসমীয়া শব্দকোষ, মৰাণ, ১৯৯৪
সুমন্ত চলিহা ঃ আধুনিক অসমীয়া শব্দকোষ, ডিব্ৰুগড়, ১৯৯১
শশীধৰ নাথ ঃ প্ৰাচীন অসমীয়া শব্দকোষ, গুৱাহাটী, ১৯৯২
কুলনাথ ভূঞা ঃ ব্ৰজাবলী অভিধান, মাজুলী, ২০০০
দ° মহেশ্বৰ নেওগ ঃ চলন্ত অভিধান, গুৱাহাটী, ২০০১
উৰ্মিলা বৰুৱা, সৰোজ বৰুৱা, শৈল বৰুৱা ঃ স্বয়নিকা, ডিব্ৰুগড়, ২০০৩
দ° মহেশ্বৰ নেওগ, ৰজনীকান্ত দেৱশৰ্মা, নৱকান্ত বৰুৱা ঃ আধুনিক অসমীয়া অভিধান, গুৱাহাটী, ২০০৪

দ° প্ৰণৱজ্যোতি ডেকা ঃ জ্যোতি দ্বিভাষিক অভিধান, গুৱাহাটী, ২০০৩
দ°ভাৰত বৰা ঃ বৈষ্ণৱ শব্দকোষ, যোৰহাট, ২০০৭
দ° প্ৰফুল্ল কটকী ঃ সমাৰ্থ শব্দকোষ, গুৱাহাটী, ২০০৪
দ° দেৱব্ৰত শৰ্মা (সম্পা) ঃ অসমীয়া জাতীয় অভিধান, যোৰহাট, ২০১০
দ°দীনেশ গোস্বামী (সম্পা) ঃ শৰাইঘাট অভিধান, গুৱাহাটী, ২০১১।

সামৰণি

এই আলোচনাৰ পৰা আমি নিশ্চয় এই ধাৰণাত উপনীত হ'ব পাৰোঁ যে অসমীয়া অভিধানৰ ইতিহাস কোনো কোনোৱে ভবাৰ দৰে ১১২ বছৰীয়া নহয়, ২১৭ বছৰীয়া। আহোমসকল ১২২৮ খৃস্তাব্দত অসমলৈ অহাৰ অন্ততঃ ২০০ বছৰ আগৰ পৰাও যদি এটা উমৈহতীয়া অসমীয়া ভাষা গঢ় লৈ উঠিছিল বুলি ধৰো, তেনেহ'লে এই ভাষাৰ ইতিহাস কমেও এহেজাৰবছৰীয়া। অসমীয়া অভিধানৰ অন্ততঃ দুই শতিকা পুৰণি ইতিহাসৰ চৰ্চাই অসমীয়া ভাষাটোৰ সেই হেজাৰবছৰীয়া ইতিহাসৰ চৰ্চাৰে বাট মুকলি কৰিব, এয়ে আমাৰ একান্ত আশা।

আৰু সেই আশা পূৰ হ'লেই অসমীয়া ভাষা মোৰ সুৰদীসুৰীয়া-জগতসভালৈ যাব উজ্জ্বল সুউজ্জ্বল কহিনুৰ পিন্ধি হাঁহি জ্যোতিৰূপা হ'ব।'

গ্ৰন্থ ঋণ ঃ

১। B. Barua & N. N Deodhai Phukan (ed). Ahom Lexicons, DHAS Guwahati, First ed, 1964, second ed. 1991.
২। Golap Ch,. Barua, *Tai Language and Ahom Assamese English Dictionary.* First ed. Calcutta, 1920, second print Delhi, 1995?
৩। সৰ্বানন্দ ৰাজকুমাৰ ঃ ইতিহাসে সোঁৱৰা ছশটা বছৰ, যোৰহাট, ২০০০।
৪। ভৱকান্ত দত্ত (অনু) ঃ কেপ্টেইন ৱেলচৰ অসম সম্পৰ্কীয় টোকা, গুৱাহাটী।
৫। দ°দেৱব্ৰত শৰ্মা, দ° বেণু গগৈ (সম্পা)ঃ জাতীয় অভিধান প্ৰসংগ, যোৰহাট, ২০০০
৬। ভৈৰব সন্দিকৈ (সম্পা) ঃ পূৰ্ণানন্দ বুঢ়াগোহাঁই, যোৰহাট, ১৯৭৬
৭। জীৱেশ্বৰ মহন ঃ টেঙাই মহন পণ্ডিত সম্পৰ্কীয় টোকা

৮। অতুল মহন-নগেন মহন (সম্পা) ঃ জাছিংফা, ১৯৯৮
৯। মেদিনী মাধৱ মহন (সম্পাঃ) খাম ছেঙ, ২০০৮
১০। Political History of Assam, Vol. 1 Guwahati 1987
১১। দ° দেৱব্ৰত শৰ্মা ঃ প্ৰণয়নৰ দুশ বছৰ পাছত প্ৰথম প্ৰকাশৰ প্ৰাকমুহূৰ্তত ৰুচিনাথ কামৰূপী (?) ৰ ১৮১০ চনৰ শব্দকোষখন, প্ৰান্তিক ১-১৫ আগস্ত ২০০৮
১২। দ° সূৰ্য্যকুমাৰ ভূঞা ঃ স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ, গুৱাহাটী ১৯৭৫
১৩। Francis Hamilton : An account of Assam, Gauhati, 1963
১৪। Dr. S.K. Bhuyan : Anglo-Assamese Relations (1771-1826) Guwahati 1974
১৫। ৰুচিনাথ কামৰূপী (?) : Vocabularies of the Ashami Kamarupa Languages, 1810
১৬। দ° মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, গুৱাহাটী ২০০০
১৭। আজিজুল হক ঃ মাইলচ ব্ৰনচনৰ অভিধানৰ প্ৰাসংগিকতা, নিয়মীয়া বাৰ্তা, ১৮-৮-১১।

লেখক পৰিচিতি ঃ

ড° দীনেশ চন্দ্ৰ গোস্বামী

গুৱাহাটীৰ বি বৰুৱা কলেজৰ শিক্ষকতাৰে ১৯৭০ চনত কৰ্মজীৱন আৰম্ভ কৰা ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে ১৯৭২ চনত নতুন দিল্লীত ছি. এছ. আই. আৰৰ চাকৰিত যোগ দিয়ে।

ড° গোস্বামীৰ আঢ়ৈ কুৰিখনতকৈও অধিক মূল পুথি আৰু ১৭ খন অনূদিত পুথি প্ৰকাশ পাইছে। অনাতাঁৰযোগে তেওঁৰ পাঁচশতকৈও অধিক বিজ্ঞানৰ প্ৰবন্ধ, বিজ্ঞান কাহিনী আৰু বিজ্ঞানভিত্তিক নাটক প্ৰচাৰিত হৈছে। তদুপৰি, কাকতে-পত্ৰই তেওঁৰ ছশমান বিজ্ঞান-কল্পবিজ্ঞানৰ লেখা প্ৰকাশ পাইছে।

ড° গোস্বামীয়ে দহ বছৰ ধৰি 'দৃষ্টি' নামৰ বিজ্ঞানৰ একক বিষয়ৰ দুমহীয়া বিজ্ঞান আলোচনী এখন প্ৰকাশ কৰিছিল। অসম বিজ্ঞান সমিতিয়ে প্ৰকাশ কৰা (১৯৯২) ব্যাখ্যামূলক বিজ্ঞান অভিধানৰো তেওঁ মুখ্য সম্পাদক আছিল। তেওঁৰ ব্যৱস্থাপনা আৰু সম্পাদনাত 'কালজয়ী সাহিত্য' নামৰ অনূদিত সাহিত্যৰ চাৰে চাৰি কুৰিখন পুথিৰ এক ছিৰিজ প্ৰকাশিত হৈছে। অসম সাহিত্য সভাই প্ৰকাশ কৰা 'বিশ্বকোষ'ৰ বিজ্ঞানৰ তিনিটা খণ্ডৰ তেওঁ মুখ্য সম্পাদক আছিল।

ড° গোস্বামীয়ে এতিয়ালৈকে আঢ়ৈকুৰিৰো অধিক বিজ্ঞান অনুধাৱন কাৰ্যক্ৰম আৰু কুৰিখনৰো অধিক বিজ্ঞান লেখক-অনুবাদকৰ কৰ্মশালা আৰু অন্যান্য কৰ্মশালা পৰিচালনা কৰিছে। সমাজৰ বিভিন্ন স্তৰৰ লোকৰ বাবে তেওঁ ৩০০ ৰো অধিক জনপ্ৰিয় বিজ্ঞানৰ বক্তৃতা দিছে। তেওঁ অসম বিজ্ঞান লেখক সংস্থাৰ প্ৰতিষ্ঠাপক সভাপতিও আছিল।

ড° গোস্বামী অসম বিজ্ঞান সমিতিৰ সভাপতিও আছিল (২০০৫-০৭)।

জনপ্ৰিয় বিজ্ঞান বিষয়ত লেখা পুথিৰ বাবে তেওঁ এবাৰ শিশু-সাহিত্যৰ পুৰস্কাৰ আৰু তিনিবাৰকৈ অসম সাহিত্য সভাৰ পুৰস্কাৰ লাভ কৰিছে।

গণ-মাধ্যমসমূহৰ যোগেদি বিজ্ঞানৰ সৰ্বোৎকৃষ্ট প্ৰচাৰৰ বাবে ড° গোস্বামীক ১৯৯৭ চনত ভাৰত চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিজ্ঞান বিভাগে ৰাষ্ট্ৰীয় পুৰস্কাৰেৰে পুৰস্কৃত কৰিছে।

২০০৭ চনৰ গণৰাজ্য দিৱসৰ দিনা দেশৰ আঢ়ৈ কুৰিগৰাকী নিৰ্বাচিত শিশু সাহিত্যিকৰ লগত ড° গোস্বামীও ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতিৰ দ্বাৰা সম্বৰ্ধিত হয়।

ড° গোস্বামীয়ে যোৰহাটৰ আঞ্চলিক গৱেষণাগাৰৰ জ্যেষ্ঠ বিজ্ঞানী আৰু উপদেষ্টা পদৰ পৰা অৱসৰ লাভ কৰিছে। তেওঁ বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্ট আৰু কাৰ্যবাহী পৰিষদৰ সদস্য।

গিৰিধৰ শৰ্মা স্মাৰক বক্তৃতা

বৈজ্ঞানিক মানসিকতা ঃ কি, কিয় আৰু কেনেকৈ ?

ড° দীনেশ চন্দ্ৰ গোস্বামী

কথা এটা ভালদৰে, যিমান বিশদভাৱে জানিব পাৰি জনাৰ ইচ্ছা, কথা এটা বিশ্লেষণ কৰি বা চালি-জাৰি চোৱাৰ ইচ্ছা,আৰু চালি-জাৰি চোৱাৰ পাছত নিজাকৈ এটা ধাৰণা ল'বলৈ ইচ্ছা— এই কথাখিনিতে বৈজ্ঞানিক মানসিকতাৰ কথা থূলমূলকৈ জড়িত হৈ থাকে। বৈজ্ঞানিক মানসিকতা সৃষ্টি হ'বলৈ কোনো এজন লোকে বিজ্ঞানৰ উচ্চ ডিগ্ৰিধাৰী নহ'লেও হয়।নাইবা বিজ্ঞানৰ উচ্চ ডিগ্ৰিধাৰী হ'লেও কোনো লোকৰ বৈজ্ঞানিক মানসিকতা গঢ়ি নুঠিব পাৰে। আনহাতে একেবাৰে সাধাৰণ হোজা-চহা লোক এজনৰো বৈজ্ঞানিক মানসিকতা থাকিব পাৰে। ইয়াৰ বাবে আমি প্ৰথমতে কৈ অহাৰ দৰে কতা এটা জানিবলৈ ইচ্ছা, চালি-জাৰি চোৱাৰ ইচ্ছা আৰু সিদ্ধান্ত গ্ৰহণৰ ইচ্ছা থাকিব লাগিব আৰু কোনো গুৰুৱে কৈ গৈছে বা কোনো মহান ব্যক্তিয়ে কৈ গৈছে, গতিকে আমাৰ আৰু সেই বিষয়ে ভাবি-চিন্তি চোৱাৰ কোনো দৰকাৰ নাই— এনে ধৰণৰ মনোবৃত্তি থাকিব নালাগিব।

মানুহে সদায় নজনা কথা জানি ল'ব খোজে, নুবুজা কথা বুজি ল'ব খোজে। একেবাৰে আদিম মানুহৰ পৰা এতিয়াৰ আধুনিক মানুহলৈ প্ৰত্যেকৰে অনুসন্ধিৎসা আছে।

মানুহৰ আছে কথাবোৰ ভাঙি-পাতি চাব পৰা, ফঁহিয়াই চাব পৰা, ফঁহিয়াই চাই জানি-বুজি ল'ব পৰা বুদ্ধি। বুদ্ধি আৰু অনুসন্ধিৎসাৰ বাবেই মানুহ উন্নতিৰ পথেৰে আগুৱাই গৈ আছে। তাৰ ফলতে মানুহে প্ৰকৃতিৰ নানা সত্য উদঘাটন কৰিছে আৰু প্ৰকৃতিৰ নানা সম্পদ নিজৰ জীৱনৰ মান উন্নত কৰিবলৈ ব্যৱহাৰ কৰিছে। লগে লগে প্ৰকৃতিৰ ৰহস্য ভেদ কৰাৰ এক অপৰিসীম আনন্দয়ো মানুহক অধিক কৌতূহলী কৰি তুলিছে।

বস্তু আৰু ঘটনা লক্ষ্য কৰিব পৰা গুণ, তাক জানিব বুজিবলৈ আগ্ৰহ কৰা গুণ আৰু বুজি লৈ সেই বস্তু বা পৰিঘটনা নিজৰ আয়ত্তলৈ অনা আগ্ৰহৰ ফলতে মানুহে ন ন বস্তু আৰু ন ন ঘটনা আৱিষ্কাৰ কৰি গৈ থাকিল।

এই প্ৰক্ৰিয়াতো বিজ্ঞানৰ প্ৰক্ৰিয়াৰো আৰম্ভণি হ'ল। সেয়ে হয়তো মানুহে এদিন পানীৰ গতি মনোযোগেৰে চালে। পানীনো বৈ ক'ৰ পৰা ক'লৈ বৈ যায়?

এই যে বৰষুণৰ পানীবোৰ হুৰহুৰাই নামি আহে সেইবোৰ বাৰু যায় ক'লৈ? নদীৰে বৈ গৈ সাগৰত পৰাৰ পাছত কি হয়? এইবোৰ কথা জানিবলৈ আগ্ৰহ থকাৰ ফলতে, লাহে লাহে সেইবোৰৰ উত্তৰ বিচাৰি গৈ থকাৰ ফলতে মানুহে জলচক্ৰৰ আৱিষ্কাৰ কৰিলে আৰু তাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ সহায়ো নিজৰ জীৱনত ল'ব পৰা হ'ল।

মানুহে এদিন শিলত শিল মাৰি জুইৰ আৱিষ্কাৰ কৰিলে। কিন্তু সেই জুইৰ বিষয়ে নানা প্ৰশ্ন সুধি জুইৰ বিষয়ে সমস্ত কথা জানি লৈ জুই কেনেকৈ জ্বলে, জুই কেনেকৈ নুনুমোৱাকৈ ৰাখিব পাৰি, জুই কেনেকৈ ডাঙৰ কৰিব পাৰি, অ'লৈ ত'লৈ জুই কেনেকৈ অনা-নিয়া কৰিব পাৰি, জুই কিহৰ সহায়ত জ্বলে, জুই কিহেৰে নুমুৱাব পাৰি — এই সকলো কথা জানি লৈ মানুহে জুইক নিজৰ আয়ত্বলৈ আনিলে আৰু সেই জুইকে ব্যৱহাৰ কৰি এদিন নিজৰ পাকঘৰ, গোহালি ঘৰৰ পৰা গৈ তাক অ'ত ত'ত আৰু কল-কাৰখানাতো ব্যৱহাৰ কৰিবলৈ সক্ষম হ'ল। ইয়াত এটা দীঘলীয়া বৈজ্ঞানিক প্ৰক্ৰিয়া জড়িত হৈ পৰিল।

সুদক্ষ কাৰিকৰ, বৈজ্ঞানিক মন নাই!

কিন্তু পানী আৰু জুই ব্যৱহাৰ কৰিবলৈ শিকিলে বুলিয়েই, প্ৰকৃতিৰ নানা দ্ৰব্য আহৰণ কৰি লৈ সেইবোৰ নিজৰ কামত খটুৱাব পাৰিলে বুলিয়েই মানুহ মানসিকভাৱেও অনুসন্ধিৎসু, বিশ্লেষণধৰ্মী আৰু শুদ্ধ সিদ্ধান্ত গ্ৰহণৰ বাবে সক্ষম হৈ উঠিল বুলি ভাবিলে ভুল হ'ব। ব্যক্তিগতভাৱে কোনোবাই হয়তো উদ্যোগত জুই ব্যৱহাৰ কৰিব পাৰে, নাইবা একেবাৰে উচ্চ স্তৰৰ ইলেকট্ৰনিক দ্ৰব্য ব্যৱহাৰ কৰিব পাৰে। বিজ্ঞানাগাৰত হয়তো অতি শক্তিসম্পন্ন যন্ত্ৰপাতি চলাব পাৰে— আৰু তেনে এজন লোকেই বৈজ্ঞানিক মানসিকতা একেবাৰে নাথাকিব পাৰে। কাৰণ তেওঁ হয়তো ঘৰুৱা জীৱনত কোনোবা গুৰুৱে কিবা এটা কৈছে বুলি, কোনোবা হস্তৰেখাবিদ বা জ্যোতিষীয়ে তেওঁৰ ভৱিষ্যতৰ কিবা এটা বাণী কৰি দিছে বুলি তাৰ ওপৰতে নিৰ্ভৰশীল হৈ থাকিব পাৰে। আনকি

গৱেষণাগাৰৰ অতি উচ্চস্তৰৰ যন্ত্ৰ এটা চলাওঁতেও তেওঁ দিন-বাৰ চাইহে তাক চলাব পাৰে, তিথি আৰু নক্ষত্ৰ মানিহে তাক আৰম্ভ কৰিব পাৰে, বাৰবেলা বুলি বৃহস্পতিবাৰে আবেলি হয়তো তেনে যন্ত্ৰ নচলোৱাকৈয়ে ৰাখিব পাৰে। বিশ্বকৰ্মা পূজাৰ দিনা তেনে যন্ত্ৰত সেন্দূৰ ফোঁট দি তেওঁ হয়তো তাক বন্ধ কৰি থৈ দিব পাৰে।

নাইবা, তেনে এজন লোকেই গণেশে গাখীৰ খাইছে বুলি বাতৰি বা উৰা-বাতৰি ওলোৱাৰ পাছতেই গণেশ মন্দিৰলৈ গৈ গাখীৰ খুৱাই আহিব পাৰে আৰু ভক্তিত গদ্‌গদ্ হৈ থাকিব পাৰে। গণেশৰ শুঁৰেৰে পৃষ্ঠটানৰ ফলত যে গাখীৰ লাহে লাহে গণেশৰ গাৰেই বিয়পি গ'ল, গৈ যে পিছফালে নলা-নৰ্দমাত গোট খালেগৈ সেইবোৰ কথা তেওঁ হয়তো দেখিও নেদেখা হৈ পৰিব পাৰে।

নাইবা, তেওঁ হয়তো সাধু-সন্ন্যাসীয়ে দিয়া ফটোখনত ওলোৱা বিভূতি সংগ্ৰহ কৰি তাৰে ফোট লৈ ভক্তিত আপ্লুত হৈ থাকিব পাৰে। কোনোবা বাবাই আকাশলৈ হাত মেলি মিঠাই বা সোণৰ আঙুঠি বাহিৰ কৰি দিয়ালৈ চাই তেওঁ তন্ময় হৈ পৰিব পাৰে। এইবোৰ কথাত তেওঁ সেই পদাৰ্থবনো সৃষ্টি কেনেকৈ হ'ল, সেই পদাৰ্থনো কেনেকৈ নোহোৱা হৈ গ'ল সেইবোৰ কথা একেবাৰে চিন্তা নকৰিব পাৰে।

শিলৰ গণেশে বাৰু গাখীৰ খাব কেনেকৈ? তাৰতো পাকস্থলী বা অন্ত্ৰ নাই। সোহা মাৰি নিব পৰাকৈ তাৰতো মুখত বতাহ শুঙি নিব পৰা একো অস্ত্ৰ নাই— তেনেহ'লে তেনে মূৰ্তিয়ে গাখীৰ পি খাব কেনেকৈ? এই প্ৰশ্ন হয়তো বৈজ্ঞানিক মানসিকতাবিহীন বিজ্ঞানীজনে মুঠেই নুসুধিব পাৰে।

কাৰ্য্য-কাৰণৰ সম্পৰ্ক

আনহাতে একেবাৰে গাঁৱলীয়া মানুহ এজনেও এই ধৰণৰ বাতৰি বা উৰা-বাতৰিত মুঠেই মন-কাণ নিদিব পাৰে আৰু সেইবোৰৰ কাৰ্য্যকৰণৰ কিবা সম্পৰ্ক থাকিব বুলি তেওঁ নিশ্চিত হৈ থাকিব পাৰে। হয়তো গণেশৰ মূৰ্তিয়েনো গাখীৰ খালে কেনেকৈ, সেই কথাৰ ব্যাখ্যা তেওঁ দিব নোৱাৰিব পাৰে নাইবা সাধু বাবাজীজনে আকাশলৈ হাত মেলি ৰসগোল্লা উলিয়াই আনিলে কেনেকৈ সেই কথাও তেওঁ ব্যাখ্যা সহকাৰে বুজাই দিব নোৱাৰিব পাৰে, কাৰণ সিমানখিনি বৈজ্ঞানিক জ্ঞান তেওঁৰ নায়েই। কিন্তু, এক বৈজ্ঞানিক মানসিকতাৰ বলত তেওঁ হয়তো নিজকে প্ৰত্যয় নিয়াব পাৰে যে এইবোৰ ক'ৰবাত কিবা এটা কাৰণ আছে, একো নোহোৱাৰ পৰা হঠাতে

ৰসগোল্লা এটা বাহিৰ হৈ আহিব নোৱাৰে, নাইবা শিলামূৰ্তি গণেশে ধক্ ধক্‌কৈ গাখীৰ পি খাব নোৱাৰে।

বিজ্ঞানী-অবিজ্ঞানী সকলোৰে মাজত এনে এদল লোক আছে যিসকলে আগৰে পৰা চলি আহিছে বাবে কিছুমান কথাৰ বিষয়ে একো প্ৰশ্ন নকৰে। তেনে লোকৰো বৈজ্ঞানিক মানসিকতা নাই। দেউতা-ককাদেউতাৰ দিনৰে ৰীতি বুলি সকলো কথাকে নিৰ্বিবাদে মানি লৈ চলি যোৱাজনক মাত্ৰ অন্ধবিশ্বাসী আৰু পুৰণি সংস্কাৰ-সম্পন্ন লোক বুলিয়েই ক'ব লাগিব। কিন্তু, যিজনে কোনো এটা ৰীতিৰ বিষয়ে নিজকে প্ৰশ্ন কৰি চাইছে, সকলো কথা চালি-জাৰি ফঁহিয়াই চাই কিবা এটা সিদ্ধান্তত উপনীত হ'বলৈ আগবাঢ়ি গৈছে নাইবা পুৰণি কথাৰো যথেষ্ট বৈজ্ঞানিক ভিত্তি থাকিব পাৰে বুলি তেওঁ নিজা বিশ্লেষণেৰে এটা সিদ্ধান্তত উপনীত হৈছে আৰু কিছুমান পুৰণি কথা একেবাৰে বৈজ্ঞানিক ভিত্তিহীন বুলি এৰি পেলাবলৈ সাজু হৈছে— তেনে এজন লোকৰেই বৈজ্ঞানিক মনোবৃত্তি বা বৈজ্ঞানিক মানসিকতা আছে।

নতুন দৃষ্টিভংগী, নতুন মত গ্ৰহণ কৰিব পৰাকৈ আপোনাৰ যদি এটা মুকলি মন আছে, ছপা আখৰত, ৰেডিঅ'-টেলিভিছনত অহা কথা বুলি, বা গুৰুজনে কোৱা কথা বুলি, যিকোনো কথাতে পতিয়ন নগৈ যদি চালি-জাৰি চোৱা যুক্তিবাদী মন এটা আছে — তেনেহ'লে আপোনাৰ এটা বৈজ্ঞানিক মন, এটা বৈজ্ঞানিক চিন্তাধাৰা আছে। আপোনাৰ এনে মনে, এনে চিন্তাধাৰাই আপোনাক, আপোনাৰ পৰিয়ালটোক, আপোনাৰ সমাজ আৰু দেশখনক প্ৰগতিৰ পথত আগুৱাই নিব।

বিজ্ঞানীৰো বৈজ্ঞানিক মন নাথাকিব পাৰে

প্ৰথম দৃষ্টিত কথাটো আচৰিত যেন লাগি যাব পাৰে। বিজ্ঞানী বা বিজ্ঞানৰ ছাত্ৰৰ বাৰু বৈজ্ঞানিক মন বা বৈজ্ঞানিক চিন্তাধাৰা থাকিলেই অবিজ্ঞানী, সাধাৰণ, বা হোজা-চহা মানুহৰ আকৌ বৈজ্ঞানিক মন বৈজ্ঞানিক চিন্তাধাৰা থাকিব কেনেকৈ, বা থাকিব লাগে কিয় ?

আমি যি বৈজ্ঞানিক দৃষ্টিভংগী বা বৈজ্ঞানিক মনৰ কথা ক'ব খুজিছোঁ সেয়া জীৱনৰ সৈতে জড়িত দৃষ্টিভংগী, জীৱনৰ সৈতে সম্বন্ধ থকা চিন্তাধাৰা। তেনে বৈজ্ঞানিক মন, বৈজ্ঞানিক দৃষ্টিভংগী বা বৈজ্ঞানিক চিন্তাধাৰা কোনোবা বিজ্ঞানীৰো জীৱনত নাথাকিব পাৰে, আকৌ কোনোবা অবিজ্ঞানী, সাধাৰণ মানুহৰো থাকিব পাৰে।

ক্ৰমে ক্ৰমে জীৱনলৈ সোমাই আহি বিজ্ঞান আমাৰ জীৱনৰ লগত এৰাব নোৱাৰাকৈ সাঙোৰ খাই পৰিছে। প্ৰথমতে দেখাত, আমাৰ গাঁৱে-ভূঞে থকা সাধাৰণ মানুহ এজনৰ জীৱন বিজ্ঞানে একেবাৰে স্পৰ্শ নকৰা যেন লাগিব পাৰে; কিন্তু অলপ মন কৰিলেই বুজা যাব যে এই সাধাৰণ মানুহজনৰ জীৱনো বিজ্ঞানে চুই গৈছে, আনকি তেওঁৰ জীৱনৰ লগতো বিজ্ঞান এৰাব নোৱাৰাকৈ সাঙোৰ খাই পৰিছে।

এই সাধাৰণ মানুহজনে ভাত খাইছে— হয়তো উন্নত কৃষি পদ্ধতিৰে কৰা, উন্নত জাতৰ ধানৰ ভাত খাইছে, তাতো ব্যৱহাৰ কৰা হৈছে ৰাসায়নিক সাৰ আৰু ৰাসায়নিক কীটনাশক। হয়তো জলসিঞ্চন পদ্ধতি আৰু যান্ত্ৰিক নাঙলো সেই ধানৰ খেতিৰ বাবে ব্যৱহাৰ কৰা হৈছে। এই সাধাৰণ মানুহজনে কাপোৰ পিন্ধিছে— সেয়াও হয়তো কোনোবা মিলত তৈয়াৰ হৈছে, বা অন্ততঃ সূতাখিনি কোনোবা মিলৰ পৰা আহিছে। সেই কাপোৰ বা সেই সূতা ৰেল-মটৰেৰে আহি বজাৰ পাইছে, চিলাই কলত চিলোৱা হৈছে। তেওঁ হয়তো কিবা এটা দৰৱ খাইছে— সেই দৰৱ তৈয়াৰ হৈছে আধুনিক বৈজ্ঞানিক পদ্ধতিত কোনোবা বিজ্ঞানাগাৰত চলা গৱেষণাৰ ফলতহে। বা হয়তো তেওঁ কিবা বিষ-দুখ, বেমাৰ-আজাৰত চিকিৎসকৰ দিহা লৈছে, সন্তান জন্মৰ সময়ত ঘৈণীয়েকৰ স্বাস্থ্যৰ ব্যৱস্থা হৈছে, কোনোবা দুৰ্ঘটনাৰ প্ৰাথমিক সাহায্য গ্ৰহণ কৰিছে— তাৰ বাবে চিকিৎসকে যি দিহা-ভৰসা দিছে সিও বিজ্ঞানৰে দান। আমাৰ একেবাৰে ভিতৰুৱা গাঁৱৰ, আমাৰ চহৰবোৰৰ একেবাৰে অনুন্নত চুকৰ সাধাৰণ বাসিন্দাজনেও দৰৱ খায়, খেলা খেলে, জোতা-চেণ্ডেল পিন্ধে, গাড়ী মটৰত ভ্ৰমণ কৰে, ৰেডিঅ' শুনে বা টিভি চায়, কীটনাশক দৰৱ ব্যৱহাৰ কৰে, ঘড়ীত সময় চায়— অন্ততঃ ইয়াৰ কোনোবাটো নহয় কোনোবাটো কৰে। আৰু ইয়াৰে সকলোতে কোনোবা নহয় কোনোবা পৰ্যায়ত বিজ্ঞান জড়িত হৈ পৰে। বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞানক (Science আৰু Technology) বাদ দি আজিৰ যুগৰ জীৱন নচলে।

আমি কেইটামান উদাহৰণহে দাঙি ধৰিলোঁ। কিন্তু কথাখিনি অলপ বহলকৈ ভাবি চালে বুজা যাব যে ডাঙৰ বিজ্ঞানী, সমাজবিজ্ঞানী, অধ্যাপক, ৰাজনীতিবিদৰ পৰা আৰম্ভ কৰি একেবাৰে হোজা-চহা, নিৰক্ষৰজনলৈকে সকলো মানুহ বিজ্ঞানৰ লগত জড়িত হৈ পৰিছে।

দেশ বা সমাজৰ উন্নতিৰ বাবে হয়তো এটা ৰাসায়নিক কাৰখানা স্থাপন কৰাৰ সিদ্ধান্ত লোৱা হ'ল— তাৰ চাকৰি বাকৰি, বা তাৰ উৎপাদনে সাধাৰণ নাগৰিক এজনৰ জীৱনো হয়তো প্ৰাচুৰ্যৰে ভৰাই তুলিব পাৰে। নাইবা, সেই কাৰখানাটোৰ পৰা ওলোৱা দূষিত বস্তু ওচৰৰ নদীখনেৰে বৈ আহি, অন্য কোনো প্ৰকাৰে কাৰখানাটোৰ লগত জড়িত নোহোৱা এই সাধাৰণ নাগৰিকজনৰ জীৱনো বিপদাপন্ন কৰি তুলিব পাৰে। এনে একোটা কাৰখানা বা প্ৰকল্পৰ পোনপটীয়া বা আওপকীয়া প্ৰভাৱে সাধাৰণ মানুহজনৰ জীৱনো চুই যায়। তেওঁৰ অজ্ঞতা বা অসহায় অৱস্থাৰ সুযোগ লৈ অসাধু ব্যৱসায়ীয়ে খাদ্য, দৰৱ আৰু অন্যান্য বস্তুত ভেজাল দি তেওঁৰ স্বাস্থ্যৰ বিপদ আনে। নাইবা তেওঁক ভুল জোখত কমকৈ বস্তু দিয়ে।

কিন্তু, এই সাধাৰণ নাগৰিকজনে দেশৰ মুঠ কৰৰ পুঁজিত যি অবিহণা যোগালে তাৰে দেশখনৰ নানা আঁচনি লোৱা হয়।

এইবোৰ আঁচনি তেওঁৰ বাবে ভালেই নে বেয়াই তাক ভাবি চাব লাগে বুলিয়ে তেওঁ নাজানে। তেনে চিন্তা তেওঁ কেতিয়াও কৰি পোৱা নাই, গতিকে আন কোনোবা ক্ষমতাশালী লোকে যি দিছে তাকে তেওঁ গ্ৰহণ কৰিছে, তাত কাহানিও মাত মতা নাই। গাঁৱৰ ওচৰেৰে মথাউৰি এটা বন্ধা হৈছে— তেওঁ কেতিয়াবা সেইটো ভুল ঠাইত, বা ভুল পদ্ধতিত বন্ধা বুলি মনে মনে ভাবে, কিন্তু সেয়া যেন তেওঁ জড়িত হ'ব লগা কথাই নহয় তেনে ভাবেৰে সেই কথা মনৰ পৰা আঁতৰাই থয়। ফলত এদিন সেই মথাউৰিৰ ভুল ফলে তেওঁকো চুই যায়।

আমাৰ এই সাধাৰণ মানুহজনৰ জীৱনৰ লগত, ভাত-কাপোৰ, থকা ঘৰ আদিৰ লগত, বিজ্ঞান জড়িত হৈ পৰাটো আৰু জীৱনৰ অন্য ক্ষেত্ৰত তেওঁ মতামত দিয়াটোৰ মাজত দেখাত কোনো সম্পৰ্ক নাই। কিছুমান বিজ্ঞানীয়ে গৱেষণাগাৰত উলিওৱা নানা দ্ৰব্য বা সেৱা আন মানুহেও লৈছে, এবো লৈছে। তাত এই সাধাৰণ মানুহজনে বৈজ্ঞানিক হৈ পৰাৰ কোনো সুবিধাও নাই, দৰকাৰো নাই।

কোনোবাই ভাল মিঠাই বজাৰত উলিয়ালে আমি কিনি খাব পাৰোঁ, কিন্তু মিঠাইটো কেনেকৈ, কিহেৰে তৈয়াৰ কৰিলে আমি চিন্তা নকৰিবও পাৰোঁ। মিঠাই তৈয়াৰ কৰাৰ প্ৰক্ৰিয়াটোৰ লগত আমি জড়িত হৈ নপৰিলেও চলে — জড়িত নোহোৱাকৈ তেনে ভাল বিক্ৰেতাৰ পৰা আমি কিনোতাবোৰে সদায় মিঠাই কিনি খাব পাৰোঁ। উন্নত বীজ

আনি খেতি কৰোঁতে, বা তেনে ধানৰ ভাত খাওতে, ৰেল-মটৰত উঠোঁতে, টেলিফোন কৰোঁতে, বা ৰেডিঅ' শুনোতে আমি তেনেদৰে বিজ্ঞানৰ দোকানৰ পৰা কিছুমান দ্ৰব্য বা সেৱা কিনোতাই কিনি অনাদি আনি ব্যৱহাৰ কৰোঁ, সেইবোৰৰ সৃষ্টিৰ প্ৰক্ৰিয়াটোৰ লগত জড়িত হৈ নপৰে।

সেইবাবে এই দ্ৰব্য আৰু সেৱাবোৰ তৈয়াৰ কৰা মানুহ আৰু সেইবোৰ তৈয়াৰ কৰা শৃংখলাবদ্ধ প্ৰক্ৰিয়াটোৰ লগত আমি জড়িত হৈ নপৰে। আনকি সেই বিষয়ে আমি সাধাৰণ মানুহবোৰে বৰকৈ চিন্তাও নকৰে। গতিকে, বিজ্ঞানীৰ বস্তুবোৰ ৰেলগাড়ী. মহাকাশযান, পৰমাণু শক্তি, দাড়ি খুৰোৱা ব্লেড, টেলিফোন, ৰেডিঅ', টেলিভিছন, বিদ্যুৎ শক্তি, দৰৱপাতিসকলো বিজ্ঞানৰ সকলো বস্তুৱেই আমাৰ সাধাৰণ মানুহজনৰ বাবে যাদুবিদ্যাৰ বস্তু যেন হৈ বৈ যায়; বিজ্ঞানৰ এই বস্তুবোৰৰ সৃষ্টি কৰোঁতা বিজ্ঞানীজনো আমাৰ বাবে যাদুকৰ যেন হৈয়ে ৰৈ যায়।

বৈজ্ঞানিক পদ্ধতি

কিন্তু যিকোনো আবিষ্কাৰক বিজ্ঞানী এজনৰ জীৱন ভালদৰে মন কৰিলে দেখা যাব যে তেওঁ আপোনাৰ-মোৰ দৰে সাধাৰণ মানুহহে। মাত্ৰ তেওঁ কিছুমান শৃংখলাবদ্ধ প্ৰক্ৰিয়া বা পদ্ধতি অনুসৰণ কৰে বাবেহে তেওঁ আবিস্কাৰবোৰ কৰিব পাৰিছে। এই শৃংখলাবদ্ধ পদ্ধতিয়েই হ'ল বৈজ্ঞানিক পদ্ধতি। এই বৈজ্ঞানিক পদ্ধতি অকল বিজ্ঞানৰ আৱিষ্কাৰৰ বাবেই নহয়, আমাৰ জীৱনৰ প্ৰতিটো খোজৰ বাবে, প্ৰতিটো সিদ্ধান্তৰ বাবেই অতি প্ৰয়োজনীয়।

মানৱজাতিৰ যিজন আদিম পুৰুষে জুইৰ আবিষ্কাৰ কৰিছিল তেওঁকে দেখোন আমি প্ৰথম বিজ্ঞানী বুলিব পাৰোঁ। তেওঁ শিলত শিল মাৰি থাকোঁতে হঠাতে লক্ষ্য কৰিলে যে ফিৰিঙতি ওলাইছে। সেই পৰীক্ষা তেওঁ আকৌ কৰি চালে। এৰা, এয়া কোনো দৈবাৎ ঘটা ঘটনা নহয়। শিলত শিল মাৰি জুই উলিয়াব পাৰি, সেই জুই শুকান পাতত লগাই জুই একুৰা ধৰিব পাৰি, সেই জুইকুৰাৰে জন্তু পুৰি খাব পাৰিব, গুটি সিজাই খাব পাৰি। লাহে লাহে সেই জ্ঞান বঢ়াই গৈ মানুহে ৰেল চলালে, কাৰখানা চলালে, ৰকেট চলালে। কিন্তু, জুই কেনেকৈ ধৰিব পাৰি আৰু জুই কেনেকৈ ব্যৱহাৰ কৰিব পাৰি মানুহে লক্ষ্য কৰি গ'ল বাবেহে সেইবোৰ সম্ভৱ হ'ল।

বৈজ্ঞানিক প্ৰক্ৰিয়াৰ প্ৰথম খোজ হ'ল পৰ্যবেক্ষণ। প্ৰথমতে আমি চাব লাগিব, লক্ষ্য কৰিব লাগিব। কথাবোৰ মনতে ছিজিল কৰি ল'ব লাগিব— কি দেখিলোঁ, কেনে দেখিলোঁ, ক'ত দেখিলোঁ। মনতে ছিজিল কৰা কামটো পাছলৈ অৱশ্যে কাগজে-কলমে, নক্সা সাজি বা কম্পিউটাৰৰ জৰিয়তেও কৰিব পৰা হ'ল, চকুৰ সলনি কেমেৰা, দূৰবীণ, অনুবীক্ষণ যন্ত্ৰ ব্যৱহাৰ কৰিব পৰা হ'ল। কিন্তু তাৰ মূল ধৰ্মটো একেই থাকিল পৰ্যবেক্ষণ কৰিবই লাগিব। পৰ্যবেক্ষণৰ পাছত কথাবোৰ সজাই লোৱা আৰু বিশ্বাসযোগ্য তথ্য আহৰণ কৰা আদি কাম আছে। কিন্তু তাৰ পাছতে বৈজ্ঞানিক পদ্ধতিৰ অতি গুৰুত্বপূৰ্ণ কামটো আছে, সেয়া হ'ল— বিশ্লেষণ কৰাৰ কাম, তথ্যবোৰ ফঁহিয়াই চোৱাৰ কাম। এই যে মথাউৰিটো ইয়াত, এনেদৰে বন্ধা হৈছে— ঠিক হৈছেনে? এই যে কাৰখানাটোৱে ক'লা পানীবোৰ নদীত এৰি দিছে— সি আমাৰ কিবা অপকাৰ কৰিবনে? নাইবা সৰু ছোৱালীজনীৰ যে আই ওলাইছে— ওচৰৰ আন ল'ৰা-ছোৱালীক মাতি আনি প্ৰসাদ খুৱালে কাৰো একো অপকাৰ নহয়তো, বা উপকাৰ কি হ'ব?

এইবোৰ কথাৰ এটা সুচিন্তিত সিদ্ধান্তত উপনীত হ'বৰ বাবে আৰু তথ্য লাগিব, আৰু পৰ্যবেক্ষণৰ আৱশ্যক হ'ব। সেই পৰ্যবেক্ষণ সেই তথ্যৰ বাবে আপোনাৰ মনটো মুকলি কৰি ৰাখিলেই আপুনি এটা বৈজ্ঞানিক মনৰ অধিকাৰী হ'ল।

যদি এজন ব্যক্তিৰ অনুসন্ধিৎসা, ৰাপ, কল্পনা, যুক্তি, পৰ্যবেক্ষণ, আৱিষ্কাৰ আৰু পৰীক্ষা কৰি চোৱাৰ স্পৃহা থাকে, আমি তেনে ব্যক্তিকে বৈজ্ঞানিক মানসিকতা থকা ব্যক্তি বুলিব পাৰোঁ। কোনো ব্যক্তিয়ে কোনো কথা সম্পূৰ্ণ বুজি উঠাৰ পাছত আৰু সেই কথা যুক্তিনিষ্ঠাভাৱে পৰ্যবেক্ষণ কৰাৰ পাছতহে সেই কথাৰ সপক্ষে (বা বিপক্ষে) ক'বলৈ ল'লে আমি তেনে ব্যক্তিক বৈজ্ঞানিক মানসিকতাসম্পন্ন ব্যক্তি বা বৈজ্ঞানিক চিন্তাশীল ব্যক্তি বা বৈজ্ঞানিক দৃষ্টিভংগীসম্পন্ন ব্যক্তি বুলি ক'ব পাৰোঁ।

বৈজ্ঞানিক পদ্ধতিৰ দৰ্শন

জগতখনত আমি যি দেখোঁ বা দেখা পাওঁ, আচলতে ঘটনাটো তেনে নহ'ব পাৰে। আমি যি শুনো বা শুনা যেন পাওঁ, সেয়াও আচলতে নহ'ব পাৰে। আমি বেলিটোৱে প্ৰতিদিনে আমাৰ চাৰিওফালে এপাক মৰা যেন পাওঁ। কিন্তু, ঘটনাটো যে ওলোটাহে সেইটো আমি এতিয়া জানো। তদুপৰি, আমাৰ পৃথিৱীখনে পাকঘূৰণি মাৰি থকা বাবেহে যে বেলিটোৱে আমাৰ চৌপাশে ঘূৰা যেন পাওঁ সেইটোও এতিয়া জানো।

এতিয়াৰ পৰা প্ৰায় আঢ়ৈ হাজাৰ বছৰ আগতে এৰিষ্ট'টলে (খ্ৰিষ্টপূৰ্ব ৩৮৪-৩২২) কৈছিল যে এটা গধুৰ বস্তু আৰু এটা পাতল বস্তু ওপৰৰ পৰা একেলগে পৰিবলৈ দিলে, গধুৰটো আগতে মাটিত পৰিব। এতিয়াৰ পৰা প্ৰায় চাৰে তিনিশ বছৰ আগলৈকে কোনোৱে 'কথাটো নহ'বও পাৰে' বুলি নাভাবিলে আৰু পৰীক্ষা কৰিও নাচালে। অথচ, কাগজ এখিলাৰ ওপৰত শিল এটা বান্ধি পৰিবলৈ দি পৰীক্ষাটো সহজে কৰি চাব পৰা গ'লহেঁতেন। নাইবা, কাগজখিলা পকাই লাড়ু কৰি শিলটোৰ লগত একেলগে পেলায়ো পৰীক্ষাটো কৰি চাব পৰা গ'লহেঁতেন। গেলিলিঅ' গেলিলিয়েহে (১৫৬৪-১৬৪২) হেলনীয়া তল লৈ বাৰে বাৰে পৰীক্ষাটো কৰি চাই ক'লে যে এৰিষ্ট'টলৰ সিদ্ধান্ত শুদ্ধ নহয়, গধুৰ বস্তু আৰু পাতল বস্তু (বায়ুৰ বাধা বাদ দিলে) একেলগে তলত পৰে।

গেলিলিয়ে বিজ্ঞানলৈ এটা বিশেষ পদ্ধতিৰো অৱদান দিলে। তেওঁৰ এই হেলনীয়া তলৰ পৰীক্ষা আৰু আন সকলো পৰীক্ষা টোকাবহীত তন্ন-তন্নকৈ লিখি থ'লে, যাতে আন কোনোবাই ইচ্ছা কৰিলে পৰীক্ষাবোৰ পুনৰাই কৰি চাব পাৰে আৰু গেলিলিঅ'ৰ কিবা ভুল হ'লে ক'ব পাৰে।

গেলিলিয়ে কেৱল যে এৰিষ্ট'টলক ভুল বুলি প্ৰমাণ কৰিলে সেইটো নহয়, তেওঁ দেখুৱালে যে পৰ্যবেক্ষণ, পৰীক্ষা আৰু পৰিমাপণেৰে এৰিষ্ট'টলে নিজেও আনকি ইচ্ছা কৰা হ'লে নিজৰ ভুল ধৰা পেলাব পাৰিলেহেঁতেন আৰু নিজৰ সিদ্ধান্তও সলনি কৰিব পাৰিলেহেঁতেন। সকলো কথাৰ ওপৰত, বৈজ্ঞানিক চিন্তা-পদ্ধতি হ'ল এনে পদ্ধতি যিটোৱে আমাক নিজকে আভুৱা ভবাৰ পৰা আৰু অন্যই বা প্ৰকৃতিয়েও আমাক আভুৱা ভবাৰ পৰা বচাই ৰাখে।

অৱশ্যে, বিজ্ঞানৰ সকলো তত্ত্ব বা উপকল্প বা সিদ্ধান্তয়েই এনে যে তাত মিথ্যাকৰণীয়তাৰ (falsifiability) বীজ লুকাই থাকে— অৰ্থাৎ তত্ত্বটো যদি কেতিয়াবা 'নাখাটে' বা মিচা হয়, তাক মিছা বুলি প্ৰমাণ কৰিব পৰাৰ সম্ভাৱনা তত্ত্বটোৰ গাতে লুকাই থাকে। সেইবাবে বিজ্ঞানৰ 'সত্য' চৰম সত্য নহয়, তাক সম্পূৰ্ণ শুধৰাই বা আংশিক পৰিৱৰ্তন কৰি গৈ থাকিব পাৰি। এই আত্ম-পৰিশুদ্ধন ধৰ্মটোৰ বাবে প্ৰকৃতিক বুজাৰ ক্ষেত্ৰত বিজ্ঞান সদায় অধিক সুদক্ষ, উৰ্বৰ আৰু ফলপ্ৰসূ প্ৰমাণিত হয়।

বিজ্ঞানৰ এই পদ্ধতি, এই ধৰ্ম কেৱল যে বিজ্ঞানৰ ছাত্ৰ-শিক্ষক-গৱেষকৰ বাবেহে প্ৰয়োজনীয় সেইটো নহয়। পৃথিৱীৰ যিকোনো নাগৰিকৰ বাবেই বিজ্ঞানৰ এই ধৰ্ম, এই

দৰ্শন প্ৰয়োজনীয়। পৃথিৱীৰ যিকোনো নাগৰিকৰ বাবেই বিজ্ঞানৰ এই ধৰ্ম, এই দৰ্শন প্ৰয়োজনীয়। 'মই দেখা কথাটো মই দেখাৰ দৰে নহ'ওবও পাৰে, মই শুনা কথাটো মই শুনাৰ দৰে নহ'বও পাৰে' ('শুনা কথাত নিদিবা কাণ/ দেখাকো কৰিবা তিনি প্ৰমাণ', নাইবা 'Believe only half of what you see, and nothing that you hear') আজি মই যি শুদ্ধ বুলি ধাৰণা কৰিছোঁ, নতুন তথ্যৰ ভিত্তিত কাইলৈ তাক পৰিৱৰ্তন কৰিব লাগিব পাৰে' বিজ্ঞানৰ এই দৰ্শনেও নাগৰিক এজনৰ জীৱন আৰু সমাজ বা দেশ একোখনৰ ভাৱধাৰাৰ বহুতো পৰিৱৰ্তন আনিব পাৰে। 'গুৰুৱে কৈ গৈছে বা আনে কৈ গৈছে বুলি মই সকলো কথা গ্ৰহণ কৰিব নালাগিব, মই নিজেও চালি-জাৰি চাব লাগিব, পাৰিলে পৰীক্ষা কৰিব লাগিব, অন্ততঃ পৰ্যবেক্ষণ কৰিব লাগিব আৰু প্ৰশ্ন সুধিব লাগিব' — বিজ্ঞানৰ পৰা শিকিব পৰা এই দৰ্শনে একো-একোজন নাগৰিকৰ জীৱনত বিপুল পৰিৱৰ্তন আনিব পাৰে। তেনে একোজন নাগৰিকৰ পৰা সমাজে বিস্তাৰ অবিহণা পাব পাৰে।

সেইবাবে সমাজৰ সকলো লোকেই এই বৈজ্ঞানিক পদ্ধতি, বৈজ্ঞানিক ধৰ্মৰ শিক্ষা গ্ৰহণ কৰিব পাৰিলে সমাজখন লাভৱান হোৱাৰ সম্ভাৱনা থাকে। তেওঁলোকৰ দৃষ্টিকোণ সলনি হোৱা বাবে অযুক্তিকৰ, অন্ধবিশ্বাসযুক্ত আৰু প্ৰভূত্বব্যঞ্জক মতবাদৰ পৰা হ'ব পৰা অনিষ্টখিনি সেই ব্যক্তিসকলে ব্যক্তিগত জীৱনত আৰু সমাজখনত বহু পৰিমাণে নোহোৱা কৰিব পাৰে। ভ্ৰান্ত, অবৈজ্ঞানিক, অযুক্তিকৰ, কু-সংস্কাৰযুক্ত ধাৰণা আৰু পদ্ধতিৰ পৰা এএন লোকে নিজকে আৰু সমাজখনক বচাই ৰাখিব পাৰে। অৱশ্যে ইয়াৰ বাবে বৈজ্ঞানিক পদ্ধতিৰ প্ৰকৃত শিক্ষাৰ প্ৰয়োজন; আৰু বিজ্ঞানৰ পাঠ্যক্ৰম বা বিজ্ঞানৰ ডিগ্ৰি-ডিপ্ল'মাই এই কাম কৰিব নোৱাৰিবও পাৰে। এই কাম স্কুল-কলেজৰ আনুষ্ঠানিক শিক্ষাৰ মাজেৰে পাৰ হৈ যোৱা আৰু নোযোৱা সকলো বয়সৰ, সকলো শ্ৰেণীৰ লোকৰ বাবে পাঠ্যক্ৰমৰ বাহিৰৰ নানা পদ্ধতিৰে যে কৰিব পাৰি আৰু কৰাটো যে অতি প্ৰয়োজনীয় আৰু লাভদায়ক সেই কথা এতিয়া গোটেই পৃথিৱীয়ে উপলব্ধি কৰিছে। এই অভিযানত অংশগ্ৰহণ কৰাটো প্ৰতিজন নাগৰিকৰে কৰ্তব্য।

প্ৰগতিৰ বাবে বৈজ্ঞানিক দৃষ্টিকোণ

ভৱিষ্যতৰ এখন সুন্দৰ সমাজ গঢ়াৰ বাবে প্ৰতিজন নাগৰিকে বৈজ্ঞানিক দৃষ্টিকোণ আৰু যিমান সম্ভৱ বৈজ্ঞানিক তথ্য আয়ত্ত কৰি নিজৰ বিজ্ঞানমনস্কতা গঢ়ি তুলিব লাগে।

তদুপৰি, প্ৰতিজন বিজ্ঞানমনস্ক লোকে আন লোককো বিজ্ঞানমনস্ক কৰি তোলাৰ প্ৰতি ত্যাগৰ মনোভাৱেৰে কাম কৰি যাব লাগে।

কুসংস্কাৰযুক্ত, অবিবেচক, যুক্তিবিহীন লোক নিজৰ আৰু দেশৰ প্ৰগতিৰ হেঙাৰ। যুক্তিবাদী, অনুসন্ধিৎসু, বৈশ্লেষিক মনৰ গৰাকীয়েহে প্ৰগতিৰ বাটত নিজকো আগুৱাই নিয়ে, আৰু সমাজৰ উন্নতিতো অৰিহণা যোগায়।

তদুপৰি দেশখনৰ সৰ্বাধিক লোক বিজ্ঞান-সাক্ষৰ আৰু বিজ্ঞানমনস্ক হৈ উঠিলে সেই পটভূমিত বৰ্ধিতসংখ্যক লোকে বিজ্ঞানৰ প্ৰকৃত দৰ্শন-নতুন কিবা এটা কৰাৰ প্ৰতি আগ্ৰহ-আয়ত্ত কৰাৰ আশা থাকে। কেৱল বিজ্ঞানৰ চাকৰি আৰু গৱেষণা কৰাৰ সলনি তেনে লোকে বিজ্ঞানৰ ন ন আৱিষ্কাৰ উদ্ভাৱনেৰে সমাজ আৰু দেশক, আৰু গোটেই মানৱ জাতিকে চহকী কৰিব পাৰে। তেনে লোকেহে নতুন দৃষ্টিৰে ৰহস্যৰ সমাধান কৰিব পাৰে, সম্পদ আহৰণ আৰু সম্পদ সৃষ্টিত অৰিহণা যোগাব পাৰে। তাতোকৈ ডাঙৰ কথা হৈছে, তেওঁলোকেহে সম্পদৰ সঞ্চয়, উপযুক্ত আৰু নিয়ন্ত্ৰিত ব্যৱহাৰ, আৰু ৰক্ষণাবেক্ষণৰ নতুন দিশ দেখুৱাব পাৰে। তেনে এদল সৃজনী-প্ৰতিভাসম্পন্ন বিজ্ঞানী-গৱেষকৰ সৃষ্টি কৰাটোও দেশকনৰ আৰু সমাজখনৰ মহান কৰ্তব্য।

বৈজ্ঞানিক মানসিকতা কিদৰে গঢ়িব পাৰোঁ?

আগতে কৈ অহা হৈছে যে বুদ্ধি আৰু অনুসন্ধিৎসাৰ বাবেই মানুহ উন্নতিৰ পথেৰে আগুৱাই গৈ আছে, তাৰ বলতেই মানুহে প্ৰকৃতিৰ নানা সত্য, নানা ৰহস্য উদঘাটন কৰিছে আৰু প্ৰকৃতিৰ শক্তি আৰু সম্পদ নিজ জীৱনৰ মান উন্নত কৰিবলৈ ব্যৱহাৰ কৰিব পাৰিছে।

বস্তু আৰু ঘটনা লক্ষ্য কৰিব পৰা গুণ, তাক জানিব -বুজিবলৈ আগ্ৰহ কৰা গুণ, আৰু বুজি লৈ সেই বস্তু বা পৰিঘটনা নিজৰ আয়ত্তলৈ অনাৰ আগ্ৰহৰ ফলতে মানুহে নানা বস্তু আৰু ঘটনা আৱিষ্কাৰ কৰি গৈ থাকিল। এই প্ৰক্ৰিয়াতে বিজ্ঞানৰ প্ৰক্ৰিয়াবো আৰম্ভণি হ'ল।

আমাৰ বিশ্বব্ৰহ্মাণ্ডৰ ৰহস্যৰ উদ্‌ঘাটনৰ ব্যৱস্থাটোৱেই হ'ল বিজ্ঞান। বিজ্ঞানত, আমি দেখা বস্তু আৰু ঘটনাবোৰৰ একোটা সুসংবদ্ধ ব্যাখ্যা দিবলৈ চেষ্টা কৰা হয়। কিন্তু এই ব্যাখ্যবোৰ পৰীক্ষা কৰি চাব পৰা বিধৰ হ'ব লাগিব।

এইদৰে পৰ্যবেক্ষণ কৰা, জোখ-মাখ লোৱা, সত্যৰ অনুসন্ধান কৰা, বস্তু বা ঘটনাটোৰ ধৰ্ম বা চৰিত্ৰ ফঁহিয়াই চাই তাৰ বিষয়ে এটা সিদ্ধান্তলৈ অহা- এইবোৰ হ'ল বিজ্ঞানীৰ কাম। আপোনাৰ-মোৰ দৰে সাধাৰণ মানুহ এজনৰ এইবোৰ প্ৰক্ৰিয়া বা পদ্ধতিৰ লগত সম্পৰ্ক কি?

আদিম মানুহ এজনে এনেয়ে শিলত শিল দলিয়াই থাকোঁতে জুই উঠিল। সেই পৰ্যবেক্ষণৰ পাছত তেওঁ জুই তোলা প্ৰক্ৰিয়াটো বাৰে বাৰে কৰি চালে। তেওঁ জুইৰ ধৰ্ম অধ্যয়ন কৰিলে— জুইৰ নানা ব্যৱহাৰ আয়ত্ত কৰিলে। এই প্ৰথম বিজ্ঞানীজনৰ পদ্ধতি আজিৰ যুগতো একেবাৰে সলনি হোৱা নাই— মাত্ৰ সি বেছি সূক্ষ্ম, বেছি নিখুঁত হৈছে। আজিৰ বিজ্ঞানীজনে খালী চকু, খালী হাতেৰে পৰ্যবেক্ষণ আৰু পৰীক্ষা কৰাৰ সলনি উন্নত যন্ত্ৰ-পাতি, উন্নত কৌশল ব্যৱহাৰ কৰিছে। পৰ্যবেক্ষণৰ বাবে তেওঁৰ হাতত এক্স-ৰশ্মিৰ দূৰবীণ, আলোকীয় বা ৰেডিঅ' দূৰবীণ, অনুবীক্ষণ যন্ত্ৰ, লেজাৰ ৰশ্মি, অপ্টিকেল ফাইবাৰ আদি আছে। পৰীক্ষাৰ বাবেও তেওঁৰ হাতত উন্নত তৰ্জুৰ পৰা আৰম্ভ কৰি নিউক্লীয় কণা-ত্বৰকৰ দৰে হাজাৰ হাজাৰ বস্তু আছে।

বৈজ্ঞানিক চিন্তাধাৰা

প্ৰথম বিজ্ঞানীজনে নিজকে সুধিছিল - জুই কেনেকৈ জ্বলে? কেনেকৈ এই জুই অন্য ঠাইলৈ নিব পাৰি? তাৰ উত্তৰ বিচাৰি তেওঁ বিভিন্ন বস্তু যঁহি চাইছিল, বিভিন্ন বস্তুৰে জুই ধৰি ৰাখিবলৈ চেষ্টা কৰিছিল। আজিৰ বিজ্ঞানীজনে নিজকে সোধা প্ৰশ্নবোৰৰ নমুনা অলপহে বেলেগ ঃ মেলেৰিয়া জ্বৰ যে হয়, কিয় হয়? কিহে এই ৰোগ বিয়পায়? কি কৰিলে এই ৰোগ বিয়পি যোৱাত বাধা পৰে?

নাইবা, চৰাইবোৰ যে আকাশত উৰি ফুৰিব পাৰে, কেনেকৈ পাৰে? আমাৰ বাৰু ডেউকা নাই, বতাহত উপঙি যাব পৰাকৈ আমি একো সাজি ল'ব নোৱাৰোনে?

নাইবা, আমাৰ পৃথিৱীখনৰ জন্ম কেনেকৈ হ'ল? পৃথিৱীখনৰ আকাৰ কেনেকুৱা, গঠন কি, বয়স কিমান?

বিজ্ঞানীসকলে এইবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি যোৱা বাবেই আমাৰ আহাৰ, আশ্ৰয়, কাপোৰ-কানিৰ নানা সমস্যাৰ আজি সমাধান হৈছে। প্ৰকৃতিৰ নতুন নতুন দ্ৰব্য, শক্তি আৰু পৰিঘটনাক আমি মানুহে নিজৰ আয়ত্বলৈ আনিব পাৰিছোঁ। আৰু আমাৰ জ্ঞানৰ পিয়াহ গুচাব পাৰিছোঁ।

কিন্তু এইবোৰ অৱদানতকৈ বিজ্ঞানৰ মানৱ জাতিলৈ বহু মূল্যবান অৱদান হৈছে বৈজ্ঞানিক চিন্তাধাৰা, বৈজ্ঞানিক মনোভাব, বৈজ্ঞানিক পদ্ধতি। বিজ্ঞানীসকলে লক্ষ্য বা পৰ্যবেক্ষণ কৰে, তাৰ পাছত তথ্যবোৰ সুন্দৰকৈ সজাই লৈ এইটো এনে বস্তু বা এইটো এনে পৰিঘটনা হ'ব লাগে বুলি এটা উপকল্প, এটা ধাৰণা কৰি লয়। তাৰ পাছত নতুন তথ্য, নতুন পৰ্যবেক্ষণেৰে তেওঁলোকে আগৰ উপকল্প বা ধাৰণাটো সঁচা নে মিছা জানিব খোজে। যদি দেখা যায় যে নতুনকৈ পোৱা তথ্যবোৰে আগৰ ধাৰণা বা সিদ্ধান্তটো মানি নচলে, তেনেহ'লে তেওঁলোকে কোনো দ্বিধা নোহোৱাকৈ আগৰ সিদ্ধান্তটো এৰি পেলায়।

এয়া হ'ল মুকলি মনৰ কথা। বিজ্ঞানৰ গোটেই পদ্ধতিটোতে এই মুকলি মনটোৰ গুৰুত্ব বৰ বেছি। এনে আঁকোৰগোঁজ হৈ পুৰণা কথাটোতে লাগি নাথাকি নতুন কথা, নতুন সিদ্ধান্ত গ্ৰহণ কৰিব পৰা মনটোৱে ব্যক্তি আৰু সমাজকো উন্নতিৰ জখলাৰে আগুৱাই লৈ যায়।

'বোপা-ককাৰ দিনৰে পৰা এনেদৰে খেতি কৰি আহিছোঁ — এতিয়া এইবোৰ আমাক কি শিকাবলৈ আহিছা?' বুলি এজনে নিজৰ নিশকতীয়া বীজেৰে, সাৰ-পানী দিয়াৰ পুৰণি পদ্ধতিৰে খেতি কৰিলে। আন এজনে আকৌ তেওঁৰ মুকলি মনটোৰ বাবেই কৃষি বিষয়াজনৰ কথাষাৰ অন্ততঃ কেইডৰামান মাটিত পৰীক্ষা কৰি চাব খুজিলে। তেওঁ নতুন, উন্নত বীজ আনিলে। মাটিৰ নমুনা পৰীক্ষা কৰাই বিশেষজ্ঞই কোৱা বিধৰ আৰু কোৱা পৰিমাণৰ বিশেষ সাৰ দিলে। তেওঁৰ খেতি বহু বেছি ভাল হ'ল।

এনেকুৱা নানা উদাহৰণ দিব পাৰি।

শিশুৰ ৰোগ প্ৰতিৰোধৰ বাবে বিজ্ঞানীসকলে অশেষ সাধা-সাধনাৰ অন্তত নানা বেজি-ছিটা আদি আৱিষ্কাৰ কৰিছে। সেইবোৰ দেশৰ চুকে-কোণে পোৱাও হৈছে আৰু তাক দিবৰ বাবে চৰকাৰে বিস্তৰ প্ৰচাৰ চলাইছে। কিন্তু, 'আমাৰ চৈধ্য পুৰুষে ল'ৰা-ছোৱালী ডাঙৰ কৰিলে সেইবোৰ নিদিয়াকৈয়ে' বুলি এতিয়াও সন্তানক বেজি-ছিটা নিদি বিপদাপন্ন কৰা বহুতো মাক-দেউতাক আমাৰ সমাজত আছে। তেওঁলোকে নিজে কিবা এটা ব্যৱস্থা লোৱাতকৈ ভাগ্যৰ ওপৰত বেছিকৈ নিৰ্ভৰ কৰে।

আগতে, যেতিয়া বহুতো কথাৰ কাৰ্য কাৰণৰ সম্পৰ্ক মানুহে জনা নাছিল তেতিয়া সেইবোৰ দেৱ-দেৱতা, ভূত-পিশাচৰ কাণ্ড বুলি, কোনোবা অদৃশ্য শক্তিৰ কাৰ্য বুলি মানি লৈছিল। বৰ আই, সৰু আই আদি বা বসন্ত ৰোগো তেনেকৈ শীতলা দেৱী বা অন্য

কোনো দেৱীৰ ৰোষতে হোৱা বুলি মানুহে বিশ্বাস কৰিছিল। তেনে দেৱ-দেৱী, ভূত-প্ৰেতক সন্তুষ্ট কৰিবলৈ তেওঁলোকে নানা পূজা-নাম-সবাহ সংকাৰৰ ব্যৱস্থা কৰিছিল। কিন্তু আধুনিক চিকিৎসাবিজ্ঞানীয়ে প্ৰমাণ কৰিলে যে আই বা বসন্ত ৰোগ একোবিধ অতি ক্ষুদ্ৰ ভাইৰাছ বা বিজাণুৰ দ্বাৰা সৃষ্টি হোৱা ৰোগহে। ভাইৰাছ নামৰ এই বিজাণুৰ আক্ৰমণৰ পৰা শৰীৰটোক ৰক্ষা কৰাৰ ব্যৱস্থাও তেওঁলোকে আৱিষ্কাৰ কৰিলে। অতি চমকপ্ৰদভাৱে বিজ্ঞানীসকলে গোটেই পৃথিৱীৰ পৰা বৰ আই নিৰ্মূল কৰিলে।

সৰু আই আৰু মাজু আই ৰোগ এতিয়াও আছে। কিন্তু এতিয়া সকলো নিশ্চিত যে এই দুই ৰোগো ভাইৰাছৰ পৰা হয়।

আমি যে আই ওলালে গোসাঁনীৰ নাম ধৰোঁ বা গোপিনী সবাহ পাতোঁ সেয়া একেবাৰে ধৰ্মীয় অনুষ্ঠানহে। ৰোগটোৰ লগত তাৰ একো সম্পৰ্ক নাই। কিন্তু ৰোগীৰ ঘৰত নাম পাতি মাহ-প্ৰসাদ দিলে তাৰ জৰিয়তে, আৰু ৰোগী আৰু পৰিচৰ্যা কৰোঁতাসকলৰ সংস্পৰ্শলৈ অহাৰ ফলত আন মানুহৰ গালৈও এই ভাইৰাছ বিয়পি যাব পাৰে।

আগতে যেতিয়া আমি আই ওলোৱাৰ কাৰণ ভালদৰে বুজি পোৱা নাছিলোঁ, তেতিয়া কথাবোৰ বেলেগ আছিল। এতিয়া ভাইৰাছ আৰু এই ৰোগৰ পোনপটীয়া সম্বন্ধ জনাৰ পাছতো আমি বাৰু আমাৰ পূৰ্বৰ আচৰণ সলাব নোৱাৰোনে? ৰোগীৰ ঘৰত গোপিনী সবাহ বা নাম প্ৰসংগ পাতি তালৈ শিশুসকলকো মাতি আনি তেওঁলোকক ৰোগৰ কাৰক বিলাই দিয়াৰ অধিকাৰ আমাৰ আছেনে?

আমাৰ যে দাঁতত পোকে ধৰে, সেই পোকবোৰ আমি বহুতে ভবাৰ দৰে বিৰাট বিবাট কিবা একোটা নহয়, সেইবোৰ অনুজীৱহে-চকুৰে মনিব নোৱাৰি। এই কথা জনাৰ পাছত, কোনোবা বেজ-বৈদ আহি কলপাত-কচুপাতৰ ওপৰত আপোনাৰ দাঁতৰ পৰা পোক উলিয়াই দেখুৱালে আপুনি বাৰু বিশ্বাস কৰিবনে? তেনে যাদুখেল দেখুওৱা বেজৰ হাতত আপোনাৰ দাঁতৰ যত্ন এৰি নিদিব। আধুনিক দন্ত চিকিৎসা জ্ঞানেৰে জ্ঞানী দাঁতৰ ডাক্তৰৰ সহায় লওক। তাৰ বাহিৰেও দাঁতৰ যত্ন সদায়ে লওক।

আঙুলিটো কাটি তেজ ওলালে আমাৰ বহুতে চোহা মাৰি তেজখিনি খাই থয়। তেওঁলোকে সেই কাম কৰি ভাবে যে দেহৰ পৰা ওলোৱা তেজখিনি পুনৰ দেহত ভৰাই থ'লে। কিন্তু আমাৰ শৰীৰৰ তেজ চলাচল কৰা ব্যৱস্থা বা তন্ত্ৰটো আমাৰ আহাৰ জীণ

নিওৱা তন্ত্রটোৰ পৰা একেবাৰে পৃথক। গতিকে পেটলৈ তেজখিনি সুমুৱাই দিলে সি পোনে পেনে তেজৰ সোঁতলৈ গুচি নাযায়। আনহাতে দূষিত হৈ পেটত সোমোৱা বাবে সি অপকাৰীহে হ'ব পাৰে।

তিৰোতা মানুহৰ যে মাহেকীয়া হয় সেইটো কোনো ৰোগ নহয়, তাৰ লগত কোনো অনুজীৱ বা জীৱাণুও জড়িত নাথাকে। সি এক স্বাভাৱিক প্ৰক্ৰিয়াহে। আগতে মানুহে এই স্বাভাৱিক কথাটোকে নাজানি তেনে তিৰোতাজনীক অস্বাভাৱিক ধৰণৰ ব্যৱহাৰ কৰিছিল।

তেনে তিৰোতাই আচলতে সকলো সচৰাচৰ কাম-কাজ কৰি থাকিব পাৰে। মাত্ৰ দৌৰা, ঢেঁকী দিয়াৰ দৰে টান কাম নকৰাকৈ থকা ভাল। কিন্তু গাঁৱে-ভূঞে, মাহেকীয়া হোৱা তিৰোতাজনীক পাগৰ পৰা আঁতৰাই ৰাখি টান কামহে কৰিবলৈ দিয়া হয়, সেমেকা মজিয়াত কম কাপোৰ বিছনাত শুবলৈ দি ৰোগহে মাতি আনিবলৈ বাধ্য কৰোৱা হয়।

ছি. এছ. আই. আৰৰে এটা বিজ্ঞানাগাৰ লক্ষ্ণৌৰ ইণ্ডাষ্ট্ৰিল টক্সিক'লজি ৰিছাৰ্চ ছেণ্টাৰে এলানি পৰীক্ষা চলাই দেখিচে যে দেশৰ প্ৰায় সকলোবোৰ ব্ৰেণ্ডৰ ধূপতে ডাইমিথাইল থেলেট আৰু ডাইবডিটাইল থেলেট নামৰ দুবিধ বিষাক্ত পদাৰ্থ থাকে। এই দুই পদাৰ্থই মানুহৰ কেন্সাৰ ৰোগ কৰিব পাৰে। কিন্তু আমি দেখোন বন্ধ মন্দিৰত, বন্ধ কোঠাত, সভাগৃহত কোছা-খোছে ধূপ জ্বলাই ধুৱলি-কুঁৱলি কৰি দিহে তৃপ্তি পাওঁ। বিজ্ঞানাগাৰটোৱে প্ৰকাশ কৰিছে যে এই বিষাক্ত ধোঁৱাই সৰু ল'ৰা-ছোৱালীৰ বেছি অপকাৰ কৰে। কিন্তু অকল বিষাক্ত ৰসায়ন দুবিধৰ বাবেই নহয়, ধোঁৱা এনেয়েও আমাৰ বাবে অনিষ্টকাৰী। গতিকে বন্ধ কোঠাত, বিশেষকৈ কেঁচুৱা আৰু শিশু থকা কোঠাত ধূপ-ধূনা নজ্বলাব। ধৰ্মৰ বাবে লাগিলে কমকৈ জ্বলাওক আৰু মুকলি ঠাইত জ্বলাওক।

অকল ধূপ-ধুনাৰ ধোঁৱাই নহয়, যিকোনো ধোঁৱাই বেয়া। বিড়ি চিগাৰেট-হোকাৰ ধোঁৱা, শুকান গছৰ পাত পোৰা ধোঁৱা, ৰাস্তা পকা কৰোঁতে জ্বলোৱা টায়াৰৰ ধোঁৱা- ইয়াৰে প্ৰতিটোতে কঠিন পদাৰ্থকণাৰ বাহিৰেও অন্য অপকাৰী দ্ৰব্যও থাকে। গতিকে এইবোৰ কমাওক। বিড়ি-চিগাৰেট-হোকা নিজে নাখাব, আনে খালেও ওচৰত নাথাকিব। গছৰ পাত নুপুৰিব, পুতি থওক, পচন সাৰো হ'ব। টায়াৰ জ্বলোৱাৰ বিৰুদ্ধে আমাৰ ৰাজ্যত আইন আছেই। কোনোৱা ঠিকাদাৰে টায়াৰ জ্বলাই আলকাতাৰা গলালে ৰাইজে বাধা দিয়ক, নুশুনিলে ওচৰৰ থানা আৰু প্ৰদূষণ পৰিষদৰ কাৰ্যালয়ত জনাওক।

জ্যোতিষৰ বৈজ্ঞানিক ভিত্তি আছেনে ?

বেছিভাগ বাতৰিকাকত আৰু কোনো কোনো ৰেডিঅ' কেন্দ্ৰই ৰাশিফল প্ৰকাশ প্ৰচাৰ কৰে। ইয়াৰে কিছুমান কথা আপোনাৰ হয়তো মিলি যোৱা যেন লাগে। এই 'মিলি যোৱা যেন লাগে' বোলা আপোনাৰ দুৰ্বলতাটোৰ ভিত্তিতে ৰাশিফল আৰু জ্যোতিষ তিষ্ঠি থাকে।

এতিয়াৰ পৰা পাঁচ হাজাৰমান বছৰ আগতে বৰ্তমানৰ ইৰাকত, অতীজৰ মেছ'পটেমিয়াত, মানুহে বিশ্বাস কৰিবলৈ আৰম্ভ কৰি দিছিল যে আকাশৰ গ্ৰহ নক্ষত্ৰই ব্যক্তি, সমাজ আৰু দেশৰ সকলো কথাতে প্ৰভাৱ বিস্তাৰ কৰে। মানুহ এজনৰ জন্মৰ সময়ত আকাশৰ গ্ৰহ-নক্ষত্ৰ কিছুমান আৰু চন্দ্ৰ সূৰ্যৰ যি অৱস্থান সিয়ে মানুহজনৰ ব্যক্তিত্ব, সাফল্য, প্ৰতিভা আদি সকলো নিয়ন্ত্ৰণ কৰে। তেনে এক ধাৰণাৰ ভিত্তিতে জ্যোতিষ শাস্ত্ৰই গঢ় লৈ উঠিল। আনকি জ্যোতিষ আৰু জ্যোতিবিজ্ঞান একাকাৰ কৰি পেলোৱা হ'ল।

জ্যোতিষত আপোনাৰ ভাগ্য গণনাৰ বাবে গ্ৰহ-নক্ষত্ৰৰ যি অৱস্থান লোৱা হয়, সি দূৰ অতীতৰহে অৱস্থান, এতিয়াৰ নহয়। তেনেহ'লে কি যাদুৰ সহায়ত তেনে অতীতৰ অৱস্থানৰ পৰা এতিয়া আপোনাৰ ভাগ্য চক্ৰ সেইবোৰে নিয়ন্ত্ৰণ কৰিব ? বৈজ্ঞানিক যেন শুনাবলৈ কিছুমানে গ্ৰহ-নক্ষত্ৰবোৰৰ আপোনাৰ ওপৰত মহাকৰ্ষিক টানৰ কথা কয়। কিন্তু জন্মৰ সময়ত কেঁচুৱাটোৰ ওপৰত ডাক্তৰ বা ধাইজনীৰ মহাকৰ্ষিক টান দূৰৰ গ্ৰহ-নক্ষত্ৰৰ মহাকৰ্ষিক টানতকৈ বহু বেছি।

জ্যোতিষৰ কিবা বৈজ্ঞানিক ভিত্তি আছে নেকি সেই বিষয়ে সত্যনিৰ্ণয় কৰিবলৈ ১৯৮৪ চনত এখন আন্তৰ্জাতিক সমিতি গঠন কৰি দিয়া হৈছিল। সমিতিয়ে দেখিছিল যে ব্যক্তি বা ৰাষ্ট্ৰৰ বিষয়ে ডাঙৰ জ্যোতিষীয়ে কোৱা কতা যিমান মিলে, সাধাৰণ মানুহ এজনে অনুমান কৰি তেনে কথা ক'লেও সিমানেই মিলে।

বিশদ অনুসন্ধানৰ ভিত্তিত সমিতিয়ে বাতৰি কাকতৰ সম্পাদকসকলক অনুৰোধ জনালে যে তেওঁলোকে যদি ৰাশিফল প্ৰকাশ নকৰাকৈ নোৱাৰে, তেনেহ'লে তাৰ লগতে এইবুলি লিখি দিয়ক ঃ 'ৰাসিফলৰ এই কলমটো মাত্ৰ আপোনাৰ মনোৰঞ্জনৰ বাবেহে পঢ়ক। এই কথাখিনিৰ কোনো বিশ্বাসযোগ্য বৈজ্ঞানিক ভিত্তি নাই।'

ৰাশিফল পঢ়ি যদি আপুনি আমোদ পায়- তেনেহ'লে কোনো কথা নাই। মাত্ৰ তাৰ দ্বাৰা জীৱনটো প্ৰভাৱান্বিত হ'বলৈ নিদিব।

মনত ৰাখিব, ৰাহি-যোৰা চাই পতা বিয়া যিমানখন ভাল বা বেয়া হৈছে, ৰাহি-যোৰা নোচোৱাকৈ পতা বিয়াও সিমান সংখ্যকেই ভাল বা বেয়া হৈছে।

হাতৰ আঁক-বাঁকবোৰত আপোনাৰ ভাগ্য

জ্যোতিষৰ লগতে আন এটা আমাৰ সমাজত বৰকৈ শিপাই থকা বিশ্বাস হস্তৰেখা বিদ্যাৰ কথা আমি অলপ বিতংকৈ আলোচনা কৰিব খুজিছোঁ। হাত চাই ভাগ্য কোৱা মানুহ আমাৰ সকলো ঠাইতে আছে।

আপোনাৰ হাতৰ তলুৱাখনত যে আঁক-বাঁকবোৰ আছে, তাত আপোনাৰ ভৱিষ্যৎ বা আপোনাৰ ভাগ্য লিখা থাকেনে? আৰু কোনোবা জনা মানুহে সেই আঁক-বাঁকবোৰ পঢ়ি কাইলৈৰ দিনটোত, অহা সপ্তাহটোত, অহা মাহ বা বছৰটোতআপোনাৰ ভাগ্যত কি ঘটিব সেই কথা কৈ দিব পাৰেনে? আপোনাৰ ধন-সম্পত্তি লাভ বা বিনাশৰ কথা, যান-বাহন, গাড়ী-মটৰ লাভ বা সেইবোৰৰ হৰণ-ভগনৰ কথা, আপোনাৰ ব্যৱসায়, স্বাস্থ্য বিবাহিত জীৱন, সতি-সন্ততিৰ কথা, সন্মান আৰু যশস্যা লাভৰ কথা, লটাৰিত ধন লাভৰ কথা আপোনাৰ হাতৰ আঁক-বাঁকবোৰতে কোনোবা বিশেষজ্ঞৰ বাবে জল জল পট-পটকৈ পৰাকৈ লিখা থাকে নেকি? আৰু তেনে কথা আপুনি সঁচাই বিশ্বাস কৰে নেকি? যদি কৰে, তেনেহ'লে আপুনি আপোনাৰ মনত এক অন্ধবিশ্বাস বা কু-সংস্কাৰকহে প্ৰশ্ৰয় দিছে। কাৰণ হাতৰ তলুৱাৰ আঁকবোৰ চাই ভূত-ভৱিষ্যৎ ক'ব পৰা হস্তৰেখাবিদ্যা বা পামিষ্ট্ৰিৰ কোনো বৈজ্ঞানিক ভিত্তি নাই। ই এক পুৰণিকলীয়া বিশ্বাসহে। ইয়াৰ ভিত্তিত কোৱা কোনো কোনো কথা আপোনাৰ জীৱনত মিলি যোৱা যেন লাগিব পাৰে— সেয়া মাথোঁ কিবা প্ৰকাৰে মিলি যোৱা কথাহে। বুদ্ধিমান কোনোবা লোকে আপোনাৰ বিষয়ে এনেয়ে কোৱা তেনে ধৰণৰ বহুতো কথাও আপোনাৰ জীৱনত মিলি যাব পাৰে।

মানুহৰ হাতৰ আঁক-বাঁক চাই তেওঁৰ চৰিত্ৰ অধ্যয়ন কৰা আৰু সেই আঁক-বাঁকবোৰৰ পৰাই মানুহজনৰ ভৱিষ্যৎ বা ভাগ্য কৈ দিয়া হস্তৰেখাবিদ্যা নামৰ বিদ্যাটোৰ প্ৰচলন কেতিয়া, ক'ত প্ৰথমে হৈছিল সে কথা কোৱা টান। বহুতে ভাবে যে এই কৌশল বা বিদ্যাৰ আৰম্ভণি আমাৰ দেশ ভাৰততে অতি পুৰণি কালতে হৈছিল। ইয়াৰ পৰাই হয়তো আন দেশলৈও এই বিদ্যাৰ প্ৰব্ৰজন ঘটিছিল। ভাৰতীয় সভ্যতাৰ সংস্পৰ্শলৈ অহাৰ ফলতে অঘৰী জিপছিবোৰেও হস্তৰেখা বিদ্যা শিকাৰ সুযোগ পাইছিল আৰু তাৰ সহায়তে তেওঁলোকে ভৱিষ্যতৰ ভাগ্য কোৱাৰ প্ৰথা এটাৰ প্ৰচলন কৰিছিল।

পুৰণি কালতে চীন দেশ, তিব্বত, পাৰ্ছিয়া, মেছ'পটেমিয়া আৰু ইজিপ্তত হস্তৰেখাবিদ্যাৰ যথেষ্ট চৰ্চা হৈছিল। গ্রিচ দেশতো ইয়াৰ যথেষ্ঠ প্রচাৰ আৰু প্রসাৰ ঘটিছিল।

মধ্যযুগত বহুতো ভূত খেদোৱা ওজা বা বেজে হাতৰ তলুৱাৰ আঁক-বাঁকবোৰ চাই ভাগ্য কোৱাৰ বাহিৰেও হাতৰ তলুৱাত থকা তিল বা মাহৰ দৰে দাগবোৰৰ লগত অপায়-অমংগল ঘটোৱা দেৱতাক সাঙুৰি দি সেইবোৰক খেদোৱাৰ দায়িত্ব লৈ মুনাফা আদায় কৰিছিল।

হস্তৰেখা বিদ্যাৰ ভাগ্যও যে কাহানিও বেয়া হোৱা নাছিল এনে নহয়। এটা সময়ত হস্তৰেখা চাই কোৱা ভাগ্যৰ অনিশ্চয়তা দেখি, বা মাজে-সময়ে হাত চাই কোনো কোনো কথায়েই নিমিলা দেখি মানুহে তাত চোৱা বিদ্যাটোৰ ওপৰতে আস্থা হেৰুৱাই পেলালে। লাহে লাহে হস্তৰেখা বিদ্যা যেন কালৰ বুকুত হেৰাই যোৱাবহে উপক্রম হ'ল। কিন্তু, পুনৰজাগৰণ বা ৰেনেছাঁৰ সময়ত অৰ্থাৎ যোল্ল আৰু সোতৰ শতিকাত হস্তৰেখাবিদ্যাৰ ওপৰত পুনৰ আস্থা স্থাপিত হ'বলৈ ধৰিলে। তাৰ এশ বছৰৰ ভিতৰতে আকৌ বেছিভাগ মানুহে হস্তৰেখাত একো মূল্য নিদিয়া হৈ পৰিল। ১৯ শতিকাত কিন্তু হস্তৰেখা আকৌ জনপ্রিয় হ'বলৈ ধৰিলে। কেছিমিৰ দ্য আৰ্পেনটাইনি, লুই হাৰমন বা কেইৰো, আৰু উইলিয়াম বেনহাম আদিৰ হস্তৰেখা নতুন ব্যাখ্যাই ইয়াক জনসাধাৰণৰ ওচৰ চপাই নিলে। কুৰি শতিকাত ছি, জি, জাং নামৰ এগৰাকী চিন্তাবিদৰ অৱিহণাৰ বাবে হস্তৰেখা সৰ্বসাধাৰণ আৰু জ্ঞানী-গুণী বহুতৰে আপোন হৈ পৰিল।

কিন্তু হস্তৰেখাৰ যি ব্যাখ্যায়েই এদল চিন্তাশীল লোকে নিদিয়ক কিয়, আৰু তাৰ যিমান অংশয়েই মানুহৰ স্বভাৱ চৰিত্র আৰু ভাগ্যৰ ক্ষেত্রত মিলি নাযাওক কিয়, বিজ্ঞানীসকলে কিন্তু হাতৰ ৰেখাৰ এই শক্তিৰ ওপৰত কোনো মূল্য নিদিলে। নানা যুক্তি, ব্যাখ্যা আৰু তথ্য আহৰণৰ পাছত বিজ্ঞানীসকলে প্রমাণ পাইছে যে হাতৰ ৰেখাত মানুহৰ চৰিত্রৰ দিশবো কোনো ইংগিত নাথাকে আৰু তাৰ সহায়ত মানুহজনৰ ভৱিষ্যৎ সম্পৰ্কেও কোনো কথা কোৱাটো সম্ভৱ নহয়।

কিন্তু, বিজ্ঞানীসকলৰ মতে হাতৰ তলুৱাত বা হাতৰ ৰেখাত মানুহজনৰ স্বাস্থ্য, পৰিষ্কাৰ-পৰিচ্ছন্নতা, তেওঁৰ পেশা বা জীৱিকাৰ ধৰণ আৰু তেওঁৰ আৱেগিক স্বাস্থ্যৰ খবৰ লুকাই থাকে। দৈহিক কাম কৰি খোৱা মানুহৰ হাত-নখ টান আৰু অপৰিষ্কাৰ হ'ব পাৰে, হতাশ হোৱা বা নাৰ্ভাছ কৰা মানুহে হাতৰ ছাল বা নখ কামুৰিব পাৰে, ৰক্তহীনতাত

ভোগা মানুহৰ হাতৰ তলুৱা শেঁতা হ'ব পাৰে। ডাক্তৰ কবিৰাজে হাতৰ তলুৱা চাই সেইবাবে মানুহজনৰ স্বাস্থ্য আৰু মানসিক অৱস্থাৰ কিছু প্ৰাথমিক তথ্য সংগ্ৰহ কৰিব পাৰে। সেইবাবেই চিকিৎসকে প্ৰায়েই ৰোগীৰ হাতহে প্ৰথমতে চাই লয়। অভিজ্ঞ চিকিৎসকে হাত চাই ক'ব পাৰে কথাখিনিকে কৈ আৰু ভৱিষ্যৎ সম্পৰ্কে দুই-চাৰিটা সাধাৰণ বিধৰ অস্পষ্ট কথা কৈ হস্তৰেখাবিদে সাধাৰণ মানুহক চমক খুৱাই দিব পাৰে।

লণ্ডনৰ ব্ৰিটিছ ৰয়েল ইনফাৰ্মাৰিৰ চিকিৎসাবিজ্ঞানী পি জি নিউৱিক আৰু তেওঁৰ সহকৰ্মীসকলে অলপতে এটা জৰিপ চলাই হস্তৰেখা আৰু আয়ুসৰ সম্বন্ধ নিৰূপণ কৰিবলৈ চেষ্টা চলাইছিল। তেওঁলোকে শতাধিক মৃত ব্যক্তিৰ হাতৰ তলুৱাৰ জীৱনৰেখা বা আয়ুসৰ ৰেখাডালৰ দৈৰ্ঘ আৰু মৃত্যুৰ সময়ত মৃতকৰ বয়সৰ হিচাপ লৈছিল। তেওঁলোকে দেখিছিল যে দীঘল আয়ুস ৰেখা বা জীৱন ৰেখাৰ মানুহৰ আয়ুসো বেছি আছিল। এই কথাই দেখাত হস্তৰেখা বিজ্ঞানৰ গৌৰৱ ঘোষণা কৰা যেনেই লাগে। কিন্তু আন চিকিৎসা বিজ্ঞানীসকলে ভাবে যে এইটো হয় এনেয়ে মিলি যোৱা কথা, নহয় হাতৰ ৰেখাডালৰ দৈৰ্ঘ্যৰ কিবা স্বাস্থ্যজনিত কাৰণহে আছে।

শৰীৰ বিজ্ঞানীসকলে কয় যে মাকৰ গৰ্ভত থকাৰে পৰা হাতখন মুঠি মৰা আৰু খোলা কাম কৰোঁতে আৰু সেইদৰে হাতখনত বা আঙুলিবোৰত ভাঁজ-ভূজ দিবৰ সুবিধাৰ বাবেহে হাতৰ তলুৱাৰ ৰেখাবোৰৰ সৃষ্টি হৈছে। তাৰ লগত মানুহজনৰ ভাগ্য জড়িত হোৱাৰ কোনো কথাই নাই।

যুক্তিবাদী মানুহৰ বাবে হস্তৰেখাবিদ্যাটো এটা ভুৱা বিজ্ঞানহে। তাৰ কোনো বৈজ্ঞানিক ভিত্তি নাই।

সেইবাবে, কেৱল আমোদৰ বাবে বা মনোৰঞ্জনৰ বাবে যদি জ্যোতিষীৰ হতুৱাই আপোনাৰ হাত চোৱায়, তেনেহ'লে তাত কাৰো আপত্তি কৰিবলগীয়া নাই। কিন্তু হাত চাই কোৱা সৌভাগ্য বা দুৰ্ভাগ্যৰ কথাবোৰত মুঠেই বিশ্বাস নকৰিব। সেয়া দুৰ্বল মনৰ মানুহৰহে কাম।

আগতে মানুহে আই ওলোৱাৰ কাৰণ নাজানিছিল। আগতে মানুহে তিৰোতা মানুহৰ মাহেকীয়া হোৱাৰ প্ৰক্ৰিয়াটো বুজি পোৱা নাছিল, আগতে মানুহে ধোঁৱাৰ অপকাৰিতাৰ কথাও বুজি পোৱা নাছিল। তেতিয়া তেওঁলোকে যেনে আচৰণ কৰিছিল, আজি জানি-বুজিও আপুনি তেনে আচৰণ কৰিবনে?

জনা-বুজা হোৱা বাবে আজিৰ দিনৰ মানুহ হোৱা বাবে আপুনিতো আজিকালি বহুতো যুক্তিযুক্ত (rational) কামো কৰে। যেনে, দুৰ্ঘটনা এটা হোৱা দেখিলে আহতজনক তৎক্ষণাৎ হস্পিটেললৈ নিয়ে, নামঘৰ বা মছজিদ বা গির্জালৈ নিনিয়ে। তাৰ লগতে আৰু কিছুমান অযুক্তিকৰ কাম-কাজ, নীতি-নিয়ম বাদ দি আপুনি একেবাৰে বৈজ্ঞানিক ভাবাপন্ন মানুহৰ শাৰীলৈ নুঠে কিয় ?

পুৰণিতো বৈজ্ঞানিক কথা

কিন্তু বৈজ্ঞানিক ভাবাপন্ন হোৱা মনে সকলো পুৰণি কথাকে এৰি পেলোৱাটো নুবুজায়। আমাৰ আইতাহঁতে যে পাকঘৰলৈ সোমাওঁতে ৰঙা মেখেলাখনহে পিন্ধি সোমাইছিল— সেইটো এটা বৈজ্ঞানিক নীতিৰ ওপৰত প্ৰতিষ্ঠিত কথা। যিকোনো বাহিৰত পিন্ধা কাপোৰে পাকঘৰলৈ নানা ধৰণৰ বীজাণুৰ আমদানি কৰাব পাৰে। গতিকে, ভালদৰে পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ, পাকঘৰত সেই বিশেষ সাজযোৰ পিন্ধি খোৱাৰ যা-যোগাৰ, ৰন্ধা-বঢ়া কৰিলে সি অতি স্বাস্থ্যসন্মত ব্যৱস্থা হ'ব। অৱশ্যে, কোনো কোনোৱে অধিক বৈজ্ঞানিক কথা শুনাবলৈ ৰঙা কাপোৰযোৰৰ বীজাণুধ্বংসী গুণ আছে বুলি কোৱা কথাষাৰ বঢ়াই কোৱা কথাহে।

পাকঘৰলৈ আৰু খোৱা কোঠালৈ জোতা-চেণ্ডেল নিনিয়াটোও তেনে এক পৰিষ্কৰণৰ ব্যৱস্থাহে। গোটেই ঘৰখনতে বাহিৰৰ জোতা-চেণ্ডেল নিপিন্ধি, বাহিৰতে জোতা-চেণ্ডেল খুলি ভিতৰৰ জোতা-চেণ্ডেল বেলেগ কৰি ল'লে ব্যৱস্থাটো আৰু অলপ ওপৰলৈ উঠিব। বহুতে তেনেদৰে নিজে জোতা খুলি আহে, কিন্তু সৰু ল'ৰা-ছোৱালীক জোতা খুলিবলৈ নিদিয়ে। সৰু ল'ৰা-ছোৱালীৰ জোতাৰ পৃষ্ঠকালিহে কম হ'ব পাৰে, কিন্তু বীজাণুৰ সংখ্যাত সি ডাঙৰ জোতাকো চেৰ পেলাব পাৰে।

কঠীয়াবোৰত ষ্টেম ব'ৰাৰ বা ঠাৰি ফুটা কৰা পোক থাকিব পাৰে। তেনে কঠীয়াৰ আগ কঠীয়াতলীতে কাটি থৈ গ'ল বোৱাতলীলৈ ষ্টেম ব'ৰাৰ যোৱাৰ সম্ভাৱনা কমি যায়।

এনে আৰু বহুতো উদাহৰণ দিব পাৰি। আমাৰ মেকুৰী মাৰিলে সোণৰ মেকুৰী দিব লগা, জীৱ-জন্তু অনাহকতে মাৰিলে পাপ লগা আদি কথাই ইক'লজি ৰক্ষা কৰাত সহায় নকৰে জানো ?

তাৰ লগতে সনা-পোটোকাকৈ সোমাই অহা কিছুমান বিশ্বাস বা ৰীতি-নীতিৰ প্ৰতি আমি সাৱধান হ'ব লাগিব। ধৰ্মৰ নামতে লেতেৰা, মানুহে হাত-ভৰি ধোৱা মন্দিৰৰ

ওচৰৰ খালৰ পানী মুখত লোৱা বা খোৱা উচিত হ'বনে? কোনোবা বাবাই তেওঁৰ ফটো এখনত বিভূতি ওলায় বুলি ক'লে বা উলিয়াই দেখুৱালেই আমি বাবাৰ ঐশ্বৰিক শক্তিক বিশ্বাস কৰিমনে?সেয়া দেখোন ৰাসায়নিক দ্ৰব্য সানি দি যিকোনো মানুহেই উলিয়াই দেখুৱাব পাৰে।

এতিয়া আনকি আমি আমাৰ গাঢ় সংস্কাৰ কিছুমানো নতুন দৃষ্টিৰে চালি-জাৰি চাই এৰি পেলাবৰ হ'ল।

হিন্দু মানুহৰ মৃতদেহ এটা সৎকাৰ কৰোঁতে তিনি কুইণ্টল খৰি লাগে। ই কেইবাজোপাও গছ ধ্বংস কৰে আৰু বায়ুমণ্ডলো প্ৰদূষিত কৰে। তাৰ সলনি আমি এতিয়া হিন্দুৰ মৃতদেহো কবৰ দিয়াৰ কথা চিন্তা কৰিব লাগে। কল্পনা কৰক- আমি এখন ভাল চকু-ৰোৱা, ফল-ফুলেৰে ভৰা কবৰস্থান ল'লো। এফালৰ পৰা তাত কবৰ দি গ'লো। কোনো পকী নিৰ্মাণ নকৰিলোঁ। পাঁচ বছৰৰ পাছত আগৰ ঠাইলৈ আকৌ ঘূৰি আহি কবৰ দিবলৈ আৰম্ভ কৰিলোঁ। তেনে একোখন আদৰ্শ কবৰস্থান আপোনাৰ গাঁও-চহৰত কল্পনা কৰক। তেতিয়া প্ৰদূষণৰ সমস্যাও বোধ হ'ব, পৰিৱেশো সংৰক্ষিত হ'ব।

তেনেদৰে, উচ্চ হিন্দুৰ বিধবাক যে মাছ-মাংস খাবলৈ দিয়া নহয়, তাৰ কিবা বৈজ্ঞানিক যুক্তি আছেনে? যদি আছে তেনে নিয়ম তিৰোতা ঢুকোৱা মতা মানুহজনৰ বাবেওতো হ'ব লাগিছিল।

আমি ইয়াত কেইটামান উদাহৰণহে দিলোঁ। সমাজৰ বা ব্যক্তিৰ জীৱন আন নানা ধৰণৰ বিশ্বাস বা নীতি-নিয়মো আমি চালি-জাৰি চাব লাগে আৰু তাৰে অনিয়ম অন্ধ বিশ্বাসবোৰৰ পৰা নিজকে মুক্ত কৰিব লাগে।

আগতে মানুহে নানা ধৰণৰ পৰিঘটনাৰ বৈজ্ঞানিক কাৰণ বা ভিতৰৰ ৰহস্য বুজি পোৱা নাছিল। গতিকে তাৰ ব্যাখ্যা দিব নোৱাৰি তেওঁলোকে দেৱ-দেৱী, বাবা-সন্ন্যাসী, পূজা-সেৱা, জৰা-ফুকা, অলৌকিকতা আদিৰ আশ্ৰয় লৈছিল।

এতিয়া কথাবোৰ বেলেগ হ'ল। বিজ্ঞানে প্ৰকৃতিৰ নানা ৰহস্যৰ যুক্তিযুক্ত ব্যাখ্যা আগবঢ়ালে।

বিজ্ঞানৰ সেইবোৰ তথ্য, সেইবোৰ যুক্তিৰ ভেটিতে আমি কথাবোৰ চালি-জাৰি চাই অন্ধবিশ্বাসৰ কবলৰ পৰা ব্যক্তি আৰু সমাজক মুক্ত কৰিব লাগে।

আপোনাৰ মনটো এতিয়া মুকলি কৰক। কাৰণ এতিয়া আপুনি জানে যে মাহেকীয়া হোৱাটো কোনো ৰোগ বা সোঁচৰা ৰোগ বা সোঁচৰা ৰোগ নহয়, কোনো অস্পৃশ্য কথা

নহয়। তেওঁক ৰান্ধনিশালৰ পৰা আঁতৰাই থৈ, অফিচ-কাছাৰী খতি কৰি আপুনি ভাত বন্ধাৰ এতিয়া আৰু কোনো প্ৰয়োজনেই নাই। কাৰণ আপুনি আপোনাৰ পুৰণি অন্ধবিশ্বাস আঁতৰাই থৈ নতুন কথা গ্ৰহণ কৰিবলৈ সাজু হৈছে।

মনটো মুকলি কৰি ৰাখি নতুন জ্ঞান, নতুন তথ্যেৰে নতুন সিদ্ধান্তত উপনীত হ'বলৈ সাজু হওক। সকলো কথা চালি-জাৰি চাবলৈ, ফঁহিয়াই চাবলৈ অভ্যাস কৰক। পুৰণি কালৰে পৰা বা বোপা-ককাৰ দিনৰে পৰা চলি আহিছে বুলি অনিষ্টকাৰী বা প্ৰগতিত বাধাৰ সৃষ্টিকাৰী প্ৰথাবোৰ চলাই নাৰাখিব। ভাগ্যৰ ওপৰত নিৰ্ভৰ কৰি বহি নাথাকিব। আপুনি কৰিব পৰাখিনি কৰি যাওক।

দেখিব, প্ৰকৃত বিজ্ঞানী এজনে যেনে মন, যেনে চিন্তা লৈ আগবাঢ়ে, যেনে পদ্ধতি অনুসৰণ কৰে, আপুনিও তেনে মনৰ অধিকাৰী হ'ল। আপোনাৰ এই বৈজ্ঞানিক মানসিকতাই সমাজখনৰ প্ৰগতিত অৰিহণা যোগাব।

বৈজ্ঞানিক দৃষ্টিভংগীৰ বাবে বিজ্ঞানৰ ডিগ্ৰি লাগিবইনে ?

জীৱনত বৈজ্ঞানিক দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ আমাক বিজ্ঞানৰ ডিগ্ৰি এটা লাগিবই বুলি কথা নাই। বিজ্ঞানৰ বিশেষ কোনো শিক্ষা-দীক্ষা নথকা লোক, বা একেবাৰে শিক্ষা-দীক্ষায়েই নথকা হোজা-চহা লোকৰো বৈজ্ঞানিক দৃষ্টিভংগী বা বৈজ্ঞানিক মানসিকতা থাকিব পাৰে। আনহাতে, বিজ্ঞানৰ ডিগ্ৰি থকা বা বিজ্ঞানৰ কোনোবা এটা দিশত কাম কৰি জীৱিকা নিৰ্বাহ কৰা কোনো কোনো মানুহৰো আকৌ বৈজ্ঞানিক দৃষ্টিভংগী একেবাৰে নাথাকিব পাৰে, অবৈজ্ঞানিক -অযুক্তিকৰ-ভাগ্যবিশ্বাসী কথা-বতৰাৰে তেওঁৰ জীৱন ভৰি থাকিব পাৰে।

অকল যে বিজ্ঞান শাখাত পঢ়া ছাত্ৰ-ছাত্ৰীখিনিৰেই বিজ্ঞানৰ দৃষ্টি আয়ত্ত হ'ব লাগিব, অকল যে তেওঁলোকেহে বৈজ্ঞানিক মানসিকতা লাভ কৰিব লাগিব- সেইটো নহয়। শ্ৰেণীত বিজ্ঞান এদিন পঢ়কেই বা নপঢ়কেই, বিজ্ঞানৰ কিবা ডিগ্ৰি ডিপ্ল'মা থাককেই বা নাথককেই, মানুহ এজন মানুহ হ'ব লাগিলে তেওঁৰ কিছু পৰিমাণে বৈজ্ঞানিক মানসিকতা থাকিব লাগিব। বৈজ্ঞানিক মানসিকতা আয়ত্ত কৰাৰ বাবে শ্ৰেণীকোঠাৰ বিজ্ঞানৰ সিমান প্ৰয়োজন নাই। আনহাতে আকৌ শ্ৰেণীকোঠাৰ বিজ্ঞান পঢ়ি, বিজ্ঞানৰ ডিগ্ৰি-ডিপ্ল'মালৈও বহুতো লোকে অকণমানো বৈজ্ঞানিক দৃষ্টিকোণ বা বৈজ্ঞানিক মানসিকতা নেদেখুওৱাকৈয়ে জীৱন পাৰ কৰে। তেওঁলোকে শ্ৰেণীত ভালদৰে বিজ্ঞান শিকে,

পাঠ্যপুথিৰ জ্ঞান ভালদৰে আয়ত্ত কৰে, পৰীক্ষাত ভাল নম্বৰ পোৱা কৌশলো শিকি লয়, কিন্তু যি প্ৰক্ৰম, যিপদ্ধতিৰ ফলত বিজ্ঞান বোলা বস্তুটো গঢ়ি উঠিল সেই বিজ্ঞানৰ প্ৰক্ৰম বা সেই পদ্ধতিয়ে তেওঁলোকৰ জীৱন চুই যাব নোৱাৰে।

তেওঁলোকে বিজ্ঞানৰ ডিগ্ৰি-ডিপ্ল'মাই ল'লে হয়, কিন্তু বিজ্ঞানৰ পদ্ধতি প্ৰক্ৰমৰ এলেকাটোত তেওঁলোক নিৰক্ষৰ হৈয়ে ৰৈ গ'ল।

আচৰিত যেন লাগিলেও সঁচা যে আমাৰ দেশত এনে বিজ্ঞান ডিগ্ৰিধাৰী বৈজ্ঞানিকভাৱে নিৰক্ষৰ লোক অনেক আছে।

তেওঁলোকে ব্যক্তিগত আৰু সামাজিক জীৱনৰ সিদ্ধান্ত এটা গ্ৰহণ কৰোঁতে বা সমস্যা এটাৰ সমাধান কৰোঁতে কথাবোৰ ভালদৰে চালি-জাৰি চাই যুক্তিৰ ফালৰ পৰা আগবঢ়াৱ সলনি পুৰণি বিশ্বাস-অন্ধবিশ্বাসৰ ভিত্তিত, অযুক্তিকৰ ধাৰণাৰ ভিত্তিত সিদ্ধান্ত গ্ৰহণ কৰে বা সমস্যাৰ সমাধান আগবঢ়ায়। ধৰ্ম, নীতি-নিয়ম, ভাগ্য, জাত-কুল আদি তেওঁলোকৰ আগত বলিষ্ঠ হৈ দেখা দিয়ে, যুক্তি, বিশ্লেষণ আদি তল পৰি যায়। অৰ্থাৎ বিজ্ঞানৰ শিক্ষা গ্ৰহণ কৰাৰ পাছতো তেওঁলোকে অবিজ্ঞানসুলভ দৃষ্টিভংগীৰে ব্যক্তিগত, পাৰিবাৰিক, সামাজিক আৰু দেশীয় জীৱন পৰিচালনা কৰে।

আনহাতে, বিজ্ঞানৰ ডিগ্ৰি-ডিপ্ল'মা থকা আৰু নথকা কিছুসংখ্যক লোক আছে যিসকলে প্ৰতিটো কথাৰ, প্ৰতিটো সমস্যাৰ ক্ষেত্ৰত পৰিস্থিতিটো ভালদৰে অধ্যয়ন কৰে, কিবা এটা মতত উপনীত হোৱাৰ আগেয়ে তাৰ সপক্ষে আৰু বিপক্ষে থকা যুক্তিবোৰ বিবেচনা কৰি চায়, যুক্তিগত প্ৰতিপন্ন হ'লে তেওঁলোকে পুৰণি ৰীতি বা পৰম্পৰাকো এৰি নতুন কথা গ্ৰহণ কৰিবলৈ সবিধা সাজু থাকে বা আন কথাত তেওঁলোকে তেওঁলোকৰ মনতো সদায় মুকলি কৰি ৰাখে। এনে মুকলি মনৰ, বৈজ্ঞানিক মনোভাৱসম্পন্ন লোকৰ সংখ্যা বৰ কম। কিন্তু তেওঁলোকৰ কাৰণেই সমাজখন, দেশখন প্ৰগতিৰ পথত আগবাঢ়ে।

আপুনি যদি জীৱনৰ কথা-বতৰাবোৰ, আপোনাৰ চকুৰ আগত ঘটি থকা ঘটনাবোৰ, আপুনি নানা ধৰণে শুনা বা জনা ঘটনাবোৰ ভালদৰে লক্ষ্য কৰে, তাৰ সপক্ষে-বিপক্ষে থকা যুক্তিবোৰ চালি-জাৰি চায়, আপোনাৰ আগৰ মততে আঁকোৰগোজ হৈ লাগি নাথাকে— তেনেহ'লে আপোনাৰ এটা বৈজ্ঞানিক দৃষ্টিভংগী, এটা বৈজ্ঞানিক মন আছে। তাৰ বাবে আপোনাৰ কলেজ-বিশ্ববিদ্যালয়ে আনুষ্ঠানিক শিক্ষা আৰু পৰীক্ষাৰ পদ্ধতিৰে দিয়া ডিগ্ৰী এটা নহ'লেও হ'ব। তাৰ বাবে আপোনাক প্ৰথমতে লাগে আপোনাৰ চকু-

কাণ-নাক-জিভা -ছালে যোগান ধৰা তথ্যবোৰ ভালদৰে আহৰণ কৰিব পৰা ক্ষমতা, বা সূক্ষ্ম পৰ্যবেক্ষণৰ ক্ষমতা। এবাৰ যেতিয়া তথ্যবোৰ আপুনি পালে, অৰ্থাৎ কথাটো বা ঘটনাটো আপুনি ভালদৰে পৰ্যবেক্ষণ কৰি সেই বিষয়ে যিমান জনা সম্ভৱ জানি ল'লে, তেতিয়াই কথাটো বা ঘটনাটো বুজাৰ বাবে, বুজি সেই বিষয়ে কিবা এটা সিদ্ধান্ত লোৱাৰ বাবে আপুনি নতুন দক্ষতা আয়ত্ত কৰিলে। তেতিয়াই বৈজ্ঞানিক দৃষ্টিভংগী বা বৈজ্ঞানিক মানসিকতা আয়ত্ত কৰাৰ দিশত আপুনি প্ৰথম খোজটো আগবঢ়ালে।

বৈজ্ঞানিক মানসিকতাৰ লক্ষণ

বৈজ্ঞানিক মানসিকতাৰ কেইটামান লক্ষণ চমুকৈ এনেকৈ তালিকাভুক্ত কৰিব পাৰি ঃ

* "বিজ্ঞানত সিদ্ধান্ত, আবিষ্কাৰ আৰু সমাধান নিঃসন্দেহে গুৰুত্বপূৰ্ণ কথা, কিন্তু তাতোকৈ গুৰুত্বপূৰ্ণ কথা হ'ল সন্ততভাৱে উন্নতভাৱে উন্নত ব্যাখ্যা আৰু আগতকৈ গুৰুত্বপূৰ্ণ সত্যৰ বাবে চলাই যোৱা অনুসন্ধানহে। ইয়াত দাড়ি নাই, আছে কমা, ছেমিকল'ন আৰু প্ৰশ্নবোধক চিনহে। বৈজ্ঞানিক অনুসন্ধানৰ স্পৃহা সদায় আমাৰ অনুপ্ৰেৰণা হ'ব লাগে।"
* বৈজ্ঞানিক দৃষ্টিকোণ সদায়ে মুকলি দৃষ্টিকোণ। ই সদায় নতুন সাক্ষ্যৰ প্ৰতি উন্মুক্ত-ই সদায় নতুন কথা গ্ৰহণ কৰিবলৈ সাজু। ইয়াত গোড়ামি আৰু সংকীৰ্ণতাৰ কোনো স্থান নাই। বৈজ্ঞানিক সিদ্ধান্ত একোটা যেতিয়ালৈকে আন এটাহে হ'ব লাগে বুলি প্ৰমাণিত নহয়, তেতিয়ালৈকেহে শুদ্ধ।
* বিজ্ঞানত কোনো সিদ্ধান্ত শুদ্ধ নে অশুদ্ধ তাৰ প্ৰমাণ হয় তথ্যৰ ভিত্তিত। আহৰিত তথ্য বা সত্যসমূহ সিদ্ধান্তটোৰ লগত মিলি গ'লে সিদ্ধান্তটো শুদ্ধ, নহ'লে সি অশুদ্ধ। বিজ্ঞানত আহৃত তথ্যবোৰেহে গুৰুত্ব আছে, পৰম্পৰা বা সংখ্যাধিক্য, বা কোন কৰ্তৃপক্ষৰ পৰা সি আহিছে তাৰ কোনো মূল্য নাই।
* বিজ্ঞানত আগতকৈ উন্নত ব্যাখ্যাৰ বাবে অনুসন্ধান অবিৰতভাৱে চলি গৈ থাকে। আগৰ স্তৰত হৈ অহা ভুল-ভ্ৰান্তি উন্নত তথ্যৰ ভিত্তিত পাছত শুধৰাই যোৱা হয়। বিজ্ঞানত শেহতীয়া ব্যাখ্যা বা সিদ্ধান্তটোহে আটাইতকৈ গ্ৰহণযোগ্য হৈ থাকে। গতিকে, বিজ্ঞানত তাতোকৈ উন্নত ব্যাখ্যা বা সিদ্ধান্তৰ বাবে আমি ভৱিষ্যতলৈহে চাব লাগিব, অতীতলৈ নহয়

* বিজ্ঞান সাৰ্বজনীন। ইয়াত ভাৰতীয় বিজ্ঞান বা মাৰ্কিন বিজ্ঞান বুলি কোনো কথা নাই। আমি এই জগতখনত প্ৰকৃতি বা পদাৰ্থৰ যি চৰিত্ৰ বা আচৰণ অধ্যয়ন কৰোঁ সি সাৰ্বজনীন তথ্য দিয়ে। বিজ্ঞানৰ এই ব্যাপক আৰু উদাৰ চৰিত্ৰ সমাজ জীৱনলৈ নিব পাৰিলে সমাজৰ উপকাৰ হ'ব।
* বিজ্ঞানত ব্যাখ্যাসমূহ প্ৰক্ৰিয়া একোটাৰ বিষয়ে দিয়া ব্যাখ্যাহে- তাত কৰ্তাৰ কোনো স্থান নাই। বজ্ৰপাতৰ সৃষ্টি কেনেকৈ হয় বা বৰ্তমানৰ বিশ্বব্ৰহ্মাণ্ডখনৰ সৃষ্টি কেনেকৈ হ'ল— এই ধৰণৰ কথাহে ইয়াত ব্যাখ্যা কৰা হয়, বজ্ৰপাতৰ বা বিশ্বব্ৰহ্মাণ্ডখনৰ সৃষ্টি কেনে কৰিলে- তেনে ধৰণৰ প্ৰশ্ন বিজ্ঞান জগতত অবান্তৰ। বিজ্ঞানত কাৰ্যৰ কাৰণহে বিচৰা হয়, কৰ্তা নহয়।

বিজ্ঞানৰ পৰীক্ষাবোৰৰ ফলাফল পুনৰ পৰীক্ষা কৰি চাব পাৰি আৰু এইবোৰ পৰীক্ষাৰ অৱস্থাৰ ওপৰতে নিৰ্ভৰশীল, পৰীক্ষকৰ ওপৰত নহয়।

মন মুকলি কৰক

আপোনাৰ মনটো সকলো কথাৰ প্ৰতি মুকলি কৰি ৰাখক আৰু পুৰণি কথাবোৰো চালি-জাৰি চাওক, তাৰে লগাখিনি গ্ৰহণ কৰক আৰু যিবোৰ ভিত্তিহীন বুলি ভাবে সেইবোৰ এৰি পেলাবলৈ সাজু থাকক।

মনটো মুকলি ৰাখি নতুন জ্ঞান নতুন তথ্যৰে নতুন সিদ্ধান্তত উপনীত হ'বলৈ সাজু হওক। ভাগ্য আৰু জ্যোতিষৰ ওপৰত বিশ্বাস কৰি বহি নাথাকিব। আপোনাৰ হাতৰ ৰেখাবোৰ হাতখন জপোৱা-মেলা সুবিধাৰ বাবেহে হৈছে। তাত কোনেও ভাগ্য লিখি থৈ দিয়া নাই।

এনেদৰে আগবাঢ়িব পাৰিলে আপুনিও প্ৰকৃত বৈজ্ঞানিক চিন্তাধাৰাৰে উদ্বুদ্ধ বিজ্ঞানী এজনৰ দৰে আগবঢ়া হ'ব। আপোনাৰ এনে বৈজ্ঞানিক মানসিকতাৰ বাবে সমাজখনৰ আৰু লগতে আপোনাৰো উপকাৰহে হ'ব।

এটা কুসংস্কাৰ-আচ্ছন্ন, অবৈজ্ঞানিক মনে দেশ আৰু সমাজৰ প্ৰগতিত বাধা দিয়ে। এটা মুকলি, বিশ্লেষণশীল, বৈজ্ঞানিক মনে প্ৰগতিৰ ধাৰা কৰি তোলে।

চৰ্বিতচৰ্বণৰ দোষে চুইছে বুলি জানিও আমি আমাৰ সমাজৰ কিছুমান অনুষ্ঠানে বিজ্ঞান মানসিকতা গঢ়াৰ দিশত কোনো পদক্ষেপ আগবঢ়াব পাৰে তাৰ দুটামান পৰামৰ্শ বা ধাৰণা উপস্থাপন কৰিলোঁ ঃ

ওপৰঞ্চি -১

স্কুল-কলেজত বৈজ্ঞানিক মানসিকতাৰ সৰু সৰু খোজ

স্কুল বা কলেজ এখনত বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিজ্ঞানৰ পাঠ্যক্ৰম একোটা থাকিবই আৰু আন নহ'লেও একমাত্ৰ পৰীক্ষা বোলা কথাটোৰ বাবেই ছাত্ৰ-ছাত্ৰীসকলৰ এনে পাঠ্যক্ৰমৰ লগত চিনাকি হ'বই। কিন্তু বিজ্ঞানৰ মানসিকতা? বিজ্ঞানৰ পদ্ধতি আৰু প্ৰক্ৰম? জীৱনত বিজ্ঞানৰ দৃষ্টিকোণ আয়ত্ত কৰাৰ অনুপ্ৰেৰণা? এইবোৰৰ বাবে আমাৰ বিজ্ঞানৰ পাঠ্যক্ৰমবোৰত বিশেষ পোনপটীয়া প্ৰচেষ্টা নাই। অথচ এইবোৰ হ'ল বৰ আৱশ্যকীয় কথা আৰু অকল বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীৰ বাবেই নহয়, সকলো স্তৰৰ সকলো মানুহৰ বাবে এই কথাবোৰ বা বৈজ্ঞানিক মানসিকতা গঢ়াৰ প্ৰক্ৰিয়াটো বৰ আৱশ্যকীয়, এক প্ৰকাৰ এৰাব নোৱৰা কথা।

বৈজ্ঞানিক মানসিকতা গঠনৰ দিশটো আমাৰ পাঠ্যপুথিবোৰত বৰ দুখ লগাকৈ বাদ দি থোৱা হৈছে। ফলত একো-একোজন লোকে ৰাজহুৱা পৰীক্ষাবোৰত বিজ্ঞানৰ প্ৰশ্নকাকতখনত বা বিজ্ঞান শাখাৰ প্ৰশ্নকাকতবোৰত উৎকৃষ্ট ফল দেখুৱাই জীৱনত বিজ্ঞানৰ কোনো স্থানত নিজকে ভালদৰে প্ৰতিষ্ঠা কৰিব পাৰিছে। হয়তো তেওঁ পদাৰ্থ বিজ্ঞানৰ অধ্যাপক হৈছে বা ডাক্তৰ হৈছে বা ইঞ্জিনিয়াৰ হৈছে। কিন্তু জীৱনৰ প্ৰতিটো খোজতে তেওঁ বৈজ্ঞানিক পদ্ধতিত নিৰক্ষৰ এজন নিতত্তই সাধাৰণ মানুহৰ দৰে আচৰণ কৰিছে। তেওঁৰ অনুষ্ঠানটোৰ ঘৰ বা ৰাস্তা বন্ধাৰ সময়ত তেওঁ অযথা আৰু নিৰ্দয়ভাৱে গছ-গছনি কটাইছে, গণেশে গাখীৰ খোৱা বুলি শুনাৰ লগে লগে মন্দিৰলৈ ঢাপলি মেলিছে (পৰীক্ষা কৰি চাওঁ বুলি যোৱা হাজাৰত এজন বা লাখত এজনৰ কথা কোৱা হোৱা নাই); ঘৰত জাবৰত জুই লগাই দি অযথা প্ৰদূষণ বঢ়াইছে; 'বোপা ককাৰ ৰীতিটো এৰিমেই বা কিয়?' বুলি অবৈজ্ঞানিক-অযুক্তিকৰ বিশ্বাসক (অন্ধবিশ্বাসক) সাবটি বহি আছে; আৰু হাতৰ দহোটা আঙুলি-বাউসি-কিলাকুটি, ডিঙি আৰু কঁকালত তাবিজ-ৰতন বান্ধি নিজ ভাগ্য গঢ়াৰ বা নিয়ন্ত্ৰিত কৰাৰ সপোন দেখিছে। সেইবাবে পাঠ্যক্ৰম ডিগ্ৰিয়ে দিব নোৱাৰা জীৱনৰ বৈজ্ঞানিক মানসিকতাৰ দিশটোৰ প্ৰতি স্কুল-কলেজত ছাত্ৰ-ছাত্ৰীৰ মনত অংকুৰিত কৰাই, কলেজ বিশ্ববিদ্যালয় পৰ্যায়লৈ তাৰ বৰ্ধন-প্ৰসাৰণ হ'বলৈ দিব লাগে।

এই কাৰ্যত স্কুল-কলেজৰ অধ্যক্ষ, শিক্ষক গোট, ছাত্ৰ একতা সভা আদিয়ে আগভাগ ল'ব পাৰে আৰু সৰু-সুৰা কামৰ যোগেদিয়েই বৈজ্ঞানিক মানসিকতা গঠনৰ দিশটোত স্থায়ী অৰিহণা যোগাব পাৰে।

বৈজ্ঞানিক মানসিকতা ঃ কেনেকৈ ?

দীঘল আলোচনা বা বিশদ বৰ্ণনালৈ নগৈ আমি মাত্ৰ কেইটামান উদাহৰণহে দাঙি ধৰিব খুজিছোঁ ঃ

১। পাৰিপাৰ্শ্বিকতা ৰক্ষা কৰাটো আমাৰ সকলোৰে কৰ্তব্য। এই বিষয়ে কোনো বহল আলোচনাৰে প্ৰয়োজন নাই।

এতিয়া এখন কলেজ বা স্কুলৰ আমি এই দিশত কি কৰিব পাৰোঁ ? বা ছাত্ৰ-ছাত্ৰী, শিক্ষকশিক্ষয়িত্ৰী হিচাপে আমাৰ ওচৰে-পাজৰে, আমাৰ চহৰখনত আমি কি কৰিব পাৰোঁ ?

(ক) আমি গছ ৰুব পাৰোঁ- হাজাৰ-বিজাৰ গছ। আমাৰ অনুষ্ঠানৰ চৌহদত, ওচৰৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ চৌহদত, নগৰৰ আলি-পদূলি, এনেয়ে পৰি থকা ঠাই আদিত। তাৰ বাবে কোনো ডাঙৰ পুঁজি নালাগে। গছ পুলিও বন-বিভাগ, সামাজিক বন বিভাগ আদিৰ পৰা আনিব পাৰি বা নিজে গছৰ তলৰ পৰা আনিব পাৰি। আন যি যি সামান্য যোগাৰ লাগে। (খাণ্ডৰ বাবে বাঁহ, কোৰ, দা, খন্তি) মন থাকিলে সহজে যোগাৰ কৰিব পাৰি। তাৰ বাবে লাগে সামান্য ধন ছাত্ৰ একতা সভাৰ সমাজ সেৱাৰ পুঁজিৰ পৰা বা দান বৰঙণিৰে যোগাৰ কৰিব পাৰি।

(খ) আমি জাবৰ পৰিষ্কাৰ কৰিব পাৰোঁ ঃ ছাত্ৰ একতা সভা আৰু শিক্ষক গোটে নিজৰ অনুষ্ঠানৰ চৌহদ পৰিষ্কাৰ কৰি, চালে চক বোৱা কৰি ৰখাৰ দায়িত্ব লওক।

তাৰ পাছত চহৰৰ এটা অঞ্চল জাবৰ মুক্ত কৰি, সেই অঞ্চলটো গোটেই বছৰ ধৰি পৰিষ্কাৰ কৰি ৰখাৰ বাবে ৰাইজৰ সহযোগ আহ্বান কৰক।

পিকনিক আদিৰ পাছত পিকনিকৰ ঠাই পৰিষ্কাৰ কৰিহে তাৰ পৰা উভতিব। সৰস্বতী, পূজা, মহাপুৰুষৰ তিথি আদিৰ মাহ-প্ৰসাদ দিয়া কাগজখ'তে ত'তে নেপেলাবৰ বাবে ছাত্ৰ সমাজক সজাগ কৰক। পলিথিনতো ব্যৱহাৰেই নকৰিব।

২। আমি অন্ধ বিশ্বাস আঁতৰাব লাগিব। বৈজ্ঞানিক মনোভাবাপন্ন ব্যক্তিক আমন্ত্ৰণ কৰি আনি অন্ধবিশ্বাসৰ বিৰুদ্ধে বক্তৃতা দিয়াওক।

বিজ্ঞ লোকৰ তত্ত্বাৱধানত ওচৰ-পাঁজৰৰ সমাজত বা ছাত্ৰসকলৰ মাজত থকা অন্ধবিশ্বাসৰ জৰীপ চলাই তাৰ নিবাৰণৰ ব্যৱস্থা কৰক।

গণেশে গাখীৰ খোৱা বুলি শুনিলে বিশ্বাস নকৰিব, শিলৰ গণেশৰ খাদ্য নলীও নাই, গাখীৰ শুহি নিবলৈ হাওঁফাওঁ নাই। তেনেহ'লে তেওঁ গাখীৰ কেনেকৈ খালে? বিজ্ঞ লোকক মাতি আনি ব্যাখ্যা শুনক। পাৰিলে গণেশক বা আন শিলক গাখীৰ 'খুৱাই' প্ৰদৰ্শন এটা দিবলৈ দিয়ক।

৩। অন্য প্ৰদূষণৰ লগতে আমি শব্দ প্ৰদূষণো কমাব লাগিব। আপোনালোকৰ অনুষ্ঠানৰ পূজা-সেৱা বাৰ্ষিক অধিৱেশন, বিদায় সভা আদিৰ মাইক বজালে কেৱল আপোনালোকৰ বাবেহে বজাব। আনৰ বাবে উদাৰতাৰে নবজাব। ছাত্ৰ-ছাত্ৰীসকলৰ ঘৰতো ৰেডিঅ', টিভি, অডিঅ', ভিডিঅ', প্লেয়াৰ আদি কম ভলিউমত বজাবলৈ পৰামৰ্শ দিয়ক।

৪। পানীয়ে বহুতো ৰোগ বিয়পায় আৰু তেনে ৰোগত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ অধ্যয়ন শিক্ষা দান বাধাপ্ৰাপ্ত হয়। আপোনালোকৰ অনুষ্ঠানত কিছুসংখ্যক খোৱা পানীৰ ফিল্টাৰৰ ব্যৱস্থা কৰক। সেইবোৰ মাজে -সময়ে পৰিষ্কাৰ কৰাৰ ব্যৱস্থা কৰক। গিলাচ মুখত নলগোৱাকৈ পানী খোৱাৰ অভ্যাস বাধ্যতামূলক কৰক। আমি দিনটোত কমেও দহ গিলাছ পানী খাব লাগে। ছাত্ৰ-ছাত্ৰীয়ে শিক্ষানুষ্ঠানত থকা ৫-৬ ঘণ্টা কালত পানী খোৱাৰ প্ৰয়োজন হয়, গতিকে তেওঁলোকে বাটৰ দোকানতে পানী খায়। ফলত ৰোগত পৰে। তেওঁলোকক ঘৰৰ পৰা খোৱা পানী আনিবলৈ কওক। নহ'লে ভাল ফিল্টাৰৰ ব্যৱস্থা কৰক।

৫। আপোনালোকৰ অনুষ্ঠানটোত ব্যক্তিগত প্ৰক্ষালনৰ ব্যৱস্থা কৰক। তাত পানী চলাৰ ব্যৱস্থা কৰক- পাৰিলে স্বয়ংক্ৰিয় ব্যৱস্থা কৰক।

৬। কনজাংটিভাইটিছৰ দৰে সোঁচৰা ৰোগ হোৱা ছাত্ৰ-ছাত্ৰী, শিক্ষকক অনুষ্ঠানলৈ নাহিবলৈ অনুৰোধ কৰক।

৭। বৈজ্ঞানিক মানসিকতা গঢ়াৰ বাবে মাজে মাজে অভিজ্ঞ ব্যক্তিক বক্তৃতা দিবলৈ আমন্ত্ৰণ কৰক। এনে আলোচনা-বিলোচনাৰ ব্যৱস্থা কৰক য'ত এই কথা ফটফটীয়াকৈ ওলাই পৰে যে প্ৰাকধাৰণা বা আওপুৰণি অনিষ্টকাৰী মতত লাগি থকাতকৈ মুকলি মনেৰে সমস্যা একোটা চালি-জাৰি চাই তাৰ সমাধানৰ বা ব্যাখ্যাৰ চেষ্টা কৰাটোহে সমাজখনৰ মংগল সাধে।

এনেদৰে সৰু-সুৰা কথাৰেই বৈজ্ঞানিক মানসিকতা গঢ়াৰ বাটত খোজ দিয়ক। আপোনালোকৰ অনুষ্ঠানটোকে নিউক্লিয়াছ হিচাবে লৈ সমাজখনত বৈজ্ঞানিক চিন্তাধাৰা, বৈজ্ঞানিক মানসিকতাৰ এক মুক্ত পৰিৱেশ গঢ়ি তোলক, আপোনালোকৰ এটা সৰু খোজে এদিন সমাজখনৰ বাবে ডাঙৰ জাঁপৰ ৰূপ ল'ব পাৰে।

ওপৰঞ্চি -২

বৈজ্ঞানিক মানসিকতা গঢ়াৰ বাবে ছাত্ৰ সংগঠন এটাই কি কৰিব পাৰে

বৈজ্ঞানিক মানসিকতা গঢ়াৰ বৰ ডাঙৰ কথালৈ নগৈও ছাত্ৰ সংগঠন একোটাই বৈজ্ঞানিক মানসিকতা গঢ়াত ডাঙৰ অৰিহণা যোগাব পাৰে। আমাৰ জীৱনৰ সৰু সৰু কথা কিছুমানতে আমি আমাৰ বৈজ্ঞানিক মানসিকতাৰ প্ৰমাণ দিব পাৰোঁ। বিজ্ঞান জনপ্ৰিয়কৰণৰ কৰ্মী, নিষ্ঠাৱান ছাত্ৰ সংগঠন একোটাই তেনে কিছুমান সৰু-সৰু কথাত মনোযোগ দিলে সেইবোৰ লাহে লাহে সমাজ জীৱনলৈ সোমাই পৰে।

আমাৰ যে গ্ৰন্থমেলা, পশুমেলা, শিশুমেলা, সাহিত্য-সংস্কৃতি-ভাওনা-থিয়েটাৰৰ উৎসৱ, বাৰ্ষিক অধিৱেশন, সোণালী জয়ন্তী-এনে মেলা-উৎসৱবোৰ হয়, তাত আন সকলো দিশত সকলো কথাত আয়োজকসকলে মনোযোগ দিয়ে, মনোযোগ নিদিয়ে মাত্ৰ প্ৰস্ৰাৱগাৰ-শৌচগাৰ সজা দিশটোত। গতিকে সকলো মানুহৰে, বিশেষকৈ মহিলাসকলৰ যথেষ্ট অসুবিধা হয়। কিছুমান মানুহে, অন্য উপায় নথকাত, জনসুবিধা গ্ৰহণ কৰিব নলগা ঠাইত চকু-কাণ মুদি জন সুবিধা গ্ৰহণ কৰে। ফলত সেই মেলা-উৎসৱৰ সময়তে নহয়, পাছলৈও ঠাই টুকুৰা অস্বাস্থ্যকৰ হৈ পৰে।

এইবোৰ উৎসৱ-পাৰ্বনৰ উপ-সমিতি গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হওঁতে স্থানীয় ছাত্ৰ-সংস্থাই বা ছাত্ৰ অনুষ্ঠানে উদ্যোগক্তাসকলৰ ওচৰলৈ গৈ এটা সেৱা আগবঢ়াবলৈ প্ৰতিশ্ৰুতি দিব লাগে— যে এইবাৰৰ উৎসৱত পেছাবখানা, পাইখানা সজাৰ কামটো তেওঁলোকে কৰিব। তাৰ বাবে জনস্বাস্থ্য বিভাগকো অনুৰোধ কৰিব পাৰি। নাইবা তেনে লোকৰ দিহা লৈ ছাত্ৰ অনুষ্ঠানটোৱে সেই কাম কৰিব পাৰে।

পেছাব-পাইখানাৰ স্থানবোৰ অলপ আওহতীয়া ঠাইত, পানী-দুনিৰ সুবিধা থকাকৈ, গাত পেছাব ছিটিকি নপৰাকৈ, শালীনতা ৰক্ষা কৰি ব্যৱহাৰ কৰিব পৰাকৈতো সাজিব লাগিবই সেইবোৰ পৰিষ্কাৰ হৈ আছে নে নাই চোৱা আৰু চাই পৰিষ্কাৰ কৰা/ কাৰোবাৰ কামটোও ছাত্ৰ অনুষ্ঠানটোৱে কৰিব লাগে।

বাছ আড্ডাৰ পৰা আনন্দমেলালৈ

এবাৰ এই সংস্কৃতি আৰম্ভ হ'লে সি অন্য অনুষ্ঠান-প্ৰতিষ্ঠানৰ সভা-সমিতি, উৎসৱ-পাৰ্বনলৈও বিয়পি যাব।

তাৰ পাছত ছাত্ৰ অনুষ্ঠানটোৱে এই স্বাস্থ্যকৰ-শালীন জনসুবিধাৰ সংস্কৃতি আন 'এলেকা'লৈও বিস্তৃত কৰিব লাগিব। যেনে ৰাতিৰ ছুপাৰ বাছ ৰখোৱা ঠাই, ভ্ৰাম্যমান থিয়েটাৰ পতা ঠাই, ছাৰ্কাছ-আনন্দমেলা পতা ঠাই।

আৰু কাম আছে। আপোনালোকৰ এই নগৰখনলৈও গাড়ীয়ে-মটৰে দিনটোৰ বাবে শ শ, হাজাৰ হাজাৰ মানুহ আহে। আপোনালোকে নিজেওতো আপোনালোকৰ থকা ঠাই বা স্কুল-কলেজ বা অফিচৰ পৰা নগৰখনৰ অন্য ঠাইলৈ যায়। তেতিয়া আপোনালোকৰ বাবে নগৰখনত জনসুবিধা কিমান? নতুন দিল্লীৰ দৰে চাকচমক, ব্যস্ত মহানগৰী এখনত যদি চুকে-কোণে ইমানবোৰ পৰিষ্কাৰ জনসুবিধা থাকিব পাৰে, আপোনালোকৰ চহৰখনত তাৰ কোনো প্ৰয়োজন নাই বুলি ভাবিছে কিয়?

উপলব্ধি — প্ৰথম খোজ

গতিকে, প্ৰথমতে এই জনসুবিধাবোৰ লাগে বুলি নিজে অনুভৱ কৰক। নাইট ছুপাৰৰ পৰা নামি কোনোফালে নোচোৱাকৈ আলিৰ দাঁতিটো ব্যৱহাৰ কৰাটো অবৈজ্ঞানিক, অস্বাস্থ্যকৰ, অশালীন কথা বুলি অনুভৱ কৰক। তাৰ পাছত পৰিষ্কাৰ জনসুবিধাৰ ব্যৱস্থা কৰক। আপোনালোকৰ প্ৰয়োজন বুলি জনালে জনস্বাস্থ্য বিভাগ, পৌৰসভা আদিও আগবাঢ়ি আহিব, অন্য দাতাও ওলাব। যজ্ঞত ঘিউ পুৰি বায়ুমণ্ডল দূষিত কৰিবলৈ দান বা চাঁদা দিয়াৰ সলনি (বা উপৰিও) জনসুবিধা স্থাপন কৰিবলৈ দান দিয়া এজন ধনবন্ত, সজাগ মানুহৰ সৃষ্টি কৰিব পাৰিলেও বৈজ্ঞানিক মানসিকতাৰ সৃষ্টিৰ দিশত এটা গধুৰ বোজা দিয়া হ'ব।

নাইট ছুপাৰ ৰখোৱা ঠাইত জনসুবিধা বাৰু সাজি দিলেই, আপোনালোকৰ মাজৰেই বহুতো ডেকা ল'ৰায়েই আনকি প্ৰস্ৰাৱগাৰটোত সোমোৱাৰ সলনি বাহিৰৰ বেৰখনৰ আঁৰত থিয় হৈ 'পৰিষ্কাৰ' হৈ থাকিবলৈ যত্ন কৰিবই। তাৰ বাবে আপোনালোকে দুটামান ব্যৱস্থা ল'ব লাগিব : (১) জনসুবিধাৰ ওচৰত ভাল পোহৰৰ ব্যৱস্থা কৰক, যাতে কোনেও আন্ধাৰৰ সুবিধাত বাহিৰখন অপৰিষ্কাৰ কৰিব নোৱাৰে, (২) বাল্টিত পানী আৰু মগ সাজু কৰি ৰাখক। কোনোবাই অন্য ঠাই অপৰিষ্কাৰ কৰিলেই, 'দাদা, অকণমান

ৰ'বচোন' বুলি তেওঁক বিনয়েৰে ব'বলৈ দি আপোনালোকৰ এজনে বাল্টিটোৰ পৰা পানী লৈ (বা পাইপেৰে পানী নি) তেওঁৰ আগতে ঠাইখিনি ধুই দিয়ক) (অৱশ্যে, কোনোবাই ঠাইখিনিৰ অপব্যৱহাৰ কৰিলে পৰিষ্কাৰ কৰিবলৈ স্বেচ্ছাসেৱী এজন যে মজুত আছে সেই কথা অ'ত ত'ত ভালদৰে লিখা জনসুবিধা ঠিকমতে ব্যৱহাৰ কৰিবলৈ গোহাৰি জনাব লাগিব।)

এবাৰ এটা সংস্কৃতি তৈয়াৰ হ'লে, এবাৰ বৈজ্ঞানিক মানসিকতাৰ এটা সৰু দিশলৈ চকু দিলেই মানসিকতাৰ এনে দিশ কুৰিয়ে কুৰিয়ে আপোনালোকৰ চকুত পৰিব।

এই যে মেলা-উৎসৱ অধিৱেশনবোৰ হৈছে, তাত (১) বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা ৰখা হৈছেনে? (২) তাৰ যে খোৱা বস্তুৰ দোকানবোৰ, তাত বাচন-বৰ্তনবোৰ ঠিকমতে পৰিষ্কাৰ কৰা হৈছেনে, নে একেটা বাল্টিত চাহৰ কাম আৰু ভাতৰ বাচনবোৰ ইখনৰ পাছত সিখনকৈ জুবুৰিয়াই ধোৱা হৈছে? (৩) মেলাখন যে হৈছে, তাত মানুহে কাগজ-পত্ৰ, থোঙা, কেৰি-বেগ, তামোলৰ পিক য'তে ত'তে পেলাইছে নে, নে তাৰ বাবে 'মোক ব্যৱহাৰ কৰ' (Use me) বাকছত অ'ত ত'ত ছাত্ৰ সংগঠনে আগতে ৰাখি থৈছে আৰু কোনোবাই চাধাৰ পেকেটটো বাটতে পেলাই দিলে 'দাদা, ৰ'বচোন' বুলি কৈ আপোনালোকৰ এজনেই সেইটো নি তেনে বাকছত পেলাইছে?

মাইক বিহীন, পোষ্টাৰবিহীন সংস্কৃতি

ছাত্ৰ অনুষ্ঠান এটাই আৰু বহুতো আদৰ্শ দেখুৱাব পাৰে: (১) তেওঁলোকে নিজে কোনো অনুষ্ঠান-উৎসৱত মাইক বজালেও মাত্ৰ সভাৰ চৌহদৰ মানুহেহে শুনাকৈ, বাহিৰলৈ শব্দ নোযোৱাকৈ বজাব। (২) তেওঁলোকে কেতিয়াও পোষ্টাৰ নামাৰিব আৰু মাৰিলেও সেই উৎসৱ-অনুষ্ঠান শেষ হৈ যোৱাৰ দুঘণ্টাৰ ভিতৰতে সকলো পোষ্টাৰ চিন নথকাকৈ উঠাই পেলাব। (৩) যিকোনো উৎসৱ-পাৰ্বনৰ স্মৃতি ৰক্ষাৰ বাবে তেওঁলোকে অন্ততঃ এশটা গছপুলি ৰুব আৰু তাৰ পাছৰ অনুষ্ঠানত সেই পুলিবোৰৰ স্বাস্থ্য আৰু বৰ্ধনৰ খাতিয়ান দাঙি ধৰিব। (পুলি ৰুলে কোন কেইজন ছাত্ৰ-ছাত্ৰীয়ে পাছত তাৰ তদাৰক কৰিব ছাত্ৰ অনুষ্ঠানটোৱে তাক আগতে ঠিক কৰি ল'ব লাগিব।)

ছাত্ৰ সংগঠন এটাই মন কৰিলে পাছত স্বাস্থ্য-প্ৰদূষণ-শালীনতা আদিৰ কথাবোৰ তেওঁলোকৰ নগৰখনৰ, তেওঁলোকৰ গাঁওবোৰৰ সমাজ জীৱৰ নানা কথালৈ (যেনে, হোটেল-চাহ দোকানৰ খোৱাপানী, আটা মৰা ল'ৰাটোৰ হাতৰ আঙুলিৰ নখ, কাম কৰা

ল'বাবোৰৰ ব্যৱহাৰৰ বাবে দিয়া চাবোন, হাত মচা কাপোৰ, আদিলৈ) প্ৰসাৰিত কৰিব পাৰিব।

এইবোৰ বৈজ্ঞানিক মানসিকতাৰে অতি সৰু সুৰা কথা। এইবোৰ কথাৰ শেষ নাই, আৰম্ভণিহে আছে।

উপলব্ধি-৩

গাঁৱে-ভূঞে বিজ্ঞানৰ সাক্ষৰতা

আপোনাৰ সংঘই কি অৰিহণা যোগাব পাৰে

গাঁৱে-ভূঞে থকা সৰ্বসাধাৰণ লোকবো যে সাধাৰণভাৱে বিজ্ঞানৰ খা-খবৰ ৰাখিব লাগে সেই কথা এতিয়া আৰু জোৰ দি কোৱাৰ প্ৰয়োজন নাই। বিজ্ঞানৰ সুফল আৰু কুফল দুয়োটায়েই সকলোৰে জীৱন চুই গৈছে— গাঁৱৰ সাধাৰণ বাইজো তাৰ পৰা বাদ পৰি যোৱা নাই। গাঁৱৰ সাধাৰণ মানুহ এজনেও বিজ্ঞানৰ প্ৰয়োগেৰে উদ্ভাৱিত হোৱা দৰৱ-পাতি খাইছে, পেষ্টানাশক দৰৱ ব্যৱহাৰ কৰিছে, গাড়ী মটৰত উঠিছে আৰু মিলত ধান বনাই আনিছে। তেওঁৰো জীৱনত হয়তো ওচৰৰ কাগজ কলটোৰ দূষিত পদাৰ্থই প্ৰভাৱ বিস্তাৰ কৰিছে— তেওঁৰ পানীযোগানৰ জানটোৰ পানীয়েই হয়তো নষ্ট কৰি পেলাইছে। নাইবা হয়তো ওচৰৰ বিমান ঘাটিৰ হাউ-উৰুমিয়ে তেওঁৰ স্বাস্থ্য আৰু মেজাজ দুয়োটাৰে অৱনতি ঘটাইছে। তাৰে কোনোবাটো তেওঁ সাধাৰণ বুদ্ধিৰেই ধৰিব পাৰিছে, কোনোটো আকৌ মন কৰিবলগীয়া, চিন্তিত হ'বলগীয়া কথা বুলিয়ে তেওঁ ভবা নাই। উদাহৰণস্বৰূপে, ওচৰৰ কাৰখানাটোৰ প্ৰদূষিত বায়ুৰ বাবেহে যে তেওঁক কাহটোৱে নেৰা হৈছে, বা বিমানঘাটিৰ শব্দৰ প্ৰদূষণেহে যে তেওঁৰ চকু ৰঙা আৰু মেজাজ খিং-খিঙীয়া কৰি পেলাইছে সেই বিষয়ে তেওঁ কেতিয়াও ভাবি চোৱাই নাই- তাৰ প্ৰতিকাৰৰ ব্যৱস্থাৰ কথা ভবাটোতো বহু দূৰৰ কথা।

প্ৰকৃতিৰ বিজ্ঞাননো কিয় লাগে

অকল যে মানুহে সজা যান-বাহন, কল-কাৰখানা, দৰৱ-পাতি আদিয়েহে বিজ্ঞানৰ লগত পোনপটীয়া সম্পৰ্ক থকা-নথকা সকলো মানুহৰে জীৱন প্ৰভাৱান্বিত কৰিছে, সেইটো নহয়। প্ৰকৃতিৰ কিছুমান ঘটনায়ো মানুহৰ কোনো হাত নোহোৱাকৈয়ে আমাৰ জীৱন প্ৰভাৱম্বিত কৰে। সুৰ্যোগ্ৰহণ হ'ল তেনে এক প্ৰাকৃতিক পৰিঘটনা। সূৰ্য বা বেলিটোৰ বৰ উজ্জ্বল বাবে আমি বেলিটোৰ ফালে চাব নোৱাৰোঁ, চালে চকু মুদ খাই

যায়। সুৰ্যগ্ৰহণৰ সময়ত কিন্তু বেলিটোৰ পোহৰ কমি যোৱা বাবে সেইফালে আমি চাব পৰা হওঁ। সেইবাবে আমি সুৰ্যগ্ৰহণৰ সময়ত আকাশৰ বিনন্দীয়া দৃশ্য চাওঁ বুলি বেলিটোৰ ফালে চাই দিওঁ।

বেলিটোৰ পৰা ওলোৱা অতি বেঙুনীয়া ৰশ্মি নামৰ আমি খালী চকুৰে নেদেখা ৰশ্মি এবিধ সদায় ওলাই থাকে। এই ৰশ্মি আমাৰ পৰ্দাখনৰ বাবে বৰ অনিষ্টকাৰী। সূৰ্যগ্ৰহণৰ সময়তো এই অতি বেঙুনীয়া ৰশ্মি যিখিনি আহি থাকে, সেইখিনিয়ে আমাৰ চকুৰ পৰ্দাখন (ৰেটিনা) নষ্ট কৰি পেলাব পাৰে। প্ৰতিবাৰ সূৰ্যগ্ৰহণৰ সময়ত পৃথিৱীৰ হাজাৰ হাজাৰ লোকৰ চকুৰ এনেদৰে অনিষ্ট হয়; কেইবাটাও লোক প্ৰায় অন্ধ হৈ পৰে।

ভূমিকম্প এটা প্ৰাকৃতিক ঘটনা। তাক বাধা দিবৰো কোনো উপায় নাই, সি কেতিয়া আহিব তাকো এতিয়াও ঠিৰাংকৈ ক'ব পৰা হোৱা নাই। মাত্ৰ ভূমিকম্প কেনেকৈ হয়, তাৰপৰা কি কি অনিষ্ট হয় সেইবোৰৰ বিষয়েহে কিছু কিছু কথা জনা গৈছে।

কিন্তু এইবোৰ পৰিঘটনায়ো আমাৰ জীৱন চুই যায়। তাৰ বাহিৰেও আছে আকাশৰ জোন-বেলি-তৰা-উল্কা-ধুমকেতুৰ ৰহস্য। এইবোৰ ৰহস্যৰ ভেদ ভাঙিবলৈ মানুহৰ সদায় হেঁপাহ।

দবৰ-পাতি, ৰেল-মটৰ, পেষ্টনাশক কৃত্ৰিম সাৰ এইবোৰে আমাৰ কেনে উপকাৰ কৰে জনাৰ লগতে, এইবোৰ ব্যৱহাৰ কৰি লাভবান হোৱাৰ লগতে, বায়ু প্ৰদূষণ, শব্দ প্ৰদূষণে আমাৰ জীৱন কেনেদৰে দুঃসাহস কৰে, সূৰ্যগ্ৰহণৰ সময়ত চকুৰ বাবে নিৰাপদ ব্যৱস্থা নোলোৱাকৈ চোৱা, ভূমিকম্পৰ পৰা বিপদ কি— তাৰ নিবাৰণৰ উপায় কি- আকাশৰ পপীয়া তৰা, নেজাল তৰা এইবোৰ কি এনেবোৰ কথা জানিলেহে হয় আমাৰ কামত আহে, নহয় মনটো জীপাল-বহল হয়।

কি বিজ্ঞান শিক্ষা?

কিন্তু এইবোৰ হ'ল বিজ্ঞানৰ এলেকাটোৰ ভিতৰৰ বস্তু। এইবোৰ জানিবৰ বাবে বিজ্ঞানৰ জ্ঞান লাগিব। কিন্তু তাৰ বাবে স্কুল-কলেজ-বিশ্ববিদ্যালয়ৰ বিজ্ঞান শিক্ষা বা ডিগ্ৰি-ডিপ্লমা আহৰণ কৰাটো সকলোৰে বাবে সম্ভৱো নহয় আৰু তাৰ কোনো প্ৰয়োজনো নাই।

তেনেহ'লে কি বিজ্ঞান শিক্ষা গাঁৱে-ভূঞে থকা আমাৰ সৰ্বসাধাৰণ ৰাইজক লাগে?— এই প্ৰশ্নৰ উত্তৰ এতিয়া বিজ্ঞানী-বিজ্ঞান শিক্ষক-সমাজ বিজ্ঞানীসকলে জানে।

তাৰ বাবে আমাৰ প্ৰয়োজন হোৱা প্ৰথম যন্ত্ৰটো হ'ল এটা মুকলি মন। প্ৰশ্ন সুধিব পৰা, কথাবোৰ চালি-জাৰি চাব পৰা, নতুন বিশ্বাসযোগ্য কথা পালে পুৰণিটো এৰি পেলাব পৰা মন এটাই হ'ল আমাৰ বাবে বৈজ্ঞানিক মন। এনে এটা মনৰ গৰাকী হ'ব পাৰিলে আমি নানা উৎসৰৰ পৰা পোৱা তথ্যেৰে জীৱনত চলি যাব পৰাকৈ বিজ্ঞান-শিক্ষা বা বৈজ্ঞানিক সাক্ষৰতা আয়ত্ত কৰিব পাৰিম।

ডায়েৰিয়া ৰোগ হ'ল পনীয়া শৌচ হয় বাবে বহুতে ৰোগীক পানী-দুনী দিয়াটো বন্ধ কৰি দিয়ে। তেতিয়া শৰীৰত পানীৰ অভাৱ হৈ ৰোগীৰ মৃত্যুও হ'ব পাৰে। তেনে ৰোগীক একো গিলাছ পানীত এচামুচকৈ চেনি আৰু এচিকটাকৈ নিমখ মিহলাই তেনে পানী যিমান পাৰি খুৱাব লাগে। আজিকালি অ' আৰ, এছ নামৰ পেকতো ৰোগীৰ বাবে পোৱা যায়। অ' আৰ, এছ মানে অৰেল ৰিহাইড্ৰেছন ছিৰাপ বা মুখেৰে খুওৱা পনীয়া ৰস যিটো খুৱালে ৰোগীৰ শৰীৰলৈ পুনৰ পানী ঘূৰি আহে)— এইবোৰ কথা আজিকালি ৰেডিঅ', টিভি, বাতৰিকাকত সকলোতে দি থাকে। মাত্ৰ এইবোৰ গ্ৰহণ কৰিবলৈ মুকলি মন এটাহে লাগে।

তেনেদৰে, পেষ্টিছাইড (কীটনাশক দৰৱ) ব্যৱহাৰ কৰি উঠি কিমান দিনলৈ জিকা-ভেন্দি চিঙিব নালাগে। তাৰ নিৰ্দেশো দিয়া থাকে। মাত্ৰ তাৰ বাবে ব্যৱহাৰ কৰোঁতে সজাগ হ'ব লাগে আৰু পেষ্টিছাইডৰ অপকাৰিতা বুজি সেইবোৰ কথা আখৰে আখৰে মানিব লাগে।

আমাৰ দেহাটোক কেনে পুষ্টি লাগে, কি কি খাদ্যত সেইবোৰ পুষ্টি আছে - এইবোৰ কথাৰ সাধাৰণ জ্ঞান নাথাকিলেও সি আমাৰ স্বাস্থ্য আৰু আৰোগ্যত ডাঙৰ ভূমিকা লয়।

সূৰ্যগ্ৰহণ আকাশৰ মনোমোহা পৰিঘটনা। মাত্ৰ তাক খালী চকুৰে চাব নালাগে। পানীত প্ৰতিফলনো চাব নেলাগে। তাক চোৱাৰ বাবে বিশেষ চছমা পোৱা যায়, বা জ্বালাই কৰোঁতে ব্যৱহাৰ কৰা ১৪ নম্বৰী কাচ ব্যৱহাৰ কৰিব লাগে।

ভূমিকম্পৰ পৰা ৰক্ষা পৰিবৰ বাবে ঘৰ কেনে হ'ব লাগে তাৰ দিহা পোৱা যায়। আমাৰ খেৰ-বাঁহৰ ঘৰবোৰ এইফালৰ পৰা বেছ ভালেই, কিন্তু মহাৰাষ্ট্ৰৰ লাটুৰৰ ভূমিকম্পত অবৈজ্ঞানিক পদ্ধতিৰে সজা শিলৰ ঘৰে কেনে বিপৰ্যয় আনিলে আমি বহুতেই জানো।

আপোনাৰ সংস্থাৰ কাম

খোৱা-পিন্ধা, ফুৰা-চকা, খেতি-বাতি, চিকিৎসা-শুশ্ৰূষা কৰাৰ পৰা শৱদাহ কৰালৈকে সকলোবোৰতে আমাৰ জীৱনত বহুতো বৈজ্ঞানিক জ্ঞানৰ প্ৰয়োজন হয়। এইবোৰ আনকি বিজ্ঞানৰ ছাত্ৰয়ো শ্ৰেণীত নিশিকে। গতিকে নানা উৎসৰৰ পৰা মুকলি মনেৰে আনি এইবোৰ জ্ঞান আহৰণ কৰিব লাগে।

তাৰ বাবে চহৰে-নগৰে, গাঁৱে-ভূঞে বিজ্ঞানৰ কিতাপ-আলোচনী, প্ৰবন্ধ-পাতি পঢ়া-শুনা কৰাৰ বাজহুৱা সা-সুবিধা গঢ়ি তুলিব লাগে, বিজ্ঞানৰ বক্তৃতা-আলোচনা, বাটৰ নাট প্ৰদৰ্শনী আদিৰ ব্যৱস্থা কৰিব লাগে।

বিজ্ঞানৰ সমিতি-সংস্থালৈ বাট নেচাই সাহিত্য-সংস্কৃতি, ক্ৰীড়া-উৎসব আদিৰ সংঘ-সংস্থাবোৰেও এই কাম হাতত ল'ব লাগে। উদাহৰণ স্বৰূপে, বঁটা বিতৰণী সভায়েই হওক, সোণালী জয়ন্তী উৎসৱেই হওক, বা যাত্ৰা ভাওনা-থিয়েটাৰেই পাতক তাৰ আগে আগে বৃক্ষৰোপণৰ কাৰ্যসূচী এটা থাকিবই লাগে।

এনে বৈজ্ঞানিক পদক্ষেপবোৰহে সমাজখনক আগুৱাই নিব।

গিৰিধৰ শৰ্মা স্মাৰক বক্তৃতা

কোলাহলৰ পৰা সুৰ-সমলয়লৈ ঃ এক নতুন কলাৰ সন্ধানত

ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী

(এক)

আজিৰ এই স্মাৰক বক্তৃতানুষ্ঠানৰ বিষয়-বস্তু সম্পৰ্কত চূড়ান্ত সিদ্ধান্ত লোৱাৰ আগতে মই পূৰ্বৰ বক্তাসকলৰ নাম আৰু তেওঁলোকৰ বক্তৃতাৰ শিৰোনামসমূহৰ ওপৰত চকুফুৰাই চাইছিলো। চকু ফুৰাই চোৱাৰ সময়ত মোৰ মনত হোৱা তাৎক্ষণিক প্ৰতিক্ৰিয়াৰ কথা ক'ব গ'লে কথাখিনি মই এনেদৰে ক'ব লাগিব—মোৰ হাতত পৰা তথ্য অনুসৰি এই স্মাৰক বক্তৃতানুষ্ঠানৰ শুভাৰম্ভ কৰা হৈছিল ১৯৭৮ ত ডঃ মহেশ্বৰ নেওগৰ দৰে পণ্ডিত ব্যক্তিৰ দ্বাৰা। তাৰপিছত যিসকল ব্যক্তিয়ে এই সন্মানীয় অনুষ্ঠানত বক্তৃতা প্ৰদান কৰিছে তেওঁলোকৰ প্ৰতিগৰাকীয়েই অসমৰ সাহিত্য আৰু সংস্কৃতি জগতৰ একোগৰাকী নমস্য ব্যক্তি। একো একোটা ধ্ৰুৱতৰা। নিজ নিজ ক্ষেত্ৰৰ খ্যাতনামা পণ্ডিত। মই বিনয়েৰে অনুভৱ কৰো যে মই, তেওঁলোক কোনো এগৰাকীৰ দৰেই এজন বিদগ্ধ পণ্ডিত নহয় ঃ মই মাথো অনুভৱ কৰো যে মোৰ এটা প্ৰায় অস্বাভাৱিক, তীব্ৰভাৱে সংবেদনশীল মন আছে আৰু সেই সংবেদনশীলতাৰে মই এই পৃথিৱীৰ, সমাজৰ, জীৱনৰ কিছু দিশ চুই চোৱাৰ এক আকৰ্ষণ অনুভৱ কৰো।

পূৰ্বৰ বক্তাসকলৰ বক্তৃতাৰ বিষয়বস্তুসমূহৰ শিৰোনাম চাইয়েই মই বুজিব পাৰিছো যে বহুতো মূল্যবান বিষয়ৰ ওপৰত তথ্য-সমৃদ্ধ বিদ্যায়তনিক আলোচনা আগবঢ়াই তেওঁলোকে শ্ৰোতাক বৌদ্ধিকভাৱে সমৃদ্ধ কৰিছে। কোনোবাই যদি বেজবৰুৱাৰ বিষয়ত কৈছে, কোনোবাই কৈছে জ্যোতিপ্ৰসাদৰ শিল্প-কৰ্মৰ ওপৰত; কোনোবাই যদি নাটকৰ

ওপৰত কৈছে, কোনোবাই ইতিহাসৰ ওপৰত। কোনোবাই যদি কৈছে বিজ্ঞান অথবা জলবায়ুৰ ওপৰত, কোনোবাই হয়তো অজস্র তথ্যৰে অসমীয়া অভিধানৰ জন্মক্ষণলৈ উভটি যাবলৈ চেষ্টা কৰিছে; মুঠতে বিভিন্ন আকৰ্ষণীয় বিষয়, অধ্যয়নপুষ্ট বিশ্লেষণ আৰু পাণ্ডিত্যৰ চিক্‌মিকনি। তাৰ বিপৰীতে আপোনালোকক হতাশ কৰি মই প্ৰথমতে ঘোষণা কৰিবলগীয়া হৈছে যে মই মোৰ অনুভৱ আৰু অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰি এটা নিতান্তই সাধাৰণ আৰু নিৰস বিষয়ৰ ওপৰত কিছু কথা ক'বলৈ চেষ্টা কৰিম।

(দুই)

আজিৰ এই বক্তৃতানুষ্ঠানৰ আয়োজক সমিতিৰ তৰফৰ পৰা যেতিয়া মোৰ সৈতে যোগাযোগ কৰা হৈছিল, সম্ভৱতঃ মোৰ সুবিধাৰ্থে তেওঁলোকে এটা কথা জনাই দিছিল যে মই মোৰ পছন্দ অনুসৰি মোৰ বক্তৃতাৰ বিষয়বস্তু নিৰ্বাচন কৰিব পাৰো। স্বাধীনতা নিঃসন্দেহে কাম্য আৰু আদৰণীয়। কিন্তু কেতিয়াবা স্বাধীনতাই একধৰণৰ টেনচন বা মানসিক চাপৰো সৃষ্টি কৰে। মোৰ ক্ষেত্ৰতো সেয়াই হ'ল। মই পঢ়া-শুনাৰফালৰ পৰা এজন বিজ্ঞানৰ মানুহ; মোৰ মানসিক প্ৰৱনতাৰ ফালৰ পৰা মই এজন সাহিত্যৰ মানুহ। ইয়াৰ উপৰিও মোৰ আন মনটোৱে মোক প্ৰতিনিয়ত প্ৰৰোচিত কৰে এক অনিশ্চয়তা, এতিয়াও অনাৱিস্কৃত কিছু বিষয়ৰ মাজত সত্যৰ সন্ধান কৰিবলৈ। মই কি বিষয়ৰ ওপৰত ক'ম— বিজ্ঞানৰ ওপৰত, সাহিত্যৰ ওপৰত নে জীৱন সম্পৰ্কীয় এক দাৰ্শনিক সন্ধানৰ ওপৰত? অৱশেষত মই ঠিক কৰিলো মই এটা সহজ, সাধাৰণ আৰু নিৰস বিষয়ৰ ওপৰত কম যিয়ে বিজ্ঞান, সাহিত্য আৰু জীৱন দৰ্শন সকলো চুই যাব। বিষয়টোলৈ যোৱাৰ আগতে মোক আয়োজক সমিতিয়ে বিষয় নিৰ্বাচনৰ বাবে সকলো স্বাধীনতা দিয়াৰ পিছতো মই কিয় এটা নিৰস আৰু সাধাৰণ বিষয় নিৰ্বাচন কৰিলো সেই সম্পৰ্কে অলপ কৈফিয়ৎ দিব বিচাৰিছো।

মোৰ প্ৰথম কৈফিয়ৎ ঃ আমি যেতিয়া স্কুলত পঢ়িছিলো, তেতিয়া বহু ছাত্ৰ-ছাত্ৰীয়ে অঙ্ক বিষয়টোক একেবাৰে নীৰস বিষয় বুলি অনুভৱ কৰিছিল; কিছু সংখ্যকে হয়তো অইন কোনোবা এটা বিষয় নিৰস বুলি অনুভৱ কৰিছিল। বহুতে নিৰস বুলি অনুভৱ কৰা বিষয়টো যথেষ্ট কঠিন আৰু পঢ়াতো হতাশা আৰু উদ্বিগ্নতাৰ কাৰণ বুলিও কৈছিল। আমাৰ এগৰাকী অভিজ্ঞ শিক্ষকে আমাক প্ৰায়ে বুজাইছিল যে কোনোবা এটা বিষয় বা কাম প্ৰয়োজনীয় বা গুৰুত্বপূৰ্ণ বুলি যেতিয়াই মানুহে বুজি পায়, তেতিয়া

সেয়া কঠিন, নিৰস, হতাশাজনক উদ্বিগ্নতাৰ কাৰণ হ'লেও সেয়া জানিবলৈ, কৰিবলৈ মানুহে চেষ্টা কৰে। শিক্ষাৰ্থীসকলে কোনোবা এটা বিষয় নিৰস বা কঠিন বুলি অনুভৱ কৰিব পাৰে, আনকি স্কুললৈ যোৱাটোকে বোৰিং বুলি ভাবিব পাৰে, এগৰাকী চাকৰি কৰা মানুহৰ বাবেও চাকৰিটো উদ্বেগ বা হতাশাৰ কাৰণ হ'ব পাৰে কিন্তু যেতিয়াই শিক্ষাৰ্থীজনে অনুভৱ কৰিব যে শিক্ষা অৰ্জন কৰাটো বা পৰীক্ষাত উত্তীৰ্ণ হোৱাটো এটা প্ৰয়োজনীয়, গুৰুত্বপূৰ্ণ কাম, বা পৰিয়ালৰ বাবে উপাৰ্জন কৰাটো এটা প্ৰয়োজনীয়, গুৰুত্বপূৰ্ণ কাম, তেনেহ'লে শিক্ষাৰ্থীয়ে সেই নিৰস বিষয়ৰ চৰ্চা কৰিব আৰু ভাল নোপোৱা চাকৰিটোও মানুহজনে নকৰাকৈ নাথাকিব। মই নিৰ্বাচন কৰা বিষয়টো পৃথিৱীৰ ভৱিষ্যতৰ বাবে, দেশৰ বিকাশৰ বাবে, সমাজৰ শান্তিৰ বাবে, পৰিয়ালৰ সুখৰ বাবে মই প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিছো। সেয়েহে এটা নিৰস বিষয় বুলি জানিও মই বিষয়টোৰ ওপৰত কিছু কথা ক'বলৈ মন কৰিছো।

মোৰ দ্বিতীয় কৈফিয়ৎ ঃ দ্বিতীয় কৈফিয়তৰ বাবে মই মনোবিজ্ঞানৰ অন্যতম পথপ্ৰদৰ্শক ফ্ৰয়েদৰ এটা উক্তি উল্লেখ কৰিব বিচাৰিছো। আমি সকলোৱে জানো যে ফ্ৰয়েদৰ এটা সময়ত মুখৰ কৰ্কটৰোগ হৈছিল। আজি কৰ্কট ৰোগ মানেই মৃত্যু বুলি কোনোৱে ধৰি নলয়; উন্নত চিকিৎসাই কৰ্কট ৰোগ সম্পৰ্কত মানুহৰ পূৰ্বৰ ধাৰণা সলনি কৰিছে। কিন্তু সেই সময়ত সকলোৱে ধৰি লৈছিল কৰ্কট ৰোগ মানে জীৱনৰ অন্তিম ঘণ্টা। ফ্ৰয়েদৰ তেনে এক অৱস্থাত এগৰাকী ব্যক্তিয়ে মনোবিজ্ঞানৰ কিবা এটা বিষয়ৰ ওপৰত কথা পাতিবলৈ আহি আৰম্ভ কৰিছিল এইদৰে—আপুনি কৰ্কটৰোগৰ দৰে চিৰিয়াচ অসুখত ভুগি আছে। আপোনাৰ লগত এই সময়ত মনোবিজ্ঞানৰ এই বিষয়টো লৈ কথা পাতো নে নাপাতো? ফ্ৰয়েদে তপৰাই উত্তৰ দিছিল ঃ কৰ্কটতো একো চিৰিয়াচ অসুখ নহয়; ইয়াত দ্ৰুতগতিত কোষবৃদ্ধি হয়। কোনো জটিলতা নাই। সাধাৰণ, সহজ সৰল প্ৰতিক্ৰিয়া। অৱশ্যে এটা কথা ঠিক, কোষ বৃদ্ধিৰ বিসঙ্গতিৰ ফলত যি ফলাফল হ'ব, সেয়া চিৰিয়াচ আৰু ইয়াৰ পৰিণতি মৃত্যু। মই আপোনালোকৰ সন্মুখত যিটো বিষয়ৰ ওপৰত ক'বলৈ ওলাইছো, সেই বিষয়টো সহজ-সৰল, বিশেষ কোনো জটিলতা নথকা কিছু সাধাৰণ কথা; কিন্তু সেই সাধাৰণ কথাৰ মাজত যি বিসঙ্গতি, সেই বিসঙ্গতিৰ ফলাফল চিৰিয়াচ, ভয়াৱহ আৰু সেই ভয়াৱহ ফলাফলৰ কথা চিন্তা কৰিয়েই মই এই সাধাৰণ বিষয়টোৰ ওপৰত কিছু কথা ক'ব বিচাৰিছো।

(তিনি)

ইতিমধ্যে আপোনালোকে জানিব পাৰিছে যে মই মোৰ বিষয়টোৰ নাম দিছো 'কোলাহলৰ পৰা সুৰ-সমলয়লৈ ঃ এক কলাৰ সন্ধানত'। মই সঙ্গীতৰ মানুহ নহয়, যদিওবা আপোনালোক সকলোৱে ভাল পোৱাৰ দৰেময়ো সঙ্গীত ভাল পাওঁ। সঙ্গীতৰ মই এক সাধাৰণ শ্ৰোতা ঃ বিশেষজ্ঞ বা সঙ্গীত শিল্পী নহয়। সেয়েহে সঙ্গীতৰ কথা মই ক'ব নোৱাৰো, তৎস্বত্বেও মই মোৰ বিষয়ৰ শিৰোনামত 'সুৰ-সমলয়' শব্দযুগল ৰাখিছো যিয়ে হয়তো এক ইঙ্গিত দিয়ে যে মোৰ বিষয়ৰ সৈতে ক'ববাত সঙ্গীতৰ কিবা এটা সম্পৰ্ক আছে। হয়, আছে।

ধৰি লওঁক, আপোনালোকে এই মুহূৰ্তত এনে এটা বিশাল কোঠালিৰ ভিতৰত প্ৰৱেশ কৰিব, যিটো কোঠালি ঠাহ খাই আছে অসংখ্য ভিন্ ভিন্ বাদ্য-যন্ত্ৰৰে, কি নাই কোঠালিটোত—হাৰমনিয়াম, তবলা, ভায়োলিন, গীটাৰ, ঢোল, পেঁপা, গগনা, তাল, নাগাৰা, বাঁহী, ড্ৰাম, খোল, মৃদঙ্গ, তানপুৰা, পিয়ানো, একৰ্ডিয়ান, বেঞ্জো, সৰোদ ইত্যাদি ইত্যাদি। মুঠতে সঙ্গীতৰ এক অনন্ত সম্ভাৱনা, এক মহা আয়োজন সেই কোঠালিৰ ভিতৰত আবদ্ধ হৈ হৈছে। আপুনি কোঠালিত প্ৰৱেশ কৰিলে আৰু প্ৰৱেশ কৰিয়েই ক্ষন্তেকৰ বাবে আপুনি হতবাক হৈ দুৱাৰমুখতে ৰৈ গ'ল। এক অদ্ভুত কোলাহল! যিয়ে যেনেধৰণে মন যায় ধাং ধুঙকৈ বাদ্যযন্ত্ৰসমূহত আঘাত কৰিছে। কোনোবাই জোৰ জোৰকৈ তবলাত চাপৰ মাৰিছে, কোনোবাই কেং কেং কৈ চেতাৰৰ তাঁৰত বেসুৰা সুৰ তুলিছে, কোনোবাই কাণ তাল মাৰি যোৰাকৈ ড্ৰামত লাঠিৰে কোবাই আছে। মুঠতে এক বিশৃঙ্খল কোলাহল। আপুনি দুয়োহাতেৰে কাণত সোঁপা দি কোঠালিৰ পৰা ওলাই আহিল ঃ তবলাৰ লহৰত কি সৌন্দৰ্য লুকাই আছে, বাঁহীৰ সুৰত বুকুৰ ভিতৰত মনোৰম নৃত্যৰ সূচনা কৰিব পৰা কি ৰহস্যময় শক্তি নিহিত আছে। সেই কথা জানিবৰ বাবে, বুজিবৰ বাবে, হৃদয়ঙ্গম কৰিবৰ বাবে আপোনাৰ ধৈৰ্য আৰু উৎসাহ অকণো বাকী নাথাকিল। তাৰপিছতো সেই কোঠালিৰ কোলাহল আহি আপোনাৰ কাণত পৰিল, কিন্তু তাৰ ওপৰত বিশেষ গুৰুত্ব দিয়াৰ আপুনি প্ৰয়োজন অনুভৱ নকৰিলে ঃ আপুনি কোঠালিটোৰ প্ৰতি হৈ পৰিল indifferent

এতিয়া কোঠালিটোৰ অন্য এক ৰূপ আপুনি কল্পনা কৰকচোন। গীটাৰৰ টুং টাং শব্দও আছে। কিন্তু সেয়া অকল গীতাৰৰ শব্দ নহয়, তাৰ লগত হয়তো মিহলি হৈ

গৈছে সুমধুৰ বাঁহীৰ সুৰ, গীটাৰ আৰু বাঁহীৰ সুৰত মিহলি হৈ গৈছে ঢোল, পেঁপা, গগনাৰ সুৰ, আৰু এই সকলোবোৰ মিলি কোঠালিটো ভৰাই পেলাইছে মন-প্ৰাণ সজীৱ কৰি তোলা এক অপূৰ্ব সুৰ-সমলয়ে। সেই একেই তবলা, একেই গীটাৰ, একেই ঢোল, পেঁপা, গগনা—কিন্তু এবাৰ কোলাহল আৰু এবাৰ সুৰ-সমলয়। এবাৰ দুইখন কাণত আপুনি সোপা মাৰি ধৰিছে, আৰু এবাৰ কাণপাতি আপুনি ৰ' লাগি শুনিবলৈ চেষ্টা কৰিছে। কি সেই মেজিক, কি সেই যাদুৰ স্পৰ্শ। আমি সকলোৱে জানো যে সেয়া এক ধৰণৰ আৰ্ট, এক কলা! কিন্তু কি সেই কলা, কি সেই আৰ্ট যিয়ে সমাজৰ কোলাহল, দেশৰ কোলাহল, পৰিয়ালৰ কোলাহল, পৃথিৱীৰ কোলাহলৰ ৰূপান্তৰ সাধন কৰি আমি সকলোৱে থাকি ভাল পোৱা এখন ঘৰ, এখন সমাজ, এখন দেশ, এখন পৃথিৱীৰ সৃষ্টি কৰিব? বিশ্বৰ বহু বিজ্ঞানী, বহু বুদ্ধিজীৱী, বহু দাৰ্শনিকে ঠিক সেই কলা, সেই আৰ্টৰে সন্ধান কৰি আছে। মই সেই আৰ্টৰ সৈতে আপোনালোকক পৰিচয় কৰাই দিম; কিন্তু তাৰ আগতে এই আৰ্টৰ প্ৰতি কিয় গভীৰভাৱে আকৰ্ষিত হৈ পৰিলো, সেই সম্পৰ্কে মই দু-আষাৰ কৈ ল'ব লাগিব।

(চাৰি)

অধ্যয়ন আৰু চাকৰিৰ তাগিদাত বেছ কিছু বছৰ অসমৰ বাহিৰত থকাৰ পিছত মই যেতিয়া অসমলৈ ঘূৰি আহিছিলো গভীৰ বিষাদেৰে এটা কথা অনুভৱ কৰিছিলো যে বেদনাদায়কভাৱে অসমৰ কিছু দিশ সলনি হৈ গৈছে। সময়ৰ লগে লগে পৰিবৰ্তন অৱশ্যম্ভাৱী আৰু কিছু পৰিবৰ্তন কাম্যও। কিন্তু মই যি পৰিবৰ্তনৰ কথা ক'ব বিচাৰিছো তাৰ মাজত যেন অসমৰ কিবা এটা ক্ষয়ংকৰী বীজ লুকাই আছে, তাক সূক্ষ্মভাৱে নিৰীক্ষণ কৰিলে যেন ধৰা পৰে সেই পৰিবৰ্তনৰ এক পেটাৰ্ণ আছে। পেটাৰ্ণ মানে বুজাব বিচাৰিছো, সেই পৰিবৰ্তনৰ যি প্ৰক্ৰিয়া, সেই প্ৰক্ৰিয়া সকলো ক্ষেত্ৰতে যেন মূলতঃ একেই প্ৰথমতে কিছু সমস্যা, সমস্যাৰ সমাধানৰ ক্ষেত্ৰত ভিন ভিন মতামতৰ মাজত সংঘাত আৰু এটা সময়ত সেই সংঘাতে এনে এক ৰূপ লয় যে কোনেও কাৰো কথা নুশুনে, এক বিশৃংখল কোলাহল; কোলাহলে এটা সময়ত ৰূপ লয় শাৰীৰিক সংঘাতৰ, কেতিয়াবা যদি ই ৰূপ লয় আত্মহননৰ কেতিয়াবা ৰূপ লয় হিংসাৰ, যি আশাৰে মানুহে ভৱিষ্যতৰ ফালে দৃষ্টি নিক্ষেপ কৰিব খোজে, মৃত্যু হয় সেই আশাৰ, স্থবিৰতাই গ্ৰাস কৰে সমাজ, মানুহৰ আৰম্ভ হয় পশ্চাদগমন।

কেইটামান খুব সাধাৰণ যেন লগা সৰু সৰু উদাহৰণ মোৰ ব্যক্তিগত অভিজ্ঞতা আৰু মোৰ বন্ধুবৰ্গৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত দাঙি ধৰিব বিচাৰিছো।

এই গুৱাহাটী চহৰৰে এটা পৰিয়াল, এসময়ত কেবাজনো ভাই-ককাইৰে ভৰি থকা এটা যৌথ পৰিয়াল; প্ৰকাণ্ড ডাইনিং টেবুলত একেলগে ভাত খাবৰ সময়ত ৰং-ৰহইচ, হাঁহি-ধেমালিত ঘৰৰ চাঁদ উৰি যাব খোজে। আৰু আজি যদি সেই ঘৰৰ বিশাল চৌহদত আপুনি প্ৰৱেশ কৰে, দেখিব সকলো ভাগ ভাগ, আনকি এজন ভাইৰ ঘৰৰ পৰা আনজন ভাইৰ ঘৰলৈ যোৱাৰ পথ পকী দেৱালেৰে বন্ধ কৰি দিয়া হৈছে; কোনোবা এজনৰ সৈতে এখন্তেক আলাপ কৰিলেই আপুনি অনুভৱ কৰিব পাৰিব তেওঁলোক যেন ভাই-ককাই নহয়, যুগ-যুগান্তৰৰ শত্ৰু।

যৌথ পৰিয়ালৰ পৰা আহো এতিয়া এটা নিউক্লিয়াৰ পৰিয়াললৈ। প্ৰেমত পৰি ঘৰৰ অমতত কামাখ্যাত মালা পিন্ধি তেওঁলোকে যুগ্ম-জীৱন আৰম্ভ কৰিছিল। সৰু সৰু সাধাৰণ কথাতে তেওঁলোকৰ মতৰ অমিল। তেওঁলোকৰ বিবাহ-বিচ্ছেদ কেচ এতিয়া আদালতৰ শেষ পৰ্যায়ত।

এতিয়া চহৰৰ পৰা অলপ সময়ৰ বাবে গাঁৱলৈ যাওঁ ব'লক। এটা চুবুৰিৰ সৈতে আন এটা চুবুৰিৰ আহ যাহ নাই। গাঁৱত এসময়ত এখন খুব ভাল হাইস্কুল আছিল; এটা সময়ত সেই স্কুলৰ চৌহদতে আৰম্ভ কৰা হৈছিল এখন মহাবিদ্যালয় সমগ্ৰ অসমতে সেই শিক্ষানুষ্ঠান এক অন্যতম আদৰ্শ শিক্ষানুষ্ঠান হিচাপে পৰিগণিত হৈছিল; এতিয়া সেই শিক্ষানুষ্ঠান মৃতপ্ৰায়; শিক্ষক-ছাত্ৰৰ মাজত বিভিন্ন গোট, প্ৰতিটো গোটৰে যিকোনো বিষয়তে ভিন ভিন মত, সেই মতৰ মাজত থকা সংঘাতে ৰূপ লয় হতাহতিৰ, অৰাজকতাৰ, মুঠতে এক বিশৃঙ্খল কোলাহল!

বৃহত্তৰ সমাজখনত কি ঘটি আছে, সেই কথা মই নিশ্চয় নক'লেও হ'ব, সেই কথা জানিবলৈ বৰ বিশেষ অধ্যয়নৰো প্ৰয়োজন নাই; যিকোনো এখন অসমীয়া দৈনিক কাকতৰ প্ৰথম পৃষ্ঠা আৰু যিকোনো এটা আঞ্চলিক চেনেলৰ দহ মিনিটৰ বাতৰি ধৈৰ্য সহকাৰে শুনিলে, পঢ়িলে আপুনি এটা ধাৰণা কৰিব পাৰিব যে অজস্ৰ গোষ্ঠী-জনগোষ্ঠী, দল-উপদল, জাতি-উপজাতিয়ে অগণন সমস্যাৰ সমাধানৰ বাবে এনে এক কোলাহলৰ সৃষ্টি কৰিছে যে সেই কোলাহলত কোনে কি সমস্যাৰ বাবে কি সমাধান সূত্ৰ আগবঢ়াইছে সেয়া বুজি পোৱাটো প্ৰায় অসম্ভৱ।

মই মোৰ পৰিচিত কিছু বুদ্ধিজীৱী, লেখক, সমাজ-সচেতন ব্যক্তি, দেশ-বিদেশৰ বিভিন্ন অভিজ্ঞতাৰে সমৃদ্ধ কিছু বন্ধু-বৰ্গৰে এই সম্পৰ্কত সুদীৰ্ঘ দিন আলাপ-আলোচনা কৰাৰ পিছত এটা কথা জানিব পাৰিছিলো যে এই কোলাহলত তেওঁলোকো প্ৰায় দিশহাৰা, তেওঁলোকেও সমস্যাসমূহ সঠিকভাৱে চিনাক্ত কৰি তাৰ নিশ্চিত সমাধান বাস্তৱত ৰূপায়িত কৰিবলৈ সক্ষম নহয়; মুঠতে সমস্যাৰ কুহেলিকা আৰু কোলাহলৰ মাজত তেওঁলোকেও হাবুডুবু খাই আছে। এনে এক মানসিক অৱস্থাৰ সময়ত যিটো প্ৰশ্নই বাৰে বাৰে মোৰ মনত ভূমুকি মাৰিবলৈ আৰম্ভ কৰিলে, সেই প্ৰশ্নটো হ'ল এই কোলাহলক, এই সংঘাতক এক সৃষ্টিধৰ্মী প্ৰক্ৰিয়ালৈ ৰূপান্তৰিত কৰাটো সম্ভৱ নে; কি সেই সৃষ্টিধৰ্মী প্ৰক্ৰিয়া যিয়ে এই কোলাহলক ৰূপান্তৰিত কৰিব পাৰে সুৰ-সমলয়লৈ? মোৰ নিজকে কল্পনা কৰিবলৈ মন গ'ল আন্তৰ্জাতিক খ্যাতি-সম্পন্ন সঙ্গীত পৰিচালক জুবিন মেহতাৰ ৰূপ যাৰ হাতত থাকে এক যাদুকৰী দণ্ড আৰু যাৰ সঞ্চালনাত বিভিন্ন বাদ্যযন্ত্ৰৰ সমাহাৰত সৃষ্টি হয় অপূৰ্ব সুৰ-সমলয়ৰ! নিশ্চয়কৈ সেই প্ৰক্ৰিয়া হ'ব লাগিব এক সূক্ষ্ম আৰ্ট, এক যাদুকৰী কলা, কিন্তু কি সেই আৰ্ট, কি সেই কলাৰ নাম?

মোৰ মনৰ মাজত এনেবোৰ প্ৰশ্নই ভূমুকি মাৰি থকাৰ সময়তে অপ্ৰত্যাশিতভাৱে মই জড়িত হৈ পৰিলো সুদীৰ্ঘ ছয় বছৰৰ বাবে এনে কেইগৰাকীমান বিশেষজ্ঞৰ সৈতে যিকেইগৰাকী ব্যক্তিয়ে মানুহৰ মাজত হোৱা সংঘাতক কিদৰে এক সৃষ্টিশীল ৰূপ দিব পাৰি সেই সম্পৰ্কে সুদীৰ্ঘ দিন ধৰি চিন্তা-চৰ্চা কৰিছে। অৱশ্যে তেওঁলোকৰ ক্ষেত্ৰখন এক অৰ্থত সীমিত কাৰণ তেওঁলোকৰ অভিজ্ঞতা ব্যক্তিগতভাৱে মূলতঃ অনুষ্ঠান-প্ৰতিষ্ঠান কেন্দ্ৰিক ঃ মোক কৌতুহলী আৰু উদ্বিগ্ন কৰি ৰখা বৃহত্তৰ সমাজখন নহয়। তৎস্বত্ত্বেও তেওঁলোকৰ চিন্তা-চৰ্চা আৰু অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি অনুষ্ঠান-প্ৰতিষ্ঠানৰ সীমা অতিক্ৰম কৰি বহল পৰিসৰৰ বাবে ঠিক এটা প্ৰক্ৰিয়াৰ সন্ধানৰ পথ আৱিষ্কাৰ কৰিব পাৰি নেকি সেই সম্পৰ্কে মোৰ অধ্যয়ন অনুসন্ধান আৰু পৰীক্ষা-নিৰীক্ষা মই অব্যাহত ৰাখিলো। তেওঁলোকৰ সৈতে জড়িত হৈ মই মোৰ এই পৰীক্ষামূলক অনুসন্ধান আৰু গৱেষণাত ব্যস্ত থাকিলো প্ৰায় ছটা বছৰ আৰু ছয় বছৰৰ অন্তত মই গভীৰভাৱে পতিয়ন গৈছো যে কোলাহলৰ পৰা সুৰ-সমলয় সৃষ্টিৰ এক প্ৰক্ৰিয়া বাস্তৱত প্ৰতিষ্ঠা কৰাটো সম্ভৱ গুৰুত্বপূৰ্ণ কথাৰে আৰু তেনে এক কলাৰ সৈতে মানুহক পৰিচিত কৰোৱাৰ বাবে বহু বিজ্ঞানী, দাৰ্শনিক, সমাজ তথা মনোবিজ্ঞানী

আদিয়ে বিভিন্ন ধৰণে বহু দিন ধৰি প্ৰচেষ্টা চলাই আহিছে। আজি এই সেই জটিল আৰু সূক্ষ্ম কলাৰ এটা সহজ অথচ আটাইতকৈ প্ৰয়োজনীয় দিশটোৰ কিছু পৰিচয় আপোনালোকৰ ওচৰত দাঙি ধৰিবলৈ মই চেষ্টা কৰিম।

(পাঁচ)

মই ইতিমধ্যে উল্লেখ কৰিছো যে শিক্ষাগত অৰ্হতা বা জীৱিকাৰ ফালৰ পৰা মই এজন বিজ্ঞানৰ মানুহ আৰু সেয়েহে বিজ্ঞানৰ অগ্ৰগতিৰ কিছু খবৰ ৰখাটো ছাত্ৰ অৱস্থাৰ পৰাই মোৰ প্ৰায় এটা অভ্যাসত পৰিণত হৈছে। বিজ্ঞানৰ অগ্ৰগতিৰ খতিয়ান মোক যদি কোনোবাই এটা মাত্ৰ বাক্যত প্ৰকাশ কৰিবলৈ অনুৰোধ কৰে, মই তপৰাই উত্তৰ দিম যে এই অগ্ৰগতি অকল্পনীয়, চমকপ্ৰদ আৰু বিস্ময়কৰ। শেহতীয়াকৈ এই সন্দৰ্ভত মই পঢ়া কিতাপখন হ'ল মিচিও কাকুৰ Physics of the future. বহু বিশিষ্ট বিজ্ঞানীৰ শেহতীয়া গৱেষণাৰ ওপৰত নিৰ্ভৰ কৰি মিচিও কাকুয়ে বিজ্ঞানে কিদৰে মানুহৰ ভৱিষ্যত সৃষ্টি কৰিব তাৰ এনে এক মোহনীয় ৰূপ অংকিত কৰিছে যে কিতাপখন পঢ়ি আনন্দত শিহৰিত হৈ উঠিব লাগে। মুঠতে এটা সময়ত বিজ্ঞানে এনে এক শক্তি মানুহক উপহাৰ দিব যে মানুহ হৈ উঠিব প্ৰায় ঈশ্বৰৰ সমকক্ষ, উইক এণ্ডত এচকেলেটৰেৰে উঠি মানুহে এপাক মাৰি আহিব অন্তৰীক্ষত, মানুহে মন গ'লে আজীৱন হৈ থাকিব কুৰি বছৰীয়া যুৱক, ডেৰশ-দুশ বছৰ জীয়াই থকাটো হ'ব সাধাৰণ কথা, ৰোগ-দুৰ্ভিক্ষই প্ৰায় বিদায় মাগিব বিশ্ব-ব্ৰহ্মাণ্ডৰ পৰা। মিচিও কাকুয়ে তথ্য সহকাৰে অংকিত কৰা ভৱিষ্যতৰ সেই ৰূপৰ কথা ভাবিলে আমাৰ মনৰ মাজত এটা ভাব খেলি যায় যে আমি যদি আৰু কেইবছৰমান পিছত এই পৃথিৱীত কৰ্মলাভ কৰিলোহেঁতেন, তেনেহ'লে আমিও বাসিন্দা হ'ব পাৰিলোহেঁতেন সুখ আৰু সমৃদ্ধিৰে ভৰা, বিজ্ঞানে সৃষ্টি কৰিবলৈ ওলোৱা সেই পৃথিৱীৰ। লগতে এই সন্দেহো মনলৈ আহিব যে সঁচাকৈ তেনে এক পৃথিৱী বাস্তৱত সৃষ্টি কৰিবলৈ সৰ্ব-শক্তিমান বিজ্ঞান সক্ষম হ'ব নে? মিচিও কাকুয়েও অৱশেষত সেই সন্দেহকে প্ৰকাশ কৰিছে ঃ নিশ্চয়কৈ বিজ্ঞানৰ অগ্ৰগতিয়ে তেনে এক ভৱিষ্যত নিৰ্মাণৰ শক্তি মানুহক প্ৰদান কৰিব; কিন্তু মানুহে সেই সুখ-সমৃদ্ধিৰে ভৰপূৰ, স্বৰ্গসদৃশ ভৱিষ্যত নিৰ্মাণ কৰিব পাৰিব নে নাই, সেয়া নিৰ্ভৰ কৰিব মানুহৰ প্ৰজ্ঞা আৰু বিচাৰবোধৰ ওপৰত, নিৰ্ভৰ কৰিব বিজ্ঞানৰ বাহিৰৰ সমস্যাসমূহ যেনে ৰাজনৈতিক, সামাজিক, ধাৰ্মিক আদি সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত মানুহৰ পাৰ্গতালিৰ ওপৰত।

দুৰ্ভাগ্যবশতঃ এনে সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত মানুহে এতিয়াও এটা নিৰ্দিষ্ট পদ্ধতি বা প্ৰক্ৰিয়া সকলোৰে বাবে গ্ৰহণযোগ্য কৰি তুলিব পৰা নাই। Richard P. Feyynmanয়ে তেওঁৰ The meaning of it All নামৰ গ্ৰন্থত প্ৰসঙ্গক্ৰমে উল্লেখ কৰিছে যে যিকোনো এটা সমস্যাৰ ক্ষেত্ৰত দিয়া এটা বৈজ্ঞানিক মতামত বিচাৰ কৰাৰ এক নিৰ্দিষ্ট পদ্ধতি আছে আৰু সেই পদ্ধতিৰে মতামতটো শুদ্ধ নে অশুদ্ধ তাৰ বিচাৰ কৰিব পাৰি ধাৰণা বা মতামতটো ক'ৰ পৰা আহিছে, কোনে কৈছে, কোনো কৰ্তৃত্বশীল ব্যক্তিয়ে কৈছে নে নাই, কোৱা মানুহজনৰ ডক্টৰেট ডিগ্ৰী আছে নে নাই। তেওঁ আই. আই. টি বা এম. আই. টিৰ অধ্যাপক হয় নে নহয়। সেইবোৰ কথাত কোনো গুৰুত্ব আৰোপ নকৰাকৈয়ে বৈজ্ঞানিক পদ্ধতিৰে মতামতৰ শুদ্ধতা বিচাৰ কৰিব পাৰি, কোনো কৰ্তৃত্বশীল ব্যক্তিৰ পৰা অহাৰ বাবেই এটা নতুন বৈজ্ঞানিক মতামতক শুদ্ধ বুলি মানি লোৱা নহয়; আৰু সাধাৰণ মানুহৰ পৰা আহিলেই তাক অশুদ্ধ বুলিও মানি লোৱা নহয়। বিজ্ঞানত শুদ্ধতা-অশুদ্ধতাৰ বিচাৰ হয় বৈজ্ঞানিক পদ্ধতিৰ প্ৰক্ৰিয়াৰে। 'Science is not a specialist business. It is completely universal.'

কিন্তু বিজ্ঞানৰ বাহিৰৰ সমস্যাসমূহৰ ক্ষেত্ৰত আগবঢ়োৱা মতামত বিচাৰৰ বাবে তেনে কোনো নিৰ্দিষ্ট পদ্ধতি বা প্ৰক্ৰিয়া নাই; আনকি বিজ্ঞানৰ ক্ষেত্ৰত আমি শুদ্ধ-অশুদ্ধ বুলিলে যি বুজো, তেনে শুদ্ধ বা অশুদ্ধ বিজ্ঞানৰ বাহিৰৰ ক্ষেত্ৰসমূহত নাথাকিবও পাৰে। আৰু ঠিক সেই বাবেই যিকোনো এটা বিষয় বা সমস্যাৰ ক্ষেত্ৰত যেতিয়াই কিবা এটা মতামত প্ৰকাশ কৰিবলগীয়া হয় তেতিয়াই সেই মতামতক শুদ্ধ বুলি প্ৰতিষ্ঠা কৰাৰ বাবে মানুহে প্ৰয়োগ কৰিবলগীয়া হয় তেওঁৰ সমস্ত শক্তি, তেওঁ উচ্চ কণ্ঠেৰে চিঞৰিবলগীয়া হয়। ৰাজপথত শোভাযাত্ৰা উলিয়াবলগীয়া হয়, নিজৰ সমৰ্থনত মানুহ গোটাবলগীয়া হয়, দাবি-ধমকি দিবলগীয়া হয়। প্ৰয়োজন হ'লে মাৰপিট অথবা বন্দুকৰ আশ্ৰয় ল'বলগীয়াও হয়। মুঠতে বিজ্ঞানৰ দৰে মতামতৰ শুদ্ধতা বিচাৰৰ বাবে কোনো নিৰ্দিষ্ট পদ্ধতি নথকাৰ বাবেই সৰু সৰু বিষয়ৰ পৰাই জন্ম লয় অগণন সমস্যাৰ আৰু সমস্যাই সৃষ্টি কৰে সংঘাত আৰু কোলাহলৰ। কিন্তু সংঘাত আৰু কোলাহলৰ ভয়তো সমস্যাৰ পৰা আঁতৰি থকা নাযায়। তেনেহ'লে কি কৰা যায়?

(ছয়)

পৃথিবীত যিদৰে অগণন ভিন ভিন সমস্যা আছে, সেইদৰে আছে প্ৰতিটো

সমস্যাৰে ভিন ভিন সমাধান। পৃথিৱীৰ সীমাহীন ভিন ভিন সমস্যাক সাধাৰণীকৰণ কৰি বিশ্লেষণ কৰাত যিখন গ্ৰন্থই মোক আটাইতকৈ অধিক সহায় কৰিছে, সেইখন গ্ৰন্থৰ লেখক হ'ল প্ৰসিদ্ধ বৃটিছ অৰ্থনীতিবিদ E.F. Schumacher. বিভিন্ন সংকট বা সমস্যাৰ মুখামুখি হৈ বিবুধিত পৰা লোকসকলৰ বাবে A guide for the Perplexed নামৰ তেওঁ এখন মূল্যবান গ্ৰন্থ ৰচনা কৰিছে। নক'লেও হ'ব যে প্ৰখ্যাত অৰ্থনীতিবিদ্ এজনে এখন গ্ৰন্থ বহু গৱেষণা আৰু বিশ্লেষণৰ অন্ততহে লিখিব পাৰে। এই গ্ৰন্থখনত লেখকগৰাকীয়ে কৈছে যে পৰিয়ালেই হওঁক বা পৃথিৱীৰ যিকোনো প্ৰান্তৰ এখন দেশেই নহওঁক কিয়, সকলো সমস্যাকে মূলতঃ দুভাগত ভগাব পাৰি। এবিধ সমস্যাক তেখেতে নাম দিছে Convergent (অভিসাৰী) মানে আমি ধৰি ল'ব পাৰো দুডাল বা ততোধিক ৰেখা শেষত গৈ এটা বিন্দুত মিলিত হয় আৰু Divergent (পৃথক) মানে আমি ধৰি ল'ব পাৰো, ৰেখাবোৰ পৃথকে পৃথকে গৈ থাকে, কোনো এটা বিন্দুত গৈ ৰেখাবোৰ মিলিত নহয়। তেখেতে কৈছে যে কিছুমান সমস্যাৰ সমাধান বা উত্তৰ হিচাবে বিভিন্নজনে বিভিন্ন মতামত দিব পাৰে, কিন্তু তথ্যৰ সহায় লৈ বিশ্লেষণ কৰিলে ওলাই পৰে কোনটো মতামত শুদ্ধ। মই এই মুহূৰ্তত যি ঠাইত থিয় হৈ আছো, তাৰ পৰা নাৰেঙ্গী ওচৰ হ'ব নে, জালুকবাৰী ওচৰ হ'ব, নে যোৰাবাট ওচৰ হ'ব, সেই সন্দৰ্ভত বিভিন্নজনে বিভিন্ন মতামত দিব পাৰে, কিন্তু তাৰ বাবে সাময়িক বিতৰ্ক হ'লেও, তথ্য-পাতি বা বিশেষজ্ঞৰ সহায়ত শুদ্ধ সমাধানত উপনীত হোৱাটো বৰ বেছি কঠিন নহয়। বেছিভাগ বৈজ্ঞানিক সমস্যাই হ'ল Convergent সমস্যা; সেয়েহে সেইবোৰক লৈ মতভেদ হ'লেও সি তথ্য-পৰীক্ষা-বিশেষজ্ঞৰ বিশ্লেষণৰ সহায়ত শুদ্ধ বিন্দু অভিমুখে গৈ থাকে; তাৰবাবে কোলাহলৰ প্ৰয়োজন নাই।

দুৰ্ভাগ্যবশতঃ পৰিয়াল, সমাজখনৰ পৰা আৰম্ভ কৰি দেশখনে, পৃথিৱীখনে মুখামুখি হোৱা সমস্যাবোৰৰ অধিকাংশই হ'ল Divergent সমস্যা, যাৰ শুদ্ধ সমাধান বুলি এটাই মাত্ৰ সমাধান নাই। আপোনাৰ ল'ৰা-ছোৱালীহালক কিদৰে পঢ়া-শুনা কৰাই ডাঙৰ কৰিব। সেই বিষয়ত আপোনাৰ আৰু আপোনাৰ পত্নীৰ মাজত মতভেদ হ'ব পাৰে, ছোৱালীজনীক ফেশ্যন শ্বোত অংশ ল'ব দিবনে তাকে লৈ ঘৰখনত কোলাহলৰ সৃষ্টি হ'ব পাৰে। বিভিন্ন জাতি-জনগোষ্ঠী, দেশখনৰ সম্পদৰ অধিকাৰ আৰু ব্যৱহাৰক লৈ দেশখন উত্তপ্ত হ'ব পাৰে বা হৈছে; এই সকলোবোৰ সমস্যাই প্ৰকৃততে প্ৰায়েই

Schumacher য়ে কোৱাৰ দৰে একো একোটা Divergent সমস্যা, যাৰ এটাই মাত্ৰ শুদ্ধ সমাধান নাই। সকলো যেন শুদ্ধ অথচ সকলোৱে যেন শুদ্ধও নহয়। যেন সেই সাধুকথাৰ হাতীটোৰ দৰে। অন্ধ মানুহ কেইজনমানে হাতী এটা প্ৰকৃততে কেনেকুৱা জানিবলৈ চেষ্টা কৰিছে, এজনে ভৰি এখন চুই ক'লে—হাতী খুটা এটাৰ নিচিনা, এজনে কাণখন চুলে-ও, হাতী আমাৰ কুলা বা বিচনীখনৰ দৰে, এজনে শুড়ডাল চুলে-ও, হাতী পানীৰ পাইপৰ নিচিনা। মুঠতে নিজৰ নিজৰ অভিজ্ঞতাৰ পৰা প্ৰত্যেকেই শুদ্ধ; কিন্তু প্ৰকৃততে শুদ্ধ নহ'বও পাৰে। সেই মানুহ কেইজনৰ অন্ধত্ব বা জ্ঞান বা অভিজ্ঞতাৰ সীমাবদ্ধতা; বিষয় এটাৰ সম্পৰ্কত থকা আমাৰ চিন্তাৰ, আমাৰ মানসিকতাৰ সীমাবদ্ধতা হ'ব পাৰে, যাৰ বাবে আমাৰ নিজ নিজ দৃষ্টিভঙ্গীৰে আমি নিজেই শুদ্ধ বা সত্যৰ ছবি এটা অঙ্কন কৰি লওঁ। সৌভাগ্যবশতঃ হাতীৰ এটা প্ৰকৃত অৱয়ব আছে; কিন্তু দুৰ্ভাগ্যবশতঃ Convergernt সমস্যাৰ সমাধানৰ এটা নিৰ্দিষ্ট অৱয়ব নাই, সেয়েহে সকলো মত যোগ কৰি সমাধানৰ প্ৰকৃত শুদ্ধ ৰূপ আমি অঙ্কণ কৰিব নোৱাৰো; কিন্তু এনে এটা পদ্ধতি নিশ্চয় উলিয়াব পাৰো, এনে এটা কলা (আৰ্ট)ৰ কথা আমি নিশ্চয় ভাবিব পাৰো, যিয়ে সকলো দৃষ্টিভঙ্গীৰ সমন্বয়ত ধীৰে ধীৰে প্ৰায় শুদ্ধ, near right সমাধানৰ অভিমুখে আমাক আগুৱাই লৈ যাব পাৰে! কি সেই পদ্ধতি, কি সেই আৰ্ট? আমি তাৰেই সন্ধান কৰিবলৈ ওলাইছো। সেই পদ্ধতি, সেই আৰ্টেই, সমস্যাই কোলাহলৰ পৰা পৰিয়ালত, সমাজখনত, পৃথিৱীখনত সুৰ-সমলয়ৰ সৃষ্টি কৰিব পাৰিব।

(সাত)

আজি কেইদিনমান আগতে গুৱাহাটীলৈ দালাই লামা আহি গৈছে। বিশ্বৰ বিভিন্ন প্ৰান্তৰত দালাই লামাই দিয়া ভাষণত প্ৰায়েই এটা কথা উল্লেখ কৰে যে যিকোনো সমস্যাৰ সমাধানৰ বাবে হিংসা এতিয়া অপ্ৰাসঙ্গিক, হিংসাৰ প্ৰয়োগ মুৰ্খামি। (হিংসা বিষয়টোৰ ওপৰত ইয়াত আলোচনা নকৰো, কাৰণ সেয়া অন্য এক দীঘলীয়া বিষয়।) তেখেতৰ মতে বিভিন্ন মতৰ সংঘাতে সৃষ্টি কৰা সমস্যাৰ এটাই মাত্ৰ মানুহৰ সন্মুখত খোলা আছে আৰু সেই পথটো হ'ল; ডায়লগ। অসমীয়াতো ডায়লগ শব্দটো ব্যৱহৃত হয়; অথবা তাৰ সলনি ব্যৱহাৰ কৰা হয় 'আলোচনা' শব্দটো। কিন্তু আজি-কালি দেখোন যিকোনো সমস্যাৰ সমাধানৰ বাবে আলোচনা-বিলোচনা হৈয়েই থাকে। সভা-সমিতি, চেমিনাৰ, কনফাৰেঞ্চ বন্ধ কোঠালিৰ পৰা আজি-কালি আলোচনাই দূৰদৰ্শনৰ

পৰ্দালৈও গতি কৰিছে, আৰু ই যথেষ্ট জনপ্ৰিয়তাও লাভ কৰিছে। কিন্তু আপোনালোকৰ এনেকুৱা নালাগেনে যে এই আলোচনাবোৰ প্ৰায়েই বিফল হৈ আছে; অথবা সেই আলোচনাৰ পিছত সংঘাতে লৈছে তীব্ৰতৰ ৰূপ, অথবা এখন চুক্তিৰে আলোচনাৰ সমাপ্তি ঘটিছে কিন্তু তাৰ পিছতো সেই চুক্তি হয় বাস্তৱত ৰূপায়িত হোৱা নাই, অথবা ৰূপায়িত হোৱাৰ পিছতো দুই পক্ষৰ মাজত বিদ্বেষ, তিক্ততা একেদৰেই আছে, একেদৰেই জ্বলি আছে উমি উমি আন্দোলন, কোলাহল, বিস্ফোৰণৰ আগ্নেয়গিৰি। তেনেহ'লে সেই আলোচনাৰ পৰা লাভ কি? নে সেই আলোচনাৰ পদ্ধতিৰ মাজতে বৈ গৈছে কিবা এক সূক্ষ্ম বিসঙ্গতি, যাৰ বাবে আলোচনাৰ ফলাফল হৈ পৰে ভয়াবহ, বিপদজনক, ফেটেল! আমি কেনেদৰে আলোচনা কৰিব লাগে নাজানো নেকি? আলোচনাৰ এনে কিবা কলা বা আৰ্ট আছে নেকি যাক এতিয়াও বিচাৰি পাবলৈ আমি সক্ষম হোৱা নাই? কি সেই আৰ্ট? সেই আৰ্ট বা কলাৰ কথা কোৱাৰ আগতে সচৰাচৰ হৈ থকা আলোচনাবোৰৰ কথা বুজিবলৈ অলপ চেষ্টা কৰো আহক।

(আঠ)

বিভিন্ন বিষয়ৰ আলোচনাৰ বাবে আয়োজন কৰা সভা-সমিতিবোৰলৈ লক্ষ্য কৰিলে আমি দেখিবলৈ পাওঁ যে সভাবোৰ আয়োজন কৰে বিশেষ কোনো গোষ্ঠীয়ে— এইখন আছুৰ সভা, এইখন কংগ্ৰেছৰ সভা, এইখন মৰাণ-মটক বা চুতীয়াৰ সভা ইত্যাদি ইত্যাদি। 'গোষ্ঠী' শব্দটো মই ইয়াত খুব সাধাৰণ অৰ্থত ব্যৱহাৰ কৰিছো আৰু এই গোষ্ঠীবোৰৰ জেনেচিচ বিচাৰি চালে দেখা যায় যে একে ধৰণৰ চিন্তাৰ অধিকাৰী কিছু ব্যক্তিৰ দ্বাৰা এইবোৰ গোষ্ঠী গঠিত হৈছে। এনে সভাবোৰত বিষয় এটাৰ ওপৰত মুকলি চিন্তা-চৰ্চা হোৱাতকৈ সাধাৰণতে একেধৰণৰ চিন্তাকেই সকলোৱে প্ৰদৰ্শন কৰে। সেয়েহে এনে সভাবোৰত বিষয় এটাৰ ওপৰত নতুনকৈ একো নতুন দৃষ্টিভঙ্গীৰে চিন্তা-চৰ্চা নহয়; মাথো পূৰ্বৰ চিন্তাকে ই অধিক শক্তিশালী মজবুট আৰু right কৰি তোলে। নতুন দৃষ্টিভঙ্গীৰে যাতে কোনো নতুন চিন্তাৰ সূচনা হ'ব নোৱাৰে তাৰ বাবে এনে সভাত কাক কাক আমন্ত্ৰণ জনাব, তাক নিৰ্দ্ধাৰণৰ সময়তে কৌশলেৰে ঠিক কৰা হয়। বিশিষ্ট অতিথি অমুক হ'লে মুখ্য অতিথি এনেকুৱা ভাৱধাৰাৰ হ'ব লাগিব আৰু আলোচক হ'ব লাগিব সমভাবাপন্ন। এই সভা-সমিতিত পৰিকল্পিতভাৱে নতুন চিন্তা আৰু দৃষ্টিভঙ্গী বহিষ্কাৰ কৰি পূৰ্বৰ চিন্তাক কিদৰে আৰু বেছি কঠিন, শক্তিশালী

আৰু মজবুট কৰি তুলিব পাৰি তাৰহে চিন্তা-চৰ্চা কৰা হয়। এয়া যেন অন্ধৰ হস্তী-দৰ্শনৰে অন্য এক ৰূপ! হাতীৰ ভৰি চুই হাতীক খুটা বুলি ভবা মানুহৰ সভা। হাতী প্ৰকৃততে খুটাৰ নিচিনা হয় নে নহয় সেই সম্পৰ্কে তাত নতুন দৃষ্টিভঙ্গীৰে বিচাৰ কৰা নহয়। কিদৰে হাতীক ৰচি বা বিচনী বা কুলাৰ দৰে বুলি ভবা মানুহখিনিক পৰাস্ত কৰি হাতীক খুটা বুলি প্ৰতিপন্ন কৰিব পৰা যায় তাৰহে উপায় কৌশল, যুক্তি উদ্ভাৱনৰ প্ৰচেষ্টা চলোৱা হয়। ফলত প্ৰকৃত হাতীৰ অৱয়ৱ অনাবিষ্কৃত হৈয়েই ৰৈ যায়।

(ন)

ইয়াৰ উপৰিও অন্য এক আলোচনাও বেচ জনপ্ৰিয় হৈ উঠিছে, আনকি Media-value ৰ বাবে ই দুৰদৰ্শনতো প্ৰায় প্ৰতিদিনেই অনুষ্ঠিত হয়। এই আলোচনাবোৰক ঘূৰণীয়া মেজমেল, মুকলি মঞ্চ, ৰাইজৰ মেল আদি নামেৰেও জনা যায়। এনেধৰণৰ আলোচনা মৃণাল তালুকদাৰ, নিতুমণি শইকীয়া, প্ৰণয় বৰদলৈ বা ৰাষ্ট্ৰীয় পৰ্যায়ত অৰ্ণব গোস্বামী, বৰখা দত্ত আদিৰ দৰে ব্যক্তিৰ সঞ্চালনাত নিয়মীয়াকৈ অনুষ্ঠিত হৈ আছে। আমি পূৰ্বতে উল্লেখ কৰা আলোচনাৰ দৰে এনে মেল বা অনুষ্ঠানলৈ কিন্তু একেধৰণৰ চিন্তাৰ অধিকাৰী ব্যক্তিক আমন্ত্ৰণ জনোৱা নহয়; বৰঞ্চ বেচ পৰিকল্পিতভাৱে সৎ উদ্দেশ্যেৰে এনে অনুষ্ঠানলৈ বিভিন্ন মতামতৰ, বিভিন্ন গোষ্ঠীৰ ব্যক্তিক আমন্ত্ৰণ কৰি অনা হয় আৰু এই বৈপৰীত্যই হ'ল এনে আলোচনাৰ জনপ্ৰিয়তাৰ উৎস, Media-value. । এই আলোচনাবোৰ প্ৰকৃততে একো একোখন উত্তেজনাপূৰ্ণ খেলৰ নিচিনা, WWF ৰ মল্লযুদ্ধৰ নিচিনা ঃ আলোচনাৰ বিষয়টোৰ ওপৰত মগজুৰ ভিতৰত নিজৰ নিজৰ চিন্তা লৈ অংশগ্ৰহণকাৰীসকল বহি থাকে; এক্সৰ বা মধ্যস্ততাকাৰীজনে 'Go ahead' সঙ্কেত দিয়াৰ লগে লগে মগজুৰ ভিতৰত থকা অদৃশ্য চিন্তাবোৰ ৰূপান্তৰিত হয় একোটা পিং পং বললৈ, এজনে আনজনৰ গালৈ বলবোৰ দলিয়াবলৈ আৰম্ভ কৰে, এটা বলৰ সৈতে আনটো বলৰ খুন্দাত সৃষ্টি হয় উত্তাপৰ। কেতিয়াবা সেই উত্তাপ ইমানেই বৃদ্ধি পায় যে সেয়া যেন পিং পং খেল নহয়, বন্দুকৰ গুলিয়াগুলিহে। এজনৰ বন্দুকৰ নলীৰে যদি নিৰ্গত হৈছে 'আছু' চিন্তা, আনজনৰ বন্দুকেৰে নিৰ্গত হৈছে 'কংগ্ৰেছী চিন্তা', তৃতীয়জনৰ বন্দুকৰ নলীৰে হয়তো নিৰ্গত হৈছে 'মাৰ্ক্সবাদী চিন্তা', ইত্যাদি, ইত্যাদি। এই আলোচনাবোৰত কোনেও কাৰো কথা আন্তৰিকতাৰে নুশুনে, প্ৰত্যেকেই উদ্‌গ্ৰীৱ হৈ অপেক্ষা কৰি থাকে তেওঁৰ পাল কেতিয়া পৰিব যাতে

নিজৰ মনৰ ভিতৰত পূৰ্বৰে পৰা থকা চিন্তাৰ গুলিটো লক্ষ্যভেদ কৰিবৰ বাবে তেওঁ এৰি দিব পাৰে। কেতিয়াবা কোনোবাই অইনৰ কথা শুনা যেন দেখুৱাই কিছু সময়ৰ বাবে মৌন হৈও থাকিব পাৰে, কিন্তু তাৰ অৰ্থ এইটো নহয় যে তেওঁ অইনৰ কথা শুনি ভাবিবলৈ চেষ্টা কৰিছে; তেওঁ প্ৰকৃততে সেইখিনি সময়ত নিজৰ বন্দুকত নিজৰ চিন্তাৰ গুলি ভৰাই থাকে, যাতে বিপৰীত পক্ষক ধৰাশায়ী কৰি তেওঁ নিজৰ চিন্তাক প্ৰতিষ্ঠা কৰিব পাৰে।

এনে আলোচনাই নিঃসন্দেহে এটা গুৰুত্বপূৰ্ণ বিষয়ৰ প্ৰতি মানুহৰ দৃষ্টি আকৰ্ষণ কৰে, আনকি এটা বিষয়ৰ ওপৰত বিভিন্নজনৰ মতামত জনাৰ সুযোগ এটাও প্ৰদান কৰে, এনে আলোচনাত কেতিয়াবা কিছু সিদ্ধান্তও গৃহীত হয়; কিন্তু যিটো গুৰুত্বপূৰ্ণ ঘটনা ইয়াত সংঘটিত নহয়, সেইটো হ'ল অংশগ্ৰহণকাৰীসকলে যি ধাৰণা বা চিন্তাক প্ৰতিনিধিত্ব কৰে, তাৰ একো পৰিৱৰ্তন নহয়। তেওঁলোকে একে ধৰণেই মনৰ ভিতৰত নিজৰ নিজৰ পূৰ্বৰ ধাৰণাক খামুচি ধৰি থাকে; পিছৰবাৰ পুনৰ নতুন নতুন যুক্তি আৰু তথ্যৰে নিজৰ ধাৰণাক প্ৰতিষ্ঠা কৰাৰ ন ন কৌশল ৰচনা কৰে। সমাজৰ সেয়েহে থাকি যায় একেদৰেই সংঘাতৰ সম্ভাৱনা আৰু কোলাহল।

(দহ)

আৰু এক ধৰণৰ আলোচনা অনুষ্ঠিত হয়। যুগ যুগ ধৰি অসমক বঞ্চনা কৰাৰ মনোভাৱৰ বাবে কোনো এটা সংগঠনে হয়তো কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে আন্দোলন কৰে, একেই বঞ্চনাৰ বাবে স্বাভিমানী কোনোৱে হয়তো হাতত বন্দুক তুলি লয়। এটা সময়ত ৰাজধানীত এলানি আলোচনা অনুষ্ঠিত হয়। আলোচনাৰ অন্তত এখন চুক্তি সম্পাদন হয়। হয়তো সেই আলোচনামৰ্মে অসমত প্ৰতিষ্ঠা কৰা হয় এখন আই. আই. টি., এটা শোধানাগাৰ, এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয়, ব্ৰহ্মপুত্ৰৰ ওপৰত দলং। এখন দলং হ'ব নে দুখন দলং হ'ব তাৰ ওপৰত হয়তো পুঙ্খানুপুঙ্খ বিশ্লেষণ হয়, কিন্তু আলোচনাত যিটো বিষয় আলোচনা নোহোৱাকৈয়ে থাকি যায় সেয়া হ'ল বঞ্চনাৰ সেই মনোভাৱ, স্বাভিমানক উপৰ্যুপৰি কৰা আঘাত। দলং, আই. আই. টি, বিশ্ববিদ্যালয় ঠিকেই হয়; কিন্তু সলনি নহয় সুযোগ পালেই বঞ্চনা কৰাৰ মনোভাৱ।

এনে আলোচনাক আলোচনা নুবুলি এক ধৰণৰ Negotiation বা বুজাবুজি বুলি অভিহিত কৰাটোহে উচিত হ'ব বুলি মই বিবেচনা কৰো। এনে আলোচনাইও

প্ৰকৃততে সংঘাতৰ কোলাহলৰ পৰা সুৰ-সমলয়ৰ সৃষ্টি কৰিব নোৱাৰে। দালাই লামাই যে ডায়লগ আলোচনাৰ কথা কয়, তেনেহ'লে সেয়ানো কি কাৰ মাজত তেখেতে সকলো সমস্যাৰ সমাধানৰ পথ ৰিণিকি ৰিণিকি দেখা পাইছে?

এঘাৰ

মই আজিৰ এই আলোচনাৰ প্ৰথমতে প্ৰসঙ্গক্ৰমে উল্লেখ কৰিছিলো যে দুগৰাকী বিশেষজ্ঞৰ পৰামৰ্শ আৰু তত্ত্বাৱধানত প্ৰায় ছটা বছৰ কোলাহলৰ পৰা সুৰ-সমলয়ৰ সৃষ্টিৰ পথ এটাৰ সন্ধান কৰিছিলো আৰু সেই পথটোৱেই হ'ল ডায়লগ। মই নিজে অভিজ্ঞ ব্যক্তিয়ে পৰিচালনা কৰা এনে ডায়লগত কেবাবাৰো অংশগ্ৰহণ কৰিছো আৰু নিজেও এনে ডায়লগ পৰিচালনা কৰিছো। মোৰ এই ব্যক্তিগত অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰিয়েই মই এটা কথা ক'ব বিচাৰো যে ডায়লগ এনে এটা সূক্ষ্ম কলা যাৰ মাজত কোলাহলৰ পৰা সুৰ-সমলয় সৃষ্টিৰ অনন্ত সম্ভাৱনা লুকাই আছে; কিন্তু তাৰ বাবে প্ৰয়োজন হ'ব ডায়লগৰ সূক্ষ্ম দিশ আৰু গভীৰ তাৎপৰ্যৰ বিষয়ে সকলোকে সচেতন কৰি তোলাটো; আৰু প্ৰয়োজন হ'ব কিছু পৰীক্ষা-নিৰীক্ষা আৰু অপৰিসীম ধৈৰ্যৰ।

প্ৰথমতে ধীৰে ধীৰে বুজিবলৈ চেষ্টা কৰো আহক ডায়লগনো প্ৰকৃততে কি? ডায়লগ এক ধৰণৰ কথা-বাৰ্তা, এক ধৰণৰ কথোপকথন, এক ধৰণৰ দৰ্শন, এক ধৰণৰ বিজ্ঞান, এক ধৰণৰ কলা; অথবা বিজ্ঞান, দৰ্শন, কলাৰ সমন্বয়ত সৃষ্টি হোৱা এনে এক সূক্ষ্ম মেজিক যিয়ে কঠিন শিলৰ দৰে চিন্তাকো ধীৰে ধীৰে গলাই, নমনীয় কৰি তুলিব পাৰে; কাণত সোপা দিবলগীয়া অৱস্থাৰ সৃষ্টি কৰা কোলাহলকো ৰূপান্তৰিত কৰিব পাৰে, শ্ৰুতিমধুৰ সুৰ-সমলয়লৈ! কিন্তু কেনেকৈ! কি এই আৰ্ট, কি ইয়াৰ যাদু?

ডায়লগ শব্দটো আহিছে দুটা গ্ৰীক শব্দৰ পৰা Dia আৰু Logos. Dia মানে অসমীয়াত ব্যাস, সেই কথা আমি সকলোৱে জানো। এটা বৃত্তৰ পৰিধিক চুই কেন্দ্ৰবিন্দুৰ মাজেৰে আমি যিবোৰ ৰেখাক অংকন কৰো, সেইবোৰকে আমি Dia বা ব্যাস বুলি কওঁ। এটা মাত্ৰ বৃত্ত, কিন্তু তাৰ ভিতৰত অংকন কৰিব পাৰো অজস্ৰ, কিন্তু কি আশ্বৰ্যকৰ কথা সেই সকলো ব্যাসেই এটা সময়ত মিলিত হয় এটা বিন্দুত। যাক আমি বৃত্তৰ কেন্দ্ৰ বুলি কওঁ। সেই কেন্দ্ৰবিন্দুৰ মাজেৰেই সকলো ব্যাস পাৰ হৈ যায়।

পিছৰ শব্দটো হ'ল Logos, গ্ৰীকৰ পৰা অসমীয়াত অনুবাদ কৰিলে ইয়াক আমি ক'ব পাৰো 'শব্দ' বা 'অৰ্থ' বুলি। Dialogoes ৰ অৰ্থ সেয়েহে হ'ব এনে ধৰণৰ এটা কেন্দ্ৰবিন্দুৰ মাজেৰে অহা-যোৱা কৰা অজস্ৰ শব্দ বা অৰ্থৰ এটা প্ৰবাহ; এটা স্ৰোত। কোনো এটা বিষয়ৰ ওপৰত আপুনি এটা মতামত প্ৰকাশ কৰিছে, তেওঁ এটা মত প্ৰকাশ কৰিছে, মই এটা মতামত প্ৰকাশ কৰিছো এই সকলো মতামতৰ পৰা যেন সৃষ্টি হৈছে অৰ্থৰ এটা স্ৰোত, এটা প্ৰবাহ, যিয়ে এটা বিন্দুৰ মাজেৰে পাৰ হৈ গৈছে আৰু বিন্দুৰ মাজেৰে পাৰ হৈ যোৱাৰ সময়ত যি উমৈহতীয়া প্ৰবাহৰ সৃষ্টি হৈছে তাত আপোনাৰ মতও আছে, মোৰ মতও আছে, তেওঁৰ মতও আছে, কিন্তু সেই স্ৰোত বা প্ৰবাহ অকল আপোনাৰ, মোৰ বা তেওঁৰ মতটো নহয়; সি সকলো মতৰ essence নিৰ্যাস বা সাৰমৰ্মৰ পৰা তৈয়াৰ হোৱা অন্য এক অৰ্থ। এয়া যেন এটা চুপ বা চুৰুহা, য'ত আমি হয়তো গাজৰ দিছো, পিয়াজ দিছো, নহৰু দিছো, বীন দিছো; কিন্তু চুপটো বীনও নহয়, পিয়াজো নহয়, নহৰুও নহয়, গাজৰো নহয়; এক বিশেষ কলা বা পাৰদৰ্শিতাৰে এই সকলোৰে নিৰ্যাসৰ পৰা তৈয়াৰ হোৱা ভিন ভিন মতামতৰ পৰা সৃষ্টি কৰা হয় অৰ্থৰ এক সুস্বাদু চুপ।

ডায়লগৰ আঁৰত থকা মূল তত্ত্ব বা Theory হ'ল এইটোৱেই। ইয়াক কোৱা হয় The art of thinking together. আমি একেলগে নাচিব পাৰো, আমি একেলগে কোৰাচ গাব পাৰো; কিন্তু সৌ সিদিনালৈকে আমি ভাবি আছিলো যে আমি একেলগে ভাবিব নোৱাৰো, আমি প্ৰত্যেকেই বেলেগ বেলেগ ভিন ভিন ভাবে ভাবো আৰু সেই ভাবৰ সংঘাততেই সৃষ্টি হয় কোলাহল। কিন্তু ডায়লগ হ'ল এনেকুৱা এটা কলা, যিয়ে আমাক একেলগে ভাবিবলৈ শিকায়; ইয়াতো ভাবৰ সংঘাত হয়, কিন্তু সেয়া হয় সাময়িক, কাৰণ এটা সময়ত কেন্দ্ৰবিন্দুত মিলিত হৈ ই সৃষ্টি কৰে অৰ্থৰ প্ৰবাহ। ১৯৬৫ চনতে Bruce Tuckman য়ে প্ৰস্তাৱ কৰা Forming-Storming-Norming-Performing Model ৰ কথা আপোনালোকে নিশ্চয় জানে। কেইগৰাকীমান ভিন ভিন পৰিৱেশৰ পৰা অহা মানুহে একগোট হৈ বেচ ভদ্ৰভাবে পৰিচয় বিনিময় কৰে, যাক আমি Forming বুলি কওঁ, তাৰ পিছত তেওঁলোকে নিজৰ নিজৰ মতামত ব্যক্ত, কৰিবলৈ আৰম্ভ কৰে, হয়তো তৰ্ক-বিতৰ্ক, উত্তাপৰো সৃষ্টি হয় যাক আমি ক'ব পাৰো Storming বুলি, তাৰপিছত এজনে আনজনক বুজিবলৈ আৰম্ভ কৰে, ভিন

ভিন মতামতৰ সমন্বয় ঘটে, এই অৱস্থাটোক আমি ক'ব পাৰো Norming বুলি; তাৰ পিছত একেলগে একেই উদ্দেশ্য সন্মুখত ৰাখি তেওঁলোকে কৰ্মত লাগি যায়, যাক আমি ক'ব পাৰো Performing বুলি। Bruce Tuckman ৰ এই মডেল ডায়লগতো পৰিলক্ষিত হয়। ইয়াতো প্ৰথম অৱস্থাত এক ধৰণৰ উপৰুৱা ভদ্ৰতা, তাৰ পিছত অলপ তৰ্কৰ ধুমুহা, তাৰ পিছত বন্ধুত্বৰ এক স্বাভাৱিক অৱস্থা আৰু অৱশেষত সহযোগিতাৰে কাম কৰিবলৈ আৰম্ভ কৰা। কিন্তু ডায়লগত এই প্ৰক্ৰিয়াটো কিদৰে সংঘটিত হয়, এই কথা বুজি পাবৰ বাবে ভাব, চিন্তা, ধাৰণা এইবোৰৰ বিষয়ে আমি অন্ততঃ সাধাৰণভাবে বুজিবলৈ চেষ্টা কৰিব লাগিব। এই সম্পৰ্কত যি কেইগৰাকী ব্যক্তিৰ লেখাই মোক প্ৰভাৱান্বিত কৰিছে, তেওঁলোক হ'ল দালাই লামা, পদাৰ্থ বিদ্যাত নোবেল বঁটা বিজয়ী ডেভিদ ব'ম (David Bohm), মনোবিজ্ঞানী Christ Argyrus, Dialogue-The Art of Thinking Together ৰ লেখক William Isaacs আদি। ড° ডেভিড ব'ম যদিও কোৱাণ্টাম মতবাদৰ বিজ্ঞানী, তেওঁ বিজ্ঞানৰ জৰিয়তে ভাবৰ জীৱন আৰু পৃথিৱীৰ ওপৰত প্ৰভাৱৰ কথা বুজিবলৈ চেষ্টা কৰিছিল আৰু এটা সিদ্ধান্তত উপনীত হৈছিল যে এটা অৰ্থপূৰ্ণ জীৱন আৰু বিভিন্ন মতামতৰ সংঘাতক সহযোগিতালৈ ৰূপান্তৰিত কৰি মানুহৰ ভৱিষ্যত সুৰক্ষিত আৰু মঙ্গলময় কৰিবৰ বাবে ডায়লগক সকলো দেশতে সৰ্বস্তৰৰ মানুহৰ মাজত জনপ্ৰিয় কৰি তুলিব লাগিব। এগৰাকী প্ৰখ্যাত বিজ্ঞানী হৈও ইংলেণ্ড, ইউৰোপ, ইজৰাইল, আমেৰিকা আদি দেশত ডায়লগৰ আয়োজন কৰি তেখেতে নিজেই সঞ্চালনা কৰিছিল। তেখেতে দেখুৱাই যোৱা আৰ্হিত এতিয়া দেশে দেশে বহুলোকে নিৰৱে এই প্ৰচেষ্টা চলাই আহিছে আৰু যথেষ্ট সাফল্যও লাভ কৰিছে। ডায়লগৰ সাফল্যৰ উদাহৰণেৰে এই আলোচনা মই ভাৰাক্ৰান্ত কৰিব খোজা নাই, মাত্ৰ কৌতুহলী লোকৰ বাবে মই উনুকিয়াব বিচাৰিছো যে ২৫ বছৰ ধৰি হিংসাৰ বিৰুদ্ধে যুঁজি যুঁজি বিফল হোৱা আয়াৰলেণ্ডলৈ শান্তি ঘূৰাই অনাৰ ক্ষেত্ৰত ডায়লগে কি যুগান্তকাৰী ভূমিকা গ্ৰহণ কৰিছিল, সেই কথা নোবেল বঁটা বিজয়ী জন হিউমে লিপিবদ্ধ কৰি থৈ গৈছে; দ্বিতীয় মহাযুদ্ধৰ সময়ত জাৰ্মানি আৰু ফ্ৰান্সৰ শত্ৰুতাৰ বাবে ইউৰোপ মহাদেশত ২৫ নিযুতৰৈকৈও অধিক লোকে প্ৰাণ হেৰুৱাইছিল, আৰু সেই সময়ত এই কথা কল্পনাৰো অতীত আছিল যে এদিন জাৰ্মানি আৰু ফ্ৰান্সে হাতত ধৰাধৰিকৈ ইউৰোপৰ উমৈহতীয়া স্বাৰ্থৰ বাবে কাম কৰিব; আজি একেখন ভিচাৰে,

একেই মুদ্রা জেপত ভৰাই অনায়াসে ইউৰোপৰ বিভিন্ন দেশ, জাৰ্মান-ফ্ৰান্সকে ধৰি আপুনি ভ্ৰমি ফুৰিব পাৰে। এয়া সম্ভৱ হৈছে পৰিকল্পিতভাবে সকলোৰে অগোচৰত নিৰন্তে চলাই থকা ডায়লগৰ বাবে। ভিয়েটনাম, আফ্ৰিকা আদি দেশতো ডায়লগে যোগাত্মক বৰঙণি আগবঢ়াইছে। এই দেশসমূহত ডায়লগৰ এনেদৰে এক গ্ৰহণযোগ্য গুৰুত্বপূৰ্ণ কলালৈ পৰিবৰ্তিত কৰাত বিজ্ঞানী ডেভিড ব'মৰ বিশেষ অৰিহণা আছে। ব'মে জনপ্ৰিয় কৰি তোলা ডায়লগৰ আৰ্হিৰ কথা তেখেতৰ Unfolding Meaning নামৰ গ্ৰন্থত লিপিবদ্ধ কৰা আছে।

বাৰ

'ভাব', Thoughts এইবোৰ এক ধৰণৰ এব্‌ষ্ট্ৰাক্ট দাৰ্শনিক শব্দ যেন লাগে। সেয়েহে জানিবলৈ কৌতুহল হয় ডেভিড ব'মৰ দৰে বিশ্ববিখ্যাত এগৰাকী কোৱাণ্টাম বিজ্ঞানীনো কিয় এই 'ভাব' বা Thoughts ৰ প্ৰতি কৌতুহলী হৈ উঠিল, কিয়নো 'ভাব'ৰ খেলাক লৈ ডায়লগ নামৰ প্ৰক্ৰিয়া এটাক বিশ্বত প্ৰতিষ্ঠা কৰাৰ বাবে নিজেই উদ্যোগ লৈ দেশে দেশে ভ্ৰমি ফুৰিলে। মই প্ৰসংগক্ৰমে উল্লেখ কৰিছিলো যে ডায়লগ এক বিজ্ঞানো। হয়, এক বিজ্ঞানো। নিউটনৰ যুগৰ বিজ্ঞানৰ সময়ত আমি ভাবিছিলো যে যি অণু-পৰমাণুৰে বিশ্ব-ব্ৰহ্মাণ্ডৰ সকলো বস্তু নিৰ্মিত হৈছে সেই পৰমাণুবোৰ আপোনমনে তীব্ৰ গতিত ঘূৰি ফুৰিছে, যেন এখন বিলিয়াৰ্ডবোৰ্ডত গুটিবোৰ এফালৰ পৰা আনফালে ঘূৰি ফুৰিছে, এটাই আনটোক খুন্দা মাৰিছে, উফৰি গৈছে, পুনৰ আন এটাক খুন্দা মাৰিছে, মুঠতে অকলে অকলে এটাই আনটোক খুন্দিয়াই থকা যেন অজস্ৰ বল। কিন্তু কোৱাণ্টাম বিদ্যা অধ্যয়নৰ সময়ত ব'মে জানিবলৈ পালে যে সেই ক্ষুদ্ৰ কণাবোৰৰ নিজস্ব গতি ঠিকেই আছে, কিন্তু সিহঁতৰ একেলগে তৰঙ্গৰ দৰে গতিও আছে; অৰ্থাৎ সকলোৱে লগ লাগি ঢৌৰ দৰেও অণু-পৰমাণুবোৰে গতি কৰি আছে। অৰ্থাৎ নিজৰ নিজৰ অস্তিত্ব, নিজৰ নিজৰ এক ধৰণৰ গতি বজাই ৰাখিও পৰমাণুবোৰে ঢৌৰ দৰে যাব পাৰে। মানুহেও যদি নিজৰ নিজৰ অস্তিত্ব, নিজৰ নিজৰ মতামত অক্ষুন্ন ৰাখি ঢৌৰ দৰে একেলগে আগবাঢ়ি যাব পাৰিলেহেঁতেন! এনে ধৰণৰ কৌতুহলে বিজ্ঞানী ডেভিড ব'মক লৈ গ'ল ভাব-চিন্তাৰ এক সূক্ষ্ম বিচিত্ৰ জগতলৈ।

ডেভিড ব'মে চিন্তাৰ প্ৰক্ৰিয়াটোক দুটা পাৰৰ মাজেৰে বৈ যোৱা পানীৰ সোঁতটোৰ সৈতে তুলনা কৰিছে। নদী বৈ আছে, আমি নদীৰ দুপাৰত বহি আছো।

সেই নদীৰ সোঁতত বৈ গৈছে গছৰ পাত, জাঁজি; সেইবোৰেই হ'ল ভাব, Thoughts; কেতিয়াবা সেই নদীৰ সোঁতৰ পৰা অথবা পাৰত আহি লাগি পৰা গছৰ পাতবোৰ থুপ খুৱাই আমি এটা পাতৰ দ'ম সাজিছো আৰু সেই পাতৰ দমটোৱেই হ'ল আমাৰ মতাদৰ্শ, আমাৰ মতামত। প্ৰথম নদীৰ পাৰত বহি থাকোতে সেই পাতৰ দ'মটো বুকুত সাৱটি আমি বহি থাকিবলৈ আৰম্ভ কৰা নাছিলো, নদীত উটি যোৱা পাতবোৰ লৈহে দ'মটো সাজি লৈছিলো। পাতবোৰ পচি ধ্বংস হ'লে আমি সেই পাতবোৰ নদীত উটুৱাইও দিব পাৰো, নতুন পাত সংগ্ৰহ কৰি পুনৰ এটা নতুন দ'ম সাজিব পাৰো; নহ'লে হয়তো পঁচা পাতৰ দুৰ্গন্ধই আমাৰ শৰীৰকো প্ৰদূষিত কৰিব।

এয়াই হ'ল ডায়লগৰ আঁৰত থকা দৰ্শন। অৰ্থাৎ আমি জীয়াই থকা সময়ছোৱাত সময়ৰ সোঁতত উটি অহা বিভিন্ন ভাবৰ পৰা আমি সৃষ্টি কৰিছো আমাৰ মতাদৰ্শ, আমাৰ মতামত, আমাৰ ধাৰণা, আমাৰ বিশ্বাস। সেইবোৰেই আমি নহয়, যিদৰে জীৱন কালত আহৰণ কৰা গাড়ী অথবা ঘৰটোৱেই নহয়। গাড়ী আৰু ঘৰটো যিদৰে চিৰস্থায়ী নহ'ব পাৰে, সেইদৰে মোৰ মতামত বা মতাদৰ্শও চিৰন্তন সত্য নহ'ব পাৰে। সেই মতামতো মানুহে পৰ্যবেক্ষণ কৰিব পাৰে, প্ৰশ্ন কৰিব পাৰে, প্ৰত্যাহ্বান জনাব পাৰে, পুৰণি পাতৰ দৰে সি পচি যাব পাৰে, আৰু সৃষ্টি হ'ব পাৰে এক নতুন মতামতৰ। সেই সৃষ্টি প্ৰক্ৰিয়াত সকলোৰে যদি অংশগ্ৰহণ কৰে তেনেহ'লে সেই মতামত হ'ব পাৰে সকলোৰে।

এই যে অলপ আগতে গছৰ পাতবোৰ নদীৰ সোঁতত উটি অহা বুলি ক'লো, সেই পাতবোৰ প্ৰকৃততে উটি আহে প্ৰায়ে অতীতৰ পৰা, আমাৰ স্মৃতিৰ পৰা, আমাৰ অভিজ্ঞতাৰ পৰা, আমি পঢ়া কিতাপৰ পৰা আমি লাভ কৰা শিক্ষাৰ পৰা, আমি শুনা কথাৰ লগ লাগি সৃষ্টি হয় আমাৰ ধাৰণা বা মতামত। যিয়ে আমাৰ আচৰণ, আমাৰ কাৰ্য নিয়ন্ত্ৰণ কৰে। ধৰি লওঁক, আপুনি বাৰাণ্ডাত বহি চাহ-বিস্কুট খাই আছে। সেই সময়তে আপোনাৰ কাষ চাপি আহিল ৰাস্তাৰ কুকুৰ এটা আপুনি হয়তো বিস্কুট এটা তাক মৰমেৰে খাবলৈ দিলে। সেই একেই দৃশ্য অইন এজন ব্যক্তিৰ সৈতে। তেওঁ কিন্তু বিস্কুট এটা দিয়াৰ সলনি তাক লাঠি এডাল দাঙি খেদি পঠিয়ালে। আপোনাৰ ধাৰণা ঃ খং নুঠালে, মৰম কৰি খাব দিলে কুকুৰে একো নকৰে। আনজনৰ ধাৰণা ঃ কুকুৰৰ বিশ্বাস নাই। আক্ৰমণ কৰিব পাৰে। দুয়োজনৰে সেই ধাৰণা আহিছে অতীতৰ

কোনো অভিজ্ঞতা বা জ্ঞানৰ পৰা আৰু সেই ধাৰণাই নিয়ন্ত্ৰণ কৰিছে তেওঁলোকৰ আচৰণ, তেওঁলোকৰ কাৰ্য; আৰু সেই কাৰ্যই সৃষ্টি কৰে বাস্তৱ সেয়েহে বাস্তৱ যদি সলনি কৰিব লাগে, তেনেহ'লে আমাৰ কাৰ্যক প্ৰভাৱান্বিত কৰা গুৰুত্বপূৰ্ণ ধাৰণাবোৰ বাৰে বাৰে পৰীক্ষা কৰি বাস্তৱসন্মত ধাৰণাৰ সৃষ্টি কৰিব লাগিব আৰু তাৰ বাবে সৰ্বশ্ৰেষ্ঠ প্ৰক্ৰিয়া হ'ল ডায়লগ। ই সহজ হৈও এক সূক্ষ্ম আৰু গভীৰ প্ৰক্ৰিয়া, কাৰণ সেই ধাৰণাবোৰ চেতনাৰ এনে এক গভীৰ স্তৰত থাকে যে তাৰ অস্তিত্বৰ কথা আমি গমেই নাপাওঁ আৰু সি গম নোপোৱাকৈয়ে আমাৰ আচৰণ নিয়ন্ত্ৰণ কৰে। সেই আচৰণৰ আৰু তাৰ ফলাফল আমি হয়তো দেখা পাওঁ; কিন্তু দেখা নাপাওঁ সেই আচৰণ আৰু ফলাফলৰ আঁৰত থকা ধাৰণাসমূহ। ধৰি লওঁক, আপুনি কিবা কাৰণত এগৰাকী মানুহৰ ঘৰলৈ যাবলগীয়া হ'ল। দহ মিনিট সময় ধৰি ঘৰৰ গৰাকীয়ে আপোনাৰ সৈতে দুৱাৰমুখতে কথা পাতিলে। এবাৰো আপোনাক ঘৰৰ ভিতৰলৈ যাব নক'লে। মানুহজনৰ আচৰণ আপুনি ঠিকেই দেখিলে, কিন্তু তেওঁৰ মনৰ ভিতৰত হয়তো আপোনাৰ সম্পৰ্কত এটা ধাৰণা কিন্তু আপুনি দেখা নাপালে। মানুহে প্ৰকাশ কৰা মতামতৰ আঁৰতো তেনে এক ধাৰণা থাকে, যাক আমি দেখা নাপাওঁ। কিন্তু ডায়লগ এনেকুৱা এটা প্ৰক্ৰিয়া য'ত সেই ধাৰণা লাহে লাহে পোহৰলৈ ওলাই আহে, তাৰ সত্যতা পৰীক্ষা কৰা হয়; প্ৰয়োজনত সেই ধাৰণা ধীৰে ধীৰে সলনি হয়।

(তেৰ)

ওপৰত এই কথাও মই উল্লেখ কৰিছো যে ডায়লগ এটা নতুন ভাষা আৰু সকলো ভাষাৰ দৰে এই ভাষা শিকিবৰ বাবেও আমি ধৈৰ্য্যসহকাৰে চেষ্টা কৰিব লাগিব। কিদৰে এই ভাষা শিকিম, কিদৰে এই ভাষাৰে আমি কথা কম, সেই কথা কোৱাৰ আগতে ডায়লগ আৰু আলোচনাৰ মাজত থকা এটা পাৰ্থক্যৰ কথা কৈ ল'ব বিচাৰিছো, কাৰণ বহুতে আলোচনাক ডায়লগ বুলি ভুল কৰে।

আলোচনা এটা সাধাৰণতে অনুষ্ঠিত কৰা হয় কিবা এটা সমস্যাৰ সমাধানৰ অৰ্থে, ধৰি লোৱা হয় যে আলোচনাৰ শেষত এটা সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। আলোচনাত মানুহে অংশগ্ৰহণ কৰে নিজৰ মতামত প্ৰতিষ্ঠা কৰি জয়লাভ কৰিবৰ বাবে আৰু আলোচনাত জয়লাভ কৰাৰ অৰ্থ হ'ল মোৰ বা আমাৰ মতামত তেওঁ বা তেওঁলোকে মানি লোৱা। কেতিয়াবা হয়তো সামান্য আপোচ কৰি মই আপোনাৰ

মতামতবো কিছু অংশ মানি লম, কিন্তু শেষ পর্যন্ত মই চেষ্টা কৰি যাম যাতে মূল সিদ্ধান্তত মোৰ মতামতে প্ৰাধান্য পায়। মই যদি দেখা পাওঁ যে মোৰ মতামত গৰিষ্ঠসংখ্যকে সমৰ্থন কৰাৰ সম্ভাৱনা আছে, তেনেহ'লে হয়তো ভোটিঙৰ জৰিয়তে সিদ্ধান্ত লোৱাৰ বাবে মই জোৰ কৰিম।

কিন্তু ডায়লগৰ উদ্দেশ্য কিবা এটা সিদ্ধান্তত উপনীত হোৱাটো নহয়, জয়লাভ কৰাও নহয়, নিজৰ মতামতক প্ৰাধান্য দিয়াও নহয়, ই আপোচো নহয়, ভোটিঙও নহয়। এজন ছাত্ৰই পৰীক্ষাত ভাল নম্বৰ পোৱাৰ উদ্দেশ্য সন্মুখত ৰাখি পঢ়িব পাৰে, তেওঁ তেতিয়া এক বিশেষ ধৰণে পঢ়িব, হয়তো পৰীক্ষাত অহাৰ সম্ভাৱনা নথকা বিষয়বোৰ ফিল্টাৰ কৰি আঁতৰাই থ'ব। উত্তৰবোৰ কিদৰে ভালকৈ লিখিলে পৰীক্ষক impress হৈ ভাল নম্বৰ দিব তাৰে বাবে চেষ্টা কৰিব। কি কি প্ৰশ্ন আহিব পাৰে তাৰ বাবে Model Question paper তৈয়াৰ কৰিব। কাৰণ তেওঁৰ উদ্দেশ্য হ'ল পৰীক্ষাত জয়লাভ কৰা। আলোচনাও তেনেকুৱা। তাত অংশ লয় মানুহে জয়লাভ কৰিবৰ বাবে সম্ভাব্য যুক্তিবোৰ কিদৰে উত্থাপন কৰিব তাৰ বাবে নিজকে প্ৰস্তুত কৰে। অকল পৰীক্ষাত ভাল নম্বৰ পোৱাৰ বাবে পঢ়িলে এক ধৰণৰ বাধ্য-বাধ্যকতা আছে, যিয়ে মনৰ এক চাপ বা টেনচনৰ সৃষ্টি কৰে; সেইদৰে বিশেষ এক সিদ্ধান্ত ল'ব লাগিব বুলি ধৰি লোৱা বাবে। সেই আলোচনাত জয়লাভ কৰিবই লাগিব বুলি ভবাৰ বাবে আলোচনাতো এক ধৰণৰ চাপৰ সৃষ্টি হয়।

এতিয়া অন্য এজন ছাত্ৰৰ কথা ভাবক। তেওঁ ও বিষয় এটা অধ্যয়ন কৰিছে কিন্তু তেওঁ পঢ়িছে বিষয় এটা ভালদৰে বুজি পাবলৈ; পৰীক্ষাত ভাল নম্বৰ নাপাব বুলি তেওঁ কিছু অংশ বাদ দিয়া নাই, তেওঁৰ প্ৰক্ৰিয়া holistic বিষয়টোৰ সকলো কথাই তেওঁ সামৰি লৈছে, কি কি প্ৰশ্ন আহিব পাৰে, কেনেদৰে লিখিলে বা উপস্থাপন কৰিলে পৰীক্ষকে ভাল নম্বৰ দিব, সেই সম্পৰ্কতো তেওঁৰ কোনো মানসিক চাপ নাই। কাৰণ ভাল নম্বৰ পোৱা, পৰীক্ষাত জয়ী হোৱাৰ উদ্দেশ্য সন্মুখত ৰাখি তেওঁ পঢ়ায়েই নাই; তেওঁ মাথো পঢ়িছে বিষয় এটাৰ সকলো দিশ বুজি পাবলৈ। তেওঁও পৰীক্ষাত ভাল নম্বৰ পাব পাৰে, কিন্তু সেয়া তেওঁৰ উদ্দেশ্য নহয়; ভাল নম্বৰ এটা product হে। সেইদৰে ডায়লগতো কোনো সিদ্ধান্ত ল'বৰ বাবে, জয়লাভ কৰাৰ বাবে কোনোৱে অংশ গ্ৰহণ নকৰে; ইয়াত অংশগ্ৰহণ কৰিব লাগিব বিষয় এটা সকলো

দিশৰ পৰাই খবচি মাৰি বুজি পাবলৈ। ধৰি লওঁক মই এটা ডায়লগ আৰম্ভ কৰিছো আৰু ঘোষণা কৰিছো, আজি ডায়লগৰ বিষয়-বস্তু ঃ প্ৰেম। কাৰোবাৰ মনত হয়তো খেলি গ'ল; কি এটা তৰাং বিষয়ৰ ওপৰত ডায়লগ আৰম্ভ কৰিছে, এয়াতো চেঙেলীয়া ল'ৰা-ছোৱালীৰ কাম। কাৰোবাৰ হয়তো মনলৈ আহিল ল'ৰা-ছোৱালীৰ প্ৰতি মাক-দেউতাকৰ প্ৰেমৰ কথা, কাৰোবাৰ পোহনীয়া মেকুৰীটোৰ প্ৰতি থকা ভালপোৱাৰ কথা, কাৰোবাৰ পতি-পত্নীৰ, মাকৰ প্ৰেমৰ কথা, কাৰোবাৰ গছ-গছনি বিশ্ব-ব্ৰহ্মাণ্ডৰ প্ৰতি থকা প্ৰেমৰ কথা, কাৰোবাৰ হয়তো ভগৱানৰ সৈতে একাকাৰ হৈ যোৱা ভগৱৎ প্ৰেমৰ কথা, কাৰোবাৰ মাদাৰ টেৰেছাৰ দৰে প্ৰেমৰ কথা; মুঠতে চেঙেলীয়া ল'ৰা-ছোৱালীৰ তৰাং বুলি ভবা বিষয় এটাও ডায়লগত গৈ এক বিশাল আৰু গভীৰ আয়তন লাভ কৰিব পাৰে। সিদ্ধান্ত গ্ৰহণৰ বাবে ডায়লগৰ আয়োজন নকৰিলেও ইয়াৰ পৰাও bye-product হিচাপে সিদ্ধান্ত ওলাই আহিব পাৰে, যিদৰে ভাল নম্বৰ পাবৰ বাবে নপঢ়িলেও ভাল নম্বৰ পাব পাৰে। আলোচনা আমাৰ প্ৰচলিত খেলবোৰৰ দৰে; সাধাৰণতে যিকোনো খেলৰ এজনে আনজনৰ বিৰুদ্ধে খেলে—এজন ব্যক্তি বা একোটা দলৰ বিৰুদ্ধে; কোনোবাই হাৰে, কোনোবাই জিকে; ডায়লগ হ'ল এনে এক খেল য'ত কোনো প্ৰতিদ্বন্দ্বী নাই, কোনোৱে কাৰো বিৰুদ্ধে নেখেলে, সকলোৱে একেলগে খেলে, সকলোৱে একেলগে জিকে, সকলোৱে একেলগে হাৰে; সেয়েহে ইয়াক কোৱা হয় 'একেলগে চিন্তা কৰা এটা কলা, The Art of Thinking together। ডায়লগত সজোৰে নিজৰ দাবী উত্থাপন কৰি জয়লাভ কৰাৰ কোনো স্থান নাই; মিঠা মিঠা চাতুৰি কথাৰে অইনক ভুলাই নিজৰ মতামত প্ৰতিষ্ঠা কৰাৰো স্থান নাই। ই কঠিন যুক্তিকো লৈ যায় বন্ধুত্ব, সহযোগিতাৰ এক সুদূৰপ্ৰসাৰী অনুভৱ অভিমুখে।

আলোচনাত আপোচ হয়, কিন্তু ডায়লগত আপোচৰ কোনো স্থান নাই। আপোচ কৰাৰ অৰ্থই হ'ল মই কেইটামান কথাত জিকিছো, কেইটামানত হাৰিছো। সেইদৰে আপুনিও কেইটামান কথাত জিকিছে, কিন্তু কেইটামানত হাৰিছে। কিন্তু ডায়লগ হ'ল এনেকুৱা এক খেল য'ত আমি সকলো কথাতে একেলগে জিকো অথবা একেলগে হাৰো। মোৰ জিকাটো আপোনাৰ হৰা হ'ব নোৱাৰে।

ডায়লগ ভোটিঙও নহয়। ডায়লগ গণতন্ত্ৰ, কিন্তু ভোটিঙৰ গণতন্ত্ৰ নহয়। এশজনৰ ঊনপঞ্চাশজনে ভোট নিদিলেও এজন নেতা দেশৰ মুখ্যমন্ত্ৰী হ'ব পাৰে। সেয়েহে

এগৰাকী গ্ৰীক দাৰ্শনিকে কৈছিল—When voting started, democracy ended. । আমি গণতন্ত্ৰ মানে বুজি পাওঁ নিকা নিৰ্বাচনৰ বা সকলোৰে মতামত শুনাৰ পিছত এটা সিদ্ধান্তত উপনীত হোৱাৰ কথা। বহু এনে গণতান্ত্ৰিক আলোচনা অনুষ্ঠিত হয়। কিন্তু ডায়লগে যি গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিব বিচাৰে সেয়া হ'ল ভিন্ ভিন্ মতামত থকা স্বত্বেও কোনো ক্ষুণ্ণ নোহোৱাকৈ কথা পতাৰ ক্ষমতা, ভিন্ ভিন্ মতামতৰ নিৰ্যাসৰ পৰা সকলোৰে বাবে গ্ৰহণযোগ্য এটা মতামতৰ সৃষ্টিৰ পথ নিৰ্মাণ কৰা। কিন্তু কিদৰে সেই পথ নিৰ্মাণ হ'ব, সেই কথা জানিবৰ বাবে আমি ডায়লগৰ প্ৰক্ৰিয়াটোৰ বিষয়ে কিছু সাধাৰণ কথা জানিব লাগিব।

(চৌধ)

ডায়লগ প্ৰক্ৰিয়াৰ ওপৰত এখন সামান্য গ্ৰন্থ ৰচনা কৰিছে Williams Isaacs য়ে। মানুহে যেতিয়াই মানি ল'ব নিবিচৰা মতামত এটাৰ সন্মুখীন হয়, সেই সময়ত মানুহৰ মনোজগতত কেনেধৰণৰ ক্ৰিয়া হয়, সেই সম্পৰ্কে Isaacs য়ে তেওঁৰ পথ-প্ৰদৰ্শক গ্ৰন্থ Dialogue and The Art of Thinking together ত সুন্দৰ আভাস দিছে। তেওঁৰ সেই আভাসৰ পৰা কথাখিনি আমি এনেদৰে বুজিবলৈ চেষ্টা কৰিব পাৰো। তেনে সময়ত অধিকাংশ মানুহে প্ৰথমতে ভাবে তেওঁ নিজৰ মতামত শুদ্ধ বুলি প্ৰতিপন্ন কৰিবৰ বাবে যুক্তি-তৰ্কত লিপ্ত হ'ব নে নহয়। তেওঁ ভাবে তেওঁৰ ওচৰত তিনিটা পথ খোলা আছে—প্ৰথম, তেওঁ নিজৰ মতৰ সপক্ষে তৰ্কত লিপ্ত হ'ব আৰু যুক্তিৰে অইনৰ মত নাকচ কৰিবলৈ চেষ্টা কৰিব, দ্বিতীয়, তেওঁ অইনৰ মতটো মানি ল'ব আৰু তৃতীয়, তেওঁ একো নোকোৱাকৈ মনে মনে থাকিব। কিন্তু অন্য এটা পথও আছে আৰু সেই পথটোৱেই হ'ল ডায়লগ আৰু এই পথটো নিৰ্মাণ হয় চাৰিবিধ উপাদান বা চাৰিবিধ কলাৰে। যিদৰে নাটক এখনৰ সৃষ্টি হয় বিভিন্ন কলাৰ সমন্বয়ত যেনে সংলাপ-প্ৰক্ষেপ, অঙ্গ-সঞ্চালন, আলোক নিয়ন্ত্ৰণ, মঞ্চসজ্জা ইত্যাদি, সেইদৰে ডায়লগো সৃষ্টি হয় মূলতঃ চাৰিবিধ কলাৰে। সেই চাৰিবিধ কলাক আমি নাম দিব পাৰো—Voicing, Respecting, Listening আৰু suspending.

Voicing মানে কথা কোৱা। Dialogue ত যি মুহূৰ্তত আপুনি কথা ক'ব সেই সময়ত কি অনুভৱ কৰিছে তাক নিঃসঙ্কোচে কোৱাৰ প্ৰয়োজন। ক'বৰ বাবে প্ৰস্তুত হৈ অহাৰ আপোনাৰ প্ৰয়োজন নাই। কেতিয়াবা এনেকুৱা সঙ্কোচো আপোনাৰ হ'ব

পাৰে যে কথাখিনি কৈ দিলে দেখোন আমাৰ অজ্ঞানতা, আমাৰ অগভীৰ চিন্তা, আমাৰ মনৰ ভিতৰত থকা এক অন্ধকাৰ দিশহে পোহৰলৈ আহিব, ই দেখোন আমাৰ ভাবমূৰ্ত্তিও নষ্ট কৰি দিব। কেতিয়াবা হয়তো এনেকুৱাও অনুভৱ হ'ব পাৰে যে আমি দেখোন বহুত কম জানো, আমাৰ দেখোন ক'বলগীয়া বিশেষ একো নাইয়েই, আমি যিবোৰ কৈ আছো সেইবোৰ দেখোন প্ৰকৃততে একধৰণৰ ৰিচুৱেল যাৰ বাস্তৱৰ সৈতে, আনকি আমাৰ নিজৰ মানসিকতাৰ সৈতেও কোনো সম্বন্ধ নাই। এই সকলো দ্বিধা-সঙ্কোচ আঁতৰাই নিজৰ অনুভৱ যথাযথভাৱে প্ৰকাশ কৰিব পৰাটোও এটা কলা বা আৰ্ট যাক আমি Voicing বুলি ক'ব পাৰো।

ডায়লগৰ দ্বিতীয় উপাদান ঃ Respecting । সন্মান কৰা। অইনৰ মতক সন্মান কৰাৰ অৰ্থ অইনৰ মত মানি লোৱা বা সহ্য কৰাটো নুবুজায়। মানি লোৱা বা সহ্য কৰাৰ অৰ্থটো সাধাৰণতে এনেকুৱা হয় যে আপোনাৰ মতামত মই শুদ্ধ বুলি নাভাবো, কিন্তু বিভিন্ন কথা চিন্তা কৰি সেই কথা মানি চলিবলৈ বা সেইমতে কাম কৰিবলৈ মই সন্মত হৈছো। ডায়লগত সন্মান কৰা বা Respecting ৰ অৰ্থ হ'ল ঃ মই আপোনাৰ সততা আৰু যোগ্যতাক সন্মান কৰো; আৰু আপোনাৰ মতামত সঠিকভাৱে বুজি পাবলৈ মই আন্তৰিকতাৰে চেষ্টা কৰি আছো। সাধাৰণ যেন লাগিলেও এয়া এক কঠিন কলা, কাৰণ অইনৰ মতামত বুজি পাবলৈ চেষ্টা কৰাতকৈ তাৰ বিৰুদ্ধাচৰণ কৰাৰ প্ৰৱণতাহে আমাৰ মনত জাগি উঠিব খোজে। আমি ধৰি ল'ব বিচাৰো যে আমাৰ মতামত মানি নোলোৱা ব্যক্তিজন মূৰ্খ অথবা মতলবী; তেওঁৰ সততা বা যোগ্যতাক সন্মান জনোৱা, তেওঁৰ মতামত আন্তৰিকতাৰে বুজি পাবলৈ চেষ্টা কৰাৰ প্ৰশ্নই নুঠে। সেয়েহে সন্মানতকৈ উপলুঙা কৰাৰ এক প্ৰৱণতাহে গা কৰি উঠে। আমাৰ বহু প্ৰখ্যাত বুদ্ধিজীৱীৰ লেখা আৰু কথা-বাৰ্ত্তাতে এই প্ৰৱণতা লক্ষ্য কৰা যায়। ইয়ে ইঙ্গিত দিয়ে ডায়লগৰ বাবে প্ৰয়োজন হোৱা এই সন্মান কৰা বা Respecting কলা তেওঁলোকে এতিয়াও আয়ত্ত্ব কৰিব পৰা নাই।

ইয়াৰ পিছৰ বিধ কলা হ'ল ঃ Listening বা শুনা। অইনে কিবা এটা ক'লে, কিবা এটা মতামত প্ৰকাশ কৰিলে আমি নিশ্চয় শুনিম। আমিতো সদায়ে কথা শুনিয়েই আছো। কিন্তু ডায়লগত ইয়াক এক বিশেষ কলা হিচাপে চিহ্নিত কৰা হৈছে কিয়? ডায়লগৰ শুনা বহুমাত্ৰিক। প্ৰথমতে অইনৰ মতৰ যিমানেই আমি বিৰুদ্ধাচৰণ নকৰো

কিয়, তাৰ প্ৰতি মনত কোনো প্ৰতিৰোধ বা বিৰোধিতাৰ সৃষ্টি নোহোৱাকৈয়ে সেই মতামত আমি শুনিব পাৰিব লাগিব। কওঁতাজনৰ মুখ, চকুৰ অভিব্যক্তি, শৰীৰৰ পোষ্টাৰ, অঙ্গ-চালনাই সমান্তৰালভাৱে কি কথা ক'ব বিচাৰিছে, সেয়াও শুনিব পাৰিব লাগিব। তাতোকৈও ডাঙৰ কথা মানুহজনৰ মতামতৰ কথা শুনাৰ সময়ত আমাৰ মনৰ ভিতৰত এক অনুভৱৰ সৃষ্টি হয়, সেই অনুভৱেও ফুচফুচাই আমাক কিবা ক'ব বিচাৰে, হয়তো কয় তুমি নামানিলে কি হ'ব, মানুহজনে দেখোন ঠিকেই কৈছে, তেওঁৰ কথাৰ কিন্তু ওজন আছে। মনটোৱে ফুচফুচাই ক'ব খোজা সেই অনুভৱৰ কথাও শুনিবলৈ জানিব লাগিব। এনেদৰে শুনাটোও এক সূক্ষ্ম কলা, আৰ্ট। সফল ডায়লগৰ বাবে এই আৰ্ট আমি শিকিবলৈ চেষ্টা কৰিব লাগিব।

অৱশেষত ডায়লগৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদান বা কলা হ'ল Suspending অৰ্থাৎ ওলোমাই ৰখা। এয়া এক সূক্ষ্ম আৰু কঠিন কলা কাৰণ ইয়াৰ সৈতে আপোনাৰ ইগো, আপোনাৰ অহঙ্কাৰ সকলো জড়িত হৈ আছে। আমি হয়তো সকলো বুদ্ধিমান মানুহ, আমাৰ সকলোৰে যুক্তিপূৰ্ণ নিজস্ব মতামত আছে আৰু মতামত থকাটো অনুচিতও নহয়, অস্বাভাৱিকও নহয়। কেতিয়াবা হয়তো এই মতামত নিয়ন্ত্ৰণ কৰিছে আমাৰ স্বাৰ্থই, সেয়া সম্পূৰ্ণ ব্যক্তিগত স্বাৰ্থ হ'ব পাৰে, নিজৰ ঠাইখনৰ, চুবুৰিটোৰ স্বাৰ্থ হ'ব পাৰে, আমাৰ ধৰ্মৰ স্বাৰ্থ হ'ব পাৰে, হ'ব পাৰে ভাষিক স্বাৰ্থ আৰু এই সকলোবোৰৰ আঁৰত আছে হয়তো কিছু ধাৰণা, ভাৱ, চিন্তা; সেই যে নদীৰ পৰা তুলি অনা পাতেৰে আমি নিৰ্মাণ কৰিছিলো পাতৰ দ'ম, তেনে কিছু দ'ম, Thoughts। এই পাতৰ দ'ম বা ভাববোৰেই আমাৰ এক ধৰণৰ গতানুগতিক চিন্তাধাৰাৰ সৃষ্টি কৰে; সেইবাবেই জাতীয়তাবাদী পাতেৰে যিসকলে পাতৰ দ'ম নিৰ্মাণ কৰে। তেওঁলোকে একেধৰণৰ গতানুগতিক মন্তব্যকে খামুচি ধৰি থাকে, মাৰ্ক্সবাদী পাতৰ দ'ম সাৰটি থকাসকলে অন্য এক গতানুগতিক মতামত খামুচি ধৰি থাকে; ময়ূৰ বৰাৰ দৰে যুৱকে আহি সেই পাতৰ দ'ম জোকাৰি দিলে সেয়েহে সকলো জাঙুৰ খাই উঠে। বিজ্ঞানী Francisco Varela য়ে খুব সুন্দৰ বিশ্লেষণ কৰি কৈছে যে প্ৰকৃত সত্য বা বাস্তৱক জানিবলৈ হ'লে আমি এই গতানুগতিক চিন্তাৰ অভ্যাসৰ পৰা প্ৰথমতে মুক্ত হৈ ল'ব লাগিব আৰু সেয়া সম্ভৱ হ'ব যদিহে সেই চিন্তাক ওলোমাই ৰখাৰ, Suspend কৰি ৰখাৰ কলা আমি শিকিব পাৰো। পদাৰ্থবিদ্ ডেভিড ব'মে 'Thought as a system'

নামৰ ৰচনাখনত ফঁহিয়াই দেখুৱাইছে কিদৰে আমি আমাৰ চিন্তাক নিয়ন্ত্ৰণ কৰাতকৈ, চিন্তাই আমাক নাকী লগাই নিয়ন্ত্ৰণ কৰে। চিন্তা হ'ব লাগে আমাৰ দাস, কিন্তু আমাৰ অজ্ঞতা অথবা অহঙ্কাৰৰ বাবে আমি হৈ পৰো আমাৰ চিন্তাৰ দাস। ইয়াৰ পৰা মুক্ত হ'বৰ বাবে আমি চিন্তাক ওলোমাই ৰাখি পৰীক্ষা কৰাৰ কৌশল আয়ত্ব কৰিবই লাগিব। ডেভিড ব'মে M. Edward নামৰ সহযোগী এগৰাকীৰ সৈতে অন্য এখন গৱেষণা পত্ৰ 'Changing consciousness : Exploring the Hidden source of the Social, Political and Environmental cvisis Facing the World' ত কৈছে যে এই ভাব বা চিন্তাক ওলোমাই ৰখা প্ৰক্ৰিয়াটোৰ পৰা এইটো বুজি ল'ব নালাগে যে আমাৰ মনত বাস্তৱ সম্পৰ্কে থকা ইমানদিনৰ ধাৰণাক আমি মচি পেলাব লাগিব, সেয়া সম্ভৱও নহয়; কাৰণ সেই ধাৰণাক পোনে পোনে নস্যাৎ বা অৱহেলা আমি কৰিব নোৱাৰো কাৰণ সেই মুহূৰ্তত সেয়াই আমাৰ বাবে সত্য, সেয়াই আমাৰ বাবে বাস্তৱ। তাৰ সলনি ওলোমাই ৰখাটো হ'ল এনেকুৱা এটা প্ৰক্ৰিয়া য'ত আমি আমাৰ মতামত, সেই মতামতৰ আঁৰত থকা ধাৰণাসমূহ ঠিক যেন এথোপা আঙুৰহে তেনেদৰে আমাৰ দুচকুৰ সন্মুখত ওলোমাই লওঁ, আৰু যেন লিৰিকি-বিদাৰি পৰীক্ষা কৰো; অইনকো কওঁ—আহাচোন, এই আঙুৰ থোপা পৰীক্ষা কৰি চোৱা; কেনে লাগিছে, পুৰঠ হৈ আছে নে পচি গৈছে; পচি গৈছে যদি মই বাৰু খামুচি ধৰি নাথাকো, এৰি দিম, সেয়েহে মই জোৰকৈ নধৰি আলফুলেহে ধৰি আছো।

এই ধাৰণা বা চিন্তাক ওলোমাই ৰখা কথাটো আমি অন্য এক উদাহৰণেৰে বুজিবলৈ চেষ্টা কৰো আহক। ধৰি লওঁক, আপুনি চকি এখনত বহি আছে আৰু দুহাতেৰে চকিখনৰ দুইফালৰ দুটা বাহু জোৰেৰে খামুচি ধৰি আছে। আপুনি আৰু বেছি জোৰেৰে ধৰিবলৈ চেষ্টা কৰক আৰু কল্পনা কৰক চকিখন শূন্যতে ওপঙি আছে। আপোনাৰ অনুভৱ হ'ব আপুনি যদি চকিখন খামুচি ধৰি নাথাকে, চকিখন সৰি পৰিব আৰু আপোনাৰ অস্তিত্বই সঙ্কটাপন্ন হৈ পৰিব। আপুনি অনুভৱ কৰিব যে সেই চকীখনেই আপোনাৰ অস্তিত্ব বজাই ৰাখিছে, সেই চকীখনেই আপোনাৰ অস্তিত্ব। আপুনি আৰু বেছি জোৰেৰে চকিখন খামুচি ধৰিবলৈ চেষ্টা কৰিব, যিমানেই জোৰেৰে ধৰিবলৈ চেষ্টা কৰিব, সিমানেই আপোনাৰ শৰীৰত, বাহুত, কান্ধত, পিঠিত, উদৰত, ডিঙিত আপুনি একধৰণৰ চাপ বা টেনচন অনুভৱ কৰিব।

এতিয়া চকীখনত খামুচি ধৰিবলৈ এৰি এনেয়ে হাতদুখন চকীৰ বাহু দুটাৰ ওপৰত থৈ দিয়ক। আপুনি অনুভৱ কৰিব যে আপোনাৰ শৰীৰৰ টেনচন প্ৰায় নোহোৱা হৈছে। আপোনাৰ নিজৰ অস্তিত্ব যে চকীখন নোহোৱাতকৈও আছে বা থাকিব পাৰে, সেই কথা আপুনি বুজিব পাৰিছে আৰু বুজিব পাৰিছে যে আপুনি চকীখনৰ দাস নহয় ঃ চকীখনহে আপোনাৰ দাস।

সেই চকীখনেই আপোনাৰ ধাৰণা, বিশ্বাস, মতামত, মতাদৰ্শ। সেইবোৰক খামুচি ধৰি নাথাকি, নিজে পৰীক্ষা-নিৰীক্ষা কৰা আৰু অইনকো পৰীক্ষা-নিৰীক্ষা কৰিবলৈ আহ্বান জনোৱা প্ৰক্ৰিয়াটোকে প্ৰকৃততে কোৱা হয় ডায়লগত ওলোমাই ৰখা বা Suspending বুলি। দুৰ্ভাগ্যবশতঃ বহু শিক্ষিত মানুহেও ধাৰণা বা মতাদৰ্শক ওলোমাই ৰখা কথাটো সহজতে হজম কৰিব নোৱাৰে। নিজৰ মতাদৰ্শ বা মতামতৰ প্ৰতি তেওঁ এক অন্ধ আসক্তি অনুভৱ কৰে; কাৰণ সেই মতামত বা মতাদৰ্শৰ অধিকাৰী হোৱাৰ বাবে তেওঁ হয়তো জীৱনত বহুতো কষ্ট কৰিবলগীয়া হৈছে, বহুতো অধ্যয়ন কৰিবলগীয়া হৈছে, বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছে; সেয়েহে কোনো সময়তে, আনকি কোনো বৃহত্তৰ স্বাৰ্থৰ বাবেও তেওঁ সেই মতাদৰ্শ এৰি এজন স্বাধীন মানুহ হ'ব নোৱাৰে, নিজৰ মতাদৰ্শক তেওঁ পৰীক্ষা-নিৰীক্ষা কৰি চাবলৈ ৰাজি নহয়; তেওঁৰ এনেকুৱা লাগে যেন সেই মতাদৰ্শই তেওঁ মানুহজন, সেই মতাদৰ্শৰ বাহিৰত তেওঁৰ কোনো অস্তিত্ব নাই। সেয়েহে সেই মতাদৰ্শক অইন কোনোবাই পৰীক্ষা কৰি চোৱাৰ অৰ্থ হ'ল তেওঁক লগ কৰি পৰীক্ষা কৰি চোৱা আৰু সেয়া অসহনীয়, আৰু সমাজখনেও যেন যিসকলে নিজৰ মতকে সজোৰে খামুচি ধৰি থাকে, চিঞৰ-বাখৰেৰে অইনৰ মতামতক ওফোৰাই দিব পাৰে তেওঁকেই সাহসী বুলি স্বীকৃতি দিয়ে; কিন্তু যিসকলে ডায়লগৰ কথা জানে তেওঁলোকে বুজি পায় যে তেওঁলোকহে প্ৰকৃততে সাহসী যিয়ে নিজৰ ভাৱমূৰ্ত্তিৰ কথা চিন্তা নকৰি নিজৰ মতামত সকলোৰে পৰীক্ষা-নিৰীক্ষাৰ বাবে ওলোমাই দিব পাৰে।

(পোন্ধৰ)

Voicing, Respecting, Listening, Suspending–কোৱা, সন্মান কৰা, শুনা আৰু ওলোমাই ৰখাক এই চাৰি উপাদান বা কলাৰ সমন্বয়ত কিদৰে ডায়লগ নামৰ সেই যাদুকৰী কলাৰ সৃষ্টি হয়, সেই সম্পৰ্কে তাত্ত্বিক দিশৰ পৰা মই মাত্ৰ এটা উপকৰা

ধাৰণাহে দিলো। কিন্তু ডায়লগ হ'ল এক অভিজ্ঞতা, সেই অভিজ্ঞতা আহৰণ নকৰাকৈ ইয়াৰ তাৎপৰ্য হৃদয়ঙ্গম কৰাটো সম্ভৱ নহয়। মই নিজেই ডায়লগ সঞ্চালনা কৰিছো আৰু দেখিছো কি এক আৱেগৰ উদ্‌গীৰণৰ মাজেৰে গৈ মানুহে উপনীত হয় এক আনন্দৰ চকুলো বোৱাই দিয়া বন্ধুত্ব আৰু সহযোগিতাত।

ডায়লগ শিকিবৰ বাবে আমি কেইজনমান লোক বৃত্তাকাৰে বহি ল'ব পাৰো, যি দৰে মানুহে ঘূৰণীয়া মেজমেলত বহে। বৃত্তাকাৰে বহাৰ অৰ্থ হ'ল ইয়াত কোনো প্ৰথম দ্বিতীয় নাই, কোনো মূৰব্বী নাই, কোনো নেতা নাই। ডায়লগ কোনে কেনেদৰে আৰম্ভ কৰিব তাৰও কোনো নিৰ্দিষ্ট পদ্ধতি নাই, কোনো সিদ্ধান্ত লোৱাৰ উদ্দেশ্য নাই, কোনো এজেন্দা নাই। যদিওবা বিষয় এটা থাকিব পাৰে। যিকোনো এজনে ক'বলৈ আৰম্ভ কৰিব পাৰে, বা কোনেও বহু সময় একো নক'বও পাৰে, এনে এক সুদীৰ্ঘ মৌনতা বিৰাজ কৰিব পাৰে যি মানুহৰ বাবে অসহনীয় হৈ উঠে আৰু সহ্য কৰিব নোৱাৰিয়েই কোনোবাই হয়তো মুখ খুলিব আৰম্ভ কৰে আৰু তাৰ পিছতেই ধীৰে ধীৰে ঘটি যায় সেই মেজিক, মানুহে তাৰ পিছত আপোনা আপুনিয়েই মনৰ ভিতৰখন উদঙাই দিয়াৰ এক উদগ্ৰ বাসনা অনুভৱ কৰিব তেওঁলোকে লাহে লাহে অনুভৱ কৰিব যে কোনো মতাদৰ্শই চিৰন্তন সত্য নহ'ব পাৰে, তেওঁলোকে বুজি পাব যে মতাদৰ্শই মানুহজন নহয়, দুইটা বেলেগ বেলেগ সত্বা ঃ তাত সংঘাতৰ সৃষ্টি হ'ব কিন্তু তেওঁলোকে জানিব যে সেই সংঘাত মতাদৰ্শৰ মাজতহে ঃ ব্যক্তিৰ মাজত নহয়, প্ৰথম বাৰতে যে ডায়লগ হ'ব সেয়াও নিশ্চিত নহয়; তেওঁলোকে হয়তো নিয়মিতভাৱে বহিব, হয়তো সপ্তাহত বা এমাহত এবাৰৰ বাবে, কিমান সময়ৰ বাবে ডাায়লগ হ'ব লাগিব তাৰও কোনো ধৰা-বন্ধা নিয়ম নাই, কেনেকৈ শেষ হয় তাৰও ঠিকনা নাই, হয়তো ই শেষ হ'ব আপোনা আপুনিয়েই। প্ৰথমতে হয়তো তেওঁলোক হতাশ হ'ব, কঠিন যেন লাগিব। কিন্তু যেতিয়াই ডায়লগৰ চাৰিবিধ উপাদানৰ কথা মনত ৰাখি তেওঁলোকে ডায়লগ চলাই যায়, লাহে লাহে ডায়লগ তেওঁলোকৰ বাবে এক অভ্যাসত পৰিণত হ'ব, তেতিয়াই আৰু কঠিন হৈ নাথাকে, তেওঁলোক সকলোৱে লাহে লাহে অনুভৱ কৰিবলৈ আৰম্ভ কৰিব যে তেওঁলোকে এনে কিবা এটা সৃষ্টি কৰিবলৈ আগবাঢ়ি গৈ আছে, যাৰ বিষয়ে সকলো কথা খৰচি মাৰি তেওঁলোকে নাজানে, তেওঁলোকে মাথো অনুভৱ কৰিব যে সেই সৃষ্টিৰ অংশীদাৰ হোৱাৰ এক বাসনা তেওঁলোকৰ

মনত জাগি উঠিছে, সেই সৃষ্টিক তেওঁলোকে ভাল পাবলৈ আৰম্ভ কৰিছে আৰু ভাল পাবলৈ আৰম্ভ কৰিছে সেই সৃষ্টিত ভাগ লোৱা সকলোকে।

আৰু ঠিক সেই মুহূৰ্ততে গীটাৰ, তানপুৰা, ভায়োলিন, তবলা বাজি উঠিব সুৰ-সমলয়ৰ সৃষ্টি কৰি। আপুনি দেখিব যে আপুনি যি মুহূৰ্তত যেনেদৰে তবলাত লহৰ দিব লাগে, আপোনা-আপুনিয়েই সেইদৰে সেই মুহূৰ্তত আপোনাৰ হাতৰ আঙুলি স্পন্দিত হৈ উঠিছে, ঠিক সময়তে আনজনে টান দিছে ভায়োলিনত; এয়া আৰু কাৰোবাবেই কঠিন হৈ থকা নাই। হৈ থকা নাই বেসুৰা, অলপ আগৰ কোলাহল ৰূপান্তৰিত হৈছে শ্ৰুতিমধুৰ সুৰ-সমলয়লৈ।

বিশ্বৰ, দেশৰ সুখ আৰু সমৃদ্ধিৰ বাবে, শান্তি আৰু বিকাশৰ বাবে অজস্ৰ লোকে আন্তৰিকতাৰে কাম কৰি আছে, কিন্তু দুৰ্ভাগ্যবশতঃ সি হৈ আছে এটা কোলাহলৰ দৰে। সেই কোলাহলক সুৰ-সমলয়লৈ ৰূপান্তৰিত কৰি আমাৰ ঘৰখন, দেশখন, পৃথিৱীখন এক প্ৰকৃত সুখ আৰু শান্তিৰ আলয়লৈ ৰূপান্তৰিত কৰিবৰ বাবে এই মুহূৰ্তত আটাইতকৈ গুৰুত্ব সহকাৰে ল'বলগীয়া বিষয়টোৱেই হ'ল ঃ ডায়লগক এক কলা হিচাপে শিকিবলৈ আৰম্ভ কৰা। মোৰ এগৰাকী বন্ধুৱে সিদিনা গুৱাহাটীত দালাই লামাৰ ভাষণ শুনি গৈ খুব উৎসাহেৰে মোক জনাইছে যে দালাই লামাই গুৱাহাটীতো বোলে ঘোষণা কৰিছে যে Let this Century be a century of Dialogue। এই শতিকাটো ডায়লগৰ শতিকা হওঁক। ময়ো এই মুহূৰ্তত ঠিক তাকেই কামনা কৰিছো আৰু আশা কৰিছো আজিৰ পৰা এই কলাৰ অভ্যাস আপোনালোকে আৰম্ভ কৰিব।

(ষোল)

ডায়লগৰ অভ্যাস কিদৰে আৰম্ভ কৰাৰ কথা চিন্তা কৰিবপাৰে, সেই সম্পৰ্কে কেইটামান প্ৰাথমিক ইঙ্গিত দি মই মোৰ এই আলোচনা সামৰিম।

মোৰ প্ৰথম ইঙ্গিত ঃ আপোনালোক পতি-পত্নীৰ মাজত বা বন্ধু-বান্ধৱীৰ মাজত নিশ্চয় এনে বহু বিষয় আছে, যিবোৰৰ আপোনালোকৰ মতামত সম্পূৰ্ণ বিপৰীত। সন্ধিয়া পৰত বাৰাণ্ডাত, একাপ চাহ লৈ বা কোনো পাৰ্কত বহি তেনে কোনো বিষয় এটাৰ ওপৰত কথা পাতিবলৈ আৰম্ভ কৰক। কথা পতাৰ সময়ত যিমানদূৰ পাৰে Voicing-Respecting-Listening-Suspending-ডায়লগৰ এই চাৰিবিধ কলা প্ৰয়োগ

কৰিবলৈ চেষ্টা কৰিব। চাওঁকচোন খং নুঠাকৈ কিমান সময় কথা পাতিব পাৰে, বা খং উঠিলে পুনৰ শান্ত হ'বলৈ কিমান সময় লাগে।

দ্বিতীয় ইঙ্গিত ঃ এবাৰ একত্রিশ ডিচেম্বৰৰ কথা। আমি ছোৱালী কেইজনীক লৈ কাজিৰঙাত নতুন বছৰটো পাৰ কৰিম বুলি ওলাই গৈছিলো। সিহঁতৰ লগৰ সকলো মুম্বাই-দিল্লীলৈ ফুৰিবলৈ গৈছিল। সেয়েহে সিহঁতৰ মনত দুখ। আমি ক'তো হোটেলত ঠাই নাপালো। অৱশেষত অৰণ্যৰ প্রায় ভিতৰত তম্বুৰ তলত আমি ৰাতি থাকিলো। ভীষণ ঠাণ্ডা। মনোৰঞ্জনৰ কোনো সাধন নাই, আনকি দূৰদৰ্শনো নাই। আমি জুই একুৰা জ্বলাই তাৰ চাৰিওফালে বহি সিহঁতৰ গৰম বস্ত্ৰত ক'লৈ যাম কথা পাতিছিলো।

তাৰ বহুদিন পিছত ছোৱালী এজনীয়ে সুধিছিল—দেউতা, সেই যে কাজিৰঙাৰ অৰণ্যৰ তম্বুৰ তলত আমি আছিলো, মোৰ সকলো আউটিঙৰ ভিতৰত সেইটোৱে আটাইতকৈ ভাল লাগিছিল। কৌতূহলী হৈ সুধিছিলো—কি ভাল লাগিছিল? আমি যে জুইৰ কাষত সকলোৱে বহি পিছৰ গৰম বস্ত্ৰত কি কৰিম সেই বিষয়ে কথা পাতিছিলো, মোৰ বিৰাট ভাল লাগিছিল।

পৰিয়ালৰ সকলো লগ লাগি ভাত খোৱাৰ পিছত সপ্তাহত তেনেদৰে বহি অন্ততঃ কোনো এটা বিষয়ৰ ওপৰত কথা পাতিবলৈ আৰম্ভ কৰক।

তৃতীয় ইঙ্গিত ঃ অন্ততঃ কুৰিজন ছাত্র-ছাত্রী একগোট হৈ মাহত এবাৰকৈ ডায়লগৰ চাৰিবিধ কলা মনত ৰাখি একোটা বিতৰ্কিত অথচ প্ৰয়োজনীয় বিষয়ৰ ওপৰত কথা পাতক।

চতুৰ্থ ইঙ্গিত ঃ বিভিন্ন কলেজৰ কুৰিজনমান শিক্ষক-শিক্ষয়িত্রীৰ এটা গোট তৈয়াৰ কৰি শিক্ষা বিষয়ৰ এটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত এনেয়ে কথা পাতিবলৈ আৰম্ভ কৰিব পাৰে।

পঞ্চম ইঙ্গিত ঃ কেইজনমান সাংবাদিক-বুদ্ধিজীৱীক লৈ একোটা বিতৰ্কিত বিষয়ৰ ওপৰত ডায়লগ আৰম্ভ কৰিব পাৰে।

ষষ্ঠ ইঙ্গিত ঃ কলেজসমূহত ডায়লগৰ ওপৰত চেমিনাৰ বা কৰ্মশালাৰ আয়োজন কৰিব পাৰে।

মই ভাবো, প্ৰথম অৱস্থাত এইখিনি কৰিয়েই দালাই লামাই এইখন চহৰতে দি যোৱা ডায়লগৰ শতিকাৰ প্ৰস্তাৱৰ প্ৰতি আপোনালোক সকলোৱে ইতিবাচক সঁহাৰি

জনাব পাৰে। মই নিশ্চিত এইদৰে ডায়লগৰ অভ্যাস গঢ়ি তুলিলে আমাৰ পৰিয়ালত, সমাজখনত, দেশখনত ধীৰে ধীৰে কাণ তাল মৰা কোলাহলৰ তীব্ৰতা স্তিমিত হৈ সৃষ্টি হ'ব ৰ লাগি শুনিবলৈ মন যোৱা সুৰ-সমলয়ৰ। সেয়াইতো আমাৰ সকলোৰে কাম্য।

(সৌঁতৰ)

বগৰ ঃ আমাৰ গৃহ মন্ত্ৰী আৰু বিত্ত মন্ত্ৰীয়ে এবাৰ আন্তৰ্জাতিক সন্মিলন এখনত যোগ দিবৰ বাবে ইংলেণ্ডত উপস্থিত হ'ল। সন্মিলনত ভাৰতবৰ্ষৰ বাবে নিৰ্দ্ধাৰিত কৰা স্থানত গৃহ মন্ত্ৰী আৰু বিত্ত মন্ত্ৰী একেলগে নিয়ম অনুসৰি বহিল। বিত্ত মন্ত্ৰীয়ে গম পালে গৃহ মন্ত্ৰীৰ মোজাৰ পৰা পঁচা পঁচা গোন্ধ এটা ওলাইছে। তেওঁৰ খঙো উঠিল, অস্বস্তিতও পৰিল। কথাটো সৰু হ'লেও দেশখনৰ সন্মান জড়িত হৈ আছে। তেওঁ অলপ খঙেৰেই ফুচফুচাই গৃহ মন্ত্ৰীক ক'লে—তোমাৰ মোজাৰ পৰা গোন্ধ ওলাইছে। ৰাতি ৰাণীয়ে ৰাজপ্ৰসাদত ডিনাৰলৈ মাতিছে। তাৰ্লৈ নতুন মোজা পিন্ধি আহিবা।

ৰাতি ডিনাৰৰ সময়তো সেই একেই গোন্ধ। আগতকৈও বেছিহে। বিত্ত মন্ত্ৰীৰ খঙে মূৰৰ চুলি পালে। তেওঁ গৃহ মন্ত্ৰীক খঙেৰেই ক'লে—ইমান কোৱাৰ পিছতো তুমি মোজাযোৰ সলনি কৰি নাহিলা। গৃহ মন্ত্ৰীয়ে তপৰাই উত্তৰ দিলে তুমি কি কৈছা। সন্ধিয়া দৌৰা-দৌৰিকৈ মই নতুন মোজা কিনি আনি পিন্ধি আহিছো। এয়া চোৱা দোকানৰ কেচ মেমো। বিত্ত মন্ত্ৰীয়ে পুনৰ খঙেৰে সুধিলে—নতুন মোজাৰ কেনেদৰে পঁচা পঁচা গোন্ধ ওলাব পাৰে। এই কেচ মেমোত মই বিশ্বাস নকৰো। এইবাৰ গৃহ মন্ত্ৰীয়ে বিজয়ৰ হাঁহি মাৰি ক'লে মই জানো। তুমি বিত্ত বিভাগৰ মন্ত্ৰী, সেয়েহে কেচ মেমোখনো নকল বুলি ক'বা। সেই কাৰণে, এয়া চোৱা মই পুৰণি মোজাযোৰ কোটৰ পকেটত লৈ আহিছো। তেওঁ সগৌৰৱে পুৰণি মোজাযোৰ উলিয়াই দেখুৱালে।

সেই মোজাযোৰৰ দৰে আমাৰ বহু মতাদৰ্শ, ধাৰণা পঁচি পঁচি গৈছে, তাৰ পৰা দুৰ্গন্ধ ওলাইছে। নতুন নতুন ধাৰণা হয়তো আমদানী কৰিছো। কিন্তু মনৰ ভিতৰত ক'ৰবাত সেই অচল, পঁচি যোৱা মতাদৰ্শ ৰৈ গৈছে। সেইবোৰ ধুই-পখালি পৰিষ্কাৰ কৰিব লাগিব, সম্পূৰ্ণ পঁচি গৈ যদি অচল হৈ পৰিছে তেনেহ'লে আৱৰ্জনা হিচাপে পেলাই দিব লাগিব।

সেই সিদ্ধান্ত লোৱাৰ আগতে আৰম্ভ হ'ব লাগিব ডায়লগৰ এক বিপ্লৱ ঃ সঠিক সিদ্ধান্ত আপোনা আপুনিয়েই সেই ডায়লগৰ Bye Product হিচাপে ওলাই আহিব।

লেখক পৰিচিতি ঃ

ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী

অসমীয়া সাহিত্যৰ আগশাৰীৰ গদ্য লেখক, চিন্তাশীল প্ৰাবন্ধিক, তথা ঔপন্যাসিক ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীয়ে ১৯৫৩ চনত বৰপেটা জিলাৰ পাটাছাৰকুছিত জন্ম গ্ৰহণ কৰে। তেখেতে বেনাৰছ হিন্দু বিশ্ববিদ্যালয়ৰ পৰা কেমিকেল ইঞ্জিনিয়াৰিঙত ডিগ্ৰীলাভ কৰি বৰ্তমান দুলীয়াজান তেল কোম্পানীত মহাপ্ৰবন্ধক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছে। এইটো পৰিচয়তকৈ চৌধুৰী ডাঙৰীয়াৰ আন এক পৰিচয়হে আমাৰ মাজত অধিক জনপ্ৰিয়, সেয়া হৈছে ঔপন্যাসিক ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী। 'অনুৰাধাৰ দেশ' উপন্যাসখনেৰে সাহিত্যৰ জগতত প্ৰৱেশ কৰা দেৱচৌধুৰীয়ে এইখন জনপ্ৰিয় উপন্যাসৰ বাবে ১৯৯৩ চনত অসম সাহিত্য সভাৰ বিষ্ণুৰাভা বঁটা লাভ কৰে। এইগৰাকী সাহিতিকৰ উল্লেখযোগ্য গ্ৰন্থসমূহ হ'ল—অনুৰাধাৰ দেশ, গল্পলিখাৰ গল্প, সত্যানুসন্ধান, ইডিপাছ-ইডিপাছ, প্ৰেমৰ ঘৰ, হোমন বৰগোহাঞি মুৰ্দাবাদ, মৃত্যুৰ লেখা প্ৰেমৰ লেখা, বাস্তৱ আৰু বিষাদ, প্ৰেমৰ দিনৰ প্ৰস্তাৱ, পঞ্চাশত পচিঁশৰ প্ৰেম, গৰখীয়া দেশ, জ্যোতিপ্ৰসাদঃ শতবৰ্ষৰ সংযোগ, অকবি কবিৰ ঘৰ, প্ৰথম দেখা, মোক পৱিত্ৰ কৰা আৰু এশবছৰৰ অসমীয়া গদ্য সাহিত্য ঃ এক বৌদ্ধিক যাত্ৰা ঃ ১৯০০-১৯৯৯'

এইগৰাকী সুসাহিত্যিকৰ বহুতো ৰচনা বঙলা, উড়িয়া, নেপালী, বড়ো আৰু ইংৰাজী ভাষালৈ অনুবাদ হৈছে। আনন্দৰাম বৰুৱা বঁটা আৰু সাহিত্য জ্যোতি বঁটাৰেও তেখেত সন্মানিত হৈছে।